● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম’বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম’বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল




www.dainikagradoot.in

৭ একবিংশ শতিকাৰ বিহু
১৫ চেম্পিয়নছ লীগৰ ছেমিফাইনেলত ৰিয়াল মাদ্ৰিদ
৪ অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ পণ এই বিহুতেই ল’ব লাগিব ঃ সংকট কালৰ ৰঙালী বিহু

RNI-Regd No. 62953/96 ■সপ্তবিংশতিতম বছৰ ● ১৮৫তম সংখ্যা ● গুৱাহাটী ● বৃহস্পতিবাৰ ৩০ চ’ত ১৪২৮ ভাস্কৰাব্দ ১৪ এপ্ৰিল ২০২২ চন ■DAINIK AGRADOOT ● Guwahati ● Thursday 14 April 2022 মূল্য ঃ ৯.০০ টকা




■ আজি গৰু বিহু ■ ক’ভিডসৃষ্ট দুটা বৰ্ষৰ বিৰতিৰ মূৰত দুগুণ উছাহেৰে ৰঙালীক আদৰাৰ ব্যাপক প্ৰস্তুতি ৰাজ্যবাসীৰ ■ বিহুৰ বতৰত আপোনজনক লগ পাবলৈ ঘৰমুৱা হৈছে ৰাইজ

# ৰঙালীৰ আনন্দত থৌকি-বাথৌ

**স্টাফ ৰিপ’ৰ্টাৰ**

**গুৱাহাটী, ১৩ এপ্ৰিল ঃ** ‘বিহু আনন্দীয়া, বিহু বিনন্দীয়া, বিহু অসমীয়াৰ প্ৰাণ; এনুৱা বিহুটি এৰিব লাগিলে নাথাকে অসমৰ মান।’ বসন্তৰ সুমধুৰ পৰশত, শ্যামলিমা প্ৰকৃতিৰ ভৰুণ শোভা, কপৌ-কেতেকী, মাধৈ-মালতিৰ প্ৰাণস্পৰ্শী সুৱাসৰ মাজেৰে পুনৰ ধৰালৈ আহিল অসমীয়াৰ বাপতি সাহোন ব’হাগ বিহু। ক’ভিডৰ আতংকৰ পৰিস্থিতিত দেশৰ লগতে ৰাজ্যবাসীয়ে দিন কটোৱাৰ পাছত এইবাৰ মুকলি মনেৰে পূৰ্বৰ দৰে হেঁপাহৰ বিহুটি উদ্‌যাপন কৰিবলৈ সাজু হৈছে। অসমৰ গাঁৱে-ভূঞে, চহৰে-নগৰে দুগুণ উৎসাহেৰে বিহুৰ আনন্দত মতলীয়া হ’বলৈ সাজু হৈছে ৰাইজ। কাইলৈ গৰু বিহু উপলক্ষে কৃষিভিত্তিক এই উৎসৱৰ বতৰত প্ৰথমে ১০ পৃষ্ঠাত চাওক

## আত্মীয়ক আদৰিবলৈ গৈ দুৰ্ঘটনাত একে পৰিয়ালৰ ছজনৰ মৃত্যু

**ডিভাইডাৰত খুন্দা মৰা ইন’ভাৰ ভিতৰতে প্ৰাণ হেৰুৱালে তিনি শিশুৱে**



**অগ্ৰদূত বাৰ্তা**

**যমুনামুখ, ১৩ এপ্ৰিল ঃ** হোজাই জিলাৰ ডবকাত আজি বিয়লি সংঘটিত এক ভয়ংকৰ পথ দুৰ্ঘটনাত তিনি শিশু-এগৰাকী মহিলাসহ একেটা পৰিয়ালৰ ছজন লোকৰ মৃত্যু হোৱাৰ ঘটনাই ১০ পৃষ্ঠাত চাওক

**ছাত্ৰীবাৰীৰ ডকাইতি কাণ্ডৰ মূল নায়ক নিহত**

## মহানগৰীত বিগত সপ্তাহত মাত্ৰ দুটাহে হত্যাকাণ্ড সংঘটিত হৈছে

সংবাদমেলত ক’লে যুটীয়া আৰক্ষী অধীক্ষকে

**স্টাফ ৰিপ’ৰ্টাৰ**

**গুৱাহাটী, ১৩ এপ্ৰিল ঃ** বিগত সপ্তাহত মহানগৰীৰ বিভিন্ন স্থানৰ পৰা উদ্ধাৰ কৰা সাতটা মৃতদেহৰ ভিতৰত পাঁচজনৰে আত্মহত্যা অথবা অস্বাভাৱিক কাৰণত মৃত্যু হৈছে। আনহাতে, দুজন হত্যাৰ ঘটনাৰ ফলত নিহত হৈছে। আজি এক সংবাদমেলত ১০ পৃষ্ঠাত চাওক



ব’হাগৰ সেউজবুলীয়া প্ৰকৃতিৰ কোলাত বিহুৱতীৰ উথপথপ, ঢকুৱাখনাত।




মুখ্যমন্ত্ৰী ড° শৰ্মাকে ধৰি বিভিন্নজনৰ ৰঙালীৰ শুভেচ্ছা

## অসমীয়া নৱবৰ্ষই কঢ়িয়াই আনক শান্তি-ঐক্য-প্ৰেমৰ বাৰ্তা

**স্টাফ ৰিপ’ৰ্টাৰ**

**গুৱাহাটী, ১৩ এপ্ৰিল ঃ** অসমীয়া নৱবৰ্ষ তথা অসমীয়া সমাজ জীৱনৰ দাপোণ ১০ পৃষ্ঠাত চাওক

বিদেশী আইনৰ সংশোধনী বিচাৰি ন্যায়ালয়ত আবেদন

## সংখ্যালঘুক হাৰাশাস্তিৰ অভিযোগত কেন্দ্ৰ-ৰাজ্যলৈ জাননী

**স্টাফ ৰিপ’ৰ্টাৰ**

**গুৱাহাটী, ১৩ এপ্ৰিল ঃ** ৰাজ্যত বিদেশী চিনাক্তকৰণ আৰু বিতৰণৰ নামত ধৰ্মীয় আৰু ১০ পৃষ্ঠাত চাওক

**বন্ধৰ জাননী**

ৰঙালী বিহু উপলক্ষে ১৪ আৰু ১৫ এপ্ৰিলত আমাৰ কাৰ্যালয় বন্ধ থকা হেতুকে ১৫ আৰু ১৬ এপ্ৰিলৰ ‘দৈনিক অগ্ৰদূত’ প্ৰকাশ নাপায়। পৰৱৰ্তী সংখ্যা প্ৰকাশ পাব ১৭ এপ্ৰিল, দেওবাৰে।

—কাৰ্যাধ্যক্ষ

**মাহে ৰমজান**

ইফটাৰ
আজি আবেলি ঃ ৫.৪৭ বজা
ছেহেৰী
কাইলৈ পুৱা ঃ ৩.৩৯ বজা
* গুৱাহাটীৰ সময়



দৈনিক অগ্ৰদূত
গুৱাহাটী, ১৪ এপ্ৰিল, ২০২২ বৃহস্পতিবাৰ পৃষ্ঠা তিনি

## বিলাসনন্দন চ'ৰা



# ৰঙালী-চঙালী-ঢঙালী-বাঙালী

**দুবছৰৰ** মূৰত ৰঙালী আহি গ'ল। তাকে লৈ যিমান স্ফূৰ্তি হ'ব লাগিছিল, সিমান হোৱা নাই। তাৰ কাৰণ অৱশ্যে বহুকেইটা আছে। এই কাৰণবোৰৰ কাৰণেই ৰঙালীয়ে আজি ভিন্নজনৰ ওচৰত ভিন্ন নাম ধাৰণ কৰি একপ্ৰকাৰ বেনামী হৈ পৰিছে। আজি-কালি কোনেও নকয় যে ৰঙালী বিহুৰ ওলগ জনালো। ইমান দীঘলীয়াকৈ কৈ অযথা টাইম নষ্ট কৰিব নোৱাৰি। তাতকৈ চমুকৈ কৈ থৈ দিয়া হয়— হেপী বিহু! অৱশ্যে লাহে লাহে এই হেপী বিহুও হিন্দীলৈ ট্ৰেন্সলেট হ'বলৈ গৈ আছে। তেতিয়া হয়তো আটায়ে বিহুৰ শুভেচ্ছা দিবলৈ গৈ ক'ব—হাৰ্দিক শুভ কামনায়েঁ! কেইবছৰমান পাছত কোনোবাই যদি বিহুৰ ওলগ বুলি কয়, তেতিয়া হয়তো ল'ৰা-ছোৱালীৰ মনত বিভিন্ন প্ৰশ্ন জাগিব—'প্ৰণাউন্সিয়েছন কিয় ইতনী খাৰাব হে! অলগকো ওলগ বোলতা হে!' আকৌ কাৰোবাৰ মনত এই বুলিও প্ৰশ্ন জাগিব—'বিহু মে কেইছে অলগ ৰহেংগে! বিহু মেতো এক সাথ ৰহনা চাহিয়েনা!'




ৰঙালীৰ নামটোও পৰিৱেশ-পৰিস্থিতি চাই ভিন্নজনৰ কাৰণে বিভিন্ন হ'বলৈ লৈছে। বস্তুৰ দামে বহুতকে কাঙাল কৰি পেলাইছে। সেইফালৰ পৰা এই ৰঙালীটো এটা কাঙালী বিহু। প্ৰত্যেকৰে জেপ খালী, বেগ খালী। তেওঁলোকৰ কাৰণে এইটো ৰঙালী নহয়, জেপ খালী বিহুহে! গায়ক-গায়িকাবোৰৰ কাৰণে এই ৰঙালীটো টকা ঘটাৰ সময়। তেওঁলোকৰ কাৰণে ৰঙালী মিনছ ছং এণ্ড ছং। উইদাউট ছং, নো ৰং। গতিকে তেওঁলোকৰ কাৰণে এইটো যিমান ৰঙালী, তাতকৈ বহু বেছি চঙালী। আকৌ ল'ৰা-ছোৱালীবোৰৰ কাৰণে নতুন নতুন কাপোৰ পিন্ধি ঢং দেখুওৱাৰ এটা সুবৰ্ণ সুযোগ হ'ল এই ৰঙালী। গতিকে সিহঁতৰ কাৰণে এই ৰঙালীটো হ'ল ঢঙালী; কিন্তু চৰকাৰী এমপ্লয়ীবোৰৰ কাৰণে এই ৰঙালীৰ তাৎপৰ্যই বেলেগ। বিহুৰ বন্ধ যদি দুদিন, সাতদিন-দহ দিনলৈ তেৰাসৰে অফিচৰ পৰা বাং মাৰি দিয়ে। ৰঙালীয়ে তেওঁলোকক অফিচত বাং মৰাৰ এটা গোল্ডেন চান্স আনি দিয়ে। সেই ফালৰ পৰা ৰঙালীটোক তেওঁলোকে বাঙালী বিহু বুলিও কয়। বহুতে আকৌ বিহু পতাৰ নামত সেই তিনিদিন-চাৰিদিন বেমাৰ হোৱাকৈ ভোগ কৰে। সেয়েহে তেওঁলোকৰ কাৰণে এই ৰঙালীটো একপ্ৰকাৰ ভোগালী বিহু। ৰঙালীত ৰং কৰাৰ নিমিত্তে সেইকেইদিন বহুতে নিচা ধৰি অলিয়ে গলিয়ে ঘূৰি ফুৰে। সেই কাৰণে ৰঙালীটো সিহঁতৰ কাৰণে নিচালি বিহু। এই ৰঙালীতে গিৰীয়েকবোৰে 'কাপোৰ নিদিলে মাৰ ঘৰলৈ গুচি যাম' বুলি ঘৈণীয়েকবোৰে ধমকি দিয়ে। সেই ফালৰ পৰা এইটো ধমকালি বিহু। পুতেকৰ বাইকত বেলেগ ছোৱালী। জীয়েক বেলেগ ল'ৰাৰ বাইকত। সেই ফালৰ পৰা ৰঙালীক বাইকালি বিহুও বুলিব পৰা যায়।

ৰঙালীক লৈ দিল্লীতো এইবাৰ তামাম উৎকণ্ঠা বিৰাজ কৰি আছে। দিল্লীৰ পৰা বাৰে বাৰে দিছপুৰলৈ হুকুম আহি আছে— ফটো লাগিব। বিহু নাচি থকা ডেকা ল'ৰা-ছোৱালীৰ ফটো লাগিব। বিহুৰ ফাংচনত নাচি থকা ল'ৰা-ছোৱালীৰ ফটো লাগিব। ফেমিলীবোৰে হাঁহি হাঁহি শ্বপিং কৰি থকাৰ ফটো লাগিব। মুঠতে ৰঙালীৰ ৰং কৰা সকলো ধৰণৰ ফটো কালেক্ট কৰি দিল্লীৰ দৰবাৰলৈ পঠাব লাগে বুলি দিছপুৰলৈ হুকুম জাৰি কৰা হৈছে। বহুতৰে মনত প্ৰশ্ন জাগিছে, 'ৰঙালীৰ ফটোৰে দিল্লীয়ে কৰিব কি?' দিল্লীৰ দৰবাৰৰ মানুহে কৈছে— 'কি কৰো বাদ দিয়ক। বাদশ্বাহে বিচাৰিছে। ফটোবোৰ লাগিবই।'

ঃ কিন্তু এইবোৰ ফটোৰে বাদশ্বাহে কৰিব কি!
ঃ বাদশ্বাহে কিবা কৰিব।
ঃ কি কৰিব?
ঃ বাদশ্বাহে প্লেনিং কৰি আছে।
ঃ কিহৰ কাৰণে?
ঃ ২০২৪ৰ কাৰণে।
ঃ তাত ৰঙালীত নাচি থকা ল'ৰা-ছোৱালীৰ ফটোবোৰ নি কি কৰিব?
ঃ সেই ফটোবোৰ প্ৰমাণ হিচাপে ব্যৱহাৰ কৰিব।
ঃ কিহৰ প্ৰমাণ।
ঃ অচ্ছে দিন যে আহি গ'ল, তাৰেই প্ৰমাণ।

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

## নগাঁৱৰ এডিপি কলেজৰ অধ্যক্ষক গুৱাহাটীত গ্ৰেপ্তাৰ

**বিশেষ সংবাদদাতা**
**নগাঁও, ১৩ এপ্ৰিল ঃ** এগৰাকী অস্থায়ী সহযোগী অধ্যাপিকাই যৌন নিৰ্যাতনৰ অভিযোগ তুলি নগাঁও সদৰ আৰক্ষী থানাত ৰুজু কৰা এক গোচৰ মৰ্মে আজি নগাঁও আৰক্ষীৰ এটা দলে নগাঁও চহৰৰ ঐতিহ্যমণ্ডিত উচ্চ শিক্ষাৰ অনুষ্ঠান আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় অধ্যক্ষ ড° সুৰজিৎ কুমাৰ ভাগৱতীক গ্ৰেপ্তাৰ কৰে। আজি বিয়লি *আঠ পৃষ্ঠাত চাওক*

## ইউৰিয়াৰ বাহিৰে আন ৰাসায়নিক সাৰ বিক্ৰী কৰিবলৈ সাৰ ব্যৱসায়ীক সন্মতি

# উৎপাদন বৃদ্ধিত বিক্ৰেতাও দায়বদ্ধ

### ৰাসায়নিক সাৰ ডিলাৰ সন্থাৰ স'তে কৃষিমন্ত্ৰী অতুল বৰাৰ বৈঠক

**গুৱাহাটী, ১৩ এপ্ৰিল ঃ** কৃষকৰ স্বাৰ্থক আগত ৰাখি ৰাসায়নিক সাৰ সহজলভ্য কৰি তুলিবলৈ ৰাসায়নিক সাৰ বিক্ৰেতাসকলক আহ্বান জনাইছে কৃষিমন্ত্ৰী অতুল বৰাই। সদৌ অসম ৰাসায়নিক সাৰ ডিলাৰ সন্থা আৰু কৃষিমন্ত্ৰী বৰাৰ মাজত কালি এই সন্দৰ্ভত এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত সাৰৰ ডিলাৰসকলক মন্ত্ৰীজনে ৰাজ্যখনৰ কৃষি উৎপাদন বৃদ্ধিৰ ক্ষেত্ৰত ৰাসায়নিক সাৰ বিক্ৰেতাসকলৰো দায়বদ্ধতা আছে আৰু উৎপাদন বৃদ্ধিৰ ধাৰা অব্যাহত ৰাখিবলৈ কৃষকে উপযুক্ত সময়ত উচিত মূল্যত ৰাসায়নিক সাৰ লাভ কৰাটো সাৰ বিক্ৰেতাসকলে নিশ্চিত কৰিব লাগিব বুলি কয়। বৈঠকত ৰাসায়নিক সাৰ ডিলাৰ সন্থাই ৰাজ্যখনত ইউৰিয়াৰ বাহিৰে ডাই এমোনিয়াম ফচফেট, একক ছুপাৰ ফচফেট আৰু মিউৰিয়েট অৱ পটাছ সাৰৰ বিক্ৰী পুনৰ বিক্ৰী কৰিবলৈ সন্মতি প্ৰকাশ কৰে। উল্লেখ্য যে আজি কিছুদিন ধৰি সাৰৰ ডিলাৰসকলে অসমত সকলো ধৰণৰ ৰাসায়নিক সাৰৰ বিক্ৰী বন্ধ কৰি ৰাখিছিল। সন্থাৰ অনুৰোধত কৃষিমন্ত্ৰী বৰাই বৰ্তমান ৰাসায়নিক সাৰৰ আন্তঃজিলা বিক্ৰীৰ ক্ষেত্ৰত থকা বাধা নিষেধ আৰু ডিলাৰসকলৰ দ্বাৰা ৰাসায়নিক সাৰ মজুতকৰণৰ ক্ষেত্ৰত থকা উচ্চ আৰু নিম্ন সীমাৰ বিষয়টো পুনৰ পৰীক্ষা কৰাৰ আশ্বাস দিয়ে। পাইকাৰী আৰু খুচুৰা সাৰ বিক্ৰেতাসকলৰ ক্ষেত্ৰত চৰকাৰে পূৰ্বে নিৰ্দিষ্ট কৰি দিয়া সাৰ বিক্ৰীৰ পৰিসীমা বৃদ্ধি কৰাৰ বাবে *আঠ পৃষ্ঠাত চাওক*



*ৰঙালীত হাত ৰাঙলি কৰিবলৈ জেতুকা সংগ্ৰহ, বুধবাৰে।*

## জিলাই জিলাই ভিন ভিন মূল্য এটি কলি দুটি পাতৰ চাহ ব'ৰ্ডৰ নিষ্ক্ৰিয়তাৰ সুযোগ গ্ৰহণ একাংশ ফেক্টৰীৰ

# পাত বিক্ৰীৰ আৰম্ভণিতেই চাহ খেতিয়কক মাধমাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৩ এপ্ৰিল ঃ** চাহ ব'ৰ্ডৰ ৰহস্যজনক নীৰৱতাৰ বাবে বতৰৰ প্ৰথম চাহপাত বিক্ৰী কৰিবলৈ গৈ হাহাকাৰ কৰিবলগীয়া হৈছে ৰাজ্যৰ চাহ খেতিয়কে। এই সময়তো বতৰৰ বৰষুণ পৰি আটাইতকৈ উন্নত মানৰ প্ৰথম 'এটি কলি দুটি পাত' চাহপাত ওলায়। সেয়েহে এই চাহপাতৰ দামো বেছি হয়। এনে ক্ষেত্ৰত সকলো জিলাৰে খেতিয়কে যাতে সেই চাহপাতৰ উচিত মূল্য লাভ কৰে তাৰ বাবে চাহ ব'ৰ্ডে দাম নিৰ্ধাৰণ কৰি দিয়ে; কিন্তু এইবাৰ চাহ ব'ৰ্ডে দাম নিৰ্ধাৰণ নকৰাত বটলিফ কোম্পানীবোৰে নিজে দাম নিৰ্ধাৰণ কৰিছে। তাৰ ফলত জিলাভেদে চাহপাতৰ মূল্যতো বৃহৎ তাৰতম্য ঘটিছে। বটলিফ আৰু বৃহৎ বাগিচাৰ ফেক্টৰীৰ ওপৰত চাহ খেতিয়কে নিৰ্ভৰ কৰি চলিব লাগে। সেই সুযোগ লৈ ফেক্টৰীবোৰে খেতিয়কৰ স্বাৰ্থক গৌণ কৰাৰ ফলত আৰম্ভণিতেই উচিত মূল্য লাভৰ পৰা উৎপাদক বঞ্চিত হৈছে। চাহ ব'ৰ্ডৰ সূত্ৰই সদৰী কৰা অনুসৰি সাধাৰণতে এটি কলি দুটি পাতৰ প্ৰতি কিলোগ্ৰামৰ মূল্য এইখিনি সময়ত ৪৩ টা পৰ্যন্ত বৃদ্ধি হয়। ইয়াৰ বিপৰীতে জিলাবোৰৰ ভিতৰত লখিমপুৰতেই বৰ্তমান সৰ্বাধিক ৪০ টকা দৰত প্ৰতি কিলোগ্ৰাম এনে চাহপাত বিক্ৰী হৈছে। লখিমপুৰৰ গাতে লাগি থকা বিশ্বনাথত আকৌ মূল্য হ'ল ২৫-২৬ টকা। *আঠ পৃষ্ঠাত চাওক*

## আজি ৰাজ্যিক মৰ্যাদাৰে শেষকৃত্য সম্পন্ন

# প্ৰাক্তন মন্ত্ৰী, চাৰিবাৰৰ বিধায়ক, জ্যেষ্ঠ অগপ নেতা বিনোদ গোৱালাৰ মৃত্যু

### অগপৰ সভাপতি-কাৰ্যকৰী সভাপতিৰ শোক প্ৰকাশ



**সৰুপথাৰ, ১৩ এপ্ৰিল ঃ** প্ৰাক্তন মন্ত্ৰী, চাৰিবাৰৰ বিধায়ক, অসম আন্দোলনৰ সক্ৰিয় কৰ্মী, জাতীয়তাবাদী নেতা তথা জ্যেষ্ঠ অগপ নেতা বিনোদ গোৱালাৰ আজি জিএমচি হাস্পতালত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। বিগত কে'বামাহ ধৰি তেওঁ চিকিৎসাধীন হৈ আছিল। অসম আন্দোলনৰ সক্ৰিয় নেতা গোৱালাই পৰৱৰ্তী সময়ত সৰুপথাৰ বিধানসভা সমষ্টিৰ পৰা ১৯৮৫, ১৯৯১, ১৯৯৬ আৰু ২০০৬ত অসম বিধানসভালৈ অগপৰ টিকটত নিৰ্বাচিত হৈছিল। প্ৰফুল্ল কুমাৰ মহন্ত নেতৃত্বাধীন অসম চৰকাৰৰ তেওঁ সীমান্ত উন্নয়ন দপ্তৰৰ মন্ত্ৰিত্ব লাভ *আঠ পৃষ্ঠাত চাওক*

## ১০ গৰাকী অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন

# দুলীয়াজানৰ চাৰি নম্বৰ চপাতলীত বিষাক্ত কাঠফুলা ভক্ষণ কৰি শিশুসহ তিনিজনৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**দুলীয়াজান, ১৩ এপ্ৰিল ঃ** উজনি অসমৰ ডিব্ৰুগড়, তিনিচুকীয়া, শিৱসাগৰ আৰু চৰাইদেউ জিলাত বিষাক্ত কাঠফুলা ভক্ষণ কৰি ১৩ জনকৈ লোক প্ৰাণ হেৰুওৱাৰ লগতে বহুলোক এতিয়াও চিকিৎসাধীন হৈ থকাৰ সময়তে ৰঙালী বিহুৰ প্ৰাক্‌ক্ষণত কালি বিয়লি দুলীয়াজান আৰক্ষী থানাৰ অধীনস্থ ভাদৈ আৰক্ষী চকীৰ অন্তৰ্গত চাৰি নম্বৰ চপাতলী গাঁৱত বিষাক্ত কাঠফুলা ভক্ষণ কৰি এটি শিশুসহ দুজন বয়োজ্যেষ্ঠ লোকে নিজ গৃহতেই মৃত্যুক আঁকোৱালি লয়। যোৱা ন এপ্ৰিলত গাঁওখনৰ তিনিটা পৰিয়ালে বিষাক্ত কাঠফুলা ভক্ষণ কৰি বমি আৰু শৌচত আক্ৰান্ত হৈছিল। ইয়াৰ মাজতে কালি দুপৰীয়া এটা পৰিয়ালৰ এটি শিশু বিষাক্ত কাঠফুলা ভক্ষণ কৰি নিজ গৃহতেই প্ৰাণ হেৰুওৱাৰ মাজতে আন এটা পৰিয়ালৰ দুজন বয়োজ্যেষ্ঠ লোকেও ঘৰতেই কাঠফুলা ভক্ষণ কৰি মৃত্যুক আঁকোৱালি লয়। স্থানীয় ৱাৰ্ড সদস্যই ঘটনা সন্দৰ্ভত স্থানীয় প্ৰাথমিক চিকিৎসালয় আৰু ১০৮ এম্বুলেঞ্চক খবৰ দিয়ে। স্বাস্থ্য বিভাগে মৃত *আঠ পৃষ্ঠাত চাওক*

# টিহুৰ গোৰ্ৰাদলত ৰঙালী বিহুৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**
**টিহু, ১৩ এপ্ৰিল ঃ** টিহুৰ গোৰৱাদল-পদ্মপাৰা চ'কত উলহ-মালহেৰে কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলন অহা ১৫ আৰু ১৮ এপ্ৰিলত উদ্‌যাপন কৰা হ'ব। সচেতন নাগৰিক মঞ্চ, অসমৰ পৃষ্ঠপোষকতাত অনুষ্ঠিত হ'ব লগা ৩২ সংখ্যক কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনখন উদ্‌যাপন কৰাৰ বাবে বিহু উদ্‌যাপন সমিতিয়ে ইতিমধ্যে প্ৰকাশ কৰি উলিওৱা কাৰ্যসূচী অনুসৰি, *আঠ পৃষ্ঠাত চাওক*

# জিএমচিএইছৰ শিশু ৱাৰ্ডৰ পৰা শিশু অন্তৰ্ধান

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৩ এপ্ৰিল ঃ** গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাল (জিএমচিএইছ)ৰ শিশু ৱাৰ্ডৰ পৰা আজি পুৱতি নিশা ৪-৩০ বজাত এটি শিশু চুৰি হয়। হাজোৰ নৱ কলিতা আৰু বিজুমণি কলিতাৰ সাতমহীয়া কন্যা সন্তানক অচিনাক্ত মহিলাই শিশু ৰোগ বিভাগৰ ৱাৰ্ডৰ পৰাই চুৰি কৰাৰ ঘটনা সংঘটিত হৈছে। হাজোৰ কলিতাকুছিৰ দম্পতীহালে যোৱা ২৪ মাৰ্চত শিশুটিক বৃক্ক ৰোগত আক্ৰান্ত হোৱা বাবে জিএমচিএইছত ভৰ্তি কৰিছিল। যোৱা নিশা ১২ বজাৰ পৰা পুৱা চাৰি বজালৈকে শিশুটিয়ে কান্দি থকা বুলি পিতৃ কলিতাই উল্লেখ কৰি কয়, 'কেঁচুৱাটিক নিচুকাই মই ভাগৰি পৰিছিলো। শিশুটিৰ মাতৃয়ে কাষতে শুই আছিল। *আঠ পৃষ্ঠাত চাওক*

## কথমপি প্ৰাণৰক্ষা ২০ গৰাকী যাত্ৰীৰ

# বহৰিঘাটৰ পৰা যোৱাৰ পথত ব্ৰহ্মপুত্ৰৰ বুকুত ডুব গ'ল যাত্ৰীবাহী ফেৰী



**আলোপতি, ১৩ এপ্ৰিল ঃ** ৰাজ্যত পুনৰ সংঘটিত হৈছে ভয়ংকৰ ফেৰী দুৰ্ঘটনা। প্ৰাপ্ত তথ্য মতে, কালি বৰপেটা জিলাৰ বহৰিঘাটৰ পৰা এখন ইঞ্জিনচালিত নাও কাছুমাৰা অভিমুখে আহি থকা অৱস্থাত ব্ৰহ্মপুত্ৰৰ বুকুত দুৰ্ঘটনাত পতিত হয়। দুৰ্ঘটনাগ্ৰস্ত নৌকাখনত বহৰিৰ পৰা প্ৰায় ২০ জন যাত্ৰীসহ অংগনবাড়ী কেন্দ্ৰৰ বৃহৎ পৰিমাণৰ সামগ্ৰী *আঠ পৃষ্ঠাত চাওক*

# চাপৰত পানীত ওপঙি থকা অৱস্থাত মৃতদেহ উদ্ধাৰ

## হত্যাকাণ্ড বুলি পৰিয়ালৰ সন্দেহ

**অগ্ৰদূত বাৰ্তা**
**চাপৰ, ১৩ এপ্ৰিল ঃ** ধুবুৰী জিলাৰ চাপৰ থানাৰ অন্তৰ্গত ধীৰঘাটস্থিত নাগৰাজ ধাবা তথা নাগ ৰাইন শ্বপৰ পিছফালৰ খালত আজি পুৱা পানীত ওপঙি থকা অৱস্থাত এটা মৃতদেহ উদ্ধাৰ হয়। পাছত যুৱকজনক চাপৰৰ শান্তিপুৰৰ বাসিন্দা বলোৰাম সাহাৰ পুত্ৰ ৰঞ্জিত সাহা বুলি চিনাক্ত কৰা হয়। ৰঞ্জিতে চাপৰ বজাৰস্থিত শ্ৰীকৃষ্ণ জুয়েলাৰী নামৰ এটা প্ৰতিষ্ঠানত কৰ্মৰত আছিল। উল্লেখ্য *আঠ পৃষ্ঠাত চাওক*

## দাবীকৃত ধন আদায় নিদিলে অইলৰ গুৰুত্বপূৰ্ণ তথ্য ধ্বংস কৰাৰ ভাবুকি

# অইলক ৫৭ কোটি আদায়ৰ দাবী আন্তৰ্জাতিক চাইবাৰ হেকাৰৰ

**অগ্ৰদূত বাৰ্তা**
**দুলীয়াজান, ১৩ এপ্ৰিল ঃ** আন্তৰ্জাতিক হেকাৰ চক্ৰই অইলৰ ওপৰত চাইবাৰ আক্ৰমণ কৰাৰ ফলত যোৱা দেওবাৰৰ পৰা আজি চাৰিদিন ধৰি অইলৰ ইণ্টাৰনেট ছাৰ্ভাৰ বিকল হৈ পৰাত অইলৰ কাম-কাজ প্ৰায় স্তব্ধ হৈ পৰাত কোম্পানীটোৰ আন্তঃযোগাযোগ বিচ্ছিন্ন হৈ পৰিছে। ইয়াৰ ফলত কাৰ্যালয়ৰ সকলো কামৰ লগতে কৰ্মক্ষেত্ৰৰ স'তে কাৰ্যালয়ৰ কম্পিউটাৰ ডাটা আদান-প্ৰদান সম্পূৰ্ণৰূপে বন্ধ হৈ পৰিছে। আন্তৰ্জাতিক হেকাৰ চক্ৰটোৱে অইল কৰ্তৃপক্ষক ই-মেইলযোগে ৭৫ লাখ ইউএছডি ধন অৰ্থাৎ ভাৰতীয় মুদ্ৰাত ৫৭ কোটি টকা ধন দাবী কৰিছে। উক্ত দাবীকৃত ধন আদায় নিদিলে হেকাৰ চক্ৰটোৱে অইলৰ গুৰুত্বপূৰ্ণ তথ্য ধ্বংস কৰি দিয়াৰো ভাবুকি প্ৰদান কৰিছে। আন্তৰ্জাতিক এই হেকাৰ চক্ৰৰ বিৰুদ্ধে অইল কৰ্তৃপক্ষই যোৱা নিশা দুলীয়াজান আৰক্ষী থানাত *আঠ পৃষ্ঠাত চাওক*



# ৰঙিয়াত চিলনী চোৰৰ সন্ত্ৰাস ঃ বেংক গ্ৰাহকৰ ধন লুট

**অগ্ৰদূত বাৰ্তা**
**ৰঙিয়া, ১৩ এপ্ৰিল ঃ** অপৰাধীৰ ৰম্যভূমিত পৰিণত হৈছে ৰঙিয়া চহৰ। ৰঙিয়া চহৰত দিন দুপৰতে আৰক্ষীৰ চকুৰ আগতে পিয়াপি দি ফুৰিছে অপৰাধীৰ দল। ৰঙিয়া চহৰত ধন লুট, সোণৰ আ-আলংকৰ লুট এক নিত্য নৈমিত্তিক ঘটনাত পৰিণত হৈছে। আজি পুনৰ ৰঙিয়াত চিলনী চোৰে চাৰি লাখ টকা লুট কৰি নিয়ে। ক'লা ৰঙৰ পালচাৰত অহা দুজনীয়া দুৰ্বৃত্তৰ দলে এই ঘটনা সংঘটিত কৰে। এই সন্দৰ্ভত ভুক্তভোগী তামুলপুৰ জিলাৰ নাগ্ৰীজুলিৰ দুই নম্বৰ বগৰীগুটি গাঁৱৰ চুপাৰী ব্যৱসায়ী ফুলকুমাৰ দাসে সদৰী মতে, তেওঁ ৰঙিয়াৰ ভাৰত-ভূটান পথত থকা এইছডিএফছি বেংকৰ ৰঙিয়া শাখাৰ পৰা তিনি লাখ ৯০ হেজাৰ টকা উলিয়াই টকাৰ বেগখন লৈ বেংকৰ সন্মুখতে ৰখাই থোৱা নিজৰ বাহনত উঠিবলৈ লওঁতেই ক'লা ৰঙৰ মটৰ চাইকেলেৰে অহা দুজনীয়া দুৰ্বৃত্তৰ দলে থাপ মাৰি বেগটো লৈ তীব্ৰ বেগেৰে পলাই যায়। ঘটনাৰ আকস্মিকতাত তেওঁ কিংকৰ্তব্যবিমূঢ় হৈ পৰে। লগে লগে তেওঁ *আঠ পৃষ্ঠাত চাওক*

# বৰপেটাত ২৫,২৬ এপ্ৰিলত কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ আয়োজন

**বিশেষ সংবাদদাতা**
**বৰপেটা, ১৩ এপ্ৰিল ঃ** মাজত মাথোঁ কেইটামান বছৰহে বাকী। বিগত ৪৩ বছৰ ধৰি ৰঙালী বিহু সন্মিলনৰ আয়োজন কৰি অহা সদৌ বৰপেটা ৰঙালী বিহু উদ্‌যাপন সমিতিয়ে পৰৱৰ্তী পাঁচ বছৰ পাছত উদ্‌যাপন কৰিব সোণালী জয়ন্তী। ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখি এইবাৰো সদৌ বৰপেটা ৰঙালী বিহু উদ্‌যাপন সমিতিৰ উদ্যোগত স্থানীয় পৌৰসভা খেলপথাৰত কেন্দ্ৰীয়ভাৱে ৰঙালী বিহু সন্মিলনৰ আয়োজন কৰা হৈছে। অহা ২৫ আৰু ২৬ এপ্ৰিল দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰঙালী বিহু উদ্‌যাপন কৰা হ'ব। সভাপতি ডাঃ তাৰাপ্ৰসাদ দাস, কাৰ্যকৰী সভাপতি গুণীন্দ্ৰ নাথ দাস, মুখ্য সম্পাদক দেৱাদীৱ দাস আৰু সম্পাদক সঞ্জীৱ ওজা, সত্যেন্দ্ৰ নাথ দাস, বিদ্যুৎ দাস আৰু খঞ্জনজ্যোতি শৰ্মা নেতৃত্বাধীন উদ্‌যাপন সমিতিয়ে ইতিমধ্যে ৪৪ সংখ্যক ৰঙালী বিহু সন্মিলনৰ কাৰ্যসূচী ঘোষণা কৰিছে। কাৰ্যসূচী অনুসৰি, ২৫ এপ্ৰিলৰ পুৱা ন বজাত বিহু পতাকা উত্তোলন কৰিব উদ্‌যাপন সমিতিৰ সভাপতি ডাঃ তাৰাপ্ৰসাদ দাসে। ইয়াৰ পাছতে ছহিদ তৰ্পণ অনুষ্ঠান মুকলি কৰিব উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি গুণীন্দ্ৰ নাথ দাসে *আঠ পৃষ্ঠাত চাওক*

# খাম-চিফুং আৰু 'বাগৰুম্বা' ধ্বনিত উখল-মাখল দৰং-ওদালগুৰিৰ সংগমস্থলী

### ভকতপাৰা ঃ পূৰ্ণগতিত চলিছে আখৰা

**অগ্ৰদূত বাৰ্তা**
**মঙলদৈ, ১৩ এপ্ৰিল ঃ** কাইলৈৰ পৰা প্ৰতিজন অসমীয়াৰ হেঁপাহৰ ৰঙালী বিহু আৰম্ভ হ'ব। কভিডসৃষ্ট পৰিৱেশৰ বাবে দুবছৰে হেঁপাহ পলুৱাই পালিব পৰা নাছিল জাতীয় উৎসৱটি। কিন্তু এইবেলি পৰিৱেশ জীপাল হোৱাত সকলোৱে নিজৰ নিজৰ পৰম্পৰাৰে বিহুটিক আদৰিবলৈ আৰু পালন কৰিবলৈ কঁকালত টঙালি বান্ধিছে। অসমৰ প্ৰতিটো জনগোষ্ঠীয়ে নিজ নিজ পৰম্পৰাৰে ৰঙালী বিহু উদ্‌যাপন কৰে। উল্লেখ্য যে অসমৰ অন্যতম বৃহৎ জনগোষ্ঠী বড়োসকলেও 'ৰংজালি বৈশাগু'ৰ প্ৰস্তুতি চলাই আছে। পহিলা ব'হাগৰ দিনা পোনতে স্থানীয় বাথৌ মন্দিৰত পূজা সমাপন কৰি ঘৰে ঘৰে গৈ হুঁচৰি মাৰিব। তাৰ বাবে দৰং আৰু ওদালগুৰি জিলাৰ সংগমস্থলী বৃহত্তৰ ভকতপাৰাত ভাহি উঠিছে এক উদুলি-মুদুলি পৰিৱেশ। দৰঙৰ সমীপৱৰ্তী ওদালগুৰি জিলাৰ দুই নম্বৰ ঝাৰগাঁৱৰ শিশুৰ পৰা মহিলা লৈকে বৈশাগু নৃত্যৰ শেষ আখৰাত *আঠ পৃষ্ঠাত চাওক*



# ২০ বছৰে গৰু বিহুৱানৰ ব্যৱসায় কৰা গণেশ-দীপাংক

**অগ্ৰদূত বাৰ্তা**
**নলবাৰী, ১৩ এপ্ৰিল ঃ** নলবাৰীত সুদীৰ্ঘ ২০ বছৰ ধৰি এহাল ভাই-ককাইয়ে গৰু বিহুৱানৰ ব্যৱসায় কৰি বিশেষ চৰ্চা লাভ কৰিছে। জিলাখনৰ বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত বজালী উদয়পুৰ গাঁৱৰ বাসিন্দা এইহাল ভাই-ককাই হ'ল গণেশ কলিতা আৰু দীপাংকৰ কলিতা। প্ৰায় ৫৩ বছৰীয়া গণেশৰ ভ্ৰাতৃ দীপাংকৰৰ বয়স ৪০ বছৰ। দুয়োৰো জীৱিকা ব্যৱসায় নহয় যদিও অসমীয়াৰ বাপতি সাহোন ব'হাগ বিহুৰ ঠিক দুসপ্তাহ আগৰ পৰাই দুয়োজন ভাই-ককাইয়ে গৰু বিহুৱানৰ ব্যৱসায়ত নামি পৰে। উল্লেখ্য যে দিনমজুৰ কৰি পৰিয়াল পোহপাল দিয়া ভাই-ককাইহালে সুদীৰ্ঘ বছৰে জিলাখনৰ বিভিন্ন বজাৰত এই ব্যাৱসায় কৰি দুপইচা অৰ্জন কৰাৰ উপৰি মানসিক প্ৰশান্তি লাভ কৰি আহিছে। গাঁওখনৰ প্ৰয়াত বিপিন কলিতা আৰু সাবিত্ৰী কলিতাৰ জ্যেষ্ঠ পুত্ৰ গণেশ আৰু কনিষ্ঠ পুত্ৰ দীপাংকৰ। দুয়োজনে দিন হাজিৰা কৰি জীৱন নিৰ্বাহ কৰি আহিছে। উল্লেখ্য যে দুয়োজন ভাই-ককাইয়ে পিতৃৰ পদাংক অনুসৰণ কৰি সুদীৰ্ঘ ২০ বছৰে বাপতি সাহোন ৰঙালী বিহুৰ *আঠ পৃষ্ঠাত চাওক*





দৈনিক অগ্ৰদূত

গুৱাহাটী বৃহস্পতিবাৰ ৩০ চ'ত ১৪২৮ভাস্কৰাব্দ ১৪ এপ্ৰিল ২০২২



# সংকটত বিহু

অসমীয়াৰ বাপতি সাহোন ৰঙালী বিহু এইবাৰ দুগুণ উৎসাহেৰে উদ্‌যাপন কৰিবলৈ শদিয়াৰ পৰা ধুবুৰীলৈকে সকলো সাজু হৈছে। যোৱা দুটা বছৰে ৰাইজে মাত্ৰ অনুষ্ঠুপীয়াকৈ নাইবা প্ৰতীকী ৰূপত বিহুৰ আয়োজন কৰিছিল আৰু চহৰ-নগৰবোৰত নাইবা গ্ৰামাঞ্চলতো ক'তো মঞ্চত বিহুৰ আয়োজন কৰা নাছিল। ক'ভিড-মহামাৰীৰ বাবেই বিহু অনুষ্ঠানৰ দিন কৰ্তন কৰা আৰু অনুষ্ঠুপীয়া কৰা হৈছিল; কিন্তু এইবাৰ অসমত ক'তো ক'ভিডৰ ভয়-শংকা নাই। সকলোৰে প্ৰতিষেধক লৈছে আৰু ২৪ ঘণ্টাত এজন আক্ৰান্ত হোৱাৰ খবৰ প্ৰকাশ পাইছে। অসমক এই মুহূৰ্তত ক'ভিডমুক্ত ৰাজ্য বুলি ঘোষণা কৰিব পৰা যায়। অৱশ্যে বহিঃৰাজ্যৰ পৰা অহা লোকৰ পৰা নতুন প্ৰজাতিৰ ক'ভিডত যিকেনো মুহূৰ্তত একাধিক লোক আক্ৰান্ত হোৱাৰ আশংকা নথকা নহয়। ইউৰোপ, চীন, দক্ষিণ কোৰিয়া, অষ্ট্ৰেলিয়া আদি দেশৰ পৰা অহা লোকৰ পৰাও নতুনকৈ ক'ভিড বিয়পিব পাৰে; কিয়নো এই দেশবোৰত নাইবা অঞ্চলবোৰত দৈনিক লক্ষাধিক লোক ক'ভিডত আক্ৰান্ত হোৱাৰ খবৰ প্ৰকাশ পাইছে। বহিঃৰাজ্যত বা বিদেশত পৰিস্থিতি যিয়েই নহওক, অসম কিন্তু এই মুহূৰ্তত ক'ভিডমুক্ত হোৱা বুলি দাবী কৰিব পাৰি। সেয়ে এইবাৰ ৰাইজৰ মন-প্ৰাণত বিহুৰ আনন্দ-উৎসাহ দুগুণ হোৱা পৰিলক্ষিত হৈছে। চৰকাৰেও এইবাৰ ১২৬৫ খন বিহুৰ আয়োজক সমিতিলৈ ডেৰ লাখকৈ টকাৰ সাহায্য আগবঢ়াইছে। অৱশ্যে একেৰাহে দহ বছৰ ধৰি প্ৰথম সাতদিনৰ ভিতৰত বিহু অনুষ্ঠিত কৰা আয়োজক সমিতিবোৰলৈহে ডেৰ লাখ টকীয়া সাহায্য আগবঢ়াইছে। বৰ্তমান মঞ্চ বিহু ব্যয় বহুল হৈ পৰাত চৰকাৰৰ ডেৰ লাখ টকাৰ সাহায্য আদৰণীয় যদিও ডেৰ লাখ টকাৰে মঞ্চ বিহু অনুষ্ঠিত কৰিব নোৱাৰি। সেয়ে দান-বৰঙণি বিভিন্ন ব্যক্তি তথা ব্যক্তিগত অনুষ্ঠান-প্ৰতিষ্ঠানৰ পৰা সংগ্ৰহ কৰিবলৈ বা গ্ৰহণ কৰিবলৈ বিহুৰ আয়োজক কমিটীবোৰ বাধ্য। বৰ্তমান বিহুৰ এটা পেণ্ডেল নিৰ্মাণতে লাখ টকা খৰচ হয়। তেনে ক্ষেত্ৰত চৰকাৰে বিহুৰ আয়োজক সমিতিবোৰক দান-বৰঙণি লোৱাৰ ক্ষেত্ৰত বাধা দিবলৈ গ'লে ৰাইজে মানিবলৈ নিশ্চয় টান পাব। ব্যৱসায়ীসকলক দান-বৰঙণি নিদিবলৈ উৎসাহ দিয়াৰ আঁৰত হয়তো এনে উদ্দেশ্য থাকিব পাৰে আৰু সেয়া হ'ল বিহুক ব্যয়বহুল সাংস্কৃতিক অনুষ্ঠানত পৰিণত কৰাৰ যি ধাৰা আৰম্ভ হৈছে সেই ধাৰাৰ প্ৰতি ৰাইজক নিৰুৎসাহ কৰা। উল্লেখযোগ্য যে জাকজমকীয়া বৰ্ণাঢ্য বিহু তথা সাংস্কৃতিক অনুষ্ঠানৰ বাবে বৰ্তমান বিহু সমিতিবোৰক ২০-৩০ লাখ টকাৰ প্ৰয়োজন হয়। প্ৰতিবছৰে মঞ্চ বিহুৰ খৰচ বাঢ়ি গৈ আছে। একোগৰাকী প্ৰতিষ্ঠিত গায়ক-গায়িকাক পাঁচ-ছয় লাখৰ পৰা দহ লাখ টকালৈকে দিবলগীয়া হয় বুলি বিভিন্ন সূত্ৰই কৈ আহিছে। অন্যান্য শিল্পীসকলকো বিহু সমিতিয়ে কিছু পৰিমাণে মাননি বা ধন দিবলগীয়া হয়। এইবিলাক কাৰণতে বৰ্তমান অসমৰ বিহু অনুষ্ঠানসমূহ অত্যন্ত ব্যয়বহুল হৈ পৰিছে। এই সম্পৰ্কত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই জনপ্ৰিয় আগশাৰীৰ কণ্ঠশিল্পীৰ পৰিৱৰ্তে স্থানীয় থলুৱা শিল্পীক লৈ বিহু অনুষ্ঠিত কৰিবলৈ আহ্বান জনোৱাটো আছিল তাৎপৰ্যপূৰ্ণ।

মুখ্যমন্ত্ৰীয়ে হয়তো বিহু অনুষ্ঠানবোৰক ব্যয়বহুল সাংস্কৃতিক অনুষ্ঠানত পৰিণত কৰাটো বিচৰা নাছিল কাৰণেই সেইদৰে কৈছিল। শেহতীয়াকৈ মুখ্যমন্ত্ৰী ড° শৰ্মাই বিহুক মাত্ৰ এক সাংস্কৃতিক অনুষ্ঠান হিচাপে নৱপ্ৰজন্মই যাতে অনুভৱ কৰিবলৈ নলয়, সেই উদ্দেশ্যে আমি এক নিভাঁজ বিহু আমাৰ ভৱিষ্যৎ প্ৰজন্মক দি থৈ যাব লাগিব বুলি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ এক অনুষ্ঠানত গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়াইছিল। ৰঙালী বিহু যে নগৰাঞ্চলত এক সাংস্কৃতিক অনুষ্ঠান বা সাংস্কৃতিক সন্ধিয়াৰ দৰে হ'বলৈ ধৰিছে, তেনে অভিযোগ বহুতেই উত্থাপন কৰিছে। শেহতীয়াকৈ স্বয়ং মুখ্যমন্ত্ৰীয়েও এই সন্দৰ্ভত গুৰুত্বপূৰ্ণ এনে মন্তব্য আগবঢ়োৱাৰ পাছত ৰাইজে নিশ্চয় এই বিষয়ে চিন্তা কৰিব। বিহুৰ নামত বিহুৰ অনুষ্ঠান অত্যন্ত ব্যয়বহুল কৰা হৈছে যদিও নিভাঁজ বিহুক এলাগী কৰিবলৈ লোৱা দেখা গৈছে। বিহুৰ নামত আয়োজিত বিহুৰ কাৰ্যসূচীসমূহ দিনৰ ভাগত পৰিৱেশন কৰা নহয়। মাজ নিশা বা পুৱতি নিশা বিহু নাচ, হুঁচৰি, বিহু নাম আদি পৰিৱেশন কৰিবলৈ দিয়াৰ ফলত কিশোৰ-কিশোৰী নাইবা শিশুসকলে সেইবোৰ দেখা নাপায়; কিয়নো তেওঁলোক সেই সময়ত শুই থাকে। সেয়ে বিহুৰ এই অনুষ্ঠানবোৰ দিনৰ ভাগত পৰিৱেশনৰ ব্যৱস্থা কৰিব লাগে। বিহুৰ আয়োজকসকলে আধুনিক গান-বাজনাৰ অনুষ্ঠানবোৰত অধিক গুৰুত্ব নিদি থলুৱা তথা লোক-সংস্কৃতি বা বিহু অনুষ্ঠানবোৰত বেছি গুৰুত্ব বা অগ্ৰাধিকাৰ দিয়াৰ প্ৰয়োজন। বহিৰাগত ব্যৱসায়ীৰ পৰা দান-বৰঙণি সংগ্ৰহ কৰি বিহুক আধুনিক নৃত্য-গীতৰ অনুষ্ঠান বা সাংস্কৃতিক সন্ধিয়াত পৰিণত কৰাৰ কোনো প্ৰয়োজন নাই। এনেধৰণৰ সাংস্কৃতিক সন্ধিয়াৰ বিহুৰ লগত কোনো সম্বন্ধ নাই। সাংস্কৃতিক সন্ধিয়া আন যিকোনো সময়ত অনুষ্ঠিত কৰিব পাৰি; কিন্তু বিহুত এনেধৰণৰ সাংস্কৃতিক সন্ধিয়াই অধিক গুৰুত্ব পোৱাত নিভাঁজ বিহুৱে গুৰুত্ব নোপোৱা হৈছে। মুখ্যমন্ত্ৰী ড° শৰ্মাৰ মন্তব্য তথা আহ্বান এনে পৰিপ্ৰেক্ষিতত তাৎপৰ্যপূৰ্ণ। নৱ প্ৰজন্মই যে আজি নিভাঁজ বিহু তথা বিহু সংস্কৃতি উপভোগ কৰিবলৈ নাইবা ইয়াৰ স'তে জড়িত হ'বলৈ পোৱা নাই। কেৱল বিহু ৰাণী, বিহু সম্ৰাজ্ঞী, বিহু কুঁৱৰী প্ৰতিযোগিতাই নিভাঁজ বিহু সংস্কৃতি জীয়াই ৰাখিব নোৱাৰে। চৰকাৰে ডেৰ লাখ টকা দি নিভাঁজ বিহু জীয়াই ৰখা সম্ভৱ নহ'ব। বিহু আজি ব্যয়বহুল হৈ পৰিছে প্ৰতিটো বস্তুৰ অত্যধিক দাম বৃদ্ধিৰ ফলত। দৈনন্দিনৰ ভাত সাঁজেই আজি ব্যয়বহুল হৈ পৰিছে। বিহু উদ্‌যাপনো সেয়ে বহুগুণে ব্যয়বহুল হৈ পৰিছে। ৰাইজৰ ক্ৰয় ক্ষমতা অভাৱনীয়ভাৱে হ্ৰাস পাইছে। নাচনীয়ে এযোৰ মুগাৰ কাপোৰ কিনিব নোৱাৰা হ'ল, পিন্ধিবলৈ নোপোৱা হ'ল। অসমীয়াৰ নিভাঁজ বিহু কোনে ৰক্ষা কৰিব? কেনেকৈ ৰক্ষা কৰিব?

## খোলা মঞ্চ

### ভ্ৰষ্টাচাৰীৰ সলনি আমি সৎ নেতা পাম কেনেকৈ?



ব্যক্তিগত স্বাৰ্থ বৰ্জন কৰি জনকল্যাণৰ বাবে জনতাৰ সেৱাত মন-প্ৰাণ নিমজ্জিত নেতা জনতাই যেতিয়া নিৰ্বাচিত কৰাৰ সুবিধা পাব, তেতিয়া দুৰ্নীতি-ভ্ৰষ্টাচাৰৰ পৰ্দা আঁতৰি সৎ আৰু নিষ্ঠাৱান নেতাৰে ৰাজনীতিৰ ক্ষেত্ৰখন জিলিকি উঠিব। বৰ্তমানৰ ৰাজনীতি এক বৃহৎ লাভৱান ব্যৱসায়লৈ পৰ্যবসিত হৈছে। ফলত দৰিদ্ৰ আৰু মধ্যবিত্ত জনতা অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধিত ভূ-লুণ্ঠিত হৈছে। বৰ্তমানৰ ৰাজনীতিৰ প্ৰচলিত ধাৰা হিচাপে জনতাক কেৱল ভোট বেংক হিচাপে ব্যৱহাৰ কৰি হকে-বিহকে হিতাধিকাৰী সৃষ্টি কৰাৰ ফলত কৰ্মমুখী দৃষ্টিভংগীৰে জনমূৰি আয়ৰে উন্নতি বৃদ্ধি কৰাৰ সলনি এচাম এলেহুৱা পৰমুখাপেক্ষী জনসাধাৰণৰ সৃষ্টি হৈছে। জনসাধাৰণৰ মাজত কৰ্মউদ্যমীৰ অভাৱ নাই, কৰ্মক্ষেত্ৰ সৃষ্টি কৰি নিয়োজিত কৰাৰ মানসিকতাৰহে অভাৱ ৰাজনীতিকৰ মাজত। ফলত চুবুৰীয়া ৰাষ্ট্ৰ শ্ৰীলংকাৰ দৰে অৱস্থা যে আমাৰ দেশতো নহ'ব, কোৱা টান।

**পংকজা দাস,** লেখিকা

আমাৰ প্ৰতিনিধি নিৰ্বাচনত প্ৰাৰ্থী প্ৰক্ষেপ প্ৰক্ৰিয়াত থকা আসোঁৱাহৰ বাবেও সৎ নেতা নিৰ্বাচিত নহয়। একোটা সমষ্টিত প্ৰাৰ্থী একোটা দলেহে প্ৰক্ষেপ কৰে। দলগত চিন্তাধাৰাত জনপ্ৰিয় বা জনকল্যাণমুখী প্ৰাৰ্থীতকৈ আৰ্থিক দিশত সবল প্ৰতিনিধিৰহে গুৰুত্ব বেছি। তীব্ৰ প্ৰতিদ্বন্দ্বিতাৰে ধনৰ বিনিময়ত প্ৰাৰ্থিত্ব লোৱাজনে জনতাৰ সেৱা কেনেকৈ কৰিব?

সৎ নেতাৰ জনতাক সেৱা কৰাৰ মনোভাৱ থাকিব লাগিব। আত্মস্বাৰ্থতকৈ দেশৰ বা জাতিৰ স্বাৰ্থক অগ্ৰাধিকাৰ দি দেশখনক লগতে জাতিক ভাল পাব লাগিব। য'ৰ পৰা নিৰ্বাচিত হ'ব, সেই ঠাইৰ উন্নয়নৰ বাবে সমষ্টিটোৰ আৰ্থ-সামাজিক দিশ, জনসাধাৰণৰ অৱস্থা, কাৰ্যক্ষমতা আদি দিশবোৰত জ্ঞান থকাৰ প্ৰবল হেঁপাহ থাকিব লাগিব। প্ৰদূষিত পৰিৱেশত নিজকে নিকা কৰি ৰখাৰ বাবে আত্মবিশ্বাস থাকিব লাগিব। দেশৰ নাগৰিক যিসকলে ভোটদান কৰে প্ৰলোভিত নহৈ সৎ প্ৰাৰ্থী নিৰ্বাচনত মুখ্য ভূমিকা ল'ব লাগিব।

## অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ পণ এই বিহুতেই ল'ব লাগিব

# সংকট কালৰ ৰঙালী বিহু

### জনাৰ্দন শৰ্মা

ঋতুৰাজ বসন্তৰ আগমনত প্ৰকৃতিৰ ৰূপ, ৰঙৰ অপূৰ্ব সমাৱেশ ঘটে। কুলি-কেতেকীয়ে ইনাই-বিনাই গীত গাই বসন্তৰ বতৰা দিয়ে। প্ৰকৃতিৰ এনে হেন অপৰূপ সৌন্দৰ্যৰ মাজতে ৰঙালী বিহুটোৰ আগমন ঘটে। বিহু যিহেতু কৃষিভিত্তিক আৰু ঋতুকেন্দ্ৰিক উৎসৱ, গতিকে অসমা, সুষমা, নিৰুপমা এই অসমভূমিৰ সোণসেৰীয়া মাটিত অতীজৰে পৰা কৃষিজীৱী লোকসকলৰ লগতে সৰ্বসাধাৰণ অসমীয়া ৰাইজে বছৰ-বছৰ ধৰি উলহ-মালহেৰে কৃষিভিত্তিক আৰু ঋতুকেন্দ্ৰিক বিহু উদ্‌যাপন কৰি আহিছে।

যোৱা দুটা বছৰে অৰ্থাৎ ২০২০ আৰু ২০২১ত কৰ'নাকেন্দ্ৰিক এক ভয়াৱহ পৰিৱেশে হেঁপাহৰ ৰঙালী বিহুটোৰ ৰং, আনন্দ, উছাহ আমাৰ মাজৰ পৰা কাঢ়ি নিছিল। মানুহে অনুষ্ঠুপীয়াকৈ নিজৰ ঘৰতে বিহুৰ পৰম্পৰা ৰক্ষা কৰি যেনে-তেনে বিহুটো পালন কৰিছিল; কিন্তু এইবাৰ অৰ্থাৎ ২০২২ত অসমত কৰ'নাকেন্দ্ৰিক পৰিৱেশ নাই। গতিকে দুবছৰৰ মূৰত এইবাৰ ৰঙালী বিহুটোক স্বাভাৱিকভাৱে আদৰাৰ বাবে অসমৰ উজনি-নামনিৰ বিভিন্ন ঠাইত বিহু কমিটীসমূহে, শিল্পীসকলে আৰু অসমীয়া ৰাইজে ব্যাপক উৎসাহ-উদ্দীপনাৰে প্ৰস্তুতি চলাইছে। অসমীয়াৰ অতি আপোন বাপতি সাহোন ৰঙালী বিহুটো সাম্প্ৰতিক সময়ত অসমীয়া ৰাইজে বিভিন্ন অভাৱ-অনাটনকো নেওচি পালন কৰিবৰ বাবে প্ৰস্তুতি চলাইছে।

বজাৰত নিত্য-ব্যৱহাৰ্য প্ৰতিবিধ সামগ্ৰীৰ জুই-ছাই দাম, বজাৰত পেট্ৰ'ল, ডিজেল, কেৰাচিন, মিঠাতেল, ৰন্ধন গেছৰ চিলিণ্ডাৰ, বিভিন্ন দাইলকে ধৰি শাক-পাচলি আদিৰ আকাশলংঘী মূল্যবৃদ্ধিয়ে সৰ্বসাধাৰণ জনতাক জুৰুলা কৰিছে। বিশেষকৈ জীৱন ৰক্ষাকাৰী ঔষধৰ অতিপাত মূল্যবৃদ্ধিয়ে মানুহৰ জীৱনলৈ ভাবুকি কঢ়িয়াই আনিছে। দুখীয়া ৰাইজে জীৱনদায়িনী ঔষধ ক্ৰয় কৰিব নোৱৰা এটা পৰিস্থিতিৰ সৃষ্টি হৈছে।

অসমীয়াৰ আশা-আকাংক্ষা আৰু সমন্বয়ৰ প্ৰতীক হেঁপাহৰ ৰঙালী বিহুটো সম্প্ৰতি উদ্ভৱ হোৱা আকাশলংঘী মূল্যবৃদ্ধিকে ধৰি নানান ঘাত-প্ৰতিঘাত আৰু প্ৰতিকূল অৱস্থাৰ মাজতো অসমীয়াই নাপাতি থাকিব নোৱাৰে। বৰ্তমান সময়ত অসমত ৰাজনৈতিক, অৰ্থনৈতিক আদি বিভিন্ন সংকটে জৰ্জৰিত কৰি তুলিছে অসমীয়া জাতিক। এনে এক সংকটময় পৰিস্থিতিৰ মাজতে অসমীয়াই নিজৰ কৃষ্টি, সংস্কৃতি, পৰম্পৰাক জীয়াই ৰখাৰ বাবে প্ৰস্তুতি চলাইছে।

প্ৰসংগক্ৰমে উল্লেখ্য যে বৰ্তমান আমাৰ অসমীয়া জাতি, মাটি, ভেটি, ভাষা আৰু সংস্কৃতিৰ এক সংকটকাল উপস্থিত হোৱা বুলি সচেতন মহলে অনুভৱ কৰিছে। দৈনন্দিন বাতৰি কাকতত ঘটি থকা ঘটনাবোৰ প্ৰকাশ হোৱা কথাই সমাজ সচেতন ব্যক্তিসকলক চিন্তিত কৰি তুলিছে। সম্প্ৰতি আৰ্থ-সামাজিক সংকট, জাতীয় সংকট আদি বিষয়বোৰ ক্ৰমাগতভাৱে বৃদ্ধি পাবলৈ ধৰিছে। এইবোৰ কথা আমি এই কাৰণেই উল্লেখ কৰিব বিচাৰিছো যে বিহু সংস্কৃতিৰ লগত অসমৰ জাতীয় জীৱন আৰু অৰ্থনৈতিক অৱস্থা ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে। অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ বাবে ব'হাগ বিহুৱে আমাক সাহস দিব লাগিব। আমি সমন্বয়ৰ এনাজৰীডাল কটকটীয়া কৰিব লাগিব। অসমৰ গ্ৰাম্য অৰ্থনীতিত বিহুৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। বিহু সংস্কৃতিক কৰ্মসংস্কৃতিলৈ ৰূপান্তৰ কৰিব পাৰিলে অসমীয়া জাতি আৰ্থিকভাৱে সবল হ'ব পাৰিব। তিল পিঠা, ঘিলা পিঠা, মিঠৈ লাডু, তিলৰ লাডু আদি ঘৰতে বনাই বিক্ৰী কৰি ক্ষুদ্ৰ ব্যৱসায়লৈ পৰিৱৰ্তিত কৰিব পাৰি। আনহাতে, কোমল চাউল, ভজা চাউল, সান্দহ গুড়ি, চিৰা, মুৰি, আখৈ, খাৰলি আদিৰো ভাল ব্যৱসায় কৰিব পাৰি। ৰিহা-মেখেলা, চাদৰ, গামোচা আদি ঘৰতে আমাৰ শিপিনীয়ে তৈয়াৰ কৰি ব্যৱসায়িকভাৱে, আৰ্থিকভাৱে লাভৱান হ'ব পাৰে। এইবোৰ বস্তুৰ চাহিদা কেৱল বিহুৰ বতৰতেই নহয়, ১২ মাহেই আছে। কৃষিভিত্তিক বিহুক প্ৰকৃতাৰ্থত জীয়াই ৰাখিবলৈ হ'লে এক কৃষি বিপ্লৱৰ প্ৰয়োজন নিশ্চয় আছে। ঢেঁকী আৰু তাঁতশালখনকো আমাৰ নৱ প্ৰজন্মৰ লগত চিনাকি কৰি দিব লাগিব। বিহু উৎসৱ সমগ্ৰ অসমীয়া জাতিটোৰ প্ৰাণস্বৰূপ, জাতীয় কৃষ্টি-সংস্কৃতিৰ প্ৰতিচ্ছবি।

প্ৰসংগক্ৰমে উল্লেখ্য যে অসমবাসীৰ সমাজ-সংস্কৃতিয়ে যেনেকৈ বোঁৱতী নদীৰ দৰে প্ৰৱাহমান হৈ আছে আৰু বিভিন্ন ৰূপত জাতিস্কাৰ হৈ আছে, ঠিক তেনেকৈ ব'হাগৰ ৰঙালী বিহুৱেও গতিশীল আৰু প্ৰাণৱন্ত হৈয়ে বৰ্তি আছে, আনকি সময়ৰ পৰিৱৰ্তনৰ স'তেও নিজকে খাপ খুৱাই লৈছে। ক'বলৈ গ'লে বিহুৰ মাজতে নিহিত আছে আমাৰ জনসংস্কৃতি, আমাৰ কলা-সংগীত আৰু কৃষিজীৱী প্ৰাণচঞ্চল জীৱনৰ মাধুৰ্য।

পৰিৱৰ্তনশীল সময়ৰ প্ৰৱাহত বিভিন্ন পৰিৱৰ্তন ঘটাৰ দৰে অসমীয়াৰ বাপতি সাহোন জাতীয় উৎসৱ ৰঙালী বিহু বা ব'হাগ বিহুৰো পৰিৱৰ্তন ঘটিছে। ৰঙালী বিহু আজি আধুনিক ৰূপলৈ পৰিৱৰ্তন হোৱা দেখি সংস্কৃতিপ্ৰেমী লোক চিন্তান্বিত হৈছে। সময়ৰ লগত খাপ খুৱাবলৈ গৈ আধুনিকতাৰ নামত বিহুৰ মূল ৰূপ নাইকিয়া কৰিলে অথবা বিকৃত কৰিলে ইতিহাসে জাতিটোক ক্ষমা নকৰিব।

সি যি কি নহওক, ৰঙালী বিহু উৎসৱক আমি জনগণৰ সমাজ জীৱনৰ প্ৰতিচ্ছবি হিচাপে নতুন দৃষ্টিভংগী আৰু পৰিৱৰ্তিত অৱস্থাৰ লগত খাপ খুৱাই এনেভাৱে বিশ্লেষণ কৰা প্ৰয়োজন যাতে যুগৰ হেঁচাত জাতীয় উৎসৱৰ স্বকীয়তা হেৰাই যাব নোৱাৰে। জনজীৱনৰ জাতীয় সাংস্কৃতিক পৰম্পৰা ৰক্ষা কৰাই হ'ব আমাৰ জাতীয় গৌৰৱ, বিহু উৎসৱ পতাৰ মূল উদ্দেশ্য।

ৰঙালী বিহুত হুঁচৰি, গীত-মাতেৰে, বাঁহীৰ সুৰেৰে, ঢোল-পেঁপা-গগনাৰ দ্বাৰা সৃষ্ট সুৰ সমলয়ত অসমীয়াৰ প্ৰাণত জাগি উঠক ইতিবাচক চিন্তা ধাৰণা। ইতিবাচক চিন্তা ধাৰণা আৰু কৰ্মসংস্কৃতিৰ দ্বাৰা অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ পণ এই বিহুতেই আমি ল'ব লাগিব।

প্ৰসংগক্ৰমে উল্লেখ্য যে আমাৰ আৰ্থ-সামাজিক জীৱনৰ সকলো দুখ-বেদনা, ভাগৰ এই ৰঙালী বিহুতে আঁতৰ কৰি নৱ জীৱনৰ প্ৰতিশ্ৰুতিৰে সদ্‌ভাৱ-সম্প্ৰীতিৰ এখন বহল সমাজ গঢ়াৰ সংকল্প লৈ জাতীয়তাবোধৰ সাঁচ জীপাল কৰি বিহু সংস্কৃতিৰ বৰপথাৰখনত সুখ-শান্তি-সমন্বয় আৰু সমৃদ্ধিৰ গীত গাওঁ আহক। নৱবৰ্ষটো সকলোৰে বাবে সুৰক্ষিত আৰু শুভ হওক। তাৰে কামনাৰে।

ফোন ঃ ৯৪০১০২৪৬৮১



# বিহু অসমীয়াৰ প্ৰাণৰ স্পন্দন

### বিহু নাচৰ আখৰাস্থলীৰ পৰা ভাহি অহা ঢোল-পেঁপাৰ মাতে সমগ্ৰ ৰাজ্যখনতে আগতীয়াকৈ বিহুৰ পৰিৱেশৰ সূচনা কৰে। মহামাৰীয়ে কোঙা কৰা তিক্ত অভিজ্ঞতাৰ পাছত অসমীয়া জাতিৰ আয়ুসৰেখা ব'হাগৰ বিহুটিয়ে এইবছৰ নতুন উদ্যম নতুন উছাহেৰে সেমেকা মনবোৰ জীপাল কৰি তুলিছে



## অৱলোকন

### চাইৰা ইছলাম বড়া

**ব'হাগ** অসমীয়া জাতিৰ স্বাভিমান, হেঁপাহৰ ব'হাগ আকৌ আহিল। নঙলা মুখত ৰঙালী বিহুক আদৰিব পাই আজি ৰঙীন অসমীয়াৰ তন-মন। ঋতু পৰিৱৰ্তনৰ সমানে প্ৰকৃতিয়ে সলাইছে বৰণ। অসমৰ আকাশে-বতাহে এতিয়া বসন্তৰ সুৱাস। ব'হাগৰ ৰাগিত মতলীয়া বিহুবলীয়া মন। হিয়াৰ আমঠু ব'হাগৰ বিহুটিক আদৰাৰ হেঁপাহত মুখৰিত চৌদিশ। ফাগুনৰ শেষত চ'তৰ নঙঠা প্ৰকৃতিয়ে দিলে বসন্ত অহাৰ জাননী। প্ৰকৃতিৰ বুকুলৈ বসন্তই কঢ়িয়াই অনা ব'হাগৰ বতৰাত পদূলি মুখত হেঁপাহৰ ৰঙালী। দুটা বছৰৰ তিক্ততাৰে ভৰা ভয়াৱহ অভিজ্ঞতাৰ বিৰতিৰ মূৰত বাপতি সাহোন ৰঙালী বিহুটিক আদৰিবলৈ সকলোৰে মাজত পাৰভঙা উছাহ। পূৰ্বৰ দৰেই মুকলি মনেৰে এইবাৰ বিহু পালন কৰিব পাৰিব অসমীয়া ৰাইজে। অসমীয়া নৱবৰ্ষৰ আৰম্ভণিতে ৰাইজৰ বাবে ইয়াতকৈ আনন্দৰ কথা আন একোৱেই হ'ব নোৱাৰে। নহ'বনো কিয়, ৰঙালীৰ বিশেষত্ব এয়াই যে নতুন বছৰে কঢ়িয়াই অনা ব'হাগ বিহুৰ মন উতলা কৰা বতৰ, ৰচকি নাচনীৰ জেতুকাৰ বোলেৰে হৃদয় ৰাঙলী হোৱাৰ বতৰ, বিহুৱা ডেকাৰ ঢোলৰ ছেৱত অসমীয়াৰ বৰঘৰৰ চোতাল কঁপি উঠাৰ বতৰ। লগতে বৰদৈচিলাজনীয়েও প্ৰকৃতিক নোৱাই ধুৱাই মলিয়ন আৱৰণ খহাই সেউজ সাজে শুৱনি কৰি ধৰণী নৰূপত সজাই তোলাৰ বতৰ। বতৰৰ বিহুটিৰ ঢোলৰ চাপৰত এতিয়া সকলোৰে গা সাতখন-আঠখন। বহু প্ৰত্যাশিত চেনেহৰ ব'হাগ বিহুৰ আনন্দত চৌদিশে এতিয়া নতুনত্বৰ অপূৰ্ব ৰঙীন সমাহাৰ। কোমল কুঁহিপাতৰ আঁৰত কুলি-কেতেকীৰ মাত। লঠঙা ডালত কপৌ ফুলিছে, সেউজ বিৰিখৰ ডালত নাহৰ-তগৰৰ লগতে অজস্ৰ তৰহৰ ফুলৰ সমাহাৰ। নানাৰঙী সুগন্ধিত ফুলৰ সুৱাসত বিনন্দীয়া প্ৰকৃতিৰ অপৰূপ ৰূপ লাৱণ্যত আত্মবিভোৰ মন। ঢোল, পেঁপা, গগনাৰ মাতত চৌদিশে ৰজন্‌জন, কুলি-কেতেকীৰ মৌসনা মিঠা মাতত অসমীয়াৰ প্ৰাণ চঞ্চল। হিয়াৰ আমঠু ব'হাগৰ বিহুটিক আদৰাৰ হেঁপাহত উখল-মাখল ৰূপহী ধৰণী। বসন্ত ঋতুৰ পৰশত কেৱল মাত্ৰ প্ৰকৃতিৰ ওপৰতেই সেউজ আৱৰণ নহয়, সমান্তৰালভাৱে মানুহৰ মনৰ ওপৰতো ব'হাগে ৰঙীন আবিৰ সানি দিয়ে। লঠঙা ডালত বাৰিষাৰ ন-পানীৰ পৰশত ওলমি ৰোৱা সেউজ কোমল কুঁহিপাতবোৰৰ দৰে হৃদয় নদীও ভেটা ভাঙি ব'বলৈ ধৰে। ঠায়ে ঠায়ে অনুষ্ঠিত হোৱা বিহু মেলা সমূহতো পৰম্পৰাগত বিহু সামগ্ৰীৰে ভৰি পৰিছে। ৰঙালী উৎসৱৰ উখল-মাখলত এয়া যে প্ৰকৃত সময় ৰঙালীৰ ৰঙত বিলীন হোৱাৰ।

ব'হাগ মাহৰ আৰম্ভণিতে ৰঙালী বিহুৰ উদ্‌যাপনৰ আনন্দময় পৰিৱেশৰ মাজত আত্মহাৰা হৈ পৰে বিহু বলিয়া ৰাইজ। অতীজৰে পৰাই ব'হাগৰ বিহুটিৰ তাৎপৰ্য কৃষিজীৱী ৰাইজৰ স'তে ওতঃপ্ৰোতভাৱে সাঙোৰ খাই আছে। জনশ্ৰুতি মতে খেতি ভূমিৰ উৰ্বৰা শক্তি বৃদ্ধি পায় এই ব'হাগৰ বতৰতে। বিহুৰ আনন্দই কৰ্মমুখী গঞা কৃষকসকলৰ মনলৈ নতুন উদ্যম, নতুন আশা কঢ়িয়াই আনে। ক'ভিডে ম্লান কৰাৰ অন্তত বহু প্ৰতীক্ষিত দুটা বছৰৰ বিৰতিৰ পাছত প্ৰাণ পাই উঠিব আই অসমীৰ বৰ চোতালত ঢোল-পেঁপাৰ গুমগুমনি, তাঁতশালত শিপিনীৰ হাতৰ পৰশত মাকোৰ খিট্‌খিটনি। অসমীয়া শিপিনীৰ হাতত প্ৰাণ পাই উঠিব বিভিন্ন ডিজাইনৰ বিহুৱানৰ লগতে থলুৱা সাজ-পোছাক। এইবাৰ হেঁপাহ পলুৱাই বিহুৰ আনন্দৰ ভাগ ল'ব অসমীয়াই। অসমীয়াৰ আবেগ জড়িত বাপতি সাহোন ব'হাগৰ বিহুটিৰ আনন্দ সকলোৰে সিৰে সিৰে প্ৰবাহিত হৈ আছে । ইতিমধ্যে অসমৰ সকলো প্ৰান্তত চলিছে বিহুক আদৰাৰ ব্যাপক প্ৰস্তুতি। ৰূপহী নাচনীৰ ভৰিৰ গচকত এইবাৰ জীপাল হৈ উঠিব মৰহা ধৰণী। ৰঙে-ৰসেৰে উপচি পৰিব বিহুবলীয়া ৰাইজৰ থৌকি-বাথৌ মন। কুলি-কেতেকীৰ মাতত অধিৰ যৌৱনাদীপ্ত প্ৰকৃতিয়ে অপৰূপ সৌন্দৰ্যৰ সেউজ-বুলীয়া বিনন্দীয়া ৰূপৰ পোহাৰ মেলিছে। বসন্তৰ পৰশত সকলো ফালেই পুৰ্ণতা প্ৰাপ্তিৰ জোৱাৰ। নদী নিজৰা, জান-জুৰিৰ খৰাং বুকু বাৰিষাৰ ন-পানীৰ পৰশত আপোন গতিত ব'ব ধৰিছে। বিহুবলীয়া ৰাইজৰ মাজত আনন্দ-উছাহৰ ৰং দুগুণে চৰাবলৈ জনপ্ৰিয় শিল্পী সকলো সাজু হৈছে ৰঙালীৰ বিহুমঞ্চ কঁপাবলৈ। দীৰ্ঘদিনীয়া বিৰতিৰ পাছত প্ৰিয় শিল্পীসকলৰ সংগীতৰ অনুষ্ঠান উপভোগ কৰিবলৈ উদগ্ৰীৱ অনুৰাগীসকল। ব'হাগ বিহুৰ সময়ত মুকলি পথাৰত অনুষ্ঠিত হোৱা বিহুৰ সমানে মঞ্চ বিহুৱেও দৰ্শকৰ মাজত বিশেষ প্ৰাধান্য পাই আহিছে। জনপ্ৰিয় গায়কৰ কণ্ঠৰ বিহু গীতৰ লগতে বিহুৱতীৰ বিহুনাচ, বিভিন্ন দলৰ হুঁচৰি পৰিবেশনৰ আমেজো ৰাইজে মঞ্চতে উপভোগ কৰাৰ সুবিধা লাভ কৰে। বিহুৰ প্ৰাক্‌মুহূৰ্তৰ পৰাই দলসমূহে একত্ৰিত হৈ হুঁচৰি পৰিবেশন কৰিবলৈ প্ৰস্তুতি আৰম্ভ কৰে। সেই সূত্ৰে নৱপ্ৰজন্মৰ মাজতো নিখুঁত আৰু শুদ্ধ ৰূপত হুঁচৰি পৰিবেশন কৰাৰ শিক্ষা প্ৰদান কৰা হয়। কে বাঁটাও জনপ্ৰিয় হুঁচৰি দলে তেওঁলোকৰ সুন্দৰ প্ৰদৰ্শনৰ বাবে ইতিমধ্যে অসমৰ বাহিৰতো ৰাইজৰ ভূয়সী প্ৰশংসা লভিবলৈ সক্ষম হৈছে। গাঁৱৰ ডেকা-গাভৰু একত্ৰিত হৈ হুঁচৰি জোৱা পৰম্পৰা ব'হাগ বিহুৰ এক অন্যতম আকৰ্ষণ। গৃহস্থৰ কুশলৰ অৰ্থে ঘৰৰ চোতালত হুঁচৰি জুৰি আশীৰ্বাদ দিয়া প্ৰথা অতীজৰে পৰাই চলি আহিছে। মুকলি পথাৰৰ গছৰ তলত, মহাবাহু ব্ৰহ্মপুত্ৰৰ পাৰত, ৰংঘৰ, কাৰেংঘৰ, তলাতল ঘৰৰ বাকৰিত উজনি-নামনি ৰজন্‌জনাই ইতিমধ্যেই মুকলি বিহুৰ আখৰা সম্পূৰ্ণ হৈ উঠিছে।

জনসমাগমৰ পৰা কিছু নিলগত গৈ জীয়ৰী-বোৱাৰীসকলো সমবেত হৈ হেঁপাহ পলুৱাই এপাক কঁকাল ঘূৰাই জেংবিহুৰ প্ৰস্তুতিৰ আনন্দ-উছাহৰ মাজত উত্ৰাৱল হৈ পৰিছে। মুঠতে সেমেকা বতৰৰ বিধি-পথালিয়ে ম্লান কৰিব পৰা নাই ৰঙালীক আদৰাৰ উছাহ উদ্দীপনা। পূৰ্ণোদ্যমে চলিছে বিহু আখৰাৰ অনুশীলন। ব'হাগৰ বতৰত তিহিতি পেঁপাৰ মাতৰ লগতে ঢোলৰ গুম্‌গুমনিত উজনি নামনি উখল-মাখল।

বিহুৰ আনন্দ-উছাহৰ পৰা ব্যতিক্ৰম নহয় কণ কণ শিশুসকলো। জাকৰুৱা নাচনী ওলাই আহি অংশগ্ৰহণ কৰিছে অভিজ্ঞ প্ৰশিক্ষকৰ দ্বাৰা পৰিচালিত হোৱা বিহু নাচৰ আখৰাত। ঢোল-পেঁপাৰ দৰে লোক বাদ্যযন্ত্ৰ নিৰ্মাণত ব্যস্ত হৈ পৰিছে অভিজ্ঞ কাৰিকৰসকল। থলুৱা বাদ্যযন্ত্ৰৰ সংগতে বিহুনামসমূহত এক অনন্য মাত্ৰা প্ৰদান কৰে। জীয়ৰী-বোৱাৰী সকলো ব্যস্ত তাঁতশালত বিহুৱান সাজু কৰাৰ উপৰি আখলত বিহুৰ জলপান তৈয়াৰ কৰাত। মুঠতে বহু আকাংক্ষিত বিহুটিক আদৰিবলৈ নিজাববীয়াকৈ সকলো ধৰণৰ আয়োজন সম্পূৰ্ণ কৰি তোলাত ৰাইজে কোনো ত্ৰুটি ৰাখিব বিচৰা নাই। বসন্তৰ আগমন মানেই ৰং- ৰহইছ আৰু আনন্দৰ সমাহাৰ। অসমত উদ্‌যাপন কৰা জাতীয় উৎসৱসমূহৰ ভিতৰত ব'হাগ বিহুৱে বিশেষ তাৎপৰ্য বহন কৰে। অফুৰন্ত উদ্যমেৰে পযেকজোৰা ব্যস্ততাৰ মাজত আনন্দ- উলাহৰে ৰঙালী বিহু পালন কৰা হয়। ন-পুৰণি বিহু গীতৰ চিনাকি সুৰত ৰজন্‌জনাই উঠিছে অসমৰ চৌদিশ। বিহু নাচৰ আখৰাস্থলীৰ পৰা ভাহি অহা ঢোল-পেঁপাৰ মাতে সমগ্ৰ ৰাজ্যখনতে আগতীয়াকৈ বিহুৰ পৰিৱেশৰ সূচনা কৰে। মহামাৰীয়ে কোঙা কৰা তিক্ত অভিজ্ঞতাৰ পাছত অসমীয়া জাতিৰ আয়ুসৰেখা ব'হাগৰ বিহুটিয়ে এইবছৰ নতুন উদ্যম নতুন উছাহেৰে সেমেকা মনবোৰ জীপাল কৰি তুলিছে। বিহুৰ আনন্দমুখৰ পৰিৱেশত অগ্ৰদুত পৰিয়াল সহিতে সমূহ অসমবাসীলৈ সাতামপুৰুষীয়া ৰঙালী বিহুটিৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰি এই আপাহতে আশা কৰিম প্ৰাণৰ ব'হাগে চিৰদিনৰ বাবে সকলো আপদ-বিপদ বিনাশ ঘটাই আমাৰ মাজলৈ যেন পূৰ্বৰ মুকলি পৰিৱেশ উভতাই আনে।

ফোন ঃ ৯১০১৫১৭৮৪৭



# ব'হাগৰ সপোন



**ব'হাগ** নাহিলে কাৰনো কি ক্ষতি হ'লহেঁতেন! নিৰন্তৰ স্পন্দনহীনতাত পৃথিৱীখন কক্ষপথৰ পৰা বিচ্যুত হ'লহেঁতেন নেকি? নে প্ৰেমহীনতাত মানুহবোৰ যন্ত্ৰ হৈ পৰিলহেঁতেন? নে সন্ধিয়াৰ আকাশত জোনাকৰ লুকা-ভাকুৱে হিয়া-মন উতলা নকৰিলেহেঁতেন। য'ত সৰ অনৰ্থৰ মূল এই বসন্ত ঋতু। বসন্ত ঋতুৰ আকুল আকুতি সহিব নোৱাৰি ন-কইনাজনী হৈ আহে ব'হাগ আৰু ব'হাগৰ বিহু পাতিবলৈ গৈ আমাৰ দৰে অত্যুৎসাহীবোৰ লাঞ্ছনা-গঞ্জনাৰ বলি হ'ব লগা হয়। ব'হাগক আদৰিবলৈ পতা উৎসৱৰ বাবে অৰ্থ সংগ্ৰহ কৰিবলৈ গৈ নষ্ট মানসিকতাৰ ব্যক্তিৰ মুখৰ পৰা নিৰ্গত বিষভৰা কথাই এনেকৈ বিন্ধে যে সেয়া সহ্যৰ সীমা চেৰাই যায়। বিহু সন্মিলনীৰ সৃষ্টি, বিকাশ আৰু উত্তৰণৰ কথা লিখিবলৈ হাতত কলম তুলি লোৱাৰ সময়তে এনেবোৰ প্ৰশ্নই মোক জুমুৰি ধৰিলে। ক্লিষ্ট শৰীৰটো অৱশ-অৱশ লাগিল । হঠাৎ নিদ্ৰাদেৱীয়ে মোক লৈ গ'ল অন্য এক জগতলৈ। য'ত বহি আছিল বিষ্ণু ৰাভা, জ্যোতিপ্ৰসাদ আগৰৱালা, ফণী শৰ্মা আৰু হয় সেইজন সিংহপুৰুষ ৰাধাগোবিন্দ।

### ধ্ৰুৱজ্যোতি শৰ্মা

আটাইবিলাকে মোক বেৰি ধৰিলে। জ্যোতিপ্ৰসাদে ক'লে— ব'হাগ নহাৰ কথা কিয় ভাবিছা? ব'হাগ অসমীয়াৰ হৃদয়ৰ স্পন্দন, আশাৰ ৰামধেনু, সৃষ্টিৰ কিৰণ। ব'হাগ নাহিলে সঁচাকৈয়ে তোমালোক যন্ত্ৰ হৈ যাবা। ফণী শৰ্মাই ক'লে— এনেই মানুহবোৰ হতাশ হৈ পৰিছে। ব'হাগ নাহিলে অসমীয়াৰ মানৱীয় আবেগ-অনুভূতিবোৰ নিঃশেষ হৈ যাব। ধ্বংস হৈ যাব প্ৰেম, মৰম, চেনেহ আদিৰ প্ৰকৃত অৰ্থ। এইবাৰ ৰাধাগোবিন্দৰ পাল— অসমীয়া জাতিৰ অস্তিত্ব লুকাই আছে ব'হাগ বিহুৰ মাজতে। বিহুক বিশ্ব সভা লৈ যাবলৈ মঞ্চ বিহুৰ প্ৰথম ময়েই আয়োজন কৰিছিলো। তোমালোকেও বিহুৰ স্বকীয় শৈলী অক্ষুণ্ণ ৰাখি ব'হাগক আদৰিবলৈ সদায় যত্নবান হ'বা। এনেতে অন্য এজন মানুহ আহি মোৰ কান্ধত হাত থ'লে। আৰে এইজন দেখোন ৰবীন হুদ। তেওঁ আকৌ ক'ৰ পৰা। তেওঁৰ মুখলৈ মই লক্ষ্য কৰিলো, তেওঁৰ মুখখন কেতিয়াবা হেমাংগ বিশ্বাসৰ দৰে হৈছে। তেওঁ ক'লে—তুমি কিয় হতাশ হৈছা। মই জানো, মঞ্চ বিহুৰ বাবে অৰ্থ সংগ্ৰহ কৰিবলৈ গৈ বহুতৰে ককৰ্থনা আৰু গঞ্জনা খাই তুমি ভাগি পৰিছা নহয়? আচলতে সিহঁতবোৰ দিন ডকাইত। সিহঁতে ৰাইজৰ লক্ষ লক্ষ টকা লুট কৰি জোক, মহৰ দৰে নোদোকা হৈছে। সিহঁতক ভয় নকৰিবা। সিহঁতৰ অস্তিত্ব কিছু সময়ৰ বাবে। সিহঁতে মোকো ডকাইত সজাইছিল। তোমালোককো সজাব খুজিব। ৰাইজ যেতিয়া তোমালোকৰ বাটত আছে সেই শ্বাপদ সকললৈ ভয় কিহৰ? সাহসেৰে আগুৱাই যোৱা। বিষ্ণু ৰাভাই পুনৰ ক'লে—শুনিছা নহয় এই একেখিনি মোৰো কথা।..... কোনোবাই মোৰ চোলাটোত ধৰি টানি আছে— অ' এইজনী দেখোন মোৰ তনয়া জীয়া। তাইৰ মাতত মই পুনৰ সাৰ পালো....। ব'হাগৰ প্ৰাক্‌মুহূৰ্তত দেখা এই সপোনটোৱে মোৰ বাবে মানসিক শক্তিৰ উৎস হৈ পৰিল। এনে সপোন প্ৰতিজন অসমীয়াই দেখা উচিত।

ফোন ঃ ৯৪৩৫০ ২৮৩৬০

দৈনিক অগ্ৰদূত
গুৱাহাটী, ১৪ এপ্ৰিল মঙলবাৰ, ২০২২ পৃষ্ঠা ৬



# ব'হাগ বিহুত ব্যৱহাৰ্য গছ-বন-লতা

ৰমেশ চন্দ্ৰ গোস্বামী

**প্ৰত্যেক** জাতিয়ে সমূহীয়াভাৱে বছৰৰ একোটি নিৰ্দিষ্ট সময়ত পালন কৰা লোক উৎসৱকে জাতীয় উৎসৱ বোলে। জাতীয় উৎসৱ বুলি কওঁতে জাতিটোৰ বৰ্ণ-সম্প্ৰদায়-গোষ্ঠী-নিৰ্বিশেষে, উচ্চ-নীচৰ ব্যৱধান নোহোৱাকৈ পালন কৰা সামূহিক আনন্দ-উৎসৱকে বুজায়। পৃথিৱীৰ বিভিন্ন জাতি-উপজাতিৰ মাজত প্ৰচলিত জাতীয় উৎসৱবোৰৰ ভিতৰত কৃষি ভিত্তিক উৎসৱ এক উমৈহতীয়া জাতীয় উৎসৱ। অসম বহু জনগোষ্ঠীৰ মিলনভূমি। গোষ্ঠীগত বিভিন্নতা সত্ত্বেও ইয়াৰ ভৌগোলিক তথা প্ৰাকৃতিক পৰিৱেশে ইয়াৰ মানুহক এক স্বতন্ত্ৰতা দিছে আৰু এটা ঐক্যভাৱৰ সৃষ্টি কৰিছে। নদী-মাতৃক অসমৰ সমূহ কৃষিজীৱী জনগোষ্ঠীয়ে পালন কৰা জাতীয় উৎসৱ হ'ল বিহু। ই প্ৰেম, শান্তি, ভ্ৰাতৃত্ববোধ, একতা আৰু জাতীয় সংহতিৰ প্ৰতীক। আহোম স্বৰ্গদেউ ৰুদ্ৰসিংহৰ (১৬৯৬-১৭৯৪ খ্ৰীঃ) দিনৰে পৰা বিহু উৎসৱক 'জাতীয় উৎসৱ' বুলি স্বীকৃতি দিয়া হৈছিল।

'বিহু' শব্দটোৰ উৎপত্তি সম্পৰ্কে পণ্ডিতসকল একমত নহয়। এই সম্পৰ্কে তিনিটা গোষ্ঠীয়ে তিনিটা শব্দ নিৰ্ণয় কৰিছে। শব্দ তিনিটা হ'ল 'বিষুৱ' 'বৈশাগু' আৰু 'পঈ-ও'। বিষুৱ সংক্ৰান্তিৰ সময়ত এই উৎসৱ পালন কৰা হয় বাবে বহুতে সংস্কৃত বিষুৱ শব্দৰ লগত 'বিহু'ৰ সম্পৰ্ক আছে বুলি কয়। জনজাতিসকলৰ প্ৰধান উৎসৱ বড়ো ভাষাৰ 'বৈশাগু' বা বৈখু' শব্দৰ পৰা বিহু শব্দটো উৎপত্তি হোৱা বুলি মত পোষণ কৰিছে। টাই ভাষাৰ 'পঈ-হু'ৰ পৰা 'বিহু' শব্দলৈ অপভ্ৰংশ হোৱা বুলি কয়। পঈ-হু, পি-হু, তাৰ পাছত বিহু। পৰৱৰ্তী কালত থলুৱা উৎসৱ বড়ো ভাষাৰ 'বৈশাগু' শব্দৰ পৰা 'বিহু' শব্দটো উৎপত্তি হোৱাৰ সম্ভাৱনা অধিক বুলি মত পোষণ কৰিছে।

বিহু তিনিটা। চ'ত আৰু ব'হাগৰ মহাবিষুৱ সংক্ৰান্তিত ব'হাগ বিহু বা ৰঙালী বিহু উদ্‌যাপন কৰা হয়। আহিন আৰু কাতিৰ জলবিষুৱ সংক্ৰান্তিত কাতি বিহু বা কঙালী বিহু পালন কৰা হয়। পুহ আৰু মাঘৰ সংক্ৰান্তিত মাঘ বিহু বা ভোগালী বিহু পালন কৰা হয়। সংক্ৰান্তিৰ সময়ত বিহু পাতে বাবেই নামনি অসমত বিহুক দোমাহী বুলি কয়। এই প্ৰৱন্ধত অকল ব'হাগ বিহু বা ৰঙালী বিহুত ব্যৱহাৰ হোৱা গছ-বন-লতা শাক আদিৰ বিষয়ে আলোচনা আগবঢ়াম।

ব'হাগ বিহু চ'ত মাহৰ শেষ দিনা (সংক্ৰান্তি)ৰ পৰা আৰম্ভ হয়। সেই দিনটো হিন্দু দিনপঞ্জীৰো শেষ দিন। আগেয়ে ব'হাগ বিহু সাতদিন ধৰি পালন কৰা হৈছিল। প্ৰত্যেক দিনৰে একোটাকৈ সুকীয়া সুকীয়া নাম আছে। যেনে গৰু বিহু, মানুহ বিহু, গোসাঁই বিহু, তাঁতৰ বিহু, নাঙলৰ বিহু, ঘৰচীয়া জীৱজন্তুৰ বিহু আৰু চেৰা বিহু। এই সাতটা বিহুক সাত বিহু বুলি কয়। বসন্ত কালত পালন কৰা হয় বাবে ব'হাগ বিহু আৰু ইয়াৰ সমগোত্ৰীয় সমূহ উৎসৱক বসন্ত উৎসৱ নামেৰে সামূহিকভাৱে সামৰা হয়। ব'হাগ বিহুৰ স'তে প্ৰকৃতিৰ সম্পৰ্ক অভিন্ন।

ব'হাগ বিহু মূলতঃ উৰ্বৰা শক্তিৰ লগত জড়িত। এই বিহুৰ লগত গছ-বন-লতা আৰু শাক আদিক লৈ বহুতো জনবিশ্বাস চলি আছে। বিহুগীতত গায়—

ব'হাগ আহিলে মৰমৰ চেনাই ধন
কঠীয়া সিঁচিবৰ হ'ল
বৰষাও আহিলে ঢোলে ডগৰে
কঠীয়া ৰুবৰে হ'ল।

চ'তৰ বিহু বুলিও খ্যাত ব'হাগ বিহুৰ প্ৰথম দিনটো গৰু বিহু। ব'হাগ বিহুৰ লগতে গো-পূজাও জড়িত। কৃষিজীৱী সমাজখনত গৰুৱে চিৰদিনেই এক বিশেষ স্থান অধিকাৰ কৰি আহিছে। গতিকে কৃষকসকলে কৃষিকেন্দ্ৰিক উৎসৱৰ শ্ৰেষ্ঠতম ব'হাগ বিহু পালন কৰোঁতে প্ৰথমে গৰু বিহুকে পাতে। গৰু বিহুৰ দিনা পুৱা গৰুৰ গাত তেল, মাহ, হালধি ঘঁহি নোৱাই ধুৱাই



লাউ, বেঙেনাৰ মালা গাঁথি গাত দি গোৱা হয়।

'দীঘলতি দীঘল পাত
মাখি মাৰো জাক জাক
মাৰ সৰু, বাপেৰ
সৰু
তই হ'বি বৰ গৰু
লাও খা, বেঙেনা খা
বছৰে বছৰে বাঢ়ি যা।

গা ধুওৱা নিয়মৰ লগত জীৱ-জন্তুৰ স্বাস্থ্য সম্পৰ্কীয় দিশ বিশেষকৈ গৰুৰ বেমাৰ-আজাৰ, বসন্ত, ছালৰ বেমাৰ, চিকৰা, ওকণি আদি প্ৰতিৰোধৰ চিন্তা, যত্ন আৰু সচেতনতা লক্ষ্য কৰা যায়।

ব'হাগ বিহুৰ সময়ত ব্যৱহাৰ হোৱা কেইবিধমান গছ-বন-লতা হ'ল ১) মাখিয়তী, ২) দীঘলতি ৩) লাও বেঙেনা ৪) বৰ্হমথুৰি ৫) নহৰু, ৬) জেতুকা ৭) কপৌফুল ৮) তামোল পাণ আৰু ৯) সাত শাক।

**দীঘলতি ঃ** গৰু বিহুৰ দিনাখন গৰুক গা-ধুৱাই দীঘলতিৰ ডালেৰে গৰুক কোবাই গৰুক আশিস প্ৰদান কৰে। দীঘলতি চুটি চাপৰ এবিধ গছ। ইয়াৰ পাতবোৰ দীঘল দীঘল বাবে সম্ভৱ দীঘলতী নাম পাইছে। ই সেমেকা ঠাইত বেছিকৈ হয়। নলবাৰী জিলাৰ উপৰ বৰভাগ মৌজাৰ নখেতি, ৰাতকুছি, দোকোহা, আৰঙ্গমৌ গাঁৱত প্ৰচুৰ পৰিমাণে পোৱা যায়।

**মাখিয়তী ঃ** চুটি-চাপৰ জাতৰ মাখিয়তী গছক বহুতে মাখি মৰা গছ বুলিও কয়। ইয়াৰ পাত, ফুল আৰু ডাল বিহুত ব্যৱহাৰ হয়। ই আকস্মিক ব্যাধি নিৰ্মূল কৰে বুলি বিশ্বাস কৰি গোহালি ঘৰত ইয়াক সংৰক্ষণ কৰে।

**লাও-বেঙেনা ঃ** জাতি লাও, পোৱাল বেঙেনা, মাহ-হালধি আদি গৰু বিহুৰ দিনাখন বৰ প্ৰয়োজনীয়। বিহুৰ আগদিনাই গৃহস্থই যতনাই থৈ গৰু বিহুৰ দিনা গৰু গা ধুৱাই লাও-বেঙেনাৰ মালা পিন্ধাই আশীৰ্বাদ কৰে। অৱশিষ্টখিনি শুকাই গোহালিত ৰোগ নিৰাময় হয় বুলি বিশ্বাস কৰি সংৰক্ষণ কৰে।

**বৰ্হমথুৰি** ঃ সম্প্ৰতি প্ৰায় বিলুপ্ত। বৰ্হমথুৰি মূলতঃ এবিধ ঔষধি গছ। ইয়াৰ পাত খালে পেটৰ অসুখ নাইকিয়া হয়, ই দাঁতৰো বহু ৰোগ নাইকিয়া কৰে।

**নহৰু ঃ** নহৰু এক প্ৰকাৰৰ শ্বেত বৰ্ণৰ কাণ্ড। কাণ্ড পাচলিৰ ভিতৰত এবিধ মছলা জাতীয় শস্য। বিহুৰ দিনা খুন্দি পানীত মিহলাই গোহালি ঘৰ আৰু মানুহ থকা ঘৰত ছটিয়াই দিয়া হয়। ই অপায়-অমংগল নোহোৱা কৰে বুলি বিশ্বাস কৰা হয়।



**জেতুকা ঃ** ব'হাগ বিহুৰ লগত জেতুকাৰ সম্পৰ্ক অভিন্ন। বিহুৰ বতৰত নাচনীসকলে হাতত জেতুকাৰ বোল লয়। ইয়াৰ ঔষধি গুণো আছে। বিহুৰ সময়ত হাত আৰু ভৰিত জেতুকা লগালে বছৰটোলৈ চৰ্মৰোগ নোহোৱা হয় বুলি বিশ্বাস।

**কপৌফুল ঃ** কপৌফুল হ'ল ব'হাগ বিহুত আটাইতকৈ প্ৰয়োজনীয়। কপৌফুল অবিহনে নাচনী সম্পূৰ্ণ নহয়। খোপাত নাচনীয়ে কপৌফুল লোৱাৰ এক বৈজ্ঞানিক ভিত্তিও আছে। খোপাত কপৌফুল লৈ নাচিলে নাচনীৰ মূৰ নিবিষায়।

**তামোল-পাণ ঃ** বিয়া-সবাহৰ পৰা আৰম্ভ কৰি বিহু তিথিলৈকে সকলোতে তামোল-পাণ ব্যৱহাৰ হয়। বিহু হুঁচৰি গাব আহিলে গৃহস্থই প্ৰথমে তামোল-পাণৰ শৰাইৰে আদৰি নিব লাগে। বিহুতলীত হাঁচতিত তামোল বান্ধি নি মৰমৰ চেনাই ধনক দিয়া প্ৰথাও আছে। বিহুগীততো ইয়াৰ প্ৰচলন আছে।

সাত শাক ঃ ব'হাগ বিহুৰ সপ্তম দিনা সাতবিধ শাক খোৱাৰ নিয়ম আছে। আজিও জীয়ৰী-বোৱাৰীহঁতে সাত বিহুৰ দিনা সাত শাক যোগাৰ কৰি খায়। সাত শাকৰ উপৰি বিহুৰ ভিতৰত কলফুল, পচলা, ঢেঁকীয়া শাক আদি খোৱাৰ নিয়ম আছে। এইবোৰে বহু বেমাৰ-আজাৰৰ পৰা মুক্ত কৰে বুলি বিশ্বাস। কিন্তু দুখৰ বিষয় যে আজি আমি পাশ্চাত্য শিক্ষাৰ অন্ধ অনুকৰণ কৰি এইবোৰ পুৰণি কলীয়া প্ৰথা বুলি এৰি দিছো। প্ৰকৃততে ইয়াৰ প্ৰচলন বজাই ৰাখিব পৰাটোহে আমাৰ গৌৰৱৰ বিষয়।

# বিহুৱতী প্ৰতিযোগিতা বিচাৰকে ধ্ৰুপদী সংগীতৰ আধাৰত বিচাৰ কৰাৰ বাবে বিহুনাচ কৰ্মশালাৰ প্ৰাসংগিকতা

ব্ৰজেন জীৱন

**সম্প্ৰতি** অসমত বাপতি সাহোন অতিকৈ চেনেহৰ ব'হাগ বিহুটিৰ লগত আটাইতকৈ চৰ্চিত বিষয়টো হৈছে বিহু নাচৰ কৰ্মশালা। আমি সকলোৱে জানো যে বিহু হ'ল চঞ্চল বসন্তৰ উন্মাদনাৰ বহিৰ্প্ৰকাশ। ই স্বতঃস্ফূৰ্ত আৰু স্বতঃসিদ্ধ। গতিকে য'তে-ত'তে বিহু নাচৰ কৰ্মশালা অনুষ্ঠিত কৰাৰ প্ৰয়োজন বা ক'ত? কিন্তু বিহু নাচৰ কৰ্মশালা অসমৰ গাঁৱে-ভূঞে, নগৰে-চহৰে এনেদৰে শিপাইছে যে অভিভাৱকসকলেও এই কৰ্মশালালৈ নিজৰ ছোৱালীজনীক লৈ যাবলৈ বাধ্য। এটা সময়ত বিহু আছিল গছৰ তলত আৰু হুঁচৰি আছিল গৃহস্থৰ চোতালত। আৰু এতিয়া বিহুৱেই হওক বা হুঁচৰিয়েই হওক সি পালেগৈ চহৰৰ মঞ্চ। মঞ্চ বিহু মানেই বিহুৱতী প্ৰতিযোগিতা আৰু প্ৰতিযোগিতা মানেই বিচাৰকৰ মূৰৰ কামোৰণি। সেয়েহে বিহু বিচাৰকে সৃষ্টি কৰিলে বিহুনাচ কৰ্মশালা; যাতে সহজতে ধ্ৰুপদী সংগীতৰ আৰ্হিত বিহুৱতী নিৰ্বাচন কৰিব পাৰে। বহুতে ক'ব খোজে তাৰে অচিলাৰে কিছুমানৰ বাবে হৈ পৰিল টকা সহজতে ঘটাৰ উপায়। সঁচাকৈয়ে বিহুনাচ কৰ্মশালা ব্যৱসায় হয়নে?

প্ৰণিধানযোগ্য যে সাম্প্ৰতিক সময়ৰ যান্ত্ৰিকতাৰ সান্নিধ্যই প্ৰতিজন শিশুকে আমি অভিভাৱকে যন্ত্ৰ সদৃশ ৰবটলৈ পৰিৱৰ্তন কৰিবলৈ বাধ্য কৰিছোহঁক। প্ৰতিযোগিতাৰ দৌৰত দৌৰি কিতাপৰ বেগৰ বোজা পখিলা খেদা বয়সত শিশুক পিঠিত ওলোমাই দি অসমীয়াৰ সংস্কৃতিৰ লগত পৰিচয় কৰাবলৈ আমাৰ যেন সময়ৰ অভাৱ। বাপতি সাহোন বিহু তিনিটাৰ বাস্তৱ পৰিচয় কৰাই দিয়াতো দূৰৈৰ কথা, সিহঁতৰ শিকিবলগীয়া অসমীয়া সংস্কৃতিৰ জ্ঞানকণো আমি যেন সিহঁতক দিবলৈ কুণ্ঠাবোধ কৰো। তাহানিৰ দিনত সৰুতে আমি ব'হাগ বিহুৰ উমান পাওঁ চ'ত মাহতেই। চ'তত শিমলু গছৰ তুলাবোৰ আহি দলিচা পাৰে চোতালত। গছ-লতিকাই নতুন পাত মেলে। দূৰৈৰ পৰা অহা ঢোল-পেঁপাৰ মাতে গা-মন উতলা কৰে। ঘৰে-ঘৰে থকা ঢেঁকীশালত গাঁৱৰ জীয়ৰী-বোৱাৰীবোৰে ঢেঁকীৰ চাবত গাঁৱৰ পৰিৱেশেই সলনি কৰি দিয়ে। কুলি- কেতেকীৰ সুৱদী মাতত আৰু নাহৰ, তগৰ, কেতেকী, চম্পা, কপৌ, খৰিকাজাঁই, ভাটৌ ফুলৰ গন্ধই ডেকা-গাভৰুৰ মন উন্মনা কৰি তোলে। আমে মলিয়াই, কঁঠালে মুচি পেলায়। হাবি বন ফুলে -ফলে জাতিস্কাৰ হৈ পৰে। নৈ- বিল, জান-জুৰি পানীৰে উপচি পৰে। কিন্তু আজি সেই দিন নাই। ৰামো নাই সেই অযোধ্যাও নাই। আধুনিকতাৰ ধামখুমীয়াত আজিৰ ল'ৰাই ভাৰ্চুৱেল পৃথিৱীত সোমাই পৰিল। অসমীয়াৰ জাতীয় সংস্কৃতিক পাহৰি পশ্চিমীয়া সংস্কৃতিক আদৰিবলৈ ল'লে আৰু গাঁৱৰ বিহু টানি-আঁজুৰি নি চহৰ পোৱালেগৈ। মুঠতে অসমীয়াৰ সংস্কৃতিৰ স্বৰূপটোকে নদীয়ে গতি সলোৱা দি সলাই মঞ্চত নি ৰহণ সানি বিশ্ব দৰবাৰ পোৱালেগৈ। বিহু উদ্‌যাপন সমিতি নামৰ একোটা চান্দা পাটিৰ সৃষ্টি হ'ল। এই সমিতিবোৰে অসমীয়া সংস্কৃতি বহনকাৰী ৰঙালী বিহুটিৰ অস্তিত্ব বিপন্ন কৰাত হাত উজান দিয়া দেখা গ'ল। অসম চৰকাৰে এইবাৰ ৰঙালী বিহুত চান্দা তোলা বন্ধ কৰাৰ ফটোৱা জাৰি কৰাৰ উদ্দেশ্য হয়তো নথকা নহয়। ৰঙালী বিহুটি মঞ্চত অহাৰ দিনৰ পৰাই হুঁচৰিত গাভৰু নাচনীৰ পয়োভৰ বাঢ়িল। আহিল বিয়াগোম বিয়াগোম বিহুনাচ আৰু হুঁচৰিৰ প্ৰতিযোগিতা। বিভিন্ন প্ৰতিযোগিতাৰ নামত বিলাসী বাহন, লাখ-লাখ টকাৰ পুৰস্কাৰেৰে ভৰি পৰিল বিহু মঞ্চ। এচাম তথাকথিত বিহু বিচাৰকৰো সৃষ্টি হ'ল। বিচাৰকৰ মাজতো মেলিল ফাট। পুৰণিক বিদায় দি যেন নতুনক আদৰা হ'ল। বিহু বিচাৰকে আশ্ৰয় ল'লে ধ্ৰুপদী তুলাচালনীৰ। বিহুনাচ হৈ পৰিল ভাৰতীয় নাট্য শাস্ত্ৰ আৰু সংগীতৰ আধাৰ। আৰু সেয়েহে বিহু নাচ এতিয়া ভাৰতীয় নাট্য শাস্ত্ৰ আৰু সংগীতৰ তিনিটা ঘাই বিষয় আংগিক, বাচিক আৰু আহাৰ্যৰ আধাৰত বিচাৰকে বিচাৰ কৰিবলৈ আৰম্ভ কৰিলে। অৰ্থাৎ আংগিক মানে অংগ সঞ্চালন, বাচিক মানে গীত বা কথা, আৰু আহাৰ্য মানে নৃত্যত ব্যৱহৃত সাজপাৰ, আ-অলংকাৰ, প্ৰসাধন সামগ্ৰী আদিৰ ওপৰত লক্ষ্য ৰাখি বিহু বিচাৰকে বিহু নাচ বিচাৰ কৰিব ল'লে।



পূৰ্বতেই কোৱা হৈছে যে বিহু নাচ আৰু বিহু স্বতঃস্ফূৰ্ত আৰু ই প্ৰকৃতিগত। ইয়াত ব্যাকৰণিক অলংকাৰৰ প্ৰয়োজন মুঠেই নাই বা আহিব নালাগে। কিন্তু সাম্প্ৰতিক মঞ্চ বিহুৰ লাখটকীয়া পুৰস্কাৰ, বিলাসী বাহন, সোণ- ৰূপৰ অলংকাৰ উপহাৰ দিবলৈ প্ৰস্তুত থকা উদ্‌যাপন সমিতিসমূহে বিচাৰকসকলৰ মূৰৰ ওপৰত আওপকীয়াকৈ এটা চাপ বা বোজা দিবলৈ ধৰিলে। সেয়েহে হয়তো বিহু বিচাৰকসকলে নিবিচৰাকৈ এনেকুৱা এটা পদ্ধতিৰ আশ্ৰয় ল'ব লগা হ'ল। বিহু নাচত প্ৰয়োজন আহি পৰিল ধ্ৰুপদী সংগীতৰ তুলাচনী।

বিহু নাচত ধ্ৰুপদী সংগীতৰ তুলাচনীৰ ব্যৱহাৰ আৰু ব্যাকৰণিক দিশটোৱে যদিও পৰম্পৰাক আঘাত হানিছে, তথাপি ইয়াৰ কিছুমান ভাল দিশ নথকাও নহয়। সংস্কৃতি এখন বোঁৱতী নৈৰ দৰে, ই কেতিয়াবা বাঢ়নী পানীৰ দৰে মথাউৰি ভাঙিব পাৰে আৰু কেতিয়াবা বলুকাও পাতিব পাৰে। বিহু নাচ আজি বিশ্ব দৰবাৰত ঠাই পালে। প্ৰবাসী অসমীয়াসকলৰ লগতে বিদেশীসকলেও বিহু নাচ নাচিবলৈ ধৰিলে। বিদেশত থকা আপোন মানুহৰ ল'ৰা-ছোৱালীয়ে বিহু নাচ শিকিবলৈ মন মেলিলে। বিশ্বৰ বিভিন্ন প্ৰান্তৰ নৃত্য-গীত আদিৰ তাল-মান-লয়ৰ দৰে এটা ধাৰা বিহু নাচ প্ৰশিক্ষকসকলে নিজে সৃষ্টি কৰি ল'লে, যি কাৰণে বিহু নাচ শিকিবলৈ বা শিকাবলৈ সহজ হৈ পৰিল। প্ৰকৃততে যিকোনো একোটা বিষয়ৰ প্ৰশিক্ষণ দিবলৈ বা ল'বলৈ হ'লে একোটা পদ্ধতিৰ অতিকৈ প্ৰয়োজন। হয়তো বিহু প্ৰশিক্ষকসকলে সেয়েহে ব্যাকৰণৰ আশ্ৰয় ল'বলৈ বাধ্য হ'ল। অন্যহাতে, বিহু নাচত শাস্ত্ৰীয় সংগীতৰ দৰে ব্যাকৰণিক পদ্ধতি এটা থাকিলে বিশ্বৰ বিভিন্ন প্ৰান্তৰ সকলো শিকাৰুৱে সহজতে এই নাচ শিকিব পাৰিব আৰু এনে পদ্ধতি ব্যৱহাৰ কৰি যিকোনো এজন নৃত্য শিল্পীয়ে এই নাচ ন-শিকাৰুক সহজতে শিকাব পাৰিব বুলি ভবাৰ স্থল নথকা নহয়। মোৰ ব্যক্তিগত অনুভৱ যে বিহু নাচত ধ্ৰুপদী সংগীতৰ প্ৰভাৱে ইয়াক সোণত সুৱগাহে চৰাইছে, বিহু নাচক ই কেতিয়াও বিকৃত কৰা নাই আৰু নকৰে।

এইখিনিতে এটা উদাহৰণ দিব বিচাৰিছো। আজিৰ পৰা কেইটামান বছৰৰ আগতে শিৱসাগৰ জিলাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ কালিপ্ৰসাদ মেম'ৰিয়েল হল প্ৰাংগণত অনুষ্ঠিত বিহুনাচ আৰু ঢোলৰ কৰ্মশালাত প্ৰায় তিনি শতাধিক ন-শিকাৰুৱে অংশগ্ৰহণ কৰিছিল। এটা বেচৰকাৰী স্বেচ্ছাসেৱী সংগঠনে এই প্ৰশিক্ষণ দিবলৈ নিমন্ত্ৰণ কৰি আনিছিল বিহু গুৰু খ্যাত প্ৰসন্ন গগৈক। প্ৰশিক্ষক গগৈয়ে ১৫ দিনীয়া এই কৰ্মশালাত প্ৰথম দিনাৰ পৰা শেষদিনালৈকে প্ৰশিক্ষক হিচাপে থাকি ধ্ৰুপদী সংগীতৰ আৰ্হিত এক- দুই - তিনি- চাৰি এইদৰে এক নিৰ্দিষ্ট তালত নাচৰ প্ৰশিক্ষণ দিছিল। উপস্থিত প্ৰশিক্ষাৰ্থী ডাঙৰ-সৰু সকলোৱে প্ৰশিক্ষকে দেখুৱাই দিয়াৰ ধৰণে নাচোনৰ তাল মান, লয়, গতি মাত্ৰা আদি শাস্ত্ৰীয় সংগীতৰ আৰ্হিত সুন্দৰভাৱে গ্ৰহণ কৰিছিল। সেই শিক্ষা আছিল সম্পূৰ্ণ ব্যাকৰণিক আৰু বিজ্ঞানসন্মত। সামৰণি অনুষ্ঠানৰ দিনা উপস্থিত থাকে প্ৰখ্যাত বিহু গৱেষক ড° প্ৰদীপ নেওগ, ইছমাইল হুছেইন, সমৰ গগৈৰ লগতে বহুকেইজন বিহুৱা-বিহুৱতী আৰু সহস্ৰাধিক অভিভাৱক। সৌভাগ্যক্ৰমে সেইদিনা আমাকো সেই সামৰণি অনুষ্ঠানলৈ নিমন্ত্ৰণ কৰাৰ বাবে উপস্থিত আছিলো। প্ৰশিক্ষক প্ৰসন্ন গগৈৰ নিৰ্দেশত অনুষ্ঠিত বিহুনাচৰ সামৰণিত তিনি শতাধিক নাচনীয়ে ইমান সুন্দৰকৈ শাস্ত্ৰীয় সংগীতৰ আৰ্হিত বিহু নাচ প্ৰদৰ্শন কৰিলে তাক নেদেখিলে কোনেও ভাষাৰে বুজাব নোৱাৰে। উপস্থিত থকা অভিভাৱক, দৰ্শক আৰু আমন্ত্ৰিত অতিথিৰ সন্মুখত প্ৰশিক্ষক প্ৰসন্ন গগৈয়ে বিহু নাচক বৈয়াকৰণিক আৰু বিজ্ঞানসন্মতভাৱে এনেদৰে প্ৰদৰ্শন কৰি দেখুৱালে যে উপস্থিত দৰ্শকৰ লগতে বিহু গৱেষকসকলৰ সন্মুখত প্ৰত্যাহবান আহি পৰিল। দৰ্শক আৰু বিহু গৱেষকসকলে যিখিনি মন্তব্য কৰিলে তাৰ পৰা পৰিস্ফুট হ'ল যে বিহু যদিও স্বতঃস্ফূৰ্ত ইয়াৰ এটা ব্যাকৰণিক পদ্ধতি অতীৱ প্ৰয়োজন আৰু সেয়েহে বিহুনাচ কৰ্মশালাৰ বৰ্তমানৰ প্ৰাসংগিকতা নুই কৰিব নোৱাৰি।

ফোন ঃ ৮৬৩৮৭৫৯৬৭৯

# বৰপেটাৰ বৈহাগৰ দম্‌হিৰ 'ব'হাগ বিহু' লোকাচাৰ

গুণীন চৌধুৰী

**বৰপেটাৰ** জনজীৱন সত্ৰৰ দ্বাৰা প্ৰভাৱিত । ইয়াৰ যিকোনো উৎসৱ-পাৰ্বণ সত্ৰৰ ওপৰত নিৰ্ভৰশীল। বৰপেটাত বিহু পালন কৰা হয় সত্ৰৰ ৰীতি-নীতি তথা সত্ৰৰ কাৰ্যক্ৰমণিকাৰ যোগেদি, কিছুমান বিশেষ বিশেষ অনুষ্ঠানক ভিত্তি কৰি। বৰপেটাকে ধৰি নামনি অসমৰ প্ৰায় ঠাইতে বিহু গীত বা বিহু নাচ প্ৰচলন তেনেকৈ নাছিল। এতিয়া বিশ্বায়ন অথবা



পৰিবৰ্তনৰ ধুমুহাৰ ফলশ্ৰুতিত আজি কালি নামনি অঞ্চলত মঞ্চ বিহুৰ জৰিয়তে বিহু গীত বা বিহু নাচৰ প্ৰচলন আৰম্ভ হৈছে । অনস্বীকাৰ্য যে বিহু গীত বা বিহু নাচৰ অসমীয়া সমাজ জীৱনৰ লগত যি ওতঃপ্ৰোত সম্বন্ধ তথা বিহু গীতৰ যি সাংস্কৃতিক মূল্য তাক আদৰি লোৱাত নিশ্চয় কোনো বাধা থাকিব নোৱাৰে। বৰঞ্চ বিহু গীত বা বিহু নাচ শুদ্ধভাৱে শিকি বুজি লৈ ইয়াক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাত সকলোৱে অৰিহণা যোগোৱা উচিত। সেই উদ্দেশ্য আগত ৰাখি বৰপেটাৰ যুৱ চামে বিহু গীত বা বিহু নাচক আয়ত্ত কৰিব পাৰে বা আয়ত্ত কৰাৰ প্ৰয়োজন আছে । সেই বুলি 'বৈহাগৰ দমহি' পালনৰ ক্ষেত্ৰত বৰপেটাৰ যি স্বকীয় পৰম্পৰা বা সত্ৰকেন্দ্ৰিক যি বৈশিষ্ট্য তাত যাতে কোনো বাধা আহি নপৰে বা বিহু গীত বা বিহু নাচৰ ধামখুমীয়াত যাতে সেই বৈশিষ্ট্য হেৰাই নাযায় তাৰ প্ৰতি সদা সচেষ্ট থাকিব লাগিব। বৰপেটাৰ ঐতিহ্য, সংস্কৃতি একক, অনন্য-চহকী আৰু স্বকীয় ঐতিহ্যৰে গৰিমামণ্ডিত। তাক ম্লান হ'ব দিয়াটো অনুচিত ।

বিহু অসমৰ জাতীয় উৎসৱ, প্ৰাণৰ উৎসৱ। তিনিটা বিহুৰ ভিতৰত ৰঙালী বা ব'হাগ বিহু অসমীয়া নৱবৰ্ষক আদৰণি জনোৱা উৎসৱ। অসমীয়া মানুহৰ সুখ, সমৃদ্ধি, প্ৰেম, ভাল পোৱাৰ চানেকি এই বিহু। অসমৰ বিহু সম্পৰ্কত আলোচনা কৰিব নগৈ বিহু উদ্‌যাপনৰ ক্ষেত্ৰত অসমৰ আন ঠাইৰ লগত বৰপেটাৰ ব'হাগ বিহুৰ কেনে ধৰণৰ প্ৰভেদ আছে সেই বিষয়ে চমু আলোচনা কৰাৰ প্ৰয়াস কৰা হৈছে। বৰপেটাৰ জনজীৱন সত্ৰকেন্দ্ৰিক হ'লেও বৰপেটাৰ তিথি-উৎসৱবোৰৰ লগত পাৰস্পৰিক কৃষি-উৎসৱৰ লোকাচাৰো পালন কৰা হয় । এই বোৰৰ ভিতৰত তিনিটা 'দম' হি বা 'দোমাহি' উল্লেখযোগ্য ।

মহাপুৰুষ মাধৱদেৱৰ দ্বাৰা স্থাপিত বৰপেটা সত্ৰৰ লগতে বৰপেটাবাসী ৰাইজে 'বৈহাগৰ দমহি 'বহাগ বিহু' অসমৰ অইন ঠাইৰ দৰেই সাতদিন ধৰি পালন কৰে ।

প্ৰথম দিনাখন সামাজিক লোকাচাৰৰ ভিতৰত চ'তৰ সংক্ৰান্তিৰ দিনা 'গৰুৰ দম্‌হি 'গৰুৰ দোমাহি বা গৰু বিহু' পালন কৰা হয়। ৰাতিপুৱা কেঁচা হালধি আৰু মিঠাতেল মিহলি কৰি গৰুৰ শিং আৰু ভৰিৰ 'খুৰা'ত 'নখ' দিয়া হয়। পানী লাও আৰু বেঙেনাৰ মালা কৰি গৰুৰ ডিঙিত পিন্ধোৱা হয় আৰু নদী বা জান-জুৰিত গা ধুৱাই অইন ঘৰৰ গৰুৰ মালাৰ লগত সেই মালা সলনা সলনি কৰা হয়। দীঘলতি-মাখিয়তীৰে কোবাই কোবাই গোৱা হয় —

"লাউ খা বাঙনা খা
বছৰে বছৰে বাঢ়ি যা ।
'মাএ' 'মাৰ' সৰু 'বাপে'
'বাপেৰ' সৰু
তই হবি বৰ গৰু ।"

গোহালি ঘৰ ভালদৰে সাৰি-মচি পৰিষ্কাৰ কৰি ৰখা হয় । গৰুৰ ডিঙিত 'ন-পঘা' লগাই নিৰ্দিষ্ট ঠাইত বন্ধা হয় । সন্ধিয়া গোহালিত 'থুপা' 'ধোঁৱা' দিয়া হয়। 'থুপা'ত বিহলঙনীৰ পাত, বেতগছৰ পাত, হাতীসুৰীয়া, বিৰিণা, নল খাগৰি আদিৰে ধোঁৱা দিয়া হয় । থুপাত নতুন বিচনিৰে 'বা' 'বতাহ' দিয়া হয়; ফলত গোটেই গোহালিটো 'থুপা'ৰ ধোঁৱাই আবৰি ধৰে। এনে কৰিলে মহ- দাহৰ পৰা হাত সাৰিব পৰা যায়।

পহিলা ব'হাগৰ দিনা 'মানহোৰ দমহি' বা 'বৰ-দম্‌হি' 'মানুহ বিহু'। সেইদিনা পৰিয়ালৰ সকলো লোক বিছনাত থাকোঁতেই জ্যেষ্ঠ সদস্যাই বিশেষকৈ মাতৃগৰাকীয়ে মচুৰ দাইল আৰু নিমপাত অথবা 'চিৰতা তিতা' একেলগে থেতেলাই খাবলৈ দিয়ে। এনে কৰিলে বছৰটোলৈ সৰ্প ভয় নাথাকে বুলি কোৱা হয়; অৱশ্যে নিমপাত এনেয়েও কৃমি নাশক। বিছনাৰ পৰা উঠি ঘৰৰ চালত শিল গুটি দলিয়ায়। ইয়াৰ বাবে সৰু ল'ৰা-ছোৱালীবিলাকে আগদিনাখনেই সৰু সৰু শিল গুটি সংগ্ৰহ কৰি ৰাখে ৰাতিপুৱাই উঠি চালত দলিয়াবলৈ। ৰাতিপুৱা গোটেই ঘৰ সাৰি-মচি গোবৰ পানী ছটিয়াই শুদ্ধ কৰি পৰিষ্কাৰ কৰি লোৱা হয়। গা ধুই উঠি সোণ, ৰূপ, তিল, দূৰৰি, আৰৈ চাউল, কেঁচা গাখীৰ পানীত মিহলাই অশুচি আঁতৰাবলৈ ঘৰৰ ভিতৰ-বাহিৰ সকলোতে ছটিওৱা হয়। ৰাতিপুৱা গা ধোৱাৰ অগতে 'হাটী-শুৰা' 'এবিধ চাপৰ জোপোহা বনৰ দৰে গছ' ঠানিৰে ভৰিৰ কলাফুলত কোবোৱা হয়। এনে কৰিলে হাটীৰ সমান বল হোৱা বুলি বিশ্বাস আছে। সেইদিনা ৰাতিপুৱা গা ধোৱাৰ আগতে মাহ বতাৰে মূৰত 'ভৰণ' লোৱা হয় । মাহ বতাৰ 'ভৰণ' ল'লে মূৰ ঠাণ্ডা হৈ থকা বুলি কোৱা হয়। মূৰত 'ভৰণ' লৈ কিছু সময় থকাৰ পাছত হালধি বতাৰে গা ধুই উঠি সৰুবিলাকে নিজৰ মাক দেউতা তথা জ্যেষ্ঠজনক সেৱা কৰি আশীৰ্বাদ লয়। বহুতে 'হাটী'ৰ বয়োজ্যেষ্ঠজনকো সেৱা কৰি আশীৰ্বাদ লয়। ঘৰৰ মাক বা ভনীয়েকে 'বই' উলিওৱা 'বিহেজা' (বিহুৱান) পানীত তিয়াই ৰ'দত শুকুৱাই পৰিয়ালৰ সকলোকে দিয়ে। আনকি দূৰত বিয়া দি উলিয়াই দিয়া ছোৱালীবিলাকৰ কাৰণেও 'বিহেজা' পঠিয়াই দিয়া হয়। গাত বিহেজা লোৱাৰ পাছত কীৰ্তন ঘৰত সেৱা কৰিবলৈ যায়। বহুতেই সত্ৰৰ সত্ৰাধিকাৰ প্ৰভুক 'বিহেজা' দি সেৱা আগবঢ়াই আশীৰ্বাদ লয়। কীৰ্তনঘৰত 'বৰদোমাহী'ৰ দিনাখন বৰপেটাৰ লগতে অসমৰ বাবে গোটেই বছৰটোৰ বৰ্ষ গণনা চোৱা হয়। ৰাতিপুৱা সেইদিনা বৰপেটাৰ প্ৰায় ঘৰতেই 'পঞ্চামৃত' খোৱা এটা নিয়ম প্ৰচলিত আছে । এই পঞ্চামৃত হ'ল বৰদোমাহীৰ দিনাখন বিশেষভাৱে বনোৱা 'পায়স' বা 'পৰমান্ন'। গাখীৰ আৰু জহা চাউলেৰে 'পায়স' বনাই তাত ঘি, মৌ, চেনি দি 'পায়স' বনোৱা হয়। বছৰৰ প্ৰথম দিনাখন 'পঞ্চামৃত' খালে গোটেই বছৰটো কোনো খাদ্যাভাৱত নপৰাকৈ ভাল খাদ্য খাবলৈ পাব বুলি বিশ্বাস আছে। বিহুৰ প্ৰথম সাতদিন 'হালখতি' পালন কৰা হয় আৰু প্ৰথম দিনাখন দুপৰীয়া ভাতৰ সলনি সেইদিনা দুপৰীয়া 'ম'হৰ দৈ'ৰে সান্দহ বা 'বকা চাউল' 'কোমল চাউল' বা চিৰা খোৱা হয় ।



দুপৰীয়া জা-জলপান খোৱাৰ পাছত ৰাতিৰ কাৰণে বিশেষ প্ৰস্তুতি চলোৱা হয়। প্ৰায় দুপৰীয়াৰ পৰাই আয়োজন আৰম্ভ হয়। হাটীৰ তিনি চাৰিজন ডেকা ল'ৰা পথাৰত শাক তুলিবলৈ ওলায় একেলগে। ঘৰৰ জীয়ৰী-বোৱাৰীয়ে নিজৰ ঘৰৰ বাৰীত 'সাত-শাক' 'সাতবিধ শাক' তুলি এটা বেলেগ আনন্দ লাভ কৰে। এই সাতবিধ শাকৰ লগত আমৰ কলি, কঁঠালৰ মুচি, বেত-গাজ, বাঁহ-গাজ, পচলা, আদি মিহলাই এখন সুস্বাদু শাকৰ আঞ্জা বনোৱা হয়। প্ৰথম ব'হাগৰ দিনাখন ৰাতিৰ কাৰণে এখন বিশেষ জ্বলাৰ আঞ্জা বনোৱা হয়। এই আঞ্জাখনৰ নামেই 'জ্বাল'। মাছ বা মাংসৰে 'বিশেষকৈ পাৰৰ মাংস' বেছিকৈ শুকান জ্বলা দি গোটা জালুক, ভেদাইলতা, নৰসিংহ, মানিমুনি, জিৰা-বটা আদি দি এই বিশেষ আঞ্জাখন বনোৱা হয়। সেই আঞ্জাখন খুব বেচি জ্বলা কৰি ৰন্ধা হয়। কিন্তু ভেদাইলতা, মানিমুনি আদি দি ৰন্ধা কাৰণে কোনো ধৰণৰ পেটৰ অসুখ হোৱাৰ সম্ভাৱনা নাথাকে। সেইদিনা পাঁচখন বা সাতখন আঞ্জাৰে ৰাতি জহা চাউলৰ ভাতেৰে মন জুৰাই খোৱা হয়। একেই ধৰণে সাত বিহুৰ দিনাখনো 'সাত শাক' আৰু 'জ্বাল' খোৱা হয়।



ব'হাগৰ দমহিৰ সাতোদিনেই ৰাতি সত্ৰত 'গাহন' অৰ্থাৎ যাত্ৰা-গান কৰা হৈছিল বংশৰা বা হাটীৰ বাপু সকলৰ দ্বাৰা। কীৰ্তনঘৰৰ ভিতৰৰ টুপৰ চোতালত এই যাত্ৰা-গান কৰা হয় । যাত্ৰা আৰম্ভ হোৱাৰ আগতে সত্ৰৰ গুৰু আসনৰ সমুখত 'বৰধেমালি', 'সৰু ধেমালি', নাট ধেমালি আদি গাই বৰগীত গায় , ইয়াৰ পাছত যাত্ৰাভিনয়ৰ থলীত 'ধুৱা' গোৱা হয়। 'ধুৱা'ৰ অৰ্থ হ'ল গীত-পদ বা দোহাৰ । ধেমালিৰ অন্তৰ্গত এই ধুৱাক বৰপেটীয়া ভাষাত 'ধৈমেলী' কোৱা হয়। ধুৱাৰ পাছত কৃষ্ণ নৃত্য হয় । কিবা কাৰণত নিৰ্দিষ্ট কৰি থোৱা মতে হাটীৰ ফালৰ পৰা যাত্ৰা অনুষ্ঠিত কৰিব নোৱাৰিলে সত্ৰত জৰিমণা দিব লগা হৈছিল। অৱশ্যে মূল নাট অনুষ্ঠিত কৰিব নোৱাৰিলেও 'ধৈমেলী' অৰ্থাৎ 'ধেমালি'খিনি গাব পাৰিলে জৰিমণাৰ পৰা ৰেহাই পাইছিল। দুৰ্ভাগ্যক্ৰমে আজি কালি এই 'যাত্ৰা গান' লাহে লাহে নোহোৱা হৈ আহিছে ।

ব'হাগৰ দোমাহীৰ শেষৰ দিনাখন অনুষ্ঠিত হয় বুঢ়া আতাই সৃষ্টি কৰা ২২ খন হাটীৰ সমন্বয়ৰে সূত্ৰধাৰ, গায়ন, বায়ন পাঠক সৱে মিলি পৰিৱেশিত থিয়নাম। 'বাইশ হাটীৰ' বাপুসকলে বীৰৰ দৰে থিয় হৈ নাচি নাচি নাগাৰা আৰু হাত চাপৰিৰ মিশ্ৰণৰ উদাত্ত সুৰ ভংগিমাৰ গোৱা থিয় নামক 'বীৰ নাম' বুলিও কোৱা হয় । এই 'বাইশ হাটী' মূল তিনিখন 'থুল' হাটীৰ অন্তৰ্গত- 'দক্ষিণ-হাটী', 'ন-হাটী' আৰু 'উত্তৰ-হাটী'। থিয় নাম প্ৰথমতে সত্ৰৰ দালানৰ সমুখত তিনিফালৰ তিনিটা বাটচ'ৰাৰ পৰা সত্ৰৰ সমুখলৈ ডাঙৰ ডাঙৰ পাল তৰি গোৱা হয়। হেজাৰ হেজাৰ ভক্তই চিনি, গুৰ আৰু গুৱামুৰিৰে ডাঙৰ ডাঙৰ শৰাইত আগবঢ়াই আশীৰ্বাদ লয়। শেষত দালানৰ সমুখৰ পৰা সত্ৰৰ ভিতৰলৈ গৈ মঠৰ চোতালত নাম গাই সেৱা জনাই শেষ কৰে । নামত আগবঢ়াই দিয়া চেনি, গুৰ আৰু গুৱামৰি নাম শেষ হোৱাৰ পাছত সত্ৰত ভাগ থকা ভক্ত সদস্যক নিৰ্মালি হিচাবে ভগাই দিয়ে।

এনেদৰেই বৰপেটাৰ বিশেষ বৈশিষ্ট্যপূৰ্ণ 'বৈহাগৰ দমহি'ৰ সামৰণি পৰে।

ফোন ঃ ৮৮১১০৮৫৯৯২

দৈনিক অগ্ৰদূত

# ব'হাগ বিহু আৰু চাহ জনজাতি

**সুশীল কুৰ্মী**

চাহ জনজাতি লোকসকল অসমলৈ অহা আজি বহু বছৰ হ'ল। কোনে কেনেদৰে তেওঁলোকক অসমলৈ আনিছিল সেইবোৰ কথা আজি তেওঁলোকৰ ভালদৰে মনত নাই। মনত নাই শ্ৰমিক অনা কোনে গিৰমিটায়া আৰু আৰ কঠিয়া চালানৰ কথা। মনত নাই 'ফাঁকি দিয়ে আনিল আসাম' বুলি গোৱা গীত ফাঁকিৰ অন্তৰ্নিহিত অসম আগমনৰ কৰুণ কাহিনীৰ কথাবোৰ। সেই সকলোবোৰ কথা আজি পাহৰণিৰ গৰ্ভত। পাহৰিলে বিহাৰ, ঝাৰখণ্ড, ছত্তিশগড়, উৰিষ্যা, বংগ আদিৰ কথা। মনৰ মাজত আছে কেৱল অসমৰ কথা। মিলি গৈছে অসমৰ লগত। মিলি গৈছে অসমীয়া সমাজখনৰ লগত। পূৰ্বভূমিৰ লগত যোগসূত্ৰ প্ৰায় হেৰাই গৈছে। চাহ জনজাতিৰ বাবে অসমেই এতিয়া জনমভূমি, কৰমভূমি আৰু মৰণভূমি। এতিয়া তেওঁলোকেও জানে যে অসম থাকিলে চাহ জনজাতিও থাকিব আৰু অসম মৰিলে চাহ জনজাতিও মৰিব। সেয়ে অসম আন্দোলনৰ সময়ত 'আসাম মৰলে হামৰাও মৰব' বুলি চাহ জনজাতিসকলে শ্ল'গান দি ৰাজপথত স্বতঃস্ফূৰ্তভাৱে সমদল উলিয়াইছিল। অসমখনেই এতিয়া তেওঁলোকৰ ঘৰ। অসমৰ বাহিৰে আন ঠাইত তেওঁলোকৰ আৰু ঘৰ নাই। অসমৰ বাহিৰে আন ঠাইত যাবলৈ তেওঁলোকৰ আৰু ৰাস্তাও নাই। অসমেও তেওঁলোকক ৰাস্তা ধৰাৰ কথা কাহানিও কোৱা নাই। অসমে আঁকোৱালি লোৱাৰ ভাৱ প্ৰকাশহে সদায় কৰি আহিছে। চাহ-জনজাতি সমাজখনে ভাষা-সাহিত্য-সংস্কৃতি আদি সকলো ফালৰ পৰাই আজি অসমীয়াত্ব গ্ৰহণ কৰিছে। অসমীয়া ভাষাত পঢ়া-শুনা কৰিছ, সাহিত্য চৰ্চা কৰিছে। অসমীয়া গীত-মাত আহৰণ কৰিছে, কথাছবি নিৰ্মাণ কৰিছে। নামঘৰ পাতিছে। ভাওনা কৰিছে। ঐতিহ্যমণ্ডিত বা বাৰেচহৰীয়া ভাওনাতো অংশ গ্ৰহণ কৰিছে। ৰাস পাতিছে। নামঘৰত নাম ধৰিছে। গায়ন-বায়ন হৈছে। নাম-ধৰ্মৰ মাজত সোমাই পৰিছে। নামঘোষাখন নিজৰ বাগানীয়া ভাষাত অনুবাদ কৰি প্ৰকাশ কৰিছে অসমীয়া ভাষাত ঝুমৰৰ সুৰীয়া গীত ৰচনা কৰি ৰাজহুৱা মঞ্চত গাই তৃপ্তি লাভ কৰিছে। শ্ৰীমন্ত শংকৰদেৱৰ কথাবোৰ বুজি পাইছে। সত্ৰলৈ অহা-যোৱা কৰিছে। শংকৰী ধৰ্ম গ্ৰহণ কৰি শংকৰ সংঘৰ সভ্য হৈছে। শত-সহস্ৰলোক শংকৰী ধৰ্মত দীক্ষিত হৈছে। শংকৰ সংঘৰ অধিবেশনত নিজা শিবিৰ পাতি সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছে। ২০১৮ৰ দেৰগাঁও অধিবেশনে তাৰ স্বাক্ষৰ বহন কৰিছে। সাহিত্য সভাৰ সভ্য হৈছে। সাহিত্য চৰ্চা কৰিছে। কিতাপ পত্ৰ লিখিছে সাহিত্য সভাৰ বৰৰমূৰীয়া হৈছে। বহুতে সাহিত্যৰ পথাৰত যশস্যা লাভ কৰিছে। বঁটা সন্মান পাইছে। সাহিত্যিক পেঞ্চন পাইছে। সেইদৰে অসমীয়া সংস্কৃতিৰ মাজতো সোমাই পৰিছে। বিহুগীত গাইছে। বিহু নাচ নাচিছে। বিহুমেলা পাতিছে। হুঁচৰি মাৰিছে। বিহু প্ৰতিযোগিতাত বঁটা লাভ কৰিছে। বিহুৰাণী হৈছে। বিহুৰ ঢোল ডিঙিত লৈছে। বিহুৱানৰ লগত চিনাকি হৈছে। বিহু আহিলে তেওঁলোকৰো গা-মন নাচি উঠে। আনন্দত মতলীয়া হৈ মংলা-বুধুৱে মধুপুৰ বাগিচাৰ ঢোলত চাপৰ মাৰিছে আৰু সোণাপুৰৰ বাগিচাৰ লালামিণি শুকুৰ মনিয়ে বিহুনাচ নাচে।

অসমীয়া সংস্কৃতিৰ পথাৰত বহুতে একাত্মকভাৱে সোমাই পৰিছে আৰু সেইদৰে সুনাম অৰ্জনো কৰিছে। অসম চৰকাৰৰ পৰা শিল্পী পেঞ্চনো লাভ কৰিছে। চাহ জনজাতিসকল অসমীয়া সংস্কৃতিৰ মেৰুদণ্ড স্বৰূপ ব'হাগ বিহুৰ মাজত সোমাই পৰা বহু দিন হ'ল। বহুদিনৰ আগৰে পৰা মাজুলীগড় চাহ বাগিচা আৰু ঘিলাধাৰী চাহ বাগিচাৰ শ্ৰমিক সমাজে বিহুমেলা পাতি আহিছে। এছিয়াৰ অন্যতম বৃহৎ চাহ বাগিচা মোনাবাৰী চাহ বাগিচাত কেন্দ্ৰীয় বিহুমেলা বহলভিত্তিত পাতি আহিছে। চাহ জনজাতি অধ্যুষিত অন্যান্য অঞ্চলসমূহতো বিহুমেলা চলি আহিছে।

সাপেখাতী, মাজবাট, যোৰহাট, বোকাখাত, মাকুম, ডুমডুমা আদিত বিহুমেলা পতা আৰু লালমণি-ফুলমণিহঁতে বিহু নাচ নচা বহুত দিন হ'ল। সময়ৰ গতিত চাহ জনজাতি অঞ্চলত বিহুমেলাৰ সংখ্যা লাহে-লাহে বাঢ়ি গৈছে। বিহুমেলা বঢ়াৰ লগে লগে বিহুনৃত্য-গীত আয়ত্ত কৰি যথাযথভাৱে ৰূপায়িত কৰা লোকৰ সংখ্যাও বাঢ়ি গৈছে। নগৰ-চহৰত হোৱা বিহুমেলাবোৰতো যোগদান কৰি চাহ জনজাতিসকলে ৰাইজৰ প্ৰশংসা লাভ কৰিবলৈ সক্ষম হৈছে। নগৰ-চহৰৰ কিছুমান বিহুতলীত বিহুনৃত্য প্ৰতিযোগিতাৰ লগতে ঝুমুৰ নৃত্য প্ৰতিযোগিতাও পাতিব ধৰিছে।

অসমীয়া সমাজত বিহু যিদৰে জনপ্ৰিয় চাহ জনজাতি সমাজত ঝুমুৰ তেনেদৰে জনপ্ৰিয়। বিহুক বাদ দি অসমীয়া সংস্কৃতি যিদৰে সম্পূৰ্ণ হ'ব নোৱাৰে ঠিক সেইদৰে ঝুমুৰক বাদ দি চাহ জনজাতি সংস্কৃতিও সম্পূৰ্ণ হ'ব নোৱাৰে। বিহু আৰু ঝুমুৰ দুয়োখন সমাজৰে দুটি সাংস্কৃতিক দাপোণ। সেয়ে বাগানীয়া ভাষাৰ গীতৰ মাজত বিহু আৰু কৰম পৰবৰ কথা প্ৰতিফলিত হৈছে। এইদৰে আসাম দেশেৰ বৈশাগ বিহু কৰম পৰৱ সমানেৰ/সৃষ্টিৰ কথা আছে গাঁথা দুনুতে সমানেৰ। আকৌ বিহুগীত আৰু ঝুমুৰ গীত দুয়োবিধৰে অন্তৰ্নিহিত কথাবোৰ একেধৰণৰ। বিহু গীতে কৈছে- 'চাইনো চাই থাকিলে, হাবিয়াস নপলায়/ পেটতো নালাগে ভোক...।' ঝুমুৰ গীতে কৈছে সেই একেদৰেই- 'শিশিৰে কি ফুটে ফুল বিনা বৰিষনে/ভাবিলে কি মানে মন বিনা দৰিশনে।' এই বিহুগীত আৰু ঝুমুৰ গীত দুফাঁকিয়ে যৌৱন ভৰ ডেকা-গাভৰুৰ প্ৰেম সাগৰত সাঁতোৰ মেলা সেই মনৰ ভাৱৰাজি প্ৰকাশ কৰিছে একেদৰেই। একেদৰেই সমন্বয় ঘটিছে ক'ব নোৱাৰাকৈয়ে দুয়োখন সমাজৰ সংস্কৃতিৰ মাজত। সংস্কৃতিৰ সীমাৰেখাই সমন্বয়ৰ সীমা ৰেখা স্পৰ্শ কৰে। গঢ়ি তোলে সমাজত সমন্বয়ৰ পথাৰ। টেঁটু ফালি বক্তৃতাৰ ফুলজাৰি মাৰিলেই সমন্বয় নাহে। পৃষ্ঠা ভৰাই সমন্বয়ৰ কথা লিখিলেও সমন্বয় নাহে। সমন্বয় আহিব লাগিব হৃদয়ৰ আৰু মনৰ মাজেৰে। বৰ অসম কিয় সৰু অসম হ'ল? অসমৰ মানচিত্ৰ কিয় সলনি হ'ল। তাৰ উত্তৰ সকলোৰে মনৰ মাজতে আছে। এতিয়া লাগিছে আকৌ খিলঞ্জীয়াৰ সংজ্ঞা লৈ খিলঞ্জীয়াৰ সীমাৰেখালৈ । অসম আন্দোলনে আমাক বহুত ভাগ কৰিলে। এতিয়া খিলঞ্জীয়াৰ সংজ্ঞায়ো দেখিছো আমাক ভাগ ভাগ কৰিব। ঐক্যৰ মাজত আকৌ অনৈক্যৰ সৃষ্টি হ'ব। অসমত আকৌ অশান্তিৰ বতাহ বলিব। সেয়ে বোধহয় অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি প্ৰবীণ সাহিত্যিক-সাংবাদিক কনকসেন ডেকাই খিলঞ্জীয়াৰ সংজ্ঞা কিহৰ বাবে? শীৰ্ষক তথ্য গধুৰ লেখা আগবঢ়ালে। বিশ্ব কবি ৰবীন্দ্ৰনাথ ঠাকুৰে তাহানিতে কৈ গ'ল- 'দিবে আৰ নিবে মিলাবে মিলাবে, যাবেনা ফিৰে।' সুধাকণ্ঠ ড° ভূপেন হাজৰিকায়ো ক'লে- 'যিমানে বিলাই দিবা সিমানে মহান হ'বা/সঁচা উদাৰতা।'

বিন্দুকুৰি চাহ বাগিচাৰ মাজমজিয়াত পতা বিহু প্ৰতিযোগিতাৰ লগতে ঝুমইৰ প্ৰতিযোগিতা পতা বহু বছৰ হ'ল। তাহানিৰে পৰা পাতি থকা বিহুমেলা আজিও তাত পাতি আছে। এফালে বিহুগীত আনফালে ঝুমুৰ গীত। তাৰ যোগেদি গঢ়ি তুলিছে দুখন সমাজৰ এখন মিলন সাঁকো এনেধৰণৰ প্ৰতিযোগিতা অসমৰ আনবোৰ বিহুতলীলৈকো বিয়পিছে। ই বৰ সুখৰ কথা। এক সমন্বয়ৰ কথা।

বিহু সমন্বয়ৰ প্ৰতীক। বিহুৱে গঢ়িছে মন মিলনৰ আদান-প্ৰদান চাহ জনজাতিসকলে সমন্বয়ৰ তত্ত্ব-গধূৰ কথা বুজি নাপায়। বুজি পায় সমন্বয়ৰ সৰল কথা। বুজি পায় অসমতে থাকি অসমতে কৰ্ম-ধৰ্ম কৰি অসমতে মিলি যোৱাৰ কথা। সেয়ে গীতৰ মাজেৰে মনৰ কথা তেওঁলোকে প্ৰকাশ কৰিছে এইদৰে- 'আসাম মৰলে হামৰাও মৰব,কন ভুল নাইৰে/জীৱনে মৰণে আসাম, আসাম হামাৰ দেশৰে।' সঁচা কথা দুয়োখন সমাজৰ সংস্কৃতিৰ মাজত লুকাই থকা ভাৱৰাজিয়ে দুয়োখন সমাজৰ সমন্বয়ৰ ভেটিত অৰিহণা যোগাইছে। ব'হাগ বিহুত গো-সেৱা কৰা আৰু হুঁচৰি গোৱা যিদৰে অসমীয়া সমাজৰ সংস্কৃতি সেইদৰে সহঁৰাই পৰৱত গো-সেৱা কৰা আৰু জাহলী (হুঁচৰি) গোৱাত চাহ জনজাতি সমাজৰ সংস্কৃতি। দুখন সমাজৰ দুখন সংস্কৃতিৰ মাজত এক মিলনাত্মক যোগ। হুঁচৰিত গাইছে 'দেউতাৰ পদূলিত গোন্ধাইছে মাধুৰি/কেতেকী মলাই ঐ গোবিন্দাই ৰাম।' আনফালে জাহলিত গাইছে 'ফালনাকে আঙনামে তুলসীকা পিড়া হো/ওপৰে যে উড়ে ৰাস হংসৰে।' দুয়োৰে ভাবাৰ্থ একেই। ব'হাগ বিহুত অসমীয়া সমাজে মুক্ত আকাশৰ তলত আঁহতৰ তলত মুক্তভাৱে নৃত্য-গীত কৰাৰ দৰে, কৰম পৰৱত চাহ জনজাতি সমাজে মুক্ত আকাশৰ তলত কৰমৰ তলত মুক্তভাৱে নৃত্য-গীত কৰে।

চাহ জনজাতি সমাজৰ লোকে বিহুৰ ঢোল-গগনা বজাব পৰা হ'ল। ঢোলৰ ওজাৰ খিতাপি ল'ব পৰা হ'ল। উজনিৰ বিহুতলীত খলকনি তোলা ৰাজগড় চাহ বাগিচাৰ তুলসী ওজাৰ বিহু দলৰ কথা বহুতে জানে। ল'ৰাক মেখেলা-চাদৰ পিন্ধাই নিখুঁতভাৱে নাচনী সজাই বিহুত নচুৱাইছিল। সুধাকণ্ঠ ড° ভূপেন হাজৰিকাই গীতৰ মাজেৰে 'আজিৰ অসমীয়াই নিজক নিচিনিলে অসম ৰসাতলে যাব' বুলি অসমক সোঁৱৰাই দিয়াৰ দৰে তুলসী ওজায়ো গীতৰ মাজেৰে সোঁৱৰাই থৈ গৈছে এইদৰে- 'অসমীয়া বঙালী/নকৰিবা ধেমালি/অ' সৰুমাই অসম ৰসাতলে যায়।' আজি দিনক দিনে অসমত নতুন নতুন সমস্যাৰ সৃষ্টি হৈ প্ৰগতিৰ পথত বাধাৰ প্ৰাচীৰে গঢ় লৈ উঠিছে। সেই বাধাৰ প্ৰাচীৰ ভাঙিব কোনে? প্ৰতিজন অসমীয়াই কথাবোৰ চিন্তা কৰিবৰ হ'ল। তুলসী ওজাই গীতৰ মাজেৰে তাহানিতেই আমাক সোঁৱৰাই এইবুলি 'ৰংঘৰ গাঁথিবা কাৰেংঘৰ গাঁথিবা/বিহুগীত এফাঁকি গাই/ সোণৰ অসমখনি নতুনকৈ গঢ়িবা/নতুন ছবিখন চাই।' চাহ বাগিচাৰ সাহিত্য কাণ্ডাৰী দেওৰাম তাছায়ো এই বিষয়ত আমাক সোঁৱৰাই থৈ গৈছে। অসমীয়া আৰু চাহ জনজাতি দুয়োখন সমাজৰ সমন্বয়ৰ কথা কবিতাৰ মাজেৰে ব্যক্ত কৰিছে এইদৰে- 'চাহনীলৈ নাযাবা ফিকা পানী নাখাবা/কেঁচাপাতত নাবান্ধিবা লোণ/বাগিচাৰ লাইনত অসমীয়া নাম লৈ/গৌৰৱত ফুলি উঠে কোন?' বিহুমেলাবোৰত সদায় আগভাগ লৈছিল সেউজী পাতৰ শিল্পী চেনিৰাম কুৰ্মীয়ে। সাহিত্যিক পেঞ্চনাৰ নাৰায়ণ ঘাটোৱাৰে চাহ বাগিচাৰ গোন্ধ থকা বিহুগীতৰ কথা কলমৰ আগেদি ৰূপায়িত কৰিছে। গীতেৰে-কথাৰে ৰাইজৰ মন জয় কৰিছে চাহ বাগিচাৰ ক'তজন শিল্পী আৰু কতজন সাহিত্যিকে।

বিহু সোমাই পৰিছে চাহ বাগিচাৰ মাজত। বিহু সোমাই পৰিছে চাহ জনজাতিৰ মনত। আজি চাহ জনজাতি সমাজৰ ডেকা-গাভৰুৱে দ্বিধাবোধ নকৰি আপোন ভাষাৰে বিহুৰ কথা ব্যক্ত কৰিছে- 'হামানিকেৰ গাঁও বাগানে, বিহু বিহু লাগথে' বুলি।

*ফোন ঃ ৯৪৩৫০৮০১৫৯*





**বসন্ত কালত পালন কৰা অসমৰ প্ৰতিটো জনগোষ্ঠীৰ বিহুৱে এক স্বকীয় মহিমাৰে মহিমামণ্ডিত হৈ উঠে আৰু বিশেষ মৰ্যাদা লাভ কৰে। বিহুৰ মাজেদি মানুহৰ পৰিশীলিত জীৱনবোধ, ৰুচিবোধৰ এক পৰিচয়ো পাবলৈ সক্ষম হোৱা দেখা যায়। মানুহৰ সৃষ্টি চেতনা, মানসিক আনন্দ, সমন্বয়, সম্প্ৰীতি, সৌন্দৰ্যপিপাসু মনৰ এক উমাল অনুভৱ, স্বতঃস্ফুৰ্ত আনন্দৰ স্বৰূপ বিহুৰ মাজেদি মূৰ্তমান হয়, অসমীয়া সমাজ জীৱন তিনিটা বিহুৰ বিশেষ তাৎপৰ্য আছে। বসন্ত কালত পালন কৰা 'ব'হাগ' বা ৰঙালী বিহুৱে স্বকীয় বৈশিষ্ট্যৰে মানুহৰ বুকুত জগাই তোলে সৃষ্টিৰ নৱ চেতনা।**

# একবিংশ শতিকাৰ বিহু

**কল্পনা বৰুৱা**

বিহু কৃষিজীৱী মানুহৰ বৰ হেঁপাহৰ, প্ৰাণৰো প্ৰাণৰ উৎসৱ। বিহুৰ বুকুতে বিভিন্ন জাতি-জনগোষ্ঠীৰ সংস্কৃতিৰ সম্পদ বা উপাদানবোৰ সংমিশ্ৰিত ৰূপত দেখিবলৈ পোৱা যায়। বসন্ত কালত পালন কৰা অসমৰ প্ৰতিটো জনগোষ্ঠীৰ বিহুৱে এক স্বকীয় মহিমাৰে মহিমামণ্ডিত হৈ উঠে আৰু বিশেষ মৰ্যাদা লাভ কৰে। বিহুৰ মাজেদি মানুহৰ পৰিশীলিত জীৱনবোধ, ৰুচিবোধৰ এক পৰিচয়ো পাবলৈ সক্ষম হোৱা দেখা যায়। মানুহৰ সৃষ্টি চেতনা, মানসিক আনন্দ, সমন্বয়, সম্প্ৰীতি, সৌন্দৰ্যপিপাসু মনৰ এক উমাল অনুভৱ, স্বতঃস্ফুৰ্ত আনন্দৰ স্বৰূপ বিহুৰ মাজেদি মূৰ্তমান হয়, অসমীয়া সমাজ জীৱন তিনিটা বিহুৰ বিশেষ তাৎপৰ্য আছে। বসন্ত কালত পালন কৰা 'ব'হাগ' বা ৰঙালী বিহুৱে স্বকীয় বৈশিষ্ট্যৰে মানুহৰ বুকুত জগাই তোলে সৃষ্টিৰ নৱ চেতনা। দেখা যায় যে কৃষি কাৰ্য কৰাৰ আগত আৰু কৃষি চপোৱাৰ পিছত বিহু উৎসৱ বছৰ বছৰ ধৰি অসমীয়া মানুহে পালন কৰি আহিছে। সমূহীয়াভাৱে অসমৰ সকলো জাতি-জনগোষ্ঠীৰ লোকে নিজ নিজ পৰম্পৰা ৰক্ষা কৰি বিহু পালন কৰিলেও উদ্দেশ্য সকলোৰে একে। যাৰ বাবে 'বিহু'ৱে অসমৰ জাতীয় উৎসৱৰ মৰ্যাদা লাভ কৰে।

আজি একবিংশ শতিকাত এটা কথা সকলোৰে পৰিলক্ষিত হৈছে তিনিওটা বিহুৰ ভিতৰত কাতি বিহুক ক্ৰমাগতভাৱে এলাগী কৰি আহিছে। চৰকাৰী বন্ধৰ পৰাও কাতি বিহুটো বাদ পৰিছে; কিন্তু কাতি বিহুৰো যি উমৈহতীয়া বৈশিষ্ট্য, পৰম্পৰা, ৰীতি-নীতি সেয়া মাঘ বিহু আৰু ব'হাগ বিহুৰ সমানেই গুৰুত্বপূৰ্ণ। এতিয়া আমি প্ৰত্যক্ষ কৰিছো কাতি বিহুক নামমাত্ৰ ৰাখি মাঘ বিহু আৰু ব'হাগ বিহুক মানুহে ধুমধামেৰে মহা পয়োভৰেৰে উদ্‌যাপন কৰে। এটা কথা ঠিক সময়ৰ পৰিৱৰ্তনৰ লগে লগে মানুহৰ মানসিকতাৰো পৰিৱৰ্তন হৈছে। মানুহৰ শিক্ষা, চিন্তা, কৰ্মৰ বিভিন্নতাই মানুহক পৰিৱৰ্তনমুখী কৰি তুলিছে। কাৰণ পৰিৱৰ্তন অৱধাৰিত। ই নিশ্চিতভাৱে ঘটিবই; কিন্তু একবিংশ শতিকাৰ আমাৰ প্ৰাণ স্বৰূপ বিহুলৈ অহা পৰিৱৰ্তনৰ কাৰক হৈছে আধুনিকতা, পাশ্চ্যতাৰ প্ৰভাৱ, অপসংস্কৃতি, অপকৰ্ম আদি।

ক্ৰমবিৱৰ্তনৰ পথত ৰূপান্তৰ ঘটি মানৱ মনৰ চিন্তাধাৰাৰ দ্ৰুত পৰিৱৰ্তন হৈছে। তাৰ ফলত অসমৰ জনজীৱনলৈয়ো আৰ্থিক, সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক, শৈক্ষিক, বৌদ্ধিক আদি দিশৰ পৰিৱৰ্তন আহিছে। এই পৰিৱৰ্তন সকলোৰে কাম্য। পিছে এই পৰিৱৰ্তনৰ দোহাই দি সংস্কৃতিৰ নামত অপসংস্কৃতি বা বিজতৰীয়া সংস্কৃতিৰ সৃষ্টি হোৱাটো কোনো সচেতন মানুহে নিবিচাৰে। আমি দেখিছো মানৱ সভ্যতাই একবিংশ শতিকাত প্ৰৱেশ কৰাৰ লগে লগে দ্ৰুত উদ্যোগীকৰণ, নগৰীকৰণ, শিক্ষাৰ সম্প্ৰসাৰণ, বিকাশ, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অভাৱনীয় আৱিষ্কাৰৰ প্ৰভাৱ, পশ্চিমীয়া সভ্যতাৰ ক্ষীপ্ৰ অনুকৰণ, আধুনিকীকৰণ আদিয়ে মানুহৰ দৈনন্দিন জীৱনত ব্যাপক প্ৰভাৱ পেলাইছে। এই প্ৰভাৱৰ ফলত মানুহৰ জীৱন ধাৰণৰ যাত্ৰা যেনেকৈ পৰিৱৰ্তন ঘটিছে ঠিক তেনেকৈ সামাজিক ৰীতি-নীতি, উৎসৱ-অনুষ্ঠানৰ পৰম্পৰাগত নিয়মতো যেন পৰিৱৰ্তন হৈছে। চহা গাঁৱলীয়া জীৱনত সামাজিক ৰীতি-নীতি কিছু ধৰি ৰাখিছে যদিও আধুনিক শিক্ষাৰে শিক্ষিত নগৰ-চহৰৰ লগতে গাঁৱতো এচাম লোকে নিজকে শিক্ষিতৰ দোহাই দি, চহকী আৰু সম্ভ্ৰান্ত দেখুৱাই প্ৰাণৰ আমঠু বিহুটিক অৱহেলা কৰা দেখা যায়। তেওঁলোকে ডেকা-গাভৰুৱে বিহু কৰাটো, বিহু নাচ নচাটো সন্মান হানিকৰ কাৰ্য বুলি ভাবি লয়। তেনে ব্যক্তিৰ মনত ভাৱ হয় বিহু নাচ মুকলিমূৰীয়া পৰিবেশত লাজ-চৰম নথকা সকলেহে নাচে। যাৰ ফলত সকলো লগ লাগি ঘৰে ঘৰে বিহু কৰা নিয়মটি ক্ৰমাগতভাৱে কমি আহিবলৈ ধৰিছে। চ'তৰ বিহুৰ আজি কেৱল নামটোহে আছোগৈ। সাত বিহুতো দূৰলৈ ঠেলি পঠোৱা হৈছে।

এতিয়া পৰম্পৰাগত বিহু মৰা অনুষ্ঠানৰ পৰা বিহুক কিছু আতঁৰাই নগৰ-চহৰ আনকি গাঁৱৰ চুকে-কোণেও বিহু আদৰণি, বিহু সন্মিলন, ব'হাগী উৎসৱ, ব'হাগী বিদায় আদি নামেৰে পাতি বিহু সংস্কৃতি ৰক্ষা কৰি আহিছে। এসময়ত মুকলি পথাৰৰ তলৰ, নৈৰ পাৰৰ বিহুৰ নৃত্য-গীতে আহোম স্বৰ্গদেউ ৰুদ্ৰসিংহৰ দিনতে ৰাজকীয় মৰ্যাদা লাভ কৰে। আহোম স্বৰ্গদেউসকলে পথাৰ আৰু গছৰ তলত বিহুক ৰাজহুৱাকৈ প্ৰদৰ্শনৰ ব্যৱস্থা কৰে বুলি বিহুৰ বিৱৰ্তন সম্পৰ্কে আলোচনা-গৱেষণা কৰা ব্যক্তিসকলে কয়। বিৱৰ্তনৰ পথত বিহুৱে ৰাজপথ পায়, গৃহস্থৰ চোতাল, ডা-ডাঙৰীয়াৰ চোতাল পায়হি। আনকি ৰজাৰ ৰাজধানী, ৰাজকাৰেঙতো বিহু উদ্‌যাপন কৰা হয়; কিন্তু সকলোৰে চিন্তনীয় বিষয় এইটোৱেই যে জাতীয় উৎসৱ ৰূপে পৰিগণিত বিহুক প্ৰতিযোগিতাৰ মঞ্চত থিয় কৰোৱাৰে পৰা বিহুৰ মৌলিকতা, ঐতিহ্য আদি বিনষ্ট হৈছে। সময়ৰ পৰিৱৰ্তন, মানুহৰ চিন্তাৰ পৰিৱৰ্তন, কৰ্মব্যস্ততা, বিজ্ঞান, তথ্য-প্ৰযুক্তিৰ অগ্ৰগতিয়ে বিহুৰ স্বকীয়তা ৰক্ষাৰ ক্ষেত্ৰত অসুবিধাৰ সৃষ্টি কৰিছে। বিশেষকৈ একবিংশ শতিকাৰ আধুনিক চিন্তাসৰ্বস্ব সকলৰ বাবে বিহুতলীৰ বিহু প্ৰতিযোগিতাই আমাৰ পৰম্পৰা ৰক্ষা কৰা বাপতি সাহোন বিহুটিৰ স্বকীয়তা, মৌলিকতা, ঐতিহ্য তথা অস্তিত্ব বিপন্ন হোৱাটো সকলো বিহুপ্ৰেমী লোকৰে দৃষ্টিগোচৰ হৈছে। উল্লেখ্য যে বিহু সুৰক্ষা সমিতি অসমে বিহুৰ ঐতিহ্য, পৰম্পৰা, স্বকীয়তা আৰু মৌলিকতা ৰক্ষাৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰা পৰিলক্ষিত হৈছে।

সংস্কৃতি ৰক্ষাৰ নামত বিহু আদৰণি, বিহু সন্মিলন, ব'হাগী বিদায় আদি অনুষ্ঠানসমূহৰ প্ৰয়োজনীয়তা নাই বুলিও আমি ক'ব খোজা নাই। কেতিয়াও অস্বীকাৰো কৰা নাই। এনে অনুষ্ঠানসমূহে মানুহৰ মাজত একতা, সম্প্ৰীতি অটুট ৰখাৰ লগতে জাতীয় চেতনা সৃষ্টি কৰে। তদুপৰি শিল্পী, কলা-কুশলীসকলে নিজস্ব প্ৰতিভা বিকাশৰ এখন মঞ্চ লাভ কৰে। আমি পৰিৱৰ্তনৰ লগত খাপ খাই চলিবই লাগিব; কিন্তু প্ৰশ্ন হয় পৰিৱৰ্তন লগত খাপ খাই এনে অনুষ্ঠান অনুষ্ঠিত কৰিবলৈ যাওঁতে আমি আমাৰ স্বকীয়তা হেৰুৱাব লাগিব নেকি? আমি আমাৰ শিপাডাল উভালি পেলাব লাগিব নেকি? পৰিৱৰ্তন যিহেতু অনস্বীকাৰ্য আমি সকলোৱে চাব লাগিব যাতে আমাৰ স্বকীয়তা, ঐতিহ্য হেৰাই নেযায় আৰু আমাৰ মূল শিপাডাল কোনো কাৰণতে উভালি নপৰে। যিটো গ্ৰহণযোগ্য নহয়, যিটো গ্ৰহণ কৰিলে অদূৰ ভৱিষ্যতেও মৌলিকতা ৰক্ষা কৰিব পৰা যাব সেইটোহে কৰিব লাগে। মৰ্যাদা ৰক্ষাকাৰী সুস্থ ৰুচিবোধ সম্পন্ন সাংস্কৃতিক কাঠামো থকা পৰিৱৰ্তন আমাৰ কাম্য। শালীনতা চেৰাই যোৱা যিকোনো অসুস্থ পৰিৱৰ্তন আমি গ্ৰহণ কৰাৰ আগতে দূৰদৰ্শিতাৰে সুস্থভাৱে চালি-জাৰি চোৱাতো উচিত। যিহেতু এনে গ্ৰহণযোগ্যতাৰ প্ৰভাৱ, সমাজ জীৱনত, সাংস্কৃতিক জীৱনত সুদূৰপ্ৰসাৰী হয়। সেয়ে সুদূৰপ্ৰসাৰী লক্ষ্য একোটা আগত ৰাখিহে আমি আমাৰ পৰিৱৰ্তন বিচৰাটো সকলোৰে কাম্য হোৱা উচিত। সেয়েহে এতিয়া কেৱল প্ৰয়োজন আছে সময় সাপেক্ষে উপযুক্ত পদক্ষেপ আৰু পুংখানুপুংখভাৱে কৰা পৰ্যালোচনাত।

অপ্ৰিয় হ'লেও সত্য যে এতিয়া বিহুৰ অনুষ্ঠান বহুতো লোকৰ বাবে ব্যৱসায়িক মুনাফা লাভৰ কেন্দ্ৰস্থল হৈ পৰিছে। মুখ্য উদ্দেশ্যৰ পৰা ফালৰি কাটি প্ৰগ্ৰেম বিলাকত স্থানীয় উদীয়মান প্ৰতিভা সম্পন্ন শিল্পীক গুৰুত্ব নিদি নামী-দামী শিল্পীক কেইবা লাখ টকা দিয়ে। সেই টকা ৰাইজৰ পৰাই সংগ্ৰহ কৰা হয়। কিন্তু কেতিয়াবা দেখা যায় বহু নামী-দামী শিল্পীয়ে অনুষ্ঠান পৰিবেশনৰ নামত বহুৱালিহে কৰে।

এই শতিকাত চ'তৰ বিহু হেৰাল, সাত বিহুও পূৰ্বৰ পৰম্পৰাগত ৰূপত নাই। যি সাত বিহুত অসমৰ খিলঞ্জীয়া কৃষিজীৱী বিভিন্ন জনগোষ্ঠীয়ে স্বকীয় বৈশিষ্ট্যৰে লোক বিশ্বাস অনুসৰি, বিহু, বিচু, বৈসাগু, ছগ্ৰামিছ্যাৰা, হায়দাং, হুঁচৰি, আবৰ হুৱাই ৰঙালী, লেৰাটানা নৃত্য-গীত, লালিলাং আৰু লালি হিলালী গীত, আলি-আই -লৃগাং, ছেং নাং বিহু, বাহা পৰৱ, ঝুমুৰ, বাগৰুম্বা আদিৰে অসমীয়া জাতি সত্বাক সবল আৰু কটকটীয়া কৰে সেই ক্ষেত্ৰত যেন কৰবাত বিচ্যুতি ঘটিছে।

তাহানিতে বিহু নাচবোৰ মুকলি পথাৰত স্বতঃস্ফূৰ্তভাৱে নাচিছিল। বিহু নাচৰ সুক্ষ্মাতিসুক্ষ্ম দিশবোৰৰ প্ৰতি বিশেষ গুৰুত্ব দিয়া নহৈছিল। আনন্দত বিহুৱা, নাচনীয়ে যিমান ওপৰলৈ মন যায় হাত দাঙি, মেলি নাচিছিল। আজিৰ ৰাজহুৱা প্ৰদৰ্শন ব্যৱস্থাত আৰু প্ৰতিযোগিতাত অৱতীৰ্ণ হোৱাত সকলো দিশ শুদ্ধ আৰু সৰ্বোৎকৃষ্ট কৰাৰ ওপৰত গুৰুত্ব দিব লগা হৈছিল। যাৰ ফলত বিহু আখৰাৰ সৃষ্টি হ'ল। বিভিন্ন কৰ্মশালাৰ পৰিৱেশ সৃষ্টি হ'ল। যাৰ ফলত বিহু নাচৰ নান্দনিক দিশৰ যথেষ্ট উত্তৰণ ঘটিছে। অৱ্যশ্যে বিহুৱাতকৈ বিহুৱতী নাচনীৰ ক্ষেত্ৰতহে এনে আখৰা, কৰ্মশালাই বেছ গুৰুত্ব দিয়ে। তৎস্বত্বেও বিহু নাচৰ আনৰ উত্তৰণত এক নতুন মাত্ৰাৰ সংযোজন ঘটিছে। বৰ্তমান সময়ত বিহু সুৰক্ষা সমিতিৰ লগতে বিভিন্ন অনুষ্ঠানে বিভিন্ন স্থানত বিহু নাচৰ আখৰা আয়োজন কৰিছে। উচ্চতৰ মাধ্যমিক পাঠ্যক্ৰমত 'বিহু' বিষয়টো অন্তৰ্ভুক্ত কৰাৰ প্ৰস্তুতি চলি আছে।

অন্যহাতে বিহুক লৈ কৰা ব্যৱসায়ৰ বাবে গাঁৱৰ বিহু ম্লান পৰাটো পৰিলক্ষিত হৈছে। সকলো ধাৱমান হৈছে নগৰলৈ বৰ বিহুৱা, বৰ বিহুৱতী হ'বলৈ। গাঁৱৰ ৰাইজৰ আশীৰ্বাদ ল'বলৈয়ো বিহু তথা হুঁচৰি নোহোৱাৰ পৰিৱেশ হ'ল। বিহুৱতী প্ৰতিযোগিতা, বিহু সম্ৰাজ্ঞী, বিহু ৰাণী আদি প্ৰতিযোগিতাই গাঁৱৰ মালতী, ৰূপহী, সেউতী, নয়নতৰাই ঢুকি নোপোৱাৰ ফলত বহু প্ৰতিভাৰ ম্লান পৰি গৈছে।

বিহুনামৰ ক্ষেত্ৰত সকলোৱে প্ৰত্যক্ষ কৰিছে চহালোকৰ মুখ বাগৰি অহা অনিন্দ্য অনুপম নামবোৰত প্ৰকৃতিৰ লগত থকা সম্পৰ্ক, প্ৰেম-প্ৰীতি, বিৰহ-মিলন, জান-জুৰি, ফুল, পৰ্বত-পাহাৰ, নৈ-নিজৰাই প্ৰাধান্য লাভ কৰিছিল, কিন্তু আজি একবিংশ শতিকাত তাহানিৰ প্ৰকৃতিৰ বন্দনা, যৌৱনৰ বন্দনাৰ খহনীয়া হৈছে। উৎকট যৌগগন্ধী নামবোৰ বাই-ভনী, ককাই-ভাইয়েও একেলগে শুনিব নোৱাৰা হৈছে। তদুপৰি বিভিন্ন কেছেট এতিয়া বজাৰত উপলব্ধ। টিভিবোৰত, ভিচিডি বোৰত প্ৰদৰ্শন কৰা বিহুনাম আৰু নাচৰ লগতে যৌৱনৰ প্ৰকাশৰ কথা নক'লোৱেবা। ফুল কোঁৱৰ, মণিকোঁৱৰৰ গীত, মণিৰাম দেৱানৰ গীত, জয়মতীৰ গীত, পগলা-পাগলীৰ গীত, বৰফুকনৰ গীত, জনগাভৰুৰ গীত, কাচনমলাৰ গীত, পচলাৰ জুনা, নাঙলৰ জনা আদি মালিতা হিচাপে গোৱা হয়। বিহুৰ ইতিহাস আৰু বৰ্তমান সম্পৰ্কে গৱেষণা কৰা সকলে, বিজ্ঞজনে, জাতীয় সৃষ্টিবোৰ শুভ চিন্তকসকলে বিভিন্ন সময়ত তেওঁলোকৰ চিন্তা প্ৰকাশ কৰি বিহুৰ স্বকীয়তা, মৌলিকতা, মৰ্যাদা, ঐতিহ্য ৰক্ষা কৰিবৰ বাবে পৰামৰ্শ আগবঢ়াইছে আৰু আহ্বান জনাইছে।

বিহুৰ বিভিন্ন ৰকমৰ পিঠা - তিল পিঠা, তেল পিঠা, নাৰিলকৰ পিঠা, সুতুলী পিঠা, টেকেলি পিঠা, নাৰিকলৰ লাৰু, তিলৰ লাৰু, হুৰুম, সান্দহ, আখৈ, চিৰাৰ সলনি কেক, পুডিং, লুচি-ভাজি, নানা তৰহৰ মিঠাই আদিয়ে প্ৰাধান্য লাভ কৰিছে। গাঁৱতো ঢেঁকীৰ মাত ক্ৰমশঃ নোহোৱা হৈছে। চেনেহৰ তাঁতশালখনত গাঁৱৰ জীয়ৰী-বোৱাৰীয়ে সপোন ৰচিছিল। এতিয়া তাঁতশালৰ উখল-মাখল কমিছে। মাকোঁৰ খিতখিতনি কমি আহিছে। গৰকা, দোৰপতিৰ শুৱলা মাত নুশুনি। নৱ প্ৰজন্মৰ যুৱতীয়ে তাঁতশাল নিচিনে।

এতিয়া বৰহমথুৰি, জেতুকা পাবলৈ নোহোৱা হৈ আহিল। তাৰ ঠাইত মেহেন্দিৰ পেকেট সহজতে লাভ কৰা হয়। গৰুৰ ডিঙিত তৰাগছৰ ৰচীডাল নাই। তৰা চিঙা বিহুও নাই। গৰুৰ ডিঙিত নাৰিকলৰ ৰচী, মৰাপাটৰ ৰচীও নাই, তাৰ ঠাইত প্লাষ্টিকৰ ৰচী। বিহু এতিয়া কৃষিজীৱী চহা অসমীয়াৰ হৈ থকা নাই। যাৰ লাখ টকা আছে তাৰহে বিহু। সাত বিহুৰ প্ৰতিটো দিনৰ গুৰুত্ব, বৈশিষ্ট্য নৱ প্ৰজন্মই নেজানে। বিহুৱে মানুহক নৈতিক শিক্ষা, আধ্যাত্মিক জ্ঞানৰো পাঠ পঢ়ায়। জীৱ-জন্তুৰ প্ৰতি, প্ৰকৃতিৰ প্ৰতি প্ৰীতি বঢ়ায়। সৰুৱে ডাঙৰক সন্মান, ডাঙৰে সৰুক মৰম যাচে। এতিয়া এইবোৰ অলাগতীয়াল বুলি এৰাই চলিবলৈ প্ৰয়াস কৰাৰ বাবে সমাজত অসূয়া-অপ্ৰীতি বাঢ়িছে, চেনেহ-শ্ৰদ্ধাৰ অভাৱ ঘটি মানুহবোৰ যান্ত্ৰিক হৈ পৰিছে।

বিহু সংস্কৃতি ৰক্ষা কৰাৰ নামত যিসকলে কু-সংস্কৃতিৰ বীজ ৰোপন কৰিছে সেইসকলৰ পক্ষে মাত মতাৰ অধিকাৰ সকলোৰে আছে। সেয়ে আজি একবিংশ শতিকাত জাতীয় চেতনা সম্পন্ন, সংস্কৃতিবান সকলো অসমীয়াই নৱ প্ৰজন্মক বিহুক শ্ৰদ্ধা আৰু সন্মান কৰিবলৈ শিকাবৰ হ'ল। নহ'লে বিহুক অপসংস্কৃতিৰ বিজতৰীয়া লতাই মেৰিয়াই ধৰি বিহুক শেষ কৰিবলৈ বেছি সময় নেলাগিব বুলি দৃঢ়ভাৱে ক'ব পাৰি।

বিশ্বায়ন, গোলকীকৰণ, আধুনিকীকৰণৰ প্ৰভাৱত আমাৰ জকাইচুকীয়া অসমৰ বিহুৱে আন্তঃৰাষ্ট্ৰীয় খ্যাতি লাভ কৰিছে; কিন্তু মুক্ত অৰ্থনীতিৰ গ্ৰাসত পৰি অসমতে অসমীয়াৰ হাততে বিহুৰ অস্তিত্ব বিপন্ন হোৱাৰ উপক্ৰম ঘটিছে। স্বাভাৱিক গতিশীলতা হেৰুৱাই, পৰম্পৰা হেৰুৱাই অপসংস্কৃতিৰ দিশে গতি কৰা অসমীয়া জাতিৰ দাপোনৰ স্বৰূপ, হৃদস্পন্দন স্বৰূপ বিহু বা পুঁজিপতি বণিকগোষ্ঠীৰ দ্বাৰা লালিত-পালিত হৈছে।

পৰিৱৰ্তনৰ খলা-বমা পথেৰে আহি অসমীয়াৰ আয়ুস ৰেখালৈ ৰূপান্তৰিত হোৱা বিহু গোলকীয় প্ৰভাৱত আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত জিলিকি উঠাটোত সকলোৰে গৌৰৱ জড়িত হৈ আছে। সেয়ে সুযোগ গ্ৰহণকাৰীসকলে যাতে ব্যৱসায়ীকৰণ কৰি তাৰ মৌলিকতা, ঐতিহ্য-পৰম্পৰা বিনাশ কৰিব নোৱাৰে তাৰ প্ৰতি সকলোৱে তীক্ষ্ণ দৃষ্টি ৰাখিব লাগিব। অন্যহাতে জাতীয় উৎসৱৰ মৰ্যদা প্ৰদান কৰাটোৱে তেতিয়াহে সাৰ্থকতা লাভ কৰিব যেতিয়া শদিয়াৰ পৰা ধুবুৰীলৈ লোক জনগোষ্ঠীয়ে লোক উৎসৱ বিহুক সম্প্ৰীতিৰ সৌধ হিচাবে নিৰ্মাণ কৰিব পাৰিব। শেষত বিশেষজ্ঞ ডা0 প্ৰফুল্ল দত্ত গোস্বামীৰ এযাৰ কথা প্ৰণিধানযোগ্য বুলি ভাবি উল্লেখ কৰিছো — 'বৰ্তমান সমাজত বিহুৱে হৈ পৰিছে বহু ভাৱ বহু শ্ৰেণীৰ লোকৰ সংস্কৃতিক ঐক্যৰ এক পন্থা। যিহেতু অসমৰ জনগোষ্ঠীয় লোক নৃত্য, গীত, বাদ্যৰ মেটমৰা সম্ভাৰেৰে বিহুক এক অনন্য মাত্ৰা প্ৰদান কৰিছে।' সেয়ে বিহুক 'বিহু' হৈ থাকিবলৈ দিয়াটো সকলোৰে কৰ্ত্তব্য। নহ'লে বাপতি সাহোন বুলি গৌৰৱবোধ কৰাৰ অধিকাৰ আমাৰ নাথাকিব আৰু আমাৰ ভেটিটো প্ৰচণ্ড বতাহে সুদূৰলৈ উৰুৱাই লৈ যাব।

*ফোন ঃ ৯৭০৭৪২৭৪৮২*

## আজৰি পালে নীৰৱ পৰত

**■ ডাঃ হৰেন চৌধুৰী**

সপোন দেখো বাবে কিজানি
হিয়াৰ ভিতৰে ভিতৰে বৈ আছে
এখন উপলব্ধি চেতনাৰ বোঁৱতী নদী
দুয়ো পাৰে সময়ৰ মৰীচিকা জিলিকি থাকে

স্মৃতিৰ বালিচৰত জোনাক নামিলে
দুচকুত বিমুৰ্ত হৈ পৰে তোমাৰ হাঁহি
আজৰি পাৰে নীৰৱ পৰত
কাণ উনাই শুনো গৰখীয়া বাঁহীৰ সুৰ

নদী আৰু নাৰীৰ কথাবোৰ হেনো
মাটিৰ বুকুত মিলি থাকে চিৰকাল
আইতাৰ নিচুকনি সাধুবোৰ
যিয়ে কপালত আঙুলি বোলাই টোপনি আনে
জীৱন যুঁজৰ বাট দেখুৱাই দিয়ে

সীমাহীন অন্ধকাৰত থাকিলে পোহৰৰ কথা
ক'ব খুজিও ক'ব নোৱাৰি
অশৰীৰী মনেৰে অনুভৱ কৰিব পাৰি
তোমাৰ আত্মিক আলিংগনৰ প্ৰস্তাৱনা
ঐশ্বৰ্যময় প্ৰেমৰ প্ৰাৰ্থনা

জীৱনৰ কোনোবা এদিন
সকলোৰে সুখ আৰু দুখৰ অজুহাতত
নিজক বিচাৰি ফুৰে নিজৰ মাজত
হঠাৎ বুকুৰ সোঁমাজত
কোনোদিনে নেদেখা তোমাৰ মুখখন দেখিলে
এশ এটা সূৰ্যমুখী ফুল ফুলাৰ দৰে লাগে।

## মই তেওঁক, তেওঁ মোক

**■ পল্লৱ দত্ত**

আঙুলিৰ আঙঠি কৰি
কঢ়িয়াই ফুৰো তেওঁক,
জেপৰ ৰুমাল মোৰ প্ৰিয় নাৰী।

পাৰ্চৰ চুকত সামৰি সুঁতৰি
সবাতোকৈ মূল্যবান সম্পদ।

মোৰ কবিতাৰ ছন্দহীনতাত শুই থাকে
সাৰ পাই উঠে আৰু বেছি জটিলতাত।

অজগৰ এটা হৈ গিলি থাকো ওৰে নিশা
হালধীয়া হৈ পৰো জ্বলি ৰঙা হোৱা জ্বৰত।

মোৰ উশাহৰ বাঞ্চাত তেওঁ খুলি থাকে
এপদ এপদকৈ সৰ্বোচ্চলৈ নিজস্বতা।
মই গিলি থাকো তেওঁক।
ফুলি উঠে ক'লা সোণাৰু।

গভীৰ ক্লান্তিত মেলি দিওঁ নিজকে
ডিঙিত খোপনি পুতি বাঢ়ি আহে হাত।
কপাহী আকুলতাত আকৌ জী উঠো।

অকস্মাত উচুপনি এটাই গা কৰি উঠে
অকস্মাত ভয়, হাহাকাৰ, চিৎকাৰ।

মই তেওঁক কঢ়িয়াই ফুৰো
বাটহীন খোজত
ঘাটহীন নাৱত।

ক'ৰবাত বৈ বৈ বাজি থাকে
অজস্ৰ আশংকাৰ এটি সুৰ।

অনুৰাধ! অনুৰোধ! অনুৰোধ!

মই তেওঁক কঢ়িয়াই ফুৰো
মোৰ পৰা মোৰ আত্মা খুলি কঢ়িয়াই ফুৰিব তেওঁ।

## সৰাপাতৰ বাটেদি

**■ বনজিৎ বৰ্মন**

মৃত্যুৰ ঘন ছায়াত
শীতৰ শীৰ্ণ বিৰিখ আমি

নঙঠা ডালত কুঁৱলীৰ চেঁচা চুলিৰ বাঁহ
সৰাপাতৰ হালধীয়া ৰাগত
তিতি উঠে আমাৰ গধূলি

মাটিৰ নিৰস স্তনত আমাৰ শিপাৰ
অবোধ আঙুলিৰ কৰুণ বিস্তাৰ
এয়াইতো জীৱনৰ সহজ সত্য
মহাবধিৰ মৃত্যুৰ বুকুত
বনফৰিঙৰ এপলক নাচ

কুঁৱলী ৰঙৰ চিঞৰাহীৰে
সৰাপাতত কোনে আঁকে
আমাৰ ছন্দিত ছবি
ধিমিক-ধামাক চকুৰ পোহৰত
জ্বলি উঠে ৰাতিৰ শৰদেহ

ধিমিক-ধামাক চকুৰ পোহৰত
জ্বলি উঠে ৰাতিৰ শৰদেহ
আৰু ছাঁই হৈ উৰি যায়
সৰাপাতৰ বাটেদি...

## ভোমোৰাগুৰিত সূৰ্যাস্ত

**■ ভবেশ মিশ্ৰ**

ভোমোৰাগুৰিত সূৰ্যাস্ত
অস্পষ্ট
পাৰৰ গছ পাহাৰৰ টিং জলস্ৰোতৰো
শব্দ দিনান্ত ঘাটৰ বুকু সোঁতৰ লহৰ নাওবোৰৰো
অহা-যোৱা
সকলো অস্পষ্ট পানীত টৌবোৰ মাছ
কোনো নাই কাষত
অথচ কোনোবাই কথা পতা শুনো
অপাৰ নীৰৱতা

কেনিও নাই হাই-উৰুমি
এটাও মুখৰ মাত
মৰা সপোন চকুত তুলি বহি আছে তেজপুৰৰ
জাহাজঘাট
নামি আহিলেই ৰাতি ঘাটৰ শিলত বহি
টাপলি মৰা নাওবোৰেও সী ল'ব ফাহি যোৱা জীৱনৰ
ভেটি

ভোমোৰাগুৰিত সূৰ্যাস্ত
অনুভৱ কৰো, নিমাত নিজম গধূলি পাৰৰ ঘাঁহনিত
আগন্তুকৰ দৰে তোমাৰ উপস্থিতি।।

# পাত বিক্ৰীৰ আৰম্ভণিতেই চাহ

*তিনি পৃষ্ঠাৰ পৰা* যোৰহাটত সেই মূল্য হ'ল আকৌ দুটা। জিলাখনত বটলিফ কোম্পানীবোৰে ৩০ টকা মূল্য ধাৰ্য কৰাৰ বিপৰীতে বাগানৰ ফেক্টৰীত মূল্য হ'ল ৩৫ টকা। এনেদৰে জিলাভেদে মূল্য ভিন ভিন হোৱাই নহয়, খেতিয়কো উচিত মূল্য লাভৰ পৰা বঞ্চিত হৈছে। এই সন্দৰ্ভত বিশ্বনাথৰ চাহ খেতিয়ক অক্ষয় বৰাই কয় যে বতৰৰ প্ৰথম বৰষুণ পৰাৰ পাছত যি কুমলীয়া পাত গছৰ পৰা ওলায় তাৰ মূল্য সদায় বেছি থাকে; কিন্তু এইবাৰ বেছিভাগ খেতিয়কে ব্যৱসায়ৰ আৰম্ভণিতেই মাধমাৰ খাবলগীয়া হৈছে। বৰাই কয়, 'চাহ ব'ৰ্ডৰ ভূমিকা নথকাত একে মানৰ চাহপাত হৈও কোনো জিলাত খেতিয়কে অধিক দাম পাইছে, ক'ৰবাত আকৌ মাধমাৰ খাইছে। এনে হোৱাতো দুৰ্ভাগ্যজনক।'

# জিএমচিএইছৰ শিশু ৱাৰ্ডৰ পৰা শিশু

*তিনি পৃষ্ঠাৰ পৰা* এনেতে এগৰাকী মহিলাই আগবাঢ়ি আহি শিশুটিক নিচুকাবলৈ আৰম্ভ কৰে। মই হাস্পতালৰ কৰ্মচাৰী বুলি কেঁচুৱাটিক তেওঁৰ হাতত তুলি দিলো। নিশা উজাগৰে থকা বাবে কেতিয়া মোৰ টোপনি আহিল ধৰিব নোৱাৰিলো। আধা ঘণ্টামান পাছত সাৰ পাই দেখো যে শিশুটি আৰু মহিলাগৰাকী অন্তৰ্ধান হৈছে।' ঘটনাটো সংঘটিত হোৱাৰ পাছতে কৰ্তব্যৰত চিকিৎসকক তেওঁ অৱগত কৰিছিল যদিও মহিলাগৰাকীৰ কোনো শুংসূত্ৰ উলিয়াব নোৱাৰিলে। ইপিনে, উক্ত ঘটনা সন্দৰ্ভত ভঙাগড় আৰক্ষীয়ে কয়, 'আমি আজি পুৱাৰ ভাগত শিশু এটি হেৰোৱা বুলি জিএমচিএইছ কৰ্তৃপক্ষৰ পৰা এজাহাৰ লাভ কৰো। ইতিমধ্যে আমি ঘটনা সন্দৰ্ভত প্ৰাথমিক তদন্ত আৰম্ভ কৰিছো।' ইপিনে, উক্ত ঘটনা সন্দৰ্ভত জিএমচিএইছৰ অধীক্ষক ডাঃ অভিজিৎ শৰ্মাই কয়, 'জি এমচিএইছত ১৩০ৰ পৰা ১৫০গৰাকী সুৰক্ষাকৰ্মী আছে। এটা ছিফটত ৩০ৰ পৰা ৫০গৰাকী সুৰক্ষাকৰ্মী কৰ্তব্যত নিয়োজিত হৈ থাকে। তথাপি নিয়ন্ত্ৰণ কৰাটো জটিল হৈ পৰিছে। বিভিন্ন কোণত চিচি কেমেৰা আছে যদিও বেছি ভাগেই বিকল হৈ আছে। চিচি কেমেৰা বিকল হৈ থকাৰ ফলত চোৰৰ গতিবিধি ধৰা পেলোৱাত যথেষ্ট অসুবিধা হৈছে।' তেওঁ পুনৰ কয়, 'প্ৰিয়ম কলিতা নামৰ শিশুটিৰ বয়স সাতমাহ। তেওঁক যোৱা ২৪ মাৰ্চত চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। পিতৃ-মাতৃয়ে আমাক জনোৱা মতে মহিলাগৰাকীক তেওঁলোকে চিনি নাপায়। আচল কথাটো হ'ল তেওঁলোকৰ নিজৰে ভুল হৈছে। অচিনাকি মহিলাগৰাকীয়ে কেঁচুৱাটিক লৈ ওলাই গুচি গ'ল।

# প্ৰাক্তন মন্ত্ৰী, চাৰিবাৰৰ বিধায়ক, জ্যেষ্ঠ

*তিনি পৃষ্ঠাৰ পৰা* কৰিছিল। সৰুপথাৰ মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদক তথা অসম আন্দোলনৰ সক্ৰিয় নেতাজনে মহাবিদ্যালয়ত অধ্যয়ন কৰি থকাৰ দিনৰে পৰা বিভিন্ন সামাজিক, ৰাজনৈতিক দিশত নেতৃত্ব বহন কৰিছিল। ৰঙালী বিহুৰ প্ৰাক্‌মুহূৰ্তত তেওঁৰ মৃত্যুৰ বাতৰিয়ে সমগ্ৰ সৰুপথাৰ অঞ্চলতে শোকৰ ছাঁ পেলাইছে। প্ৰাক্তন মন্ত্ৰী তথা বিধায়কজনৰ মৃত্যুত সৰুপথাৰ নগৰত অৱস্থিত অগপৰ কাৰ্যালয়ত দলৰ পতাকা অৰ্ধনমিত কৰি শোক প্ৰকাশ কৰা হয়। ইপিনে, কাইলৈ সৰুপথাৰৰ নিজ বাসগৃহত সম্পূৰ্ণ ৰাজ্যিক মৰ্যাদাৰে প্ৰাক্তন মন্ত্ৰীজনৰ শেষকৃত্য সম্পন্ন কৰা হ'ব। ইয়াৰ বাবে ৰাজ্য চৰকাৰে অসম চৰকাৰৰ হৈ সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনক দায়িত্ব অৰ্পণ কৰিছে।

ইফালে, প্ৰাক্তন মন্ত্ৰীজনৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে অগপৰ সভাপতি তথা কৃষিমন্ত্ৰী অতুল বৰাই। এক শোকবাৰ্তাত সভাপতি বৰাই কয় যে ৰাজ্যখনে এজন প্ৰকৃত জাতীয়তাবাদী আৰু সমাজসেৱীক হেৰুৱালে। ঐতিহাসিক অসম আন্দোলনত গোৱালাৰ অৱদানৰ কথা সুঁৱৰি সভাপতি বৰাই কয় যে এয়া ৰাজ্যখনৰ বাবে অপূৰণীয় ক্ষতি। ইফালে, প্ৰাক্তন মন্ত্ৰী তথা জ্যেষ্ঠ অগপৰ নেতাজনৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে দলৰ কাৰ্যকৰী সভাপতি তথা স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্তই। এক বিবৃতিত মন্ত্ৰী মহন্তই কয় যে গোৱালাৰ বিয়োগ আঞ্চলিকতাবাদৰ কাৰণে বৃহৎ ক্ষতি। আনহাতে, তেওঁৰ বিয়োগত অগপই ৰাজ্যজুৰি তিনিদিনীয়া শোক পালন কৰিব বুলি তেওঁ সদৰী কৰিছে। এই সময়ছোৱাত দলৰ মুখ্য কাৰ্যালয়কে ধৰি সকলো দলীয় কাৰ্যালয়ত তিনিদিনলৈ দলীয় পতাকা অৰ্ধনমিত কৰি ৰখা হ'ব।

# বহৰিঘাটৰ পৰা যোৱাৰ পথত ব্ৰহ্মপুত্ৰৰ

*তিনি পৃষ্ঠাৰ পৰা* কাছুমাৰা লৈ আহোতেই দুৰ্ঘটনাটো সংঘটিত হয়। বহৰিঘাটৰ পৰা কাছুমাৰালৈ আহি থকা অৱস্থাত হঠাৎ চন্দনপুৰত নাওখন নিয়ন্ত্ৰণ হেৰুৱাই ডুব যায়। দুৰ্ঘটনাত আঠটা অংগনৱাড়ী কেন্দ্ৰৰ চাউল, মটৰমাহ আদি সামগ্ৰীসমূহৰ বিস্তৰ ক্ষতিসাধন হয় যদিও যাত্ৰীসকলৰ কোনোমতে প্ৰাণ ৰক্ষা পৰে। নাওখন হঠাৎ ডুব যোৱাত যাত্ৰীসকল চিঞৰ-বাখৰ কৰাত ওচৰত থকা মাছমৰীয়াসকলে অইন এখন নাও আনি কোনোমতে যাত্ৰীসকলক উদ্ধাৰ কৰিবলৈ সক্ষম হয়। কাছুমাৰা-বহৰি সংযোগী ব্ৰহ্মপুত্ৰৰ বুকুত ফেৰী দুৰ্ঘটনাক কেন্দ্ৰ কৰি অঞ্চলটোত হাহাকাৰময় পৰিস্থিতিৰ সৃষ্টি হয়। স্থানীয় লোকে তৎপৰতাৰে মাছমৰীয়াসকলে আন এখন যন্ত্ৰচালিত নাও লৈ উদ্ধাৰ অভিযানত সহযোগ কৰে। কিন্তু নাওখনত থকা অংগনৱাড়ী কেন্দ্ৰৰ বৃহৎ পৰিমাণৰ সামগ্ৰী নষ্ট হয়। স্থানীয় লোকে জনোৱা মতে, প্ৰায়েই ব্ৰহ্মপুত্ৰৰ বুকুত সংঘটিত হৈ আহিছে এনে নাও দুৰ্ঘটনা। বৰপেটা জিলাৰ দক্ষিণপাৰৰ চেঙা আৰু বাঘবৰ সমষ্টিৰ প্ৰায় দুই লক্ষাধিক লোক বিভিন্ন কামৰ বাবে দৈনিক বৰপেটাকে ধৰি উত্তৰপাৰৰ অফিচ-আদালতলৈ যাবলগীয়া হয়। এইসকল লোকে দৈনিক যন্ত্ৰচালিত নাৱৰে ব্ৰহ্মপুত্ৰ পাৰ হৈ বৰপেটালৈ যাবলগীয়া হয়। বিকল্প ব্যৱস্থা নথকাৰ বাবে নাৱৰে চলাচল কৰিবলগীয়া হোৱাত বহু সময়ত অনাকাংক্ষিত ভয়ংকৰ পৰিস্থিতিৰ সন্মুখীন হৈ আহিছে। দক্ষিণ বৰপেটাৰ চৰাঞ্চল-দংৰা অথবা বহৰিঘাট সংযোগ কৰি এখন পকী দলং নিৰ্মাণৰ দাবী উত্থাপন কৰি আহিছে যদিও আজিকোপতি ৰাইজৰ দাবী বাস্তৱত পৰিণত নহ'ল। চৰকাৰী অৱহেলাৰ বাবেই ভয়ংকৰ বিপদৰ শংকাত ভুগিছে অঞ্চলবাসীয়ে। সেয়ে ব্ৰহ্মপুত্ৰৰ ওপৰত এখন দলং নিৰ্মাণ কৰি এনে ঘটনাৰ যাতে পুনাৰাবৃত্তি নহয় তাৰ বাবে ৰাইজে চৰকাৰক দাবী জনাইছে।

# খাম-চিফুং আৰু 'বাগৰুম্বা' ধ্বনিত উখল

*তিনি পৃষ্ঠাৰ পৰা* ব্যস্ত সকলো। পুৰুষসকলে খাম, জ'থা, খেৰ্জা, চিফুঙত বাদ্য সংগত কৰাৰ লহৰে লহৰে উজ্বল ৰঙৰ বস্ত্ৰৰে নৃত্য পৰিবেশন কৰিছে 'চিখ্‌লা'কে ধৰি সকলো বয়সৰ মহিলাসকলে। সকলো হৈ পৰিছে আনন্দত উন্মনা। ইপিনে, দুই নম্বৰ মাজগাঁৱৰ শিক্ষক বানেশ্বৰ দৈমাৰীয়ে 'দৈনিক অগ্ৰদূত' ক জনোৱা মতে, গৰু বিহুৰ দিনৰ পৰা সাত বিহুলৈ তেওঁলোকৰ কাৰ্যসূচী অব্যাহত থাকিব। কাইলৈ তেওঁলোকে পূৰ্বপুৰুষৰ স্মৃতিত পোনতে শ্ৰদ্ধা- সেৱা জনাব। সেইমতে এটা পৰিয়ালৰ পৰা এতিয়া ৩৬ টা হোৱা পৰিয়ালকেইটাই মিলি এই সেৱা জনাব। গাঁৱৰ বাকীসকলেও এই পৰম্পৰা পালন কৰিব । পহিলা ব'হাগ তথা 'মানুহ বিহু'ৰ দিনা স্থানীয় নামঘৰ তথা বাথৌ মন্দিৰত সেৱা জনাই দেউৰীয়ে দিয়া নিৰ্দেশনা মতে একাদিক্ৰমে প্ৰতিঘৰৰ চোতালত হুঁচৰি পৰিবেশন কৰিব । পৰিয়ালসহে হুঁচৰি দলটোক ভক্তিভাৱেৰে পদূলিৰ পৰা আদৰি নিব আৰু হুঁচৰি পৰিবেশনৰ পাছত সামৰ্থ অনুযায়ী মাননি আগবঢ়াব। তাৰ মাজতে আকৌ দুই-এঘৰে দলটোক 'জুমাই' পৰিবেশন কৰিব আৰু নোখোৱাসকলক লাড়ু-পিঠাৰে চাহ খুৱাব বুলি দৈমাৰীয়ে কয়। এইদৰে সাত বিহুলৈ সকলো ৰঙিয়াল হৈ থকাৰ অন্তত সংগৃহীত ধনৰ এটাকৈ অংশ নাচনী, বাদ্যবাদকক দি বাকীখিনি 'সমাজ'ৰ নামত জমা কৰিব অনুৰূপ উৎসাহ-উদ্দীপনা ভাহি উঠিছে চালনিকুছি, কেহোতলি, মুদৈবড়ী আদি অঞ্চলবোৰতো। সুধাকণ্ঠ ভূপেনদাৰ সুৰ আওৱাই শিক্ষক তথা একালৰ বলিষ্ঠ ভাৰোত্তোলক বানেশ্বৰ দৈমাৰীয়ে আৰু কয়, 'ব'হাগ এটা মাহ বা ঋতু নহয় । ই অসমৰ সকলো জাতি-জনজাতি-জনগোষ্ঠীৰ আয়ুসৰেখা।' মুঠতে সম্প্ৰতি সমগ্ৰ অঞ্চলটো খাম, চিফুং, জ'থা, খেৰ্জাৰ লহৰ আৰু নাচনীৰ মুখৰ 'বাগৰুম, বাগৰুম, বাগৰুম্বা--' গীতেৰে উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে ।

# বৰপেটাত ২৫,২৬ এপ্ৰিলত কেন্দ্ৰীয়

*তিনি পৃষ্ঠাৰ পৰা* আৰু ৯-৪৫ বজাত স্মৃতি তৰ্পণ অনুষ্ঠান মুকলি কৰিব উদ্‌যাপন সমিতিৰ মুখ্য সম্পাদক দেৱাদীব দাসে । আনহাতে, পুৱা ১০ বজাত চিত্ৰাংকন প্ৰতিযোগিতা উদ্বোধন কৰিব উদ্‌যাপন সমিতিৰ অন্যতম উপদেষ্টা হেমন্ত কুমাৰ দেউৰীয়ে। তদুপৰি পুৱা ১০-৩০ বজাত মৌ কুঁৱৰী প্ৰতিযোগিতা উদ্বোধন কৰিব বৰপেটা পৌৰসভাৰ নৱ নিৰ্বাচিত সদস্য ধনজিৎ পাঠকে। দিনৰ দুই বজাত মুকলি বিহু প্ৰতিযোগিতা উদ্বোধন কৰিব বৰপেটা জিলাৰ অতিৰিক্ত উপায়ুক্ত লখিমী দত্তই। আনহাতে, মুকলি বিহু প্ৰতিযোগিতাত গুৱাহাটীৰ গোমচেং বিহু-হুঁচৰি দল, নলবাৰীৰ গগনা বিহু দল আৰু ৰংমন ৰাংঢালী বিহু দল, মঙলদৈৰ দৰঙী বিহু দল, ছিপাঝাৰৰ সাঁচিপাত বিহু দল, বৰপেটা ৰোডৰ বৰদৈচিলা বিহু দল আৰু জামুগুৰিহাটৰ ভৰলীপৰীয়া বিহুৱা দলে অংশগ্ৰহণ কৰিব। আবেলি পাঁচ বজাত বিহু কুঁৱৰী প্ৰতিযোগিতা উদ্বোধন কৰিব উদ্‌যাপন সমিতিৰ অন্যতম উপদেষ্টা প্ৰদীপ দাসে। তদুপৰি সন্ধিয়া ছয় বজাত বাৰেবৰণীয়া সাংস্কৃতিক সমাৰোহ উদ্বোধন কৰিব উদ্‌যাপন সমিতিৰ উপদেষ্টা অনিল দাসে। সন্ধিয়া ৬-৩০ বজাত বঁটা বিতৰণী অনুষ্ঠান উদ্বোধন কৰিব বৰপেটা জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া মনোজ কুমাৰ চিকাৰীয়াই। অহা ২৬ এপ্ৰিলৰ পুৱা ন বজাত চাফাই অভিযান মুকলি কৰিব বৰপেটা পৌৰসভাৰ নৱনিৰ্বাচিত পৌৰপতি চবিলাল দাসে । তদুপৰি পুৱা ৯-৩০ বজাত বৃক্ষৰোপণ কৰিব উদ্‌যাপন সমিতিৰ অন্যতম উপ-সভাপতি গৌতম পাঠকে। দিনৰ ১১ বজাত ভেশচন প্ৰতিযোগিতা উদ্বোধন কৰিব উদ্‌যাপন সমিতিৰ অন্যতম উপদেষ্টা প্ৰীতি দাসে। আনহাতে, সন্ধিয়া ছয় বজাত বাৰেবৰণীয়া সাংস্কৃতিক সমাৰোহ উদ্বোধন কৰিব বৰপেটা জিলাৰ উপায়ুক্ত তেজপ্ৰসাদ ভূষালে। নিশা আঠ বজাত স্মৃতিগ্ৰন্থ 'বিহুৱান' উন্মোচন কৰিব মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে। মঞ্চত আমন্ত্ৰিত অতিথিৰূপে অংশগ্ৰহণ কৰিব বৰপেটা জিলাৰ আৰক্ষী অধীক্ষক অমিতাভ সিন্‌হাই।

# টিহুৰ গোৱৰাদলত ৰঙালী বিহুৰ

*তিনি পৃষ্ঠাৰ পৰা* পহিলা ব'হাগৰ পুৱা স্থানীয় ল'ৰা-ছোৱালীৰ মাজত বিভিন্ন খেল-ধেমালি প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ইয়াৰ পাছত চাৰি ব'হাগৰ পুৱা নলবাৰী বাগ্‌সা, বৰপেটা জিলা ভিত্তিত 'হাফ মাৰাথন দৌৰ' প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনী উদ্‌যাপন সমিতিৰ সভাপতি মনহৰি বৰ্মনে পতাকা উত্তোলন কৰাৰ পাছত ক্ৰমে ছহিদ তৰ্পণ আৰু স্মৃতি তৰ্পণ কৰিব অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক উপেন্দ্ৰ নাথ বৰ্মন আৰু কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ প্ৰতিষ্ঠাপক সম্পাদক শশীন্দ্ৰ নাৰায়ণ দাসে। বিহুতলী প্ৰাংগণত এটি নতুন ছহিদ বেদীৰ আধাৰশিলা স্থাপন কৰিব সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সভাপতি গুণজ্যোতি পাঠকে। স্থায়ী মঞ্চত বন্তি প্ৰজ্বলন কৰিব বৰমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী সৰলা দেৱীয়ে। মঞ্চ উদ্বোধন কৰিব টিহু থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ত্ৰিদীপ কুমাৰ বৰাই। পৰৱৰ্তী সময়ত সদৌ অসমত ভিত্তিত অসমীয়া গীতৰ আধাৰত একক নৃত্য প্ৰতিযোগিতা আৰু পৰম্পৰাগত অসমীয়া সাজত স্থানীয় ছোৱালী-বোৱাৰীসকলৰ মাজত পৃথক সাজপাৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। প্ৰতিযোগিতা উদ্বোধন কৰিব ক্ৰমে টিহু-মথুৰাপুৰ উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া প্ৰকাশ বৰ্মন আৰু টিহু ৰাজহ চক্ৰৰ সংলগ্ন চক্ৰ বিষয়া উপাসনা ডেকাই। সন্ধিয়া স্থানীয় বিধায়ক ভূপেন বড়ো আৰু স্থানীয় আদৰ্শ কৃষকক সম্বৰ্ধনা জনোৱা হ'ব। আতচবাজী প্ৰজ্বলন কৰিব ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ নলবাৰীৰ বিভাগ কাৰ্যবাহ নিৰঞ্জন বৰ্মনে। মুকলি সভাত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট সাহিত্যিক তথা 'দৈনিক অগ্ৰদূত' কাকতৰ মুখ্য সম্পাদক কনকসেন ডেকা, অসম লোকসেৱা আয়োগৰ প্ৰাক্তন অধ্যক্ষ তথা অসম আৰক্ষীৰ বিশেষ শাখাৰ অৱসৰপ্ৰাপ্ত সঞ্চালক প্ৰধান পল্লৱ ভট্টাচাৰ্য, অসম আৰক্ষীৰ অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান (বিশেষ শাখা) হীৰেন চন্দ্ৰ নাথ, ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ সহঃ ক্ষেত্ৰ প্ৰচাৰক (অসম ক্ষেত্ৰৰ) বশিষ্ঠ বুজৰবৰুৱা, ৰাষ্ট্ৰীয় স্বয়ং সংঘৰ অসম ক্ষেত্ৰৰ সংঘ চালক ড° উমেশ চক্ৰৱৰ্তী, আৰ এছ এছৰ উত্তৰ অসম প্ৰান্তৰ প্ৰান্ত সংঘ চালক ডাঃ ভূপেন শৰ্মা, প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° দয়ানন্দ পাঠক, কটন বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° জ্ঞানেন্দ্ৰ বৰ্মন, আসাম পাব্লিক ৱৰ্কছৰ অধ্যক্ষ অভিজিত শৰ্মা, শংকৰজ্যোতি ৰেব পটে'লৰ স্বত্বাধিকাৰী মধুৰাম ডেকা, নলবাৰীৰ আৰক্ষী অধীক্ষক পবিত্ৰ কুমাৰ নাথ, শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ সচিব সুদৰ্শন ঠাকুৰ, সমাজকৰ্মী দুলাল বৰা উপস্থিত থাকিব। নিশা সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ অসম ক্ষেত্ৰৰ বৌদ্ধিক প্ৰমুখ শংকৰ দাসে। সাংস্কৃতিক সন্ধিয়াত বৰদৈচিলা বিহু হুঁচৰি দল আৰু জুপিতৰা বিহু হুঁচৰি দলে বিহু হুঁচৰি পৰিৱেশন কৰিব।

# প্ৰদেশ কংগ্ৰেছৰ সম্পাদিকাসহ ১৭ গৰাকীৰ পদত্যাগ



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৩ এপ্ৰিল ঃ** অমংগলে যেন লগ এৰা নাই আৰু অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ। ক্ষমতা হেৰুওৱা দিন ধৰি আজি পৰ্যন্ত শীৰ্ষ নেতাৰ পৰা আৰম্ভ কৰি তৃণমূল পৰ্যায়লৈকে দলত্যাগ কৰাৰ জোৱাৰ উঠিয়েই আছে প্ৰদেশ কংগ্ৰেছত। কেতিয়াবা যদি দলে বলে পদত্যাগ কৰিছে, কেতিয়াবা কোনো নেতা-বিধায়কসকলেই দলৰ পৰা পদত্যাগ কৰি ওলাই গৈছে। নাইকিয়া হৈছে দলৰ ৰাজ্যিক তথা কেন্দ্ৰীয় নেতৃত্বৰ ওপৰত। ফলস্বৰূপে আজিও অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সম্পাদিকা অৰুণিমা দাসসহ প্ৰদেশ কংগ্ৰেছৰ ৰাজ্যিক পৰ্যায়ত বিভিন্ন পদত দায়িত্ব পালন কৰা প্ৰায় ১৭ গৰাকী নেতা-নেত্ৰীয়ে দলেবলে পদত্যাগপত্ৰ দি দল ত্যাগ কৰে। অৱশ্যে আজি আনুষ্ঠানিকভাৱে কংগ্ৰেছ দল ত্যাগ কৰিছে যদিও পৰৱৰ্তী সময়ত সদ্য পদত্যাগী কংগ্ৰেছ নেতাসকল কোনটো ৰাজনৈতিক দলত যোগদান কৰিব এয়া এতিয়াও নিশ্চিত হোৱা নাই।

আজি আনুষ্ঠানিকভাৱে দলত্যাগ কৰাৰ পাছত গুৱাহাটী প্ৰেছ ক্লাবত সংবাদমেল সম্বোধন কৰি সদ্য পদত্যাগী প্ৰদেশ কংগ্ৰেছ সম্পাদিকা অৰুণিমা দাসে কয় যে সম্প্ৰতি মুঠিমেয় কেইজনমান নেতাৰ বাহিৰে আন আন প্ৰদেশ কংগ্ৰেছৰ নেতা তথা তৃণমূল কৰ্মীসকলৰ কোনো ৰাজনৈতিক নিৰাপত্তা নাই। প্ৰদেশ কংগ্ৰেছ একপ্ৰকাৰ চূড়ান্ত বেমেজালি আৰু বিশৃংখল দললৈ পৰ্যবসিত হ'ল বুলি ক্ষোভ প্ৰকাশ কৰি দাসে কয়, 'অসম প্ৰদেশ কংগ্ৰেছ কমিটী সম্প্ৰতি কোনো নেতাৰ প্ৰাইভেট লিমিটেড কোম্পানীৰ দৰে চলি আছে। কংগ্ৰে দলত এতিয়া দলীয় স্বাৰ্থ আৰু আদৰ্শ বুটলিবলৈ একো নাই, আছে কেৱল ব্যক্তি স্বাৰ্থ আৰু লবী স্বাৰ্থ।'

প্ৰদেশ কংগ্ৰেছৰ প্ৰাক্তন সভাপতি তথা ৰাজ্যসভাৰ সাংসদ ৰিপুন বৰা সভাপতিৰ দায়িত্ব এৰি দিয়াৰ পাছতেই দলটো প্ৰায় নিঃশেষ হ'ল বুলি ৰাজহুৱা কৰি প্ৰাক্তন সম্পাদিকা দাসে কয় যে এতিয়া কংগ্ৰেছ দলটো নিচিহ্ন হ'বলৈ কোনো বিপক্ষৰ প্ৰয়োজন নাই, কংগ্ৰেছ দলে নিজেই নিজক শেষ কৰি পেলাব। দলক তৃণমূল পৰ্যায়ৰ পৰা পুনৰ গঠন কৰি শক্তিশালী কৰাৰ বিপৰীতে এচাম নেতাই লবী ৰাজনীতি কৰিবলৈ গৈ দলৰ মজিয়াতে আনটো লবীৰ কৰ্মীক ৰাজনৈতিকভাৱে নিঃশেষ কৰাতে প্ৰদেশ কংগ্ৰেছৰ কাম-কাজ সীমাবদ্ধ হৈ আছে বুলিও দাসে অভিযোগ উত্থাপন কৰে। সম্প্ৰতি প্ৰদেশ কংগ্ৰেছৰ ভিতৰ চৰাত অনুশাসনহীনতাই চূড়ান্ত ৰূপ লৈছে বুলি উল্লেখ কৰি দাসে লগতে কয় যে প্ৰদেশ কংগ্ৰেছৰ কোনো নেতাৰ মাজত এতিয়া পাৰস্পৰিক বুজাবুজি আৰু সন্মান নাই। সম্পাদিকাগৰাকীয়ে কয়, 'তৃণমূল, জিলা আৰু ৰাজ্যিক পৰ্যায়লৈকে এতিয়া নেতা আৰু কৰ্মীৰ মাজত কোনো যোগসূত্ৰ নাই। দিনে দিনে ব্যৱদান বাঢ়ি আহিছে। প্ৰতিজন নেতাৰ নিজা নিজা লবী। আভ্যন্তৰীণ শৃংখলা বুলিবলৈ একো নাই। কোনো কাৰো কথা নামানে। বৰঞ্চ এতিয়া প্ৰতিজন শত্ৰু।' উল্লেখ্য সম্প্ৰতি কংগ্ৰেছ দলৰ জিলা পৰ্যায়তো শতাধিক নেতা-কৰ্মীয়ে দল ত্যাগ কৰিবলৈ প্ৰস্তুতি চলাই আছে আৰু অচিৰেই আনুষ্ঠানিকভাৱে পদত্যাগপত্ৰ দাখিল কৰিব বুলিও সম্পাদিকা দাসে আজিৰ সংবাদমেলত প্ৰকাশ কৰে। আজিৰ সংবাদমেলত সম্পাদিকা দাসৰ লগত সদ্য পদত্যাগী অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ মিডিয়া বিভাগৰ সম্পাদকদ্বয় ৰাজীৱ গুপ্তা, মনোজ শৰ্মা আৰু আন এগৰাকী সম্পাদিকা সুশমিতা গোস্বামী আৰু কে'বাগৰাকী পদত্যাগী নেতা-নেত্ৰী উপস্থিত থাকে।

# ৰঙিয়াত চিলনী চোৰৰ সন্ত্ৰাস

*তিনি পৃষ্ঠাৰ পৰা* চিঞৰ-বাখৰ কৰে যদিও তেতিয়ালৈ দুৰ্বৃত্তৰ দলে পলাই পত্ৰং দিয়ে। ঘটনাৰ পাছতেই ব্যৱসায়ীজনে ৰঙিয়া আৰক্ষী থানাত এজাহাৰ দাখিল কৰে।

# সাৰ উৎপাদনত বিক্ৰেতা দায়বদ্ধ

*তিনি পৃষ্ঠাৰ পৰা* ৰাসায়নিক সাৰ ডিলাৰ সন্থাই কৃষিমন্ত্ৰীজনক কৰা অনুৰোধ পুনৰ পৰীক্ষাৰ লগতে এখন জিলাৰ কৃষকে আন এখন জিলাৰ পৰা ৰাসায়নিক সাৰ ক্ৰয় কৰাৰ ক্ষেত্ৰত থকা বাধা-নিষেধাজ্ঞা পৰ্যালোচনা কৰি চোৱা হ'ব বুলি তেওঁ আশ্বাস দিয়ে।

# দুলীয়াজানৰ চাৰি নম্বৰ

*তিনি পৃষ্ঠাৰ পৰা* তিনিজন লোকৰ শৰদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰাৰ লগতে অন্য ১০ জন লোকক সংকটজনক অৱস্থাত ডিব্ৰুগড়ৰ এএমচি হাস্পতালত ভৰ্তি কৰায়। বিষাক্ত কাঠফুলা ভক্ষণ কৰি প্ৰাণ হেৰুওৱা লোককেইজন ক্ৰমে ভাদৈ আৰক্ষী চকীৰ অন্তৰ্গত চাৰি নম্বৰ চপাতলী গাঁৱৰ নিবাসী সুস্মিতা খাৰিয়া (ছয়), চিনে লামা (৭০) আৰু কুটি লামা (৬৫)। ইপিনে, ১০৮ এম্বুলেন্সত সংকটজনক অৱস্থাত ডিব্ৰুগড়ৰ এএমচি হাস্পতাললৈ প্ৰেৰণ কৰা ১০ জন লোক হৈছে ক্ৰমে মোহন ভূমিজ (৪৫), ধুনু খাৰিয়া (আঠ), বিজিত খাৰিয়া (তিনি), ৰাজেশ খাৰিয়া (৭০), উমা লামা (৩০), ৰুদ্ৰ লামা (আঠ), যমুনা ভূমিজ (৪৩), শিৱানী ভূমিজ (১৭), বিষ্ণু ভূমিজ (১৯) আৰু লক্ষী দুৱৰা (৩১)।

# অইলক ৫৭ কোটি আদায়ৰ

*তিনি পৃষ্ঠাৰ পৰা* এটি গোচৰ তৰে। অইলৰ এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে ভাৰতীয় দণ্ড বিধিৰ ৩৮৫ নম্বৰ ধাৰাৰ অধীনস্থ তথ্য আৰু প্ৰযুক্তি এক্ট আৰ ডব্লিউ ধাৰা ৬৬/৬৬এফ গোচৰ নম্বৰ ৭৬/২২ নম্বৰত গোচৰ পঞ্জীয়ন কৰে। এজাহাৰত অইলে উল্লেখ কৰা মতে, হেকাৰৰ চাইবাৰ আক্ৰমণৰ ফলত যোৱা দেওবাৰৰ পৰা অইলৰ ছাৰ্ভাৰ নেটৱৰ্ক আৰু অন্য সম্পৰ্কীয় বিভাগসমূহত ব্যাপক প্ৰভাৱ পৰিছে। হেকাৰ চক্ৰটোৱে অইলৰ পৰা এক টোকাযোগে ৭৫ লাখ ইউএছডি ধন অৰ্থাৎ ভাৰতীয় মুদ্ৰাত ৫৭ কোটি টকা ধন দাবী কৰিছে। হেকাৰ চক্ৰৰ এই চাইবাৰ আক্ৰমণৰ পৰিণতিত অইল আৰু ভাৰত চৰকাৰে কোটি কোটি টকা ৰাজহ হেৰুওৱাব লগাৰ বিষয়ে এজাহাৰত উল্লেখ কৰিছে। ইপিনে, অইলৰ মুখপাত্ৰ ত্ৰিদিব হাজৰিকাই আজি সাংবাদিকক সদৰী কৰা মতে, হেকাৰৰ চাইবাৰ আক্ৰমণৰ ফলত অইলৰ ইণ্টাৰনেট ছাৰ্ভাৰ বিকল হৈ থকাত অইল কৰ্তৃপক্ষই ইয়াৰ বিকল্পৰূপে বিজনেছ কনটিনিউইটি প্লান আৰম্ভ কৰিছে। এই সমস্যা সমাধানৰ বাবে আন্তৰ্জাতিক প্ৰতিষ্ঠানৰ স'তে যোগাযোগ কৰাৰ বিষয়েও হাজৰিকাই উল্লেখ কৰে। অইলে এই ঘটনাৰ সন্দৰ্ভত অসম চৰকাৰৰ অপৰাধ শাখাৰ পৰা সহায় বিচাৰিছে।

# চাপৰত পানীত ওপঙি থকা

*তিনি পৃষ্ঠাৰ পৰা* যে যোৱা ১১ এপ্ৰিলৰ সন্ধিয়া ৰঞ্জিতে ধীৰঘাটস্থিত নাগৰাজ ধাবা তথা ৱাইন শ্বপত যোৱাৰে পৰা নিৰুদ্দেশ হৈ আছিল। পৰিয়ালৰ লোকে খা-খবৰ লৈ ৰঞ্জিতক বিচাৰি নাপাই ১১ এপ্ৰিলৰ নিশাই নিৰুদ্দেশ হোৱা বুলি চাপৰ আৰক্ষীক অৱগত কৰিছিল।

ইপিনে, সিদিনা নিশাই নাগৰাজ ধাবাৰ পিছফালৰ খালত এজন যুৱক বাগৰি পৰা বুলি এটা খবৰ একাংশ ৰাইজে লাভ কৰিছিল। উক্ত খবৰৰ ভিত্তিত ৰাইজ তথা একাংশ সাংবাদিকে নিজাববীয়াকৈ অনুসন্ধান চলাবলৈ ঘটনাস্থলীত উপস্থিত হৈছিল যদিও নাগৰাজ ধাবা তথা ৱাইন শ্বপৰ কৰ্তৃপক্ষ কিম্বা তাত উপস্থিত থকা লোকসকলে ৰহস্যজনক কাৰণত কথাটো স্বীকাৰ নকৰাত উপায়ান্তৰ হৈ ৰাইজ তথা সাংবাদিকৰ দলটো তাৰ পৰা উভতি আহে। কিন্তু আজি পুৱা উক্ত ধাবাৰ গাতে লাগি থকা পিছফালৰ খালটোৰ পৰাই ৰঞ্জিতৰ মৃতদেহটো উদ্ধাৰ হোৱাত উক্ত খবৰৰ সত্যতা প্ৰমাণিত হয়। আজি পুৱা ১০-৩০ বজাত চাপৰৰ চক্ৰ বিষয়া তথা কাৰ্যবাহী দণ্ডাধীশ কবিতা ডেকাৰ উপস্থিতিত চাপৰৰ আৰক্ষী চক্ৰ পৰিদৰ্শক প্ৰফুল্ল দাস আৰু চাপৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ৰঞ্জিত কাকতিৰ নেতৃত্বত আৰক্ষীৰ দলে ধাবাখনৰ গাতে লাগি থকা খালটোৰ পৰাই ৰঞ্জিতৰ মৃতদেহ উদ্ধাৰ কৰি চাপৰ থানালৈ আনে আৰু আৰক্ষীয়ে মৰণোত্তৰ পৰীক্ষাৰ বাবে মৃতদেহটো ধুবুৰীলৈ প্ৰেৰণ কৰিছে।

# নগাঁৱৰ এডিপি কলেজৰ

*তিনি পৃষ্ঠাৰ পৰা* নগাঁৱৰ পৰা যোৱা এটা আৰক্ষীৰ দলে ডণ্ভাগৰতীক গুৱাহাটীৰ পৰা গ্ৰেপ্তাৰ কৰিছে।আজি নগাঁও আৰক্ষী চাউনীৰ সভাকক্ষত আয়োজিত এক সংবাদমেলত এই কথা প্ৰকাশ কৰে নগাঁও জিলাৰ নৱ নিযুক্ত আৰক্ষী অধীক্ষক লীনা দলেই। তেওঁ পুনৰ কয় যে,সদ্যহতে অধ্যক্ষ জনক নগাঁৱলৈ লৈ অহা হৈছে। নগাঁও সদৰ আৰক্ষী থানাত তেওঁক সোধপোচ কৰা হক্সব। উল্লেখ্য যে, আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ হাৰ্বেল চাইঞ্চ এণ্ড টেকনলজি বিভাগৰ এগৰাকী অস্থায়ী সহযোগী অধ্যাপিকাই অধ্যক্ষ ডণ্ভাগৰতীৰ বিৰুদ্ধে যৌন নিৰ্যাতন গুৰুত্বৰ অভিযোগ উত্থাপিত কৰি নগাঁও সদৰ আৰক্ষী থানাত যোৱা আঠ এপ্ৰিলত দাখিল কৰা লিখিত অভিযোগৰ ভিত্তিত আৰক্ষীয়ে নগাঁও সদৰ আৰক্ষী থানাত ভাৰতীয় দণ্ডবিধিৰ ৢপুচ্ছ্ৰশ্চএগ্ন !জ্জ্ব!পুৰৰধাৰাৰ অধীনত চ্ছ্ৰুত্ত্ব !চঙ্মচচ নম্বৰত এক গোচৰ পঞ্জীভুক্ত কৰিছিল। ইপিনে, মহাবিদ্যালয় খনৰ আন এগৰাকী অধ্যাপিকা তথা এক নম্বৰ ছোৱালী হোষ্টেলৰ ৱাৰ্ডেনেও অধ্যক্ষ জনৰ বিৰুদ্ধে অনুৰূপ অভিযোগ উত্থাপিত কৰি তেওঁৰ বিৰুদ্ধে সৰৱ হৈ পৰিছিল। অধ্যক্ষ ডণ্ভাগৰতীৰ বিৰুদ্ধে জামিন বিহীন ধাৰাত যৌন নিৰ্যাতনৰ গোচৰ ৰুজু হোৱাৰ পাছৰে পৰা তেওঁ জামিন বিচাৰি নগাঁও আদালতত আবেদন জনাইছিল যদিও সেই আবেদন খাৰিজ কৰা হৈছিল।তাৰ পাছতেই তেওঁ উচ্চ ন্যায়ালয়ৰ পৰা জামিনৰ বাবে তৎপৰতা অব্যাহত ৰাখিছিল।

# বৃদ্ধ দম্পতী হত্যাত অভিযুক্তক ফাঁচীৰ দাবীত ডুমুনী আৰক্ষী চকীত ধৰ্ণা



**অগ্ৰদূত বাৰ্তা**
**মুছলপুৰ, ১৩ এপ্ৰিল ঃ** বাগ্‌সা জিলাৰ ডুমুনী চাহ বাগিচাত সংঘটিত বৃদ্ধ দম্পতী হত্যাৰ প্ৰতিক্ৰিয়া আজিও অব্যাহত আছে। অভিযুক্ত সূৰয এক্কাক ফাঁচীৰ দাবীত আজি আদিবাসী ছাত্ৰ সন্থাই ডুমুনী আৰক্ষী চকীত ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। ছাত্ৰ সংগঠনটোৰ নেতৃত্বত শতাধিক লোকে হত্যাকাৰীক ফাঁচীৰ লগতে হত্যাৰ স'তে জড়িত ব্যক্তিসকলক কৰায়ত্ত কৰিবলৈ বিভিন্ন শ্ল'গান দিয়ে। উল্লেখ্য যে যোৱা ১১ এপ্ৰিলত ডাইনীৰ সন্দেহত বাগ্‌সা জিলাৰ ডুমুনী চাহ বাগিচাৰ ১০ নম্বৰ লাইনত এহাল বৃদ্ধ দম্পতীক নৃশংসভাৱে হত্যা কৰিছিল সূৰয এক্কা নামৰ এজন লোকে। উক্ত হত্যাকাণ্ডৰ লগত সূৰযৰ স'তে আছে আন কে'বাজনো লোক। যিসকল লোকৰ প্ৰৰোচনাত সূৰজে হত্যা কৰিছিল বৃদ্ধ শুক্ৰা কচুৱা আৰু বালামদিন কচুৱাক। উল্লেখ্য যে বৃদ্ধ দম্পতীহালক হত্যাৰ পূৰ্বে ডুমুনী চাহ বাগিচাৰ ১০ নম্বৰ লাইনত বাগিচাখনৰে কে'বাজনো ব্যক্তিয়ে এক গোপন আলোচনাত মিলিত হৈ হত্যাকাণ্ডৰ পৰিকল্পনা কৰিছিল। মৃত দম্পতীহালৰ কন্যা গৰতী এক্কাই সংবাদ মাধ্যমৰ ওচৰত অভিযোগ কৰিছিল। ইতিমধ্যে অভিযুক্ত সূৰযক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে যদিও ইয়াৰ স'তে জড়িত কে'বাজনো লোক এতিয়াও মুকলি আকাশৰ তলতে আছে। হত্যাকাণ্ডৰ দুদিন উকলি যোৱাৰ পাছতো আৰক্ষীয়ে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰাত আজি আদিবাসী ছাত্ৰ সন্থাৰ ডুমুনী আঞ্চলিক সমিতিৰ নেতৃত্বত অসম চাহ মজদুৰ সমিতিয়ে হত্যাকাৰীক ফাঁচীৰ লগতে হত্যাৰ লগত জড়িত আন আন লোকসকলক কৰায়ত্ত কৰাৰ দাবীত ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। ধৰ্ণা কাৰ্যসূচীত অংশগ্ৰহণ কৰা ডুমুনী আঞ্চলিক আছাৰ সভাপতিগৰাকীয়ে চাহ বাগিচা অঞ্চলত শিক্ষা আৰু স্বাস্থ্যৰ সজাগতা বৃদ্ধিৰ বাবে সজাগতা সভা অনুষ্ঠিত কৰিবলৈও দাবী জনায়।

# হোজাইত আৰক্ষীৰ জিম্মাৰ পৰা গাঞ্জা সৰবৰাহকাৰীৰ পলায়ণ

**অগ্ৰদূত বাৰ্তা**
**হোজাই, ১৩ এপ্ৰিল ঃ** যোৱা নিশা হোজাই আৰক্ষীৰ জিম্মাৰ পৰা গাঞ্জা সৰবৰাহকাৰীয়ে পলায়ন কৰা ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। উল্লেখ্য যে কালি হোজাই জিআৰপিয়ে চলন্ত ৰেলৰ পৰা গাঞ্জাসহ দুই গাঞ্জা সৰবৰাহকাৰীক আটক কৰিছিল। আটক কৰাৰ পাছতে দুই ধৃতক আৰক্ষীয়ে শাৰীৰিক পৰীক্ষাৰ বাবে চিকিৎসালয়লৈ নিছিল। শাৰীৰিক পৰীক্ষা কৰিবলৈ নিওতেই এজন গাঞ্জা সৰবৰাহকাৰীয়ে পলায়ণ কৰে। পলায়ণ কৰা আটকাধীন গাঞ্জা সৰবৰাহকাৰীজন ঘনশ্যাম কুমাৰ। তেওঁৰ ঘৰ বিহাৰত। আৰক্ষীয়ে নিজৰ গাঞ্জা সৰবৰাহকাৰীজনৰ সন্ধানত অভিযান চলাইছে।

# ঢোল-পেঁপাৰ মাতেৰে মুখৰিত সোণাপুৰৰ বাকৰি

**অগ্ৰদূত বাৰ্তা**
**সোণাপুৰ, ১৩ এপ্ৰিল ঃ** আন্তঃডিমৰীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত আৰু সোণাপুৰ শাখা ছাত্ৰ সন্থাৰ সহযোগত ৩০ মাৰ্চৰ পৰা অনুষ্ঠিত ১৫ দিনীয়া বিহু নাচ কৰ্মশালাৰ আজি সামৰণি পৰে। উক্ত অনুষ্ঠানৰ স'তে সংগতি ৰাখি আজি উৰুকাৰ দিনা সোণাপুৰৰ ক্ষুদ্ৰ ক্ৰীড়াংগণত অনুষ্ঠিত হয় ৰঙালী বিহু আদৰণি উৎসৱ। সেই উপলক্ষে পুৱা আন্তঃডিমৰীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ সভানেত্ৰী বৰষা মেধিয়ে সদৌ অসম ছাত্ৰ সন্থাৰ পতাকা উত্তোলন কৰাৰ পাছতে বিহুৰ পতাকা উত্তোলন কৰে ৰঙালী বিহু আদৰণি উৎসৱৰ অভ্যৰ্থনা সমিতিৰ সভাপতি নৰনাথ শৰ্মাই। আনহাতে, ছহিদ তৰ্পণ কৰে আন্তঃডিমৰীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক পৰাগ বৰুৱাই। দুপৰীয়া ১২ বজাত 'প্ৰাক্তন সতীৰ্থলৈ বিহুৰ ওলগ' শীৰ্ষক অনুষ্ঠানৰ আৰম্ভ কৰে সদৌ অসম ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক দিব্যজ্যোতি মেধিয়ে। ইপিনে, বিয়লি পাঁচ বজাত সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি দীপাংক কুমাৰ নাথে বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰে ৰঙালী বিহু আদৰণি উৎসৱৰ। উদ্বোধন কৰি দিয়া ভাষণত আছুৰ সভাপতি নাথে এনে ধৰণৰ কৰ্মশালাই বিহুৰ প্ৰকৃত স্বকীয়তা বৰ্তাই ৰখাত নৱপ্ৰজন্মক সহায় কৰিব বুলি মন্তব্য কৰে। উক্ত অনুষ্ঠানত আন্তঃডিমৰীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ বাৰ্ষিক মুখপাত্ৰ ডিমৰুৱা উন্মোচন কৰে মুখ্যমন্ত্ৰীৰ প্ৰেছ সচিব ধ্ৰুৱ মহন্তই, 'অসমীয়া মই প্ৰাণেৰে' আৰু 'কি নাম দিম' নামৰ গ্ৰন্থ দুখন উন্মোচন কৰে ক্ৰমে জ্যেষ্ঠ সম্পাদিকা প্ৰণয় বৰদলৈ আৰু গৱেষক তথা নাট্য সমালোচক অতুল মজুমদাৰে।

# ২০ বছৰে গৰু বিহুৱানৰ

*তিনি পৃষ্ঠাৰ পৰা* প্ৰাক্‌ক্ষণত জিলাখনৰ সাপ্তাহিক বজাৰ আৰু দৈনিক বজাৰত মৰাপাটেৰে তৈয়াৰ কৰা গৰুৰ বিহুৱান পঘা বিক্ৰী কৰি আহিছে। উল্লেখ্য যে তেওঁলোকৰ পিতৃ প্ৰয়াত বিপিন কলিতাও সুদীৰ্ঘ ৫০ বছৰ লোহাৰ সঁজুলি আৰু ব'হাগ বিহুৰ সময়ত গৰুৰ বিহুৱান বজাৰে বজাৰে বিক্ৰী কৰি জীৱন নিৰ্বাহ কৰিছিল। নলবাৰী হাটখোলা বজাৰত যোৱা এসপ্তাহ ধৰি পদপথত গৰু বিহুৱান মৰাপাটৰ পঘা বিক্ৰী কৰি থকা জ্যেষ্ঠ ভ্ৰাতৃ গণেশে 'দৈনিক অগ্ৰদূত'ৰ আগত কয়, '১৯৮৪ত বৰভাগ কালাগ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা প্ৰৱেশিকা পৰীক্ষাত অৱতীৰ্ণ হৈছিলো। ইয়াৰ পাছত বিদ্যালয়লৈ যোৱা নাই। ঘৰতে অকণমান কৃষিভূমিত খেতি কৰো আৰু সময়ত দিন হাজিৰা আৰু ব'হাগত গৰু বিহুৱানৰ ব্যৱসায় কৰো। গৰু কৃষকৰ কৃষিৰ সঁজুলি। এই ব্যৱসায়ত বৰ বেছি লাভ নাই যদিও মনৰ প্ৰশান্তিৰ বাবে বছৰে বছৰে এই ব্যৱসায় কৰি আহিছো। বজাৰত গৰু বিহুৱানৰ নামত এতিয়া প্লাষ্টিকৰ পঘা ওলাইছে যদিও আমি প্লাষ্টিকৰ বিহুৱান বিক্ৰী নকৰো।' তেওঁ কয় যে কৃষকৰ উৎপাদিত মৰাপাটেৰে তৈয়াৰ কৰা পঘাহে গৰুক বিহুৱান হিচাপে দিব লাগে। তেওঁ কয় যে গৰুৰ বিহুৱান- পঘা তিনি ধৰণৰ আছে। ডাঙৰ পঘাত এইবাৰ খুচুৰা মূল্য ৩০ টকা। মজলীয়া পঘাত ২৫ টকা আৰু সৰু পঘাত-১৫ টকা দৰত বিক্ৰী হৈছে। তেওঁ কয় যে দুবছৰ কৰ'না মহামাৰীৰ বাবে এই ব্যৱসায় বন্ধ হৈ আছিল। এইবাৰ মহামাৰীৰ পৰিৱেশ কিছু উন্নত হোৱাত মানুহে আনন্দৰে মানুহ বিহুৱানৰ লগতে গৰু বিহুৱান কিনিছে। ইফালে, আজি আগবেলা জিলাখনৰ দামোদৰধাম সত্ৰ সাপ্তাহিক বজাৰত গৰু বিহুৱান বিক্ৰী কৰি ভ্ৰাতৃ দীপাংকৰে 'দৈনিক অগ্ৰদূত'ক কয়, 'এইবাৰ চহৰ আৰু নগৰৰ মানুহে আনন্দ-উল্লাসেৰে ৰঙালী বিহু উদ্‌যাপনৰ প্ৰস্তুতি চলাইছে। দুবছৰ এই উৎসৱ বন্ধ হৈ থকাৰ পাছত এইবাৰ মুকলি মনেৰে বজাৰ কৰিব পাৰিছে। দামোদৰ ধাম সত্ৰ বজাৰত গৰু বিহুৱান পঘা ভাল বিক্ৰী কৰিছো। অতি লাভজনক ব্যৱসায় নহয় যদিও ২০ বছৰে এই ব্যৱসায় কৰিছো। ইয়াত কিবা এটা আনন্দ পাওঁ। সদায় নকৰো। ব'হাগ বিহুৰ এসপ্তাহ আগৰে পৰা দাদা আৰু মই এই ব্যাৱসায় কৰো। এইকেইদিন দিন হাজিৰা নকৰো। ইফালে, জ্যেষ্ঠ ভ্ৰাতৃ গণেশ কলিতাই সুদীৰ্ঘ বছৰে ব'হাগ বিহুত গৰু বিহুৱান বিক্ৰী কৰাৰ উপৰি শিৱ পূজাৰ আগে আগে ত্ৰিশূলৰো ব্যৱসায় কৰি আহিছে। উল্লেখ্য যে চৰকাৰী কোনো আঁচনিৰ মুখ নেদেখা আনকি পত্নী চিত্ৰ কলিতাও আজিলৈ অৰুণোদয়ৰ ধন লাভ কৰিবলৈ সক্ষম হোৱা নাই। উল্লেখ্য যে ব'হাগ বিহুত গৰুৰ বিহুৱান মৰাপাটৰ পঘা আৰু শিৱ পূজাৰ সময়ত ত্ৰিশূল বিক্ৰী কৰি দুয়োজন ভ্ৰাতৃ দুই ভ্ৰাতৃয়ে এতিয়া বৃহত্তৰ অঞ্চলটোতে নহয় সমগ্ৰ জিলাখনতে পৰিচিত হৈ পৰিছে। তেওঁ কয় যে গাঁৱত এতিয়া নাঙল গৰু থকা খেতিয়কৰ সংখ্যা কমিছে। ট্ৰেক্টৰৰ আগমনে গৰু বিহুৱানৰ বিক্ৰী আৰু আদৰ কমা বুলিও আক্ষেপ প্ৰকাশ কৰে।

নং-বি.জে.আৰ.কে.জি-২/২০২১/৩৪ তাৰিখ ঃ ১৩ এপ্ৰিল, ২০২২

**সংশোধনী**

এই কাৰ্যালয়ৰ পূৰ্বতে যোৱা ২৮/৩/২০২২ ইং তাৰিখে বিজ্ঞাপন নং-বি.জে.আৰ.কে.জি. ২/২০২১/৯/৮৭১ নং গাঁও প্ৰধান পদৰ বাবে বিজ্ঞাপনত বজালী ৰাজহ চক্ৰৰ অন্তৰ্গত পূব বজালী মৌজাৰ চাৰ্জ নং ৫ প্ৰকৃততে চাৰ্জ নং ৭ হে হ'ব লাগে। আবেদনকাৰীসকলে পূব-বজালী মৌজাৰ চাৰ্জ নং ৫ৰ পৰিবৰ্তে ৭ নং চাৰ্জ লিখিব লাগিব। তেওঁলোকে তেওঁলোকৰ আবেদন অহা ৩০/৪/২০২২ ইং তাৰিখৰ ভিতৰত বজালী উপায়ুক্ত কাৰ্যালয়ত জমা দিব পাৰিব।

স্বাক্ষৰ
উপায়ুক্ত, বজালী
Janasanyog/D/669/22

GOVERNMENT OF ASSAM
PUBLIC WORKS ROADS DEPARTMENT
OFFICE OF THE CHIEF ENGINEER (EAP)
ARR&TI COMPLEX FATASIL AMBARI GUWAHATI-25
Email: cea.apwd@nic.in

No.: CE/APART/21/2022/24

**Cancellation Notice**

Ref: RFB No: CE/APART/21/2022/19 Dated: 02.04.2022

Request for Bid (RFB), e-Procurement Notice (Two envelop Bidding Process) RFB No CE/APART/21/2022/19 dated 02.04.2022 for Construction of Access Road and Renovation & Up-gradation Warehousing Facilities under APART project.

Due to some technical issues in the above RFB for APART works, published in the daily newspapers of 03/04/2022 the said RFB is hereby cancelled. This is for information of all concerned.

Sd/-
(Paban Terang)
Chief Engineer, (EAP) PWRD
Assam, Fatasil Ambari,
Guwahati-25

Janasanyog/CF/197/22

# চাওতাল চাহ জনগোষ্ঠীৰ পৰিচয় দিয়াত ক্ষোভ

## ■ ওদালগুৰিত সৰৱ চাওতাল ছাত্ৰ সন্থা

**বিশেষ সংবাদদাতা**

**ওদালগুৰি, ১৩ এপ্ৰিল ঃ** ওদালগুৰিত সদৌ অসম চাওতাল ছাত্ৰ সন্থা চমূকৈ এছুৰ কেন্দ্ৰীয় উপ-সভাপতি বিমল হেমব্ৰমে কালি এখন সংবাদমেল সম্বোধন কৰে। সংবাদমেলখনত সংগঠনটোৰ নেতাগৰাকীয়ে চাওতালসকলক চাহ জনগোষ্ঠীৰ পৰিচয় দিয়াত ক্ষোভ প্ৰকাশ কৰে। তেওঁ কয় 'আজি ৭৫ টা বছৰে চাওতাল জনগোষ্ঠীক প্ৰবঞ্চনা কৰা হ'ল। সাংবিধানিক প্ৰদত্ত অধিকাৰৰ পৰা বঞ্চিত কৰা হ'ল চাওতালসকলক। ইয়াৰ উপৰি যোৱা মাৰ্চ মাহৰ ১৫ তাৰিখে অসম বিধানসভা অধিৱেশনত যিটো জাতিগত প্ৰমাণপত্ৰ প্ৰদানৰ ক্ষেত্ৰত অসম চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে তাত প্ৰাক্তন মন্ত্ৰী পৃথিৱী মাঝীক চাহ জনজাতি জাতীয় সন্মিলনীৰ সভাপতি পাতি চাহ জনজাতি জাতীয় সন্মিলনীৰ যোগেদি যিটো চাওতাল সকলক জাতিগত প্ৰমাণ পত্ৰ দিয়াৰ ব্যৱস্থা কৰিছে তাক আমি সদৌ চাওঁতাল ছাত্ৰ সন্থাই ধিক্কাৰ জনাইছো। কিয়নো অসমৰ এই খিলঞ্জীয়া ভূমি পুত্ৰ চাওতাল জনগোষ্ঠী কোনো দিনেই চাহ বাগানৰ লগত সম্পৰ্ক নাছিল আৰু নাই। এই চাওতাল জনগোষ্ঠী কোনো দিনেই চাহ বাগানত বসবাস কৰি বাগানত কাম কৰা নাই। যদিও কোনোবাই কাম কৰি আছে, গাঁওৰ পৰাই গৈ তাত কাম কৰি আছে তাত কোনোৱা বাগানৰ বণিয়া গোষ্ঠীৰ হাতত জাতীয় পৰিচয়ক বিক্ৰী কৰি কাম কৰা নাই। এই চাওঁতাল জনগোষ্ঠীৰ সাংবিধানিক ভাষা, ভূমিৰ অধিকাৰ আছে। অসম চৰকাৰে কেৱল সাংবিধানিক সুবিধা খিনিহে কৰি দিব লাগে। তাতেই অসম চৰকাৰে চাওতাল জনগোষ্ঠীৰ ওপৰত ৰাজনৈতিক ষড়যন্ত্ৰ কৰিছে। গতিকে আমি অসম চৰকাৰৰ মুখ্য মন্ত্ৰী আৰু ডব্লিউ পি টি মন্ত্ৰী ৰনোজ পেগুক আহ্বান জনাইছো যাতে উক্ত বিষয়টোক নিষ্পত্তি কৰিবৰ কাৰণে চাওতাল জনগোষ্ঠীৰ দল সংগঠনৰ লগত অতি সোনকালে দ্বিপাক্ষিক বৈঠক অনুষ্ঠিত কৰক। লগতে তেওঁ কয় 'জনগোষ্ঠীক লৈ কোনোৱা সংগঠনে ৰাজনীতি কৰিব নালাগে, আনকি পৃথিৱী মাঝীক আমি এই মঞ্চৰ পৰাই সতৰ্ক কৰি দিছো যে তেওঁ গোটেই জীৱনটো জাতিক লৈ ৰাজনীতি কৰিলে আৰু কৰিব দিয়া নহ'ব। তেওঁৰ লগত আমাৰ কোনো সম্পৰ্ক নাই, তেওঁ জাতিক উদ্ধাৰ তথা সাংবিধানিক অধিকাৰ দিয়াবৰ কাৰণে যথেষ্ট সময় আৰু সুযোগ পাইছিল যদিও অকণো গুৰুত্ব প্ৰদান নকৰিলে। গতিকে সাৱধান, আমাক পৃথিৱী মাঝীৰ যোগেদি সভা-সমিতিত নিমন্ত্ৰণী জনাব নালাগে। অন্যথা তেওঁৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিবলৈ বাধ্য হ'ম।' আজিৰ এই সংবাদমেলত জিলা সমিতিৰ সভাপতি লক্ষীৰাম চৰেণ, উপ-সভাপতি হৰিৰাম মাৰ্ডী, চাওতাল সাহিত্য সভাৰ বিষয়-বৰীয়া উপস্থিত থাকে।



তেজপুৰত ৰঙালী বিহুৰ আনন্দত মতলীয়া যুৱক-যুৱতী, বুধবাৰে।

# গ্ৰাহামপুৰ সমবায়ৰ সদ্যসমাপ্ত নিৰ্বাচনক লৈ বিৰোধীৰ অভিযোগ

**অগ্ৰদূত বাৰ্তা**

**গোসাঁইগাঁও, ১৩ এপ্ৰিলঃ** যোৱা চাৰি এপ্ৰিলত অনুষ্ঠিত কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত গ্ৰাহামপুৰ সমবায় সমিতিৰ নিৰ্বাচনক কেন্দ্ৰ কৰি অভিযোগ আৰু বিতৰ্ক সৃষ্টি হৈছে। নিৰ্বাচনত সমবায় সমিতিখনৰ সঞ্চালক মণ্ডলীৰ সদস্য নিৰ্বাচনত ভোটদান কৰা ব্যক্তিবৰ্গৰ মাজত মৃত্যু হোৱা লোক নামত ভোটদান সাব্যস্ত কৰা বুলি বিৰোধীপক্ষই অভিযোগ উত্থাপন কৰিছে। তদুপৰি অনুৰূপভাৱে সমিতিখনৰ বাৰ্ষিক সাধাৰণ সভাৰ পঞ্জীয়ন বহীত মুঠ ৩৪৩ গৰাকী লোকে স্বাক্ষৰ কৰাৰ বিপৰীতে ভোটদান প্ৰক্ৰিয়াত ৪২৮ গৰাকী অংশীদাৰে অংশগ্ৰহণ কৰা বুলিও বিৰোধী পক্ষই অভিযোগ উত্থাপন কৰিছে। গোসাঁইগাঁও মহকুমাৰ সমবায় সমিতিৰ সহকাৰী পঞ্জীয়কক উক্ত অভিযোগসমূহৰ ভিত্তিত যোৱা ১১ এপ্ৰিলত এখন আবেদন সংশ্লিষ্ট পক্ষই দাখিল কৰা হৈছে উল্লিখিত অভিযোগসমূহৰ তদন্ত সাপেক্ষেহে বিভাগীয় কৰ্তৃপক্ষই গ্ৰাহামপুৰ সমবায় সমিতিৰ সঞ্চালক মণ্ডলীৰ তালিকাত অনুমোদন দিয়ে। এই সন্দৰ্ভত গোসাঁইগাঁও মহকুমাৰ সমবায় সমিতিসমূহৰ সহকাৰী পঞ্জীয়কৰ কাৰ্যালয়ৰ লগত 'দৈনিক অগ্ৰদূত' পৰা সবিশেষ জানিব বিচাৰি যোগাযোগ কৰাত বিভাগৰ উৰ্ধ্বতন কৰ্তৃপক্ষই উক্ত অভিযোগসমূহ অস্বীকাৰ কৰাৰ লগতে অভিযোগসমূহ ভিত্তিহীন বুলি মন্তব্য কৰে। যদি সঁচা অৰ্থত কিবা ত্ৰুটি আছিল তেন্তে ছয় এপ্ৰিলত নিৰ্বাচনৰ ফলাফল ঘোষণাৰ আগে-পিছে সেয়া সংশ্লিষ্ট কৰ্তৃপক্ষৰ দৃষ্টিগোচৰ কৰাটো প্ৰয়োজন আছিল বুলি কৰ্তৃপক্ষই মন্তব্য কৰিছে। ইতিমধ্যে বিভাগীয় কৰ্তৃপক্ষৰ পৰা সমিতিখনৰ সঞ্চালক মণ্ডলীৰ তালিকাত অনুমোদন দিয়াৰ কথা অৱগত কৰাৰ লগতে প্ৰয়োজনত বিষয়টোৰ সন্দৰ্ভত তদন্তক্ৰমে ব্যৱস্থা গ্ৰহণ কৰা হ'ব বিষয়া বুলি কৰ্তৃপক্ষ সদৰী কৰে।

# হোজাই পৌৰসভা গঠন ঃ ১৯ জনৰ শপত গ্ৰহণ

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ১৩ এপ্ৰিল ঃ** অৱশেষত হোজাই পৌৰসভা কালি গঠন কৰা হয়। সুদীৰ্ঘ দুবছৰৰ অন্তত ১৯ জনীয়া ৱাৰ্ড সদস্যৰে গঠন হয় হোজাই পৌৰসভা। পৌৰসভাৰ পৌৰপতি হিচাপে চতুৰ্থীৰাণী বিশ্বাস আৰু উপাধ্যক্ষ হিচাপে প্ৰণৱ ঘোষ নিৰ্বাচিত হয়। সকলো নৱ নিৰ্বাচিত প্ৰাৰ্থীয়ে নিজৰ কৰ্ম সুচাৰুভাৱে আৰু নিষ্ঠাৰে চলাই নিয়াৰ বাবে ঈশ্বৰৰ নামত শপত গ্ৰহণ কৰে। উল্লেখ্য যে হোজাই পৌৰসভা গঠন সন্দৰ্ভত আজি প্ৰথমে হোজাই জিলা উপায়ুক্ত অনুপম চৌধুৰীৰ সভাপতিত্বত এখন সভা অনুষ্ঠিত হয়। সভাত সৰ্বসন্মতি ক্ৰমে চতুৰ্থীৰাণী বিশ্বাসক হোজাই পৌৰসভাৰ অধ্যক্ষা হিচাপে সৰ্বসন্মতিক্ৰমে বাছনি কৰা হয়। পাছত পৌৰসভাৰ নৱনিৰ্বাচিত সদস্য-সদস্যাসকলে শপত গ্ৰহণ কৰে। হোজাই পৌৰসভাৰ নৱনিৰ্বাচিত সদস্য-সদস্যাসকলৰ শপত গ্ৰহণ অনুষ্ঠানত হোজাই জিলা উপায়ুক্ত অনুপম চৌধুৰী আৰু হোজাইৰ বিধায়ক ৰামকৃষ্ণ ঘোষ উপস্থিত থাকে। হোজাই পৌৰসভাৰ কমিউনিটি হলত আয়োজিত শপত গ্ৰহণ অনুষ্ঠানত ৰাজহ চক্ৰ বিষয়াই আঁতধৰে, শপত বাক্য পাঠ কৰায় বিশ্বজিত ঘোষে। সভাৰ আঁতধৰে হোজাই ৰাজহ চক্ৰৰ চক্ৰ বিষয়া-চন্দন বুঢ়াগোহাঁয়ে। পৌৰসভাৰ ১৯ নম্বৰ ৱাৰ্ডৰ সদস্য-সদস্যাসকলে এজন এজনকৈ শপত গ্ৰহণ কৰে। শপত গ্ৰহণৰ পাছত হোজাইৰ বিধায়কজনে কয় যে উন্নয়নৰ স্বাৰ্থত সকলো দলৰ কৰ্মকৰ্তাসকল আমাৰ ওচৰত অহাত কোনো অসুবিধা নাই, ৰাইজৰ কাৰণে সদায় দুৱাৰ মুকলি আছে।

# সদৌ জাগীৰোড ৰঙালী বিহু সন্মিলনৰ সোণালী জয়ন্তীৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**জাগীৰোড, ১৩ এপ্ৰিল ঃ** সদৌ জাগীৰোড ৰঙালী বিহু সন্মিলনীৰ এই বৰ্ষৰ পৰা সোণালী জয়ন্তী বৰ্ষৰ আৰম্ভ কৰা হৈছে। অহা ১৭ এপ্ৰিলৰ পৰা দুদিনীয়া ৰঙালী বিহুটি জাগীৰোড উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত উদ্‌যাপন কৰা হয়। কাৰ্যসূচী অনুসৰি, ১৭ এপ্ৰিলৰ পুৱা পতাকা উত্তোলন কৰিব উদ্‌যাপন সমিতিৰ সভাপতি মনীন্দ্ৰ ডেকাই। ইয়াৰ পাছতে ছহিদ তৰ্পণ আৰু স্মৃতি তৰ্পণ কৰিব ঘুনুচা প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক টিপেন ভৰালীয়ে। লগতে সোণালী জয়ন্তী বৰ্ষৰ আৰম্ভৰূপে ৫০ খন পতাকা উত্তোলন কৰিব জাগীৰোডৰ বিশিষ্ট লোকে। ইয়াৰ পাছতে চিত্ৰাংকন আৰু কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। বিয়লি তিনি বজাত বিভিন্ন দিশত অৱদান আগবঢ়োৱা বিশিষ্ট লোকসকলক সম্বৰ্ধনা জনোৱা হ'ব। আনহাতে, আবেলি আমন্ত্ৰণমূলক মুকলি বিহু উদ্বোধন কৰিব তেতেলীয়া মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক দিবাকৰ বৰদলৈয়ে। তদুপৰি পুতুলি সিং টেৰণৰ সোঁৱৰণত অনুষ্ঠিত হ'বলগীয়া সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° উৎপল নাথে। নিশাৰ ভাগত সদৌ অসম ভিত্তিত সৰু বিহুৱতী আৰু বৰ বিহুৱতী প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। অহা ১৮ এপ্ৰিলত বিভিন্ন খেল -ধেমালি প্ৰতিযোগিতা আৰু বঁটা বিতৰণী অনুষ্ঠান। সন্ধিয়া জাগীৰোড অঞ্চলৰ কেঁবাগৰাকী ব্যক্তিৰ সোঁৱৰণত অনুষ্ঠিত হ'ব সাংস্কৃতিক অনুষ্ঠান। উক্ত সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব জনপ্ৰিয় অভিনেতা বিকিয়ে।

# গুণী-জ্ঞানী মানুহৰ সন্মান সদায় আছে

## ■ সমাজপ্ৰাণ মাধৱ চন্দ্ৰ দাসৰ আৱক্ষমূৰ্তি উন্মোচন

**বৰমা, ১৩ এপ্ৰিল ঃ** বৰমাৰ ওচৰৰ নিজ জুলুকীত কালি বিশিষ্ট সমাজকৰ্মী তথা সমাজ কল্যাণ বিভাগৰ প্ৰাক্তন সঞ্চালক মাধৱ চন্দ্ৰ দাসৰ প্ৰথম মৃত্যু বাৰ্ষিকীৰ স'তে সংগতি ৰাখি স্মাৰক গ্ৰন্থ আৰু আৱক্ষ মূৰ্তি উন্মোচনী সভা এখন অনুষ্ঠিত হয়। অৱসৰপ্ৰাপ্ত অধ্যাপক ড° ফণীধৰ তালুকদাৰৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে লোহিত দাসে। পাঁচ নম্বৰ কোকৰাঝাৰ লোকসভা সমষ্টিৰ সাংসদ নৱ কুমাৰ শৰণীয়াই সভা উন্মোচন কৰি এনে ধৰণৰ সভাই মানুহৰ জ্ঞান বঢ়ায় বুলি কয়। তেওঁ মাধৱ চন্দ্ৰ দাস অকল বৰমাৰে নহয় সমাজৰে এজন আদৰ্শ ব্যক্তিৰূপে চিহ্নিত হৈ ৰ'ব বুলি ভাষণ প্ৰসংগত কয়। আজিৰ এই সমাজখন এখন সুন্দৰ সমাজৰূপে চিহ্নিত বুলি তেওঁ মত ব্যক্ত কৰে। সভাত সমাজপ্ৰাণ মাধৱ চন্দ্ৰ দাসৰ স্মাৰক গ্ৰন্থ 'ৰাজৰ্ষি' উন্মোচন কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোল বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° অৱনী কুমাৰ ভাগৱতীয়ে। তেওঁ আনুষ্ঠানিকভাৱে গ্ৰন্থখন উন্মোচন কৰি গ্ৰন্থখনত দাসৰ সমাজখন প্ৰতিফলিত হৈছে বুলি কোৱাৰ লগতে গ্ৰন্থখনে বৰমা অঞ্চলৰে ৰাইজৰ জীৱন প্ৰতিফলিত কৰিব বুলি কয়। তেঁ যত জনগোষ্ঠীয় লোক বসবাস কৰে তাত প্ৰকৃতিও সুৰক্ষিত হয় বুলি কোৱাৰ উপৰি তেওঁ কম শিক্ষিত মানুহবোৰেহে প্ৰকৃতি সুৰক্ষিত কৰি ৰাখিব পাৰিছে বুলি কয়। মানুহ আৰু প্ৰকৃতিৰ মাজৰ যিটো সম্পৰ্কৰ ধ্যানধাৰণা সুস্থভাৱে গঢ়ি তুলিব লাগে বুলি ব্যক্ত কৰে। তেওঁ লগতে মিচিং, কাৰ্বি, বড়ো, ৰাভা জনগোষ্ঠীসমূহৰ যি পৰম্পৰা সেই পৰম্পৰাসমূহ জীয়াই ৰাখিবলৈ সকলোকে আহ্বান জনায়। তেওঁ মানুহৰ প্ৰতি মানুহৰ যি শ্ৰদ্ধা, ভক্তি সেয়া আজিও আছে, যিসকল মানুহ গুণী-জ্ঞানী তেওঁলোকৰ সন্মান সদায় আছে আৰু যিসকল মানুহ দুৰ্নীতিগ্ৰস্ত তেওঁলোককো কেতিয়াবা সন্মান কৰা দেখা যায়; কিন্তু সেয়া কৃত্ৰিমভাৱেহে সন্মান কৰা হয় বুলি কয়। সমাজকৰ্মী মাধৱ চন্দ্ৰ দাসৰ বৰমাৰ নিজ জুলুকীৰ বাসগৃহত অনুষ্ঠিত আৱক্ষ মূৰ্তি আৰু গ্ৰন্থ উন্মোচনী সভাত প্ৰয়াত দাসৰ অন্য এখন কবিতা পুথি 'কবিতাৰ মালা' উন্মোচন কৰে কবি গণেশ্বৰ দেৱ শৰ্মাই। তেওঁ গ্ৰন্থখন উন্মোচন কৰি কাব্যিকতাৰে দাসৰ জীৱনৰ আলোকপাত কৰে।



উল্লেখ্য যে সভাৰ পূৰ্বে আৱক্ষ মূৰ্তি উন্মোচন কৰে মাধৱ চন্দ্ৰ দাসৰ ভ্ৰাতৃ গোপাল চন্দ্ৰ দাসে। বন্তি প্ৰজ্বলন কৰে নিজ জুলুকীৰ গাঁওবুঢ়া যতীন চন্দ্ৰ দাসে। মাল্যাৰ্পণ কৰে বজালী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° নৃপেন্দ্ৰ নাথ শৰ্মাই। সভাত উপস্থিত থাকে বৰমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ বিদ্যাসাগৰ ৰামচিয়াৰী, বৰমা ছোৱালী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী অৰ্চনা গোস্বামী, অধিবক্তা হীৰেন্দ্ৰ কুমাৰ শৰ্মাৰ লগতে কে'বাজনো বিশিষ্ট লোক।

# সামূহিক সিদ্ধান্ত কেনেকৈ ল'ব লাগে গুৰুজনাই শিকাইছে

## ■ টিহুৰ খলিহাগুৰিত সামূহিক উৎসৱ সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**টিহু, ১৩ এপ্ৰিল ঃ** নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিৰ মূল কথা পৃথিৱীয়ে যেতিয়া আগলৈ চাব খুজিছে, আমি পাছলৈ চাওঁ আহক, কাৰণ আমাৰ অতীত অতি চহকী। আমাৰ ভাৰতৰ গৌৰৱোজ্জ্বল ইতিহাস পাঁচ হেজাৰ বছৰৰো পুৰণি। তাহানিতে গুৰুজনাই শিকাই থৈ গৈছে নামঘৰত কেনেকৈ সামূহিক সিদ্ধান্ত ল'ব লাগে বা বিদ্যায়তনিক শিক্ষা কেনেকৈ ল'ব লাগে। শিক্ষকসকলে বিবেচনা কৰিব লাগিব আৰু উত্তৰো দিব লাগিব। শিক্ষকে নিজৰ বিবেকক, প্ৰধান শিক্ষকক, প্ৰধান শিক্ষকে শিক্ষা বিষয়াক, জিলা শিক্ষা বিষয়াই চৰকাৰক উত্তৰ দিব লাগিব, যাতে ৰাষ্ট্ৰ নিৰ্মাণ বা ৰাষ্ট্ৰিক গতিশীল কৰাত সহায়ক হয়। আপোনালোকে বিৱৰ্তন বিচাৰে, নতুনত্ব বিচাৰে, সংস্কাৰ বিচাৰে, ভাল বস্তু বিচাৰে, কিন্তু ভাল বস্তু পাবলৈ ভাল বস্তু দিবও লাগিব। পৃথিৱীয়ে আমাক বহু দিছে, আমি একো দিব নোৱাৰিলেও লওঁতে মানৱীয় দৃষ্টিভংগীৰে বা মানৱীয় আচৰণেৰে গ্ৰহণ কৰা উচিত। কালি টিহুৰ ১৮৬ নম্বৰ খলিহাগুৰি প্ৰাথমিক বিদ্যালয়ত সমগ্ৰ শিক্ষা অভিযান নলবাৰী জিলাৰ উদ্যোগত আৰু পূৱ নলবাৰী শিক্ষাখণ্ডৰ সহযোগত অনুষ্ঠিত সামূহিক উৎসৱৰ মুকলি সভাত নিৰ্দিষ্ট বক্তাৰ ভাষণ দি এইদৰে কয় ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মুকুন্দ শৰ্মাই। কবি-সাহিত্যকৰ্মী নিতু শৰ্মাই আঁতধৰা সভাখনত বিশিষ্ট অতিথি নলবাৰী জিলাৰ প্ৰাথমিক শিক্ষা বিষয়া সীমান্ত কুমাৰ ডেকা, জিলাৰ বিদ্যালয় পৰিদৰ্শক ভূপেন শৰ্মা আদিয়ে শৈক্ষিক দিশৰ ওপৰত বক্তব্য দিয়ে। সভাৰ আগে আগে ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ প্ৰতিচ্ছৱিত বন্তি প্ৰজ্বলন কৰে সমাজকৰ্মী হেমচন্দ্ৰ দাসে আৰু মাল্যাৰ্পণ কৰে টিহু সাহিত্য সভাৰ সভাপতি শংকৰ কুমাৰ দাসে। তদুপৰি পুৱাৰ ভাগত গছপুলি ৰোপণ, সাংস্কৃতিক শোভাযাত্ৰা, প্ৰদৰ্শনীৰ দ্বাৰ মুকলি আদি কাৰ্যসূচী ৰূপায়ণৰ উপৰি শিশুৰ শাৰীৰিক-মানসিক গঠন বিষয়ৰ মত বিনিময় অনুষ্ঠানত পৰামৰ্শ আগবঢ়ায় ডাঃ প্ৰমোদ তালুকদাৰে। দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত সামূহিক উৎসৱৰ প্ৰথম দিনা ১১ এপ্ৰিল সোমবাৰে পুৱা বিদ্যালয়ৰ পতাকা উত্তোলনৰ পাছত মথুৰাপুৰ মণ্ডল সমলকেন্দ্ৰৰ অন্তৰ্গত বিদ্যালয়সমূহৰ ছাত্ৰ প্ৰতিনিধিৰ মাজত খেল-ধেমালি আৰু সাহিত্য প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হয়। তদুপৰি মাতৃগোট আৰু অভিভাৱকসকলৰ বাবে মিউজিক চেয়াৰ আৰু টেকেলি ভঙা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।



# মাকুমত ঐতিহ্য পৰম্পৰাৰে প্ৰাকৃতিক পৰিৱেশত বিহু উদ্‌যাপন

**ডুমডুমা, ১৩ এপ্ৰিল ঃ** বিহুক মঞ্চলৈ অনাৰ পাছত যি সময়ত বিহু বাণিজ্যিকীকৰণ হৈছে সেই সময়ত তিনিচুকীয়া জিলাৰ মাকুমত প্ৰাকৃতিক ৰূপত বিহু আয়োজন কৰি অহা বিষয়টো ইতিবাচক দিশৰূপে বিবেচিত হৈছে। বিহুৰ পৰম্পৰাগত চৰিত্ৰ অক্ষুণ্ণ ৰাখি মাকুম জ্যোতিনগৰবাসীয়ে ১৪ এপ্ৰিলত গৰু বিহুৰ দিনাই টিংৰাই নৈৰ কাষৰ মুকলি আকাশৰ এজাৰ গছৰ তলত মঞ্চবিহীন বিহু উদ্‌যাপন। জ্যোতিনগৰৰ প্ৰায় তিনি শতাধিক লোকে বিহুৰ পুৰাতন পৰম্পৰা অক্ষুণ্ণ ৰাখি বিহু উদ্‌যাপন কৰিব। উক্ত দিনা টিংৰাই নৈত সমূহীয়াভাৱে গৰুক গা ধুৱাব। জ্যোতিনগৰ ব'হাগী মেলা উদ্‌যাপন সমিতিয়ে উল্লেখ কৰা মতে, বিগত ২০০৬ৰ পৰা অনুষ্ঠিত কৰি অহা বিহুৰ ঐতিহ্য পৰম্পৰা ৰক্ষা কৰি অহাৰ কথা উল্লেখ কৰে। বিহু উদ্‌যাপন সমিতিৰ বিষয়ববীয়া সমীৰণ বৰগোহাঁয়ে কয় যে লাখ লাখ টকা ব্যয় কৰি, চান্দা তুলি বিহু পতাৰ মানসিকতা পৰিহাৰ কৰি জ্যোতি নগৰবাসীয়ে এইখন বিহু উদ্‌যাপন কৰি আহিছে। এই বিহুত থলুৱা সামগ্ৰীৰ পুৰস্কাৰ দিয়ে, কলপটুৱাৰ ডোঙত চিৰা-পিঠাৰ জলপান খাবলৈ দিয়ে। ঐতিহাসিক কড়ি খেল, কণী যুঁজৰ ব্যৱস্থা কৰে, জ্যেষ্ঠজনৰ পৰা সমূহীয়াভাৱে আশীৰ্বাদ গ্ৰহণ কৰে। বিহু উদ্‌যাপন সমিতিৰ অনন্ত ফুকন, সমৰজিৎ চেতিয়া, সিদ্ধাৰ্থ শংকৰ দত্ত প্ৰমুখ্যে বিষয়ববীয়াসকল তৎপৰ হৈ পৰিছে। আনকি পৰম্পৰা-ঐতিহ্য ৰক্ষা কৰি পালন কৰি অহা প্ৰাকৃতিক বিহুলৈ বিভিন্ন ঠাইৰ পৰা ৰাইজ আহি সমবেত হয়।

# ব'হাগী উৎসৱ-মহিলা হুঁচৰি প্ৰতিযোগিতা আয়োজন

**অগ্ৰদূত বাৰ্তা**

**চিনামৰা, ১৩ এপ্ৰিলঃ** যোৰহাট চন্দন নগৰৰ সমন্বয় বিহু উদ্‌যাপন সমিতিৰ উদ্যোগত এদিনীয়া কাৰ্যসূচীৰে সাত ব'হাগত ব'হাগী উৎসৱৰ আয়োজন কৰা হৈছে। জনপথৰ সমীপত অনুষ্ঠিতব্য উৎসৱত মহিলা হুঁচৰি দলৰ প্ৰতিযোগিতাৰ লগতে খেল-ধেমালি প্ৰতিযোগিতাও অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাৰ বিজয়ী দলক নগদ ধনেৰে পুৰস্কৃত কৰা হ'ব। সন্ধিয়া ছয় বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া সাংস্কৃতিক সন্ধিয়াত কে'বাগৰাকীও বিশিষ্ট শিল্পীয়ে অংশগ্ৰহণ কৰিব।

# মহেশ্বৰ বৰকটকী বিদ্যালয়ত

**অগ্ৰদূত বাৰ্তা**

**লাহদৈগড়, ১৩ এপ্ৰিলঃ** পূব যোৰহাটৰ মহেশ্বৰ বৰকটকী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজি বসন্ত আদৰণি অনুষ্ঠান অনুষ্ঠিত হয়। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ উদ্যোগত অনুষ্ঠিত অনুষ্ঠান উদ্বোধন কৰে অধ্যক্ষ মেৰিনা বেগমে। আনহাতে, শিক্ষক সুশীল বৰুৱাই পৰিচলনা কৰা বসন্ত আদৰণি অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলে মুকলি বিহুৰ লগতে কাঁহী আৰু জাপি নৃত্যও প্ৰদৰ্শন কৰে। উক্ত অনুষ্ঠানত বিদ্যালয়ৰ কৰ্মচাৰী বিজয়লক্ষ্মী শইকীয়াই বিহুগীত পৰিৱেশন কৰে।

# তিতাবৰ উত্তৰ পূব বিবিজান যুৱক সংঘৰ নৱনিৰ্বাচিত পূৰ্ণাংগ সমিতি গঠন

**তিতাবৰ, ১৩ এপ্ৰিল ঃ** উত্তৰ পূব বিবিজান যুৱক সংঘৰ এখন সাধাৰণ সভা অলপতে তিতাবৰ টাউন উচ্চ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হয়। দিলীপ তামুলীয়ে উদ্দেশ্য ব্যাখ্যা কৰা সভা সঞ্চালনা কৰে সংঘৰ প্ৰাক্তন সভাপতি শিক্ষাবিদ গুণীন শৰ্মাই। সভাত যুৱক সংঘটোৰ গঠন সন্দৰ্ভত দিলীপ চক্ৰৱৰ্তী, লক্ষীকান্ত বৰা, মামনি বৰা আদিয়ে বক্তব্য প্ৰদান কৰে। সভাই হেমেন দাসক সভাপতি, পংকজ তামুলীক সম্পাদক, প্ৰভাত বৰা, অনন্ত গোস্বামীক উপ-সভাপতি, শশাংক দত্ত, পংকিল হাজৰিকাক সহকাৰী সম্পাদক, জীৱন দত্তক সাংস্কৃতিক সম্পাদক, যতীন বৰাক বিত্তীয় সম্পাদক, পলাশ বৰাক ক্ৰীড়া সম্পাদক, গুণীন শৰ্মা, প্ৰতাপ কছাৰী, দিলীপ চক্ৰৱৰ্তী, লক্ষীকান্ত বৰা, দিলীপ তামুলী, বোপাৰাম শইকীয়াক উপদেষ্টা হিচাপে মনোনীত কৰি গঠন কৰা নতুন সমিতিখনক অনুমোদন জনায়। উল্লেখ্য যে এটা দুষ্ট চক্ৰই অকৰ্তৃত্বশীলভাৱে সংঘৰ ভূমিয়েদি পথ নিৰ্মাণ কৰিবলৈ চেষ্টা কৰা কাৰ্যক গৰিহণা দিয়াৰ উপৰি বিষয়টোত আইনগত ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰে। সংঘৰ ভূমিৰ লগত সংলগ্ন পকী পুলটো কোনো কাৰণতে বন্ধ নকৰাকৈ বিজ্ঞানসন্মতভাৱে নিৰ্মাণ কৰি সুচলভাৱে পানী চলাচলৰ ব্যৱস্থা কৰিবৰ বাবে তিতাবৰ পৌৰসভাক আবেদন জনোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে। অৰ্ধনৰ্মিত যুৱক সংঘটো পূৰ্ণাংগ ৰূপত নিৰ্মাণ কৰিবলৈ বিধায়ক পুঁজি, সাংসদ পুঁজি, ঠেংগাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ পুঁজি বিচাৰি আবেদন জনোৱাৰ প্ৰস্তাৱ গ্ৰহণ কৰে।

## ■ সাৰস্বত যাত্ৰাৰ অক্লান্ত পথিক

# ড° গিৰীশ বৰুৱাৰ অভিনন্দন গ্ৰন্থ উন্মোচন



**যোৰহাট, ১৩ এপ্ৰিল ঃ** দৰ্শনশাস্ত্ৰৰ পথিতযশা গৱেষক, দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড° গিৰীশ বৰুৱাৰ সমাজ জীৱনলৈ আগবঢ়োৱা অৱদান, তেওঁৰ বৰ্ণিল জীৱন পৰিক্ৰমাক সামৰি চিনামৰা মহাবিদ্যালয়ৰ উদ্যোগত ড° বৰুৱাৰ এখন অভিনন্দন গ্ৰন্থ উন্মোচন কৰা হয়। যোৰহাটস্থিত মল্লিকা অ'ৰাত অনুষ্ঠিত গ্ৰন্থ উন্মোচনী সভাখনত চিনামৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অঞ্জন শইকীয়াৰ সম্পাদনাত প্ৰকাশিত 'সাৰস্বত যাত্ৰাৰ অক্লান্ত পথিক' শীৰ্ষক অভিনন্দন গ্ৰন্থখনি উন্মোচন কৰে জে.বি. কলেজৰ দৰ্শন বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক প্ৰভাত চন্দ্ৰ মহন্তই। ড° অনিল চন্দ্ৰ বৰা, ড° আদিল উল য়াচিন উপবিষ্ট থকা সভাখনত ড° বৰুৱাৰ দীৰ্ঘদিনীয়া প্ৰচেষ্টাৰ ফল হিচাপে অন্য চাৰিখন গ্ৰন্থ উন্মোচন কৰা হয়। শিৱসাগৰৰ তিলোত্তমা প্ৰকাশনে তেওঁৰ হিন্দু ধৰ্মৰ ওপৰত প্ৰকাশ কৰা হিন্দু ধৰ্ম এক খতিয়ান শীৰ্ষক গ্ৰন্থখন, সব্যসাচী প্ৰকাশনৰ তেওঁৰ ষ্টিফেন হকিং আৰু সময়ৰ চমু বুৰঞ্জী, ভগৱতী প্ৰকাশনে প্ৰকাশ কৰা আৰ্থাৰ ছপেনহাৱাৰৰ দৰ্শন, মোহন চন্দ্ৰ মহন্ত অধ্যয়ন গৱেষণা কেন্দ্ৰই আৰ্টিষ্ট ফিলছ'ফাৰ জ্যোতিপ্ৰসাদ আগৰৱালা শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰা হয়। সভাখনত বিশেষ নিমন্ত্ৰিত অতিথি ৰূপে উপস্থিত থাকে জলপাইগুৰিৰ চন্দন বৰুৱা, ধুবুৰীৰ সুব্ৰত আচাৰ্যই। উক্ত সভাত চিনামৰা মহাবিদ্যালয়ৰ লগতে ভগৱতী লড়িয়া ফাউণ্ডেচন, বৃহত্তৰ চৰাইবাহী লেখিকা সন্থা, অসম চলচিত্ৰ সমাজৰ লগতে বহুতো অনুষ্ঠান-প্ৰতিষ্ঠানে ড° বৰুৱাক সম্বৰ্দ্ধনা জ্ঞাপন কৰে। সহস্ৰাধিক গুণমুগ্ধ উপস্থিত থকা সভাখনৰ শেষত বিশিষ্ট নাট্যকাৰ সপোনজ্যোতি ঠাকুৰৰ ৰচনা আৰু পৰিচালনাৰে ঘৰৰ সাধু শীৰ্ষক এখন নাটক কৰে।

# জামুগুৰিহাটৰ গেলা হাটিঙা বিদ্যালয়ত সামূহিক উৎসৱ সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ১৩ এপ্ৰিল ঃ** শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ গেলা হাটিঙা প্ৰাথমিক বিদ্যালয় প্ৰাংগণত কালি বাকোলা মণ্ডল সমল কেন্দ্ৰৰ বিদ্যালয়সমূহৰ সামূহিক উৎসৱ বৰ্ণাঢ্য কাৰ্যসূচীমৰ্মে পুৱা গেলাহাটিঙা প্ৰাথমিক বিদ্যালয়ৰ পৰা সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। পাছত গেলাহাটিঙা খেল পথাৰত কণ কণ শিক্ষাৰ্থীসকলে বৰগীত, দিহা নাম, বিহু নৃত্য, ঝুমুৰ নৃত্য আদি প্ৰদৰ্শন কৰি সকলোৰে মন জয় কৰে। ইয়াৰ পাছতে ইন্দিৰা গান্ধী আদৰ্শ মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক টংক কুৰ্মীৰ সভাপতিত্বত অনুষ্ঠিত মূলসভাৰ বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰে বিআৰপি দিব্যজ্যোতি বৰা, কেডাৰ ছেত্ৰী, মনোজ শৰ্মা, চিআৰচি প্ৰাঞ্জল ভূএঞাৰ লগতে ইটাখোলা অঞ্চলৰ জনপ্ৰিয় কণ্ঠশিল্পী সুজিত তাছাই। হাটিঙা হাইস্কুলৰ যুৱ আৰু পাৰিপাৰ্শ্বিক সংঘৰ নেতৃত্বত শিক্ষাৰ্থীসকলে পৰিৱেশন কৰা সাতভনীৰ সমবেত সংগীতানুষ্ঠানৰ লগতে চাওৰা নৃত্য, বড়ো নৃত্য প্ৰদৰ্শনে অনুষ্ঠানটি সোণত সুৱগা চৰায়।

# কাছমাৰী-দক্ষিণপাট—চকলাঘাটত বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰঙালী বিহুৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ১ ৩ এপ্ৰিল ঃ** নগাঁও জিলাৰ বেবেজীয়াৰ সমীপৰ পলাশতল কাছমাৰী হাইস্কুল খেলপথাৰত সন্মিলিত কাছমাৰী আৰু বৰভেটি গাঁও পঞ্চায়তৰ কেন্দ্ৰীয় বিহু উদ্‌যাপন সমিতিৰ সৌজন্যত অহা ১৭ এপ্ৰিলৰ পৰা চাৰিদিনীয়াকৈ ৰঙালী বিহু উৎসৱৰ আয়োজন কৰা হৈছে।

কাৰ্যসূচী অনুসৰি, ১৭ এপ্ৰিলৰ বিয়লি মুকলি বিহু প্ৰতিযোগিতা, ১৮ এপ্ৰিলৰ নিশা আঠ বজাত জিলা ভিত্তিক মহিলাসকলৰ অসমীয়া সাজপাৰ প্ৰতিযোগিতা আৰু ন বজাৰ পৰা জেং বিহু প্ৰতিযোগিতা, ১৯ এপ্ৰিলৰ পুৱা ১০ বজাত পৰম্পৰাগত থলুৱা খেল-ধেমালি প্ৰতিযোগিতা, বিয়লি দুই বজাত বিয়ানাম, আইনাম আৰু জিকিৰ প্ৰতিযোগিতা আৰু নিশা আঠ বজাৰ পৰা সদৌ অসম ভিত্তিত বৰ বিহুৱতী আৰু সৰু বিহুৱতী প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। অহা ২০ এপ্ৰিলৰ পুৱা ১০ বজাত বিহুনাচ কৰ্মশালাৰ প্ৰশিক্ষাৰ্থীসকলৰ সমূহীয়া বিহুনাচ পৰিৱেশন, দিনৰ এক বজাত অমিয় ডেকাৰ পৌৰোহিত্যত অনুষ্ঠিত হ'ব লগা মুকলি সভাত উদ্বোধকৰূপে হৰিচৰণ ডেকা, আনহাতে, অতিথিৰূপে ৰাজ্যিক বিজেপিৰ অনুসূচিত জাতি মৰ্চাৰ সভাপতি চিৰঞ্জীৱ পাঠক, অসম সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক পদুম ৰাজখোৱা আৰু নিৰ্দিষ্ট বক্তাৰূপে নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা উপস্থিত থাকিব। সন্ধিয়া সাত বজাত চিৰসেউজ অসমীয়া গীতৰ প্ৰতিযোগিতা আৰু নিশা ন বজাৰ পৰা সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব বুলি উদ্‌যাপন সমিতিৰ সাধাৰণ সম্পাদক ৰাজেশ কোঁৱৰে সদাৰী কৰিছে।

ইফালে, দক্ষিণপাট আঞ্চলিক ৰঙালী বিহু উৎসৱ উদ্‌যাপন সমিতিয়ে দক্ষিণপাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেল পথাৰত অহা ১৬ আৰু ১৭ এপ্ৰিলত দুদিনীয়াকৈ ৰঙালী বিহুৰ আয়োজন কৰিছে বুলি উদ্‌যাপন সমিতিৰ সভাপতি ঘন দাস আৰু সম্পাদক লৱকান্ত শৰ্মাই সদৰী কৰিছে। কাৰ্যসূচী অনুসৰি, ১৭ এপ্ৰিলৰ দিনৰ দুই বজাৰ পৰা মুকলি বিহু প্ৰদৰ্শন, মুকলি সভা আৰু সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হ'ব। সমাজকৰ্মী ঘন দাসৰ পৌৰোহিত্যত অনুষ্ঠিত হ'বলগীয়া মুকলি সভাত নগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শৰৎ বৰকটকী, অসম সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক পদুম ৰাজখোৱা, ডিমৰীয়া মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক মোহিনী মোহন ডেকা উপস্থিত থাকিব। নিশালৈ সাংস্কৃতিক অনুষ্ঠান মুকলি কৰিব নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই। একেদৰে চকলাঘাট খেলপথাৰতো দুদিনীয়াকৈ বিহু উৎসৱৰ আয়োজন কৰা হৈছে। পহিলা ব'হাগৰ দিনা পৰম্পৰাগত বিহুৰ খেল-ধেমালি আৰু দ্বিতীয়দিনা

ইতিমধ্যে অনুষ্ঠিত হৈ যোৱা বিহু কৰ্মশালাৰ প্ৰশিক্ষাৰ্থীসকলৰ বিহুনাচ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব ।

# পদ্মনাথ গোহাঞি বৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়ত গ্ৰন্থ উন্মোচন অনুষ্ঠান সম্পন্ন

**ডুমডুমা, ১৩ এপ্ৰিল ঃ** তিনিচুকীয়া জিলাৰ ডিৰাকস্থিত পদ্মনাথ গোহাঞি বৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়ত মহিলা কোষৰ দ্বাৰা এক গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হয়। সভাত গ্ৰন্থ উন্মোচন কৰে বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অমৰজিৎ শইকীয়াই। 'ওমেন এমপ্ৰোমেণ্ট এণ্ড এনাৰজিং' ট্ৰেণ্ড উইথ স্পেচিয়েল ৰেফাৰেন্স টু নৰ্থইষ্ট ইণ্ডিয়া' নামৰ গ্ৰন্থখন উন্মোচন কৰি উল্লেখ কৰে যে মহিলা সৱলীকৰণ বুলি কেৱল মাত্ৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত হ'লেই নহ'ব। সৱলীকৰণৰ বাবে নাৰীক পুৰুষে সমানে গুৰুত্ব আৰোপ কৰি সমাজ জীৱন ব্যৱস্থাক আগবাঢ়ি যোৱাত সহায় কৰা উচিত। নহ'লে সমাজে কাকো ক্ষমা নকৰে। আনহাতে, বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপিকা ড° প্ৰণীতা নেওগ, মণিকংকনা গোহাঁই, পৰিস্মিতা ভাগৱতী, পদ্মনাথ গোহাঞি বৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° দীপেন বসুমতাৰী, ড° চেতন চন্দ্ৰ দাস, কাকপথাৰৰ সাংবাদিক প্ৰাঞ্জল বৰুৱা উপস্থিত থাকি বক্তব্য আগবঢ়ায়। পদ্মনাথ গোহাঞি বৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° থানুৰাম মজিন্দাৰে শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। গ্ৰন্থখনৰ সম্পাদক ড° ৰিমি বৰা, সহকাৰী সম্পাদক আকাংক্ষিতা শৰ্মা আৰু জুস্মি গগৈৰ।

## ■ সূতাৰপাৰা, সিধাবাৰী, বহতীত মূৰে কপালে হাত দিছে কৃষকে

# কৃত্ৰিম বানত নষ্ট বৰো-ইৰি ধানৰ খেতি



**আলোপতি, ১৩ এপ্ৰিল ঃ** ৰঙালীৰ ৰঙৰ মাজতে হতাশাত ভুগিছে গোৱালপাৰা জিলাৰ পূৱ গোৱালপাৰাৰ শতাধিক কৃষকে। জিলাখনৰ শিমলীতোলা, সূতাৰপাৰা আৰু বহতী অঞ্চলত বৰো আৰু ইৰি ধান খেতিৰ বিস্তৰ ক্ষতিসাধন কৰিছে কৃত্ৰিম বানে। যোৱা কেইদিন ধৰি নেৰানেপেৰা বৰষুণে অঞ্চলটোত ঢল আৰু কৃত্ৰিম বানৰ সৃষ্টি কৰিছে। এনে আৱতৰীয়া কৃত্ৰিম বানত জিলাখনৰ সূতাৰপাৰা অঞ্চলত সৰ্বাধিক ক্ষতিৰ সন্মুখীন হৈছে কৃষকসকলে। কৃত্ৰিম বানে সূতাৰপাৰাৰ লগতে সিধাবাৰী, বহতী, শালমাৰা, পালপাৰা, শিমলীতোলা আদি অঞ্চলৰ বৰো আৰু ইৰি ধানৰ বিস্তৰ ক্ষতিসাধন কৰে। সূতাৰপাৰা অঞ্চলৰ হাফিজুৰ ৰহমান নামৰ এজন কৃষকে জনোৱা মতে কৃত্ৰিম বানে উল্লেখিত অঞ্চলৰ প্ৰায় পাঁচ-ছয়হেজাৰ বিঘা মাটিৰ ধান খেতি নষ্ট কৰিছে । কৃত্ৰিম বানত পূৱ গোৱালপাৰাৰ বৃহৎ ভূমিৰ ধান খেতি বুৰ যোৱাত কে'বা শতাধিক কৃষকে মূৰে-কপালে হাত দিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে। বহু কৃষকে এমুঠি ধানো কাটিবলৈ সক্ষম নহ'ব। একাংশ কৃষকে আনৰ মাটি লিজত লৈ খেতি কৰিছে যদিও সেয়া সম্পূৰ্ণৰূপে নষ্ট কৰিছে বানে। এইসকল কৃষকে সম্প্ৰতি কি ভাৱে মহাজনৰ ঋণ পৰিশোধ কৰিব তাকে লৈ দুঃচিন্তাত ভুগিছে। বিশেষকৈ কৃত্ৰিম বানত বৰো খেতিৰ অভাৱনীয় ক্ষতি হোৱা পৰিলক্ষিত হৈছে। কৃত্ৰিম বানে পূৱ গোৱালপাৰাৰ বৃহৎ ভূমিৰ বৰো আৰু ইৰি ধান খেতি সম্পূৰ্ণৰূপে নষ্ট কৰাৰ পাছতো কৃষি বিভাগৰ লোকে ক্ষয়-ক্ষতিৰ বুজ ল'বলৈ অহা নাই বুলি অভিযোগ উঠিছে। আৱতৰীয়া বানত ডুবি শ শ বিঘা ধান খেতি নষ্ট হোৱা কৃষকক উপযুক্ত ক্ষতিপূৰণ আদায় দিবলৈ ৰাজ্যৰ কৃষি বিভাগক দাবী জনাইছে ভুক্তভোগী কৃষকে।

# ধানৰ বীজৰ বিভিন্ন পুষ্টি সাধনকাৰী দ্ৰব্যসমূহ ব্যৱহাৰ সম্ভাৱনীয়তাত গুৰুত্ব আৰোপ

**ষ্টাফ ৰিপৰ্টাৰ**

**যোৰহাট, ১৩ এপ্ৰিল ঃ** অসম কৃষি বিশ্ববিদ্যালয়ৰ জৈৱ ৰসায়ন আৰু কৃষি ৰসায়ন বিভাগৰ উদ্যোগত যোৱা ১১ এপ্ৰিলত স্বাধীনোত্তৰ ভাৰতবৰ্ষত ধানৰ ব্যৱহাৰ্যতা শীৰ্ষক এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ ৱেবিনাৰ অনুষ্ঠিত হয়। অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° বিদ্যুত চন্দন ডেকাই ৱেবিনাৰৰ উন্মোচনী বক্তব্যত ধানৰ নতুন নতুন বীজ উৎপাদনৰ দিশত অসম কৃষি বিশ্ববিদ্যালয়ৰ ভূমিকা সন্দৰ্ভত আলোকপাত কৰি ভিন্ন পৰিবেশ তথা জলবায়ু আৰু মাটিৰ লগত খাপ খোৱাকৈ বীজ উৎপাদনৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

## অসম কৃষি বিশ্ববিদ্যালয়ত স্বাধীনোত্তৰ ভাৰতবৰ্ষত ধানৰ ব্যৱহাৰ্যতা সম্পৰ্কত ৱেবিনাৰ

আৰম্ভণি অনুষ্ঠানত আদৰণি ভাষণত জৈৱ ৰসায়ন আৰু কৃষি-ৰসায়ন বিভাগৰ মুৰব্বী ড° সমীন্দ্ৰ বৈশ্যই ধানৰ বীজৰ বিভিন্ন পুষ্টি সাধনকাৰী দ্ৰব্যসমূহ সৰ্বোত্তম পৰিমাণে ব্যৱহাৰৰ সম্ভাৱনীয়তাৰ সম্পৰ্কে গুৰুত্ব আৰোপ কৰে । কৃষি বিজ্ঞানগুৰু ড° জয়ন্ত ডেকাই সৰ্বভাৰতীয় পৰ্যায়ত ধানৰ কৃতকাৰ্যতাৰ কাহিনীসমূহৰ আলোকপাত কৰি বৰ্তমান সময়ত ধানৰ উৎপাদনৰ দিশত স্বাৱলম্বী হোৱাৰ কথা সদৰী কৰে । উক্ত ৱেবিনাৰত দেশৰ বিভিন্ন প্ৰান্তৰ ৮০ গৰাকী গৱেষক বিজ্ঞানীয়ে অংশগ্ৰহণ কৰে । ৱেবিনাৰত নেচনেল ৰাইচ ৰিচাৰ্ছ ইনষ্টিটিউট কটকৰ সঞ্চালক ড° পদ্মিনী ছোৱেইন, ফিলিপাইনছৰ আন্তঃৰাষ্ট্ৰীয় ধান গৱেষণা কেন্দ্ৰৰ জ্যেষ্ঠ বিজ্ঞানী ড° বি পি মল্লিকাৰ্জুন স্বামীয়ে বিশেষ ধানৰ পৌষ্টিক গুণাগুণ আৰু অৰ্থনৈতিক উদ্দেশ্যে সুগন্ধি আৰু ৰঞ্জক ধান কৃষকৰ উদ্দেশ্যত ব্যৱহাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰে । ড° এ কে যাদৱে জৈৱিক ধান খেতিৰ সম্ভাৱনীয়তাৰ ওপৰত মত আগবঢ়ায়। ড° টি বি বাগচীয়ে ব্যৱহাৰিক খাদ্যৰ ওপৰত মত আগবঢ়ায় । ৱেবিনাৰখনত বিভিন্ন পৰ্যায়ত ড° প্ৰিয়ংকা দাস, ড° ৰঞ্জন কন্দলী আৰু ড° খনীন পাঠকে সহযোগ আগবঢ়ায় ।

# জাতীয় সংস্কৃতিৰ চৰ্চাই ছাত্ৰ-ছাত্ৰীৰ মনত জাতীয় সত্তা জগাই তোলে

## ■ মৰিয়নি মহাবিদ্যালয়ত ব'হাগী আদৰণি অনুষ্ঠান

**অগ্ৰদূত বাৰ্তা**

**মৰিয়নি, ১৩ এপ্ৰিল ঃ** মৰিয়নি মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত অসমীয়াৰ বাপতি সাহোন ৰঙালী বিহুৰ প্ৰাক্‌ক্ষণত আজি ব'হাগী আদৰণি অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ অধ্যক্ষা ড° মঞ্জুলা বৰঠাকুৰে শুভেচ্ছামূলক বক্তব্য প্ৰদান কৰি এনেবোৰ অনুষ্ঠানৰ জৰিয়তে ছাত্ৰ ছাত্ৰীৰ মাজত থকা সাংস্কৃতিক চেতনা জগাই তোলাৰ লগতে তেওঁলোকৰ প্ৰতিভা বিকাশতো সহায়ক হ'ব বুলি মন্তব্য কৰে।

আনহাতে, আদৰণি বক্তব্য প্ৰদান কৰি মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° মানৱী গগৈয়ে এই অনুষ্ঠানসমূহ প্ৰকৃততে অনানুষ্ঠানিক পাঠ্যক্ৰমৰ অংশস্বৰূপ বুলি উল্লেখ কৰে। তেওঁ লগতে কয় জাতীয় সংস্কৃতিৰ চৰ্চাই ছাত্ৰ-ছাত্ৰীৰ মনত জাতীয় সত্তা জগাই তোলে। ব'হাগী আদৰণি অনুষ্ঠানৰ মাজেৰে ছাত্ৰ-ছাত্ৰীক নিজা সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধাশীল কৰি তুলিব বুলিও তেওঁ লগতে আশা প্ৰকাশ কৰে। অনুষ্ঠানটোৰ লগত সংগতি ৰাখি অসমীয়া বিভাগে ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰীৰ মাজত এক মুকলি কণী যুঁজ প্ৰতিযোগিতা অনুষ্ঠিত কৰে।

উক্ত প্ৰতিযোগিতাত ভূগোল বিভাগৰ সহকাৰী অধ্যাপিকা ড° চিন্ময়ী বৰপূজাৰী আৰু সহকাৰী অধ্যাপক ডেভিদ হাফলংবাৰ বিজয়ী হয়। দুয়োকে ফুলাম গামোচাৰ লগতে এটোপোলাকৈ কণীৰে পুৰস্কৃত কৰা হয়। অসমীয়া বিভাগৰ জ্যেষ্ঠা অধ্যাপিকা ড° সুগন্ধি দাসে আঁতধৰা অনুষ্ঠানটোত অংশকালীন অধ্যাপিকা ৰিম্পী লাহনৰ নেতৃত্বত বিভাগৰ ছাত্ৰীসকলে জেং বিহু পৰিবেশন কৰি সকলোকে আপ্লুত কৰে। অনুষ্ঠানটোত বিন্দু বুঢ়াগোহাঁইৰ লগতে কণমানি মন্থন বুঢ়াগোহাঁই, সৌৰভ বুঢ়াগোহাঁই আৰু ৰংমন বুঢ়াগোহাঁইৰ বিহু পৰিবেশন, জ্যেষ্ঠা অধ্যাপিকা অৰ্চনা শইকীয়া, ধ্ৰুৱ লাহন আৰু শিৰোমনি ভূঞাৰ নেতৃত্বত মুকলি বিহু পৰিবেশন আদিয়ে অনুষ্ঠানটোৰ সৌষ্ঠৱ বৃদ্ধি কৰে । বিভাগৰ জ্যেষ্ঠা অধ্যাপিকা ড° বাণী বৰাই শলাগৰ শৰাই আগবঢ়োৱা বিহুৰ অনুষ্ঠানটোত মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলেও বিহু নাচত অংশগ্ৰহণ কৰি সুন্দৰ পৰিৱেশৰ সৃষ্টি কৰে ।

# বিশ্বনাথত মাছ ধৰা-জালৰ ব্যৱহাৰৰ ওপৰত নিষেধাজ্ঞা বলৱৎ

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ১৩ এপ্ৰিল ঃ** অসম মীন নীতি, ১৯৫৩ (সংশোধিত ২০০৫) মৰ্মে প্ৰাকৃতিক জলাশয়ত মাছৰ সংৰক্ষণ, বংশ বৃদ্ধি আৰু উৎপাদন বৃদ্ধিৰ বাবে প্ৰজনন কালছোৱাৰ লগতে বছৰটোৰ বাবে মাছ ধৰা আৰু জালমৰা আদি ব্যৱহাৰৰ ক্ষেত্ৰত কিছুমান বাধা নিষেধ জাৰি কৰা হৈছে। বিশ্বনাথৰ মহকুমা মীন বিষয়াই এক বিজ্ঞপ্তিযোগে এই কথা সদৰী কৰিছে। সেই মৰ্মে মীন নীতিৰ ধাৰা ২৩/(১) অনুসৰি চলিত বৰ্ষৰ এক এপ্ৰিলৰ পৰা ১৫ জুলাইলৈ সাত ছেণ্টিমিটাৰ বাৰ/১৪ ছেণ্টিমিটাৰকৈ (২.৭ ইঞ্চি) কম পাহিৰ বেৰজাল, মহাজাল, ফাঁচিজাল বা আন যিকোনো জাল ঘোষিত মীন মহলত ব্যৱহাৰ কৰা নিষেধ কৰা হৈছে। একেদৰে মীন নীতিৰ ধাৰা ২৩(২) অনুসৰি এক ছেণ্টিমিটাৰ বাৰ/দুই ছেণ্টিমিটাৰতকৈ কম পাহিৰ আঁঠুৱা জাল গোটেই বছৰজুৰি মীন মহলত ব্যৱহাৰ কৰা নিষেধ কৰা হৈছে। একেদৰে ধাৰা ২৩((ক)১) অনুসৰি এক মে'ৰ পৰা ১৫ জুলাইলৈ মাছৰ প্ৰজনন ঋতুৰ সময়ত ৰৌ, বাহু, মিৰিকা, মালি, কলিয়াজাৰ, চিতল, খৰিয়া, পিঠিয়া, ঘৰিয়া আৰু কুঢ়ি প্ৰজাতিৰ কণী বা শুক্ৰ থকা গাভিনী মাছ ঘোষিত মীন মহলত ধৰিব নোৱাৰিব বুলিও প্ৰকাশ কৰিছে। ইয়াৰ উপৰি ধাৰা-২৪ অনুসৰি এক মে'ৰ পৰা ১৫ জুলাইলৈ কোনো নদী, ডোবা, বিল বহা মীন মহলত সাত বৰ্গ ছেণ্টিমিটাৰ (২.৭ বৰ্গ ইঞ্চি) সৰু ফাঁকৰ অস্থাৰৰ বানা (বাঁহেৰে তৈয়াৰী মাছ ধৰা সঁজুলি) মাছ ধৰাৰ বাবে ব্যৱহাৰ কৰিব নোৱাৰিব বুলি কোনো হৈছে। এই নিষেধাজ্ঞা ভংগ কৰিলে ভংগকাৰীৰ বিৰুদ্ধে অসম মীন নীতিৰ ৪১/৪২ নিয়ম অনুসৰি জৰিমনা, কাৰাবাস অথবা লীজৰ অনুজ্ঞাপত্ৰ বাতিল কৰা হ'ব পাৰে বুলি কোৱো হৈছে।

# বিবিজানত ২৫ এপ্ৰিলৰ পৰা অবিৰত শ্ৰীমদ্ভাগৱত পাঠৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**তিতাবৰ, ১৩ এপ্ৰিল ঃ** অহা ২৫ এপ্ৰিলৰ পৰা দুই মে'লৈ বিবিজান গাঁৱৰ বৰনামঘৰত অবিৰত শ্ৰীমদ্ভাগৱত পাঠ অনুষ্ঠান অনুষ্ঠিত হ'ব বুলি উদ্যোক্তাসকলে অৱগত কৰিছে। কাৰ্যকৰী সমিতিৰ সভাপতি অকন দাস, সম্পাদক ভক্ত দাসে জানিবলৈ দিয়া মতে, প্ৰথম দিনা বন্তি প্ৰজ্বলন কৰিব হৰেশ্বৰ দাস আৰু কোযেশ্বৰ দাসে। ধৰ্মধ্বজা উত্তোলন কৰিব টংকেশ্বৰ দাসে। স্মৃতি তৰ্পণ কৰিব লাহেশ্বৰ দাসে। বৃক্ষৰোপণ কৰিব নবীন দাসে। শৰাই প্ৰতিষ্ঠা কৰিব কমল দাস আৰু হৰি দাসে। আনহাতে, ৩০ এপ্ৰিলৰ নিশালৈ স্থানীয় যুৱবৃন্দৰ দ্বাৰা ভীষ্ম পৰ্ব ভাওনা পৰিবেশন কৰিব। আয়োজক সমিতিয়ে সকলো ধৰ্মপৰায়ণ লোকক উক্ত অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ অনুৰোধ কৰিছে। এই উদ্দেশ্যৰে নবীন দাসক সভাপতি আৰু মুকুন্দমাধৱ দাসক সম্পাদকৰূপে লৈ এখন অভ্যৰ্থনা সমিতি গঠন কৰা হৈছে।

# জাতীয় প্ৰেম নাথাকিলে জাতি জীয়াই নাথাকে

## ■ তামুলপুৰত 'বাঁহ গোসাঁই উৎসৱত সুৰজিৎ, ৰূপম, কংকণ

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ১৩ এপ্ৰিল ঃ** যি জাতিৰ জাতীয় প্ৰেম নাথাকে সেই জাতি কেতিয়াও জীয়াই থাকিব নোৱাৰে। এই মন্তব্য লেখক থানেশ্বৰ মালাকাৰৰ। কালি তামুলপুৰত সদৌ অসম শৰণীয়া কছাৰী ছাত্ৰ সন্থাৰ মুখ্য কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত উদীয়মান লেখক দীপাংকৰ শৰণীয়াৰ 'বাঁহ গোসাঁই উৎসৱত সুৰজিৎ, ৰূপম, কংকণ আৰু পাৰুলহঁত' শীৰ্ষক এখন ক্ষুদ্ৰ উপন্যাস উন্মোচন কৰি তেওঁ এইদৰে মন্তব্য কৰে। সদৌ বাগ্‌সা জিলা ছাত্ৰ সন্থাৰ সভাপতি গোবিন্দ শৰণীয়াৰ সভাপতিত্বত অনুষ্ঠিত গ্ৰন্থ উন্মোচনী সভাত তেওঁ পুনৰ কয় যে যি জাতিৰ মাটিৰ লগত সম্পৰ্ক নাথাকে সেই জাতি জীয়াই থাকিব নোৱাৰে। যি সংস্কৃতিৰ শিপাৰ লগত সম্পৰ্ক নাথাকে সেই সংস্কৃতিও জীয়াই থাকিব নোৱাৰে। শিপাৰ লগত সংস্কৃতিৰ আৰু জাতিৰ লগত মাটিৰ সম্পৰ্ক থাকিলেহে সংস্কৃতি আৰু জাতি উভয়ে জীয়াই থাকিব বুলিও তেওঁ মন্তব্য কৰে। ভাষণ প্ৰসংগত তেওঁ পুনৰ কয় সাহিত্য হৈছে জাতিৰ দাপোণ। কোনো এটা জাতিৰ বিষয়ে জানিব লাগিলে সেই জাতিৰ সাহিত্য অধ্যয়ন কৰিবই লাগিব। সেই সাহিত্যতে জাতীয়তা চিৰদিন জীয়াই থাকিব, যুগ যুগ ধৰি তাৰ পৰা তেওঁলোকে আৰম্ভ কৰিব পাৰিব। ভাষণ প্ৰসংগত তেওঁ এই ক্ষুদ্ৰ উপন্যাসখন উন্মোচন কৰিবলৈ পাই অত্যন্ত সুখী বুলি মন্তব্য কৰে। সদৌ অসম শৰণীয়া কছাৰী ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক দীপজ্যোতি শৰণীয়াই নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰা সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি দদৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা লেখক পৰেশ বৈশ্য, সন্মানীয় অতিথি হিচাপে উপস্থিত থাকি মধ্য কামপীঠ মহাবিদ্যালয়ৰ প্ৰবক্তা বিমল মালাকাৰ, মণিকা মালাকাৰ, লেখক নলিনী ডেকা আৰু গোবিন্দ শৰণীয়াই ভাষণ প্ৰদান কৰে।



# শিৱসাগৰ আৰ্যভট্ট বিদ্যালয়ত নৱাগত-বিদায় সম্ভাষণ

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ১৩ এপ্ৰিল ঃ** শিৱসাগৰৰ অগ্ৰণী শিক্ষানুষ্ঠান আৰ্যভট্ট একাডেমী ছিনিয়ৰ ছেকেণ্ডাৰী বিদ্যালয়ৰ উদ্যোগত যুৱদলৰ প্ৰেক্ষাগৃহত দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰে এক ব্যতিক্ৰমী অনুষ্ঠানৰ। ২০১৭ত জুনিয়ৰ কলেজ হিচাপে প্ৰতিষ্ঠা লাভ কৰা শিক্ষানুষ্ঠানখনত এইবাৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ অন্তৰ্গত সংযোজন হৈছে নৱম আৰু দশম শ্ৰেণীৰ পাঠ্যক্ৰম। সেই উদ্দেশ্যেৰে কালি নৱাগত সকলক আদৰণি জনোৱাৰ লগতে শিক্ষানুষ্ঠানখনৰ পৰা এইবাৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা দি যোৱা শিক্ষাৰ্থীসকলক বিদায়ী জনোৱাৰ বাবে অনুষ্ঠিত কৰে এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ। শিক্ষানুষ্ঠানখনৰ অধ্যক্ষা তথা শিৱসাগৰ কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা কৰুণা গগৈয়ে বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰা অনুষ্ঠানটোৰ আঁত ধৰে বিদ্যালয়খনৰ শিক্ষয়িত্ৰী মণিমালা দত্তই। অধ্যক্ষা কৰুণা দত্তই আদৰণি ভাষণ প্ৰদান কৰা অনুষ্ঠানত মুখ্য বক্তা হিচাপে অংশগ্ৰহণ কৰি শিৱসাগৰ ছোৱালী কলেজৰ অধ্যাপক প্ৰৱীণ শৰ্মাই বৌদ্ধিক চিন্তা চেতনাৰে আগবাঢ়ি যাবলৈ কোৱাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক নিজকে একো একোজন সুনাগৰিক হৈ সমাজৰ হকে কাম কৰি যাবলৈ আহ্বান জনায়। নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি জিলা অতিৰিক্ত আৰক্ষী অধীক্ষক ডাঃ দেৱজিৎ নাথে ছাত্ৰ-ছাত্ৰীসকলে কেৰিয়াৰ গঠনৰ সন্দৰ্ভত কিদৰে আগবাঢ়ি যাব পাৰি সেই সম্পৰ্কত মনোজ্ঞ বক্তব্য প্ৰদান কৰে।

# আজিও উদ্ধাৰ হোৱা নাই নিহত লোকৰ পৰিচয়

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ১৩ এপ্ৰিল ঃ** ৰেলে কটা এজন লোকৰ মৃতদেহ আজিকোপতি চিনাক্ত হোৱা নাই। লোকজনৰ যোৱা সোমবাৰে উজনিমুৱা ৰঙিয়া এক্সপ্ৰেছৰ খুন্দাত লোক নিহত হৈছিল। নীলা লংপেণ্ট আৰু ক'লা ৰঙৰ চাৰ্ট পৰিহিত আনুমানিক ৩৫ বছৰীয়া লোকজনক হোজাই ৰেল ষ্টেচনৰ পৰা প্ৰায় দুই কিলোমিটাৰ নিগলত দহ ঘৰৰ সমীপৰ ৰেল লাইনত উদ্ধাৰ হৈছিল লোকজনৰ মৃতদেহ। লোকজনৰ মৃত্যুৰ প্ৰকৃত কাৰণত জনা নাযায়। লোকজনে আত্মহত্যা কৰে নে এয়া দুৰ্ঘটনা সেয়া এতিয়াও ৰহস্যৰ অৱৰ্তত। ৰেল আৰক্ষীয়ে নিহত লোকজনৰ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষা কৰি মৃতদেহ মৰ্গত ৰখাৰ ব্যৱস্থা কৰে।

# আমগুৰিত শংকৰদেৱ কলাকৃষ্টি প্ৰশিক্ষণ মহাবিদ্যালয়ৰ উদ্যোগত বিহুৱতী প্ৰতিযোগিতা

**অগ্ৰদূত বাৰ্তা**

**আমগুৰি ১৩ এপ্ৰিল ঃ** শিৱসাগৰ জিলাৰ আমগুৰিৰ শ্ৰীমন্ত শংকৰদেৱ কলাকৃষ্টি প্ৰশিক্ষণ মহাবিদ্যালয়ৰ উদ্যোগত বিগত বছৰৰ দৰে এই বছৰো অহা ১৮ আৰু ১৯ এপ্ৰিলত দুদিনীয়া কাৰ্যসুচীৰে ৰঙালী বিহু উদ্‌যাপন কৰিবলৈ লোৱা হৈছে। উৎসৱৰ লগত সংগতি ৰাখি ১৮ এপ্ৰিলত সদৌ অসম ভিত্তিত পুৱা ১০ বজাৰ পৰা ক্ৰমে পিঠা-পনা, গামোচা, কণী যুঁজ, সৰু বিহুৱতী আৰু বৰ বিহুৱতী প্ৰাইজমনি প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ১৯ এপ্ৰিলৰ সন্ধিয়া আৰু সম্বৰ্ধনা অনুষ্ঠান, সাত বজাত কৰ্মশালাত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। সাংস্কৃতিক অনুষ্ঠানত 'জটাধাৰী'খ্যাত ৰিন্টু শইকীয়াই অনুষ্ঠান পৰিবেশন কৰিব। বিভিন্ন প্ৰতিযোগিতাত অংশ গ্ৰহণৰ ইচ্ছুক প্ৰতিযোগীকসকলক ৯৯৫৪০৭৫৮৭১ অথবা ৯৫৭৭০৭৭৩১৮ ফোন নম্বৰত যোগাযোগ কৰিবলৈ বিহু উদযাপন সমিতিৰ হৈ দীপ ৰজকে আহ্বান জনাইছে।

# ডিমৌ পৌৰসভা গঠন

**অগ্ৰদূত বাৰ্তা**

**ডিমৌ, ১৩ এপ্ৰিল ঃ** শিৱসাগৰ জিলাৰ ডিমৌ পৌৰসভা পোন প্ৰথমবাৰৰ বাবে পূৰ্ণাংগ ৰূপত গঠন হয়। যোৱা ছয় মাৰ্চত অনুষ্ঠিত নিৰ্বাচনত জয়ী হোৱা ১০ টা ৱাৰ্ডৰ ১০ গৰাকী ৱাৰ্ড কমিছনাৰে কালি শপত গ্ৰহণ কৰে। শিৱসাগৰ জিলাৰ উপায়ুক্ত মেঘ নিধি দাহালৰ সভাপতিত্বত অনুষ্ঠিত শপত গ্ৰহণ অনুষ্ঠানত থাওৱা সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁইও উপস্থিত থাকে। অনুষ্ঠানত পল্লৱিকা গগৈ চেয়াৰমেন আৰু অজিত বৰগোহাঁই ভাইচ চেয়াৰমেন হিচাপে সৰ্বসন্মতিক্ৰমে নিৰ্বাচিত হয়। উপায়ুক্তই থাওৱা সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁইক পদেন সদস্য হিচাপে আৰু নৱ নিৰ্বাচিত চেয়াৰমেন আৰু ভাইচ চেয়াৰমেনক শপত বাক্য পাঠ কৰোৱায়।




**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com

# বিজেপিয়ে গঠন কৰিলে ঢেকিয়াজুলি পৌৰসভা



মাজুলীৰ শিক্ষানুষ্ঠানত বিহু নৃত্য, বুধবাৰে।

## পৌৰপতিৰ আসনত সুস্মিতা দাস

অগ্ৰদূত বাৰ্তা

**শিঙৰী, ১৩ এপ্ৰিল ঃ** শোণিতপুৰ জিলাৰ ঢেকিয়াজুলি পৌৰসভাৰ নৱনিৰ্বাচিত পৌৰ সদস্যসকলৰ শপতগ্ৰহণ অনুষ্ঠান কালি পৌৰসভাৰ সভাকক্ষত অনুষ্ঠিত হয়। ১০টা ৱাৰ্ড বিশিষ্ট ঢেকিয়াজুলি পৌৰসভাত বিগত পৌৰসভা নিৰ্বাচনত আঠখন আসনত জয়লাভ কৰি বিজেপিয়ে পৌৰসভা দখল কৰিছিল। পৌৰসভা নিৰ্বাচনৰ ফলাফল ঘোষণাৰ এমাহ পাছত বিজেপিয়ে পৌৰসভা গঠন কৰে। ঢেকিয়াজুলি পৌৰসভাৰ নৱনিৰ্বাচিত পৌৰ সদস্যসকলৰ শপতগ্ৰহণ অনুষ্ঠান সম্পন্ন হয়। জ্যেষ্ঠ পৌৰ পৌৰ সদস্য নৰেন্দ্ৰ কুমাৰ মিশ্ৰক প্ৰথমে শপত বাক্য পাঠ কৰোৱা হয়। ইয়াৰ পাছত জ্যেষ্ঠ পৌৰ সদস্যজনে নৱনিৰ্বাচিত পৌৰ সদস্যসকলক শপতবাক্য পাঠ কৰোৱায়। ইয়াত আয়োজন কৰা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে পৌৰসভাৰ কাৰ্যবাহী বিষয়া তন্ময় বৰাই। সভাত শোণিতপুৰ জিলাৰ অতিৰিক্ত উপায়ুক্ত দ্যুতিভা বৰাই পৌৰ সদস্যসকলৰ শপতগ্ৰহণ অনুষ্ঠান পৰিচালনা কৰে। ইপিনে, এই সভাৰ জৰিয়তে ঢেকিয়াজুলি পৌৰসভাৰ পৌৰপতি আৰু উপ-পৌৰপতি নিৰ্বাচন কৰা হয়। পৌৰপতিৰ আসনৰ বাবে ছয় নম্বৰ ৱাৰ্ডৰ নৱনিৰ্বাচিত পৌৰ সদস্যা সুস্মিতা দাসে মনোনয়ন দাখিল কৰাৰ বিপৰীতে অন্য কোনো পৌৰ সদস্যই এই পদৰ বাবে মনোনয়ন দাখিল নকৰাত তেওঁক নতুন পৌৰপতি হিচাপে ঘোষণা কৰা হয়। আনহাতে, সাত নম্বৰ ৱাৰ্ডৰ নৱনিৰ্বাচিত পৌৰ সদস্যা তুলিকা শইকীয়াই উপ-পৌৰপতিৰ আসনৰ বাবে মনোনয়ন দাখিল কৰাৰ বিপৰীতে অন্য কোনো সদস্যই এই পদৰ বাবে মনোনয়ন দাখিল নকৰাত তেওঁক উপ-পৌৰপতি হিচাপে ঘোষণা কৰা হয়। এই সভাৰ অন্তত নৱনিৰ্বাচিত পৌৰপতি আৰু উপ-পৌৰপতিয়ে কাৰ্যভাৰ গ্ৰহণ কৰে। শপতগ্ৰহণ অনুষ্ঠানত স্থানীয় বিধায়ক তথা ৰাজ্য চৰকাৰৰ মন্ত্ৰী অশোক সিংহল উপস্থিত থাকে।

# মৰাণ পৌৰসভা সমিতিৰ শপতগ্ৰহণ

অগ্ৰদূত বাৰ্তা

**মৰাণ, ১৩ এপ্ৰিল ঃ** চৰাইদেউ জিলাৰ অন্তৰ্গত মৰাণ পৌৰসভাৰ নৱনিৰ্বাচিত সমিতিখনৰ শপত গ্ৰহণ আজি সম্পন্ন হয়। এই উপলক্ষে মৰাণ ৰাজহুৱা ভৱনত চৰাইদেউ জিলাৰ উপায়ুক্ত পল বৰুৱাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাখনৰ আঁত ধৰে মাহমৰা ৰাজহ চক্ৰৰ উচ্চ বৰ্গৰ কৰ্মচাৰী ৰশ্মিৰেখা গগৈয়ে। সভাত অসম চৰকাৰৰ ৰাজহ মন্ত্ৰী তথা স্থানীয় বিধায়ক যোগেন মহন, জিলাখনৰ অতিৰিক্ত উপায়ুক্ত জাভেদ আৰমান, মাহমৰা ৰাজহ চক্ৰ বিষয়া ইণ্ডিকা গগৈ, মৰাণ পৌৰসভাৰ কাৰ্যকৰী বিষয়া ভাৰতী বৰা, চৰাইদেউ জিলাৰ জনসংযোগ বিষয়া চৈয়দা হাচনাহানাৰ উপৰি চৰাইদেউ জিলাৰ বিজেপিৰ বহুকেইজন নেতাই ভাগ লয়। উল্লেখ্য যে এইবাৰ মৰাণ পৌৰসভাৰ ১১ টা ৱাৰ্ডৰ ভিতৰত শাসনাধিষ্ঠিত বিজেপিৰ ন টা ৱাৰ্ডত জয়লাভ কৰি পুনৰ পৌৰসভাখন দখল কৰিবলৈ সক্ষম হৈছে। মৰাণ পৌৰসভাৰ মুঠ ভোটাৰৰ সংখ্যা আছিল ৫,৪২৯ গৰাকী। ভোটদান কৰিছিল ৩,৮২০ গৰাকীয়ে। পৌৰসভাখনৰ বিজেপিৰ বিজয়ী ৱাৰ্ড সদস্যসকল হ'ল ক্ৰমে এক নম্বৰ ৱাৰ্ডত মৌচুমী দুৱৰা, দুইত বিজেপিৰ প্ৰাৰ্থী অৰূপ দত্ত, তিনিত বিজেপিৰ প্ৰাৰ্থী সুনয়না শ্বাহ, চাৰিত বিজেপিৰ হীৰামণি গোস্বামী, সাতত বিজেপিৰ প্ৰাৰ্থী চিত্ৰা মণ্ডল, নত বিজেপিৰ প্ৰাৰ্থী ইন্দ্ৰজিত ফুকন বিজয়ী হোৱাৰ লগতে আঠ নম্বৰ ৱাৰ্ডত কংগ্ৰেছৰ প্ৰাৰ্থী ৰাম্না বৰুৱা ফুকন বিজয়ী হয়। সভাত অৰূপ দত্তক পৌৰপতি হিচাপে জিলাৰ উপায়ুক্ত পল বৰুৱাই শপতগ্ৰহণ কৰোৱাৰ পাছতে পৌৰপতিজনে উপ-পৌৰপতি উদয়শংকৰ গগৈৰ লগতে বাকী ৱাৰ্ড সদস্য-সদস্যাসকলক শপত বাক্য পাঠ কৰোৱায়।

# পোটনি গোমোঠাগাঁৱৰ বিদ্যালয়ত চুৰি

অগ্ৰদূত বাৰ্তা

**পুৰণিগুদাম, ১৩ এপ্ৰিলঃ** নগাঁও জিলাৰ বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত বঢ়মপুৰৰ পোটনি গোমোঠাগাঁও ছহিদ বালিকা প্ৰাথমিক বিদ্যালয়ত যোৱা নিশা চুৰি হয়। বিদ্যালয়খনৰ প্ৰধান শিক্ষক ভবেন শইকীয়াই উল্লেখ কৰা মতে, বিদ্যালয়খনৰ দুৱাৰৰ তলা ভাঙি চোৰে আলমিৰাৰ বয়বস্তু নথিপত্ৰ লণ্ডভণ্ড কৰি মধ্যাহ্ন ভোজনৰ চাউল আনি নষ্ট কৰে। চোৰে এটা পিতলৰ বেল আৰু পকী শ্লেৰ ভাঙি এটা পানী মটৰকে ধৰি কে'বাবিধো সামগ্ৰী চুৰি কৰে। ঘটনা সংক্ৰান্তত ইটাচালি আৰক্ষী চকীত ইতিমধ্যে এজাহাৰ দাখিল কৰা হৈছে।

# প্ৰতিকূল বতৰকো নেওচি লখিমপুৰৰ উৰুকাৰ বজাৰত ভিৰ

অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ১৩ এপ্ৰিল ঃ** ৰঙালী বিহুৰ উৰুকাৰ দিনা নেৰানেপেৰা বৰষুণকো নেওচি উত্তৰ লখিমপুৰ চহৰৰ বজাৰত আৰু লীলাবাৰীস্থিত বুধবৰীয়া বজাৰত ৰাইজে ভিৰ কৰে। উল্লেখ্য যে বিহু বজাৰত গ্ৰাহকে মাখিয়তী আৰু জেতুকা কিনিবলৈ হেতা-ওপৰা লগায়। বুধবৰীয়া বজাৰত গ্ৰাহক ৰত্না গোহাঁই আৰু অভিৰাম গগৈয়ে কয়, 'মাখিয়তী আৰু জেতুকা অবিহনে গৰু বিহু আৰু মানুহৰ বিহু কেনেকৈ পাতি গৰুকেইটাক মাখিয়তীয়ে নোকোবালে কিবা ভালেই নালাগে। দুহাতত জেতুকা নল'লে কিহৰ বিহুৱতী যেন নালাগে।' তদুপৰি আজি উৰুকাৰ বজাৰত শাক-পাচলি, তামোল-পাণ, মাহ হালধি, তিল, গুৰ ১৩ পৃষ্ঠাত চাওক



# আজাৰাৰ হাটে-বজাৰে দীঘলতি-মাখিয়তী



অগ্ৰদূত বাৰ্তা

**আজাৰা, ১৩ এপ্ৰিল ঃ** অসমীয়াৰ বাপতি সাহোন ৰঙালী বিহুৰ বাবে গাঁৱে-ভূঞে, নগৰে-চহৰে সকলোৰে ব্যস্ত। কাইলৈ গৰু বিহু। পৰম্পৰা অনুযায়ী গৰু বিহুৰ দিনা পুৱাই গৰু-ছাগলী আদিক গা ধুওৱাৰ বাবে আজি আজাৰা অঞ্চলৰ কৃষকসকলো ব্যস্ত হৈ পৰিছে প্ৰয়োজনীয় সামগ্ৰী সংগ্ৰহৰ বাবে। ইতিমধ্যে আজাৰা ৰাজহ চক্ৰৰ বিভিন্ন হাটে-বজাৰে বিক্ৰীৰ বাবে উলিয়াই দিয়া হৈছে দীঘলতি-মাখিয়তীকে ধৰি গৰু বিহুৰ বাবে প্ৰয়োজনীয় সামগ্ৰীসমূহ। আজি পুৱাৰ পৰা হাট-বজাৰসমূহত দীঘলতি-মাখিয়তী, লাও-বেঙেনাকে ধৰি লাগতীয়াল সামগ্ৰীসমূহ স্থানীয় কৃষকসকলে ক্ৰয় কৰা পৰিলক্ষিত হৈছে। অৱশ্যে পূৰ্বৰ তুলনাত সমগ্ৰ অঞ্চলটোত কৃষিভূমি যথেষ্ট সংকুচিত হৈ অহাৰ লগে লগে কৃষকৰ সংখ্যাও যথেষ্ট পৰিমাণে কমি গৈছে।

# প্ৰথমখন জনজাতি মঞ্চ বিহু কৌপতুপলি ৰংজালি বৈশাগুৰ সোণালী জয়ন্তী

অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ১৩ এপ্ৰিল ঃ** ৰাজ্যখনৰ ভিতৰতে প্ৰথমখন জনজাতি মঞ্চ বিহু খ্যাত চিৰাং জিলাৰ বিজনীৰ কৌপতুপলি ৰংজালি বৈশাগু আফাদৰ উদ্যোগত অহা ১৪ ৰ পৰা তিনিদিনীয়া কাৰ্যক্ৰমণিকাৰে ৰংজালি বৈশাগুৰ সোণালী জয়ন্তী বৰ্ষপূৰ্তি উদ্‌যাপন কৰা হ'ব। কৌপতুপলি-মনেশ্বৰী খেলপথাৰত উদ্‌যাপিত হ'বলগীয়া উক্ত ৰংজালি বৈশাগুৰ কাৰ্যসূচী মৰ্মে অহা ১৪ এপ্ৰিলৰ পুৱা সাত বজাত গৰুক গা-ধুৱাই গৰু বিহু উদ্‌যাপন কৰা হ'ব। ইয়াৰ পাছতেই পুৱা ৮.৩০ বজাত পতাকা উত্তোলন, পুৱা ৯.৩০ বজাৰ পৰা বিভিন্ন খেল-ধেমালি প্ৰতিযোগিতা, পুৱা ১০.১৫ বজাৰ পৰা কবিতা আবৃত্তি, তৰ্ক, কুইজ, চিত্ৰাংকন, স্মৃতি শক্তি, আকস্মিক বক্তৃতা প্ৰতিযোগিতাকে ধৰি সাহিত্য বিভাগৰ বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ইপিনে, সন্ধিয়া ছয় বজাৰ পৰা অনুষ্ঠিত হ'ব সাংস্কৃতিক বিভাগৰ বিভিন্ন প্ৰতিযোগিতা। অহা ১৫ এপ্ৰিলৰ পুৱা আঠ বজাত বিটিচিৰ উপাধ্যক্ষ অভিৰাম মহানায়কে গছপুলি ৰোপণ কাৰ্যসূচী আৰম্ভ কৰিব। পুৱা ন বজাৰ পৰা থলুৱা বাদ্যযন্ত্ৰ বজোৱা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ১৩ পৃষ্ঠাত চাওক

# পূৱ নলবাৰীত দুদিনীয়াকৈ ৰঙালী বিহুৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ১৩ এপ্ৰিল ঃ** বালিকুছি শ্ৰমিক সংঘ আৰু ৰূপকোঁৱৰৰ সাংস্কৃতিক গোষ্ঠীৰ উদ্যোগত অহা ১৯ এপ্ৰিলৰ পৰা দুদিনীয়াকৈ ৰঙালী বিহু উদযাপন কৰা হ'ব। বালিকুছি মজলীয়া বিদ্যালয় প্ৰাংগণত ২৬ সংখ্যক ৰঙালী বিহু সন্মিলনৰ কাৰ্যসূচী অনুসৰি, প্ৰথম দিনা পুৱা সাত বজাত বালিকুছি শ্ৰমিক সংঘৰ প্ৰাক্তন সম্পাদক ৰূপেশ্বৰ কলিতা আৰু ৰূপকোঁৱৰৰ সাংস্কৃতিক গোষ্ঠীৰ প্ৰাক্তন সভাপতি থানেশ্বৰ মেধিয়ে সংঘ আৰু গোষ্ঠীৰ পতাকা উত্তোলন কৰিব। ৭.৩০ বজাত বিহুৰ পতাকা উত্তোলন কৰিব উদ্‌যাপন সমিতিৰ সভাপতি ড° বিকাশ ভাৰ্গৱ শৰ্মাই। উক্ত কাৰ্যসূচীৰ পাছত ছহিদ বেদীত মাল্যাৰ্পণ কৰিব বালিকুছি মজলীয়া বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক শৈলেন্দ্ৰ কুমাৰ দাসে। আনহাতে, আঠ বজাত স্থানীয় বয়োজ্যেষ্ঠ নাগৰিকৰ দ্বাৰা গছপুলি ৰোপণ, ৯.৩০ বজাত ভেশচন আৰু খেল-ধেমালি প্ৰতিযোগিতা উদ্বোধন কৰিব ৰাষ্ট্ৰীয় ৰেফাৰী দেৱজিৎ ডেকাই। সন্ধিয়া বন্তি প্ৰজ্বলন কৰিব অৱসৰী কৃতী শিক্ষক পবিন্দ্ৰ নাথ শৰ্মাই। তদুপৰি সন্ধিয়া ৬.৩০ বজাত প্ৰয়াত গোপাল শৰ্মাই সোঁৱৰণী মঞ্চ উদ্বোধন কৰিব কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° হেমেন্দ্ৰ শৰ্মাই। ইয়াৰ পাছত যুৱ সমাজকৰ্মী সোণেশ্বৰ কলিতাই আঁত ধৰিব লগা সম্বৰ্ধনা অনুষ্ঠানত কে'বাজনো বিশিষ্ট লোকক সম্বৰ্ধনা জ্ঞাপন কৰা হ'ব। ইপিনে, সন্ধিয়া ৭.৩০ বজাত অসমীয়া গীতৰ আধাৰত একক নৃত্য প্ৰতিযোগিতা উদ্বোধন কৰিব। কবি, ঔপন্যাসিক ডাঃ পংকজ গোবিন্দ মেধিয়ে। ইয়াৰ পাছত চামতাৰ দেৱদাৰু ডেন্স গ্ৰুপ আৰু আমন্ত্ৰিত বিহুৱা দলে বিহু নৃত্য প্ৰদৰ্শন কৰিব। দ্বিতীয়া দিনা আবেলি তিনি বজাত ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতাৰ পাছত দুটা শাখাত ঠাইতে লিখা ৰচনা প্ৰতিযোগিতা আৰু নিশা আঠ বজাত সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত হ'ব।

# কাইলৈ দলগাঁও প্ৰগতি সংঘৰ সোণালী জয়ন্তী

অগ্ৰদূত বাৰ্তা

**দলগাঁও, ১৩ এপ্ৰিলঃ** ৰঙালী বিহুটোৰ প্ৰাক্‌ক্ষণত দৰঙৰ দলগাঁৱৰ সামাজিক-সাংস্কৃতিক অনুষ্ঠান দলগাঁও প্ৰগতি সংঘই 'সোণালী জয়ন্তী' বৰ্ষত পদাৰ্পণ কৰাত অহা ১৫ এপ্ৰিলত এদিনীয়াকৈ এই উৎসৱ পালন কৰিব। স্থানীয় নাগৰিক, সমাজকৰ্মী সোণালী জয়ন্তীৰ স'তে সংগতি ৰাখি কুলেন হাজৰিকাৰ তত্ত্বাৱধানত নিৰ্মাণ কৰি উলিওৱা ভৱনটোৰ উদ্বোধন কৰা হ'ব। কাৰ্যসূচী অনুসৰি, উক্ত দিনা পুৱা ন বজাত প্ৰগতি সংঘৰ পতাকা উত্তোলন, ৯-১৫ বজাত সোণালী জয়ন্তীৰ পতাকা উত্তোলন, ৯-৩০ বজাত ছহিদ তৰ্পণ, ৯-৪৫ বজাত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, ১০ বজাত সাংস্কৃতিক শোভাযাত্ৰা, ১১ বজাত নৱনিৰ্মিত ভৱন উদ্বোধন, ১১-৪৫ বজাত স্মৰণিকা উন্মোচন, ১২ বজাত মুকলি সভা আৰু আবেলি তিনি বজাত প্ৰগতি সংঘৰ ন-পুৰণি সদস্যৰ মহামিলন আৰু সন্ধিয়া ছয় বজাত সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব।

# কলগাছিয়াৰ শওঁপুৰত বেঁকী নৈৰ খহনীয়া প্ৰতিৰোধৰ দাবীত আমছুৰ প্ৰতিবাদ




**কলগাছিয়া, ১৩ এপ্ৰিলঃ** আমিনগাঁও- দৌলাশাল হৈ লেংটিছিঙালৈ যোৱা ৰাজ্যিক ঘাইপথৰ জনীয়া সমষ্টিৰ শওঁপুৰত বেঁকী নদীৰ তীব্ৰ খহনীয়াৰ কবলত পৰিছে। দীৰ্ঘদিন নদীৰ খহনীয়াই তাণ্ডৱ চলাই অহাৰ পাছতো চৰকাৰে প্ৰতিৰোধৰ ব্যৱস্থা নকৰাত আজি ছাত্ৰ সংগঠনটোৱে পথছোৱা ৰক্ষাৰ দাবীত শওঁপুৰৰ পথত অৱস্থান ধৰ্মঘট কৰি প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে, বিভিন্ন শ্ল'গান দিয়ে। উত্তাল কৰি শীঘ্ৰেই চৰকাৰে খহনীয়াৰ স্থায়ী প্ৰতিৰোধৰ কাম নকৰিলে আমছুৱে গণতান্ত্ৰিক আন্দোলন গঢ়ি তুলিব বুলি হুংকাৰ দিয়ে। ইতিমধ্যে এই পথছোৱা নদীৰ বুকুত জাহ গ'লে বৰপেটা, বঙাইগাঁও, কোকৰাঝাৰ, ধুবুৰী, ১৩ পৃষ্ঠাত চাওক

# কৃষ্ণাইৰ দায়ৰঙত ৰাভা কৃষ্টি নৃত্যৰ প্ৰশিক্ষণ

অগ্ৰদূত বাৰ্তা

**কৃষ্ণাই, ১৩ এপ্ৰিল ঃ** গোৱালপাৰা জিলাৰ কৃষ্ণাই আৰক্ষী থানাৰ অন্তৰ্গত দায়ৰঙত কালিৰ পৰা আৰম্ভ হৈছে সদৌ ৰাভা কৃষ্টি সন্মিলনৰ সৌজন্যত ১৫দিনীয়া ৰাভা কৃষ্টি নৃত্যৰ সমল প্ৰশিক্ষকৰ প্ৰশিক্ষণ। ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ বিত্তীয় সাহায্যত অনুষ্ঠিত প্ৰশিক্ষণ ১২ৰ পৰা ৩০ এপ্ৰিললৈ চলিব। দায়ৰং ট্ৰাইবেল ৰিচাৰ্চ চেণ্টাৰত আয়োজিত প্ৰশিক্ষণ শিবিৰত আজি পুৱা ১০ বজাত নৃত্য প্ৰশিক্ষাৰ্থীৰ নাম পঞ্জীয়নকৰণ অনুষ্ঠিত হয়। ১১ বজাত ১৫দিনীয়া নৃত্য প্ৰশিক্ষণৰ উদ্বোধন কৰা হয়। উদ্বোধন কৰে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ অধ্যক্ষ চাৰুমোহন ৰাভা।

# বিহুৰ বজাৰত ফৰকাটিঙত শাক-পাচলিৰ সৰ্বাধিক দাম

অগ্ৰদূত বাৰ্তা

**ফৰকাটিং, ১৩ এপ্ৰিল ঃ** গোলাঘাট ৰাজহ চক্ৰৰ অন্তৰ্গত ফৰকাটিঙৰ ভিন্ন প্ৰান্তৰ বিহু বজাৰত শাক-পাচলিৰ সৰ্বাধিক দামে ৰাইজক জ্বলা-কলা খুৱাইছে। উল্লেখ্য যে ফৰকাটিং, জামুগুৰি, দহমাইলখুঁটি, গৰঙা আদি বিহু বজাৰত এটা জাতিলাউৰ দাম এশ টকা, এক কিলোগ্ৰাম তিতাকেৰেলাৰ দাম ১২০ টকা, এটা থেকেৰাৰ দাম ৩০ টকা পৰ্যন্ত বৃদ্ধি পোৱাত দৰিদ্ৰ সীমাৰেখাৰ তলৰ আৰু মধ্যবিত্ত শ্ৰেণীৰ লোকসকলে শাক-পাচলি ক্ৰয় কৰিবলৈ চিন্তিত হৈ পৰিছে। অথচ জাতিলাউৰ দাম বিহুৰ আগত ২০-৩০ টকা আৰু কেৰেলাৰ দাম ৬০-৭০ টকা আছিল। লক্ষ্যণীয় যে এচাম পাচলি ব্যৱসায়ীয়ে বিহুৰ বজাৰৰ সুযোগ গ্ৰহণ কৰি অধিক দাম আদায় কৰিছে বুলি গুৰুতৰ অভিযোগ উঠিছে। এই ক্ষেত্ৰত জিলা প্ৰশাসনে আজি বিহু বজাৰসমূহ পৰিদৰ্শন কৰি পাচলি ব্যৱসায়ীসমূহক আইনসন্মত ব্যৱস্থা গ্ৰহণ নকৰাত ক্ষোভ প্ৰকাশ কৰিছে।

# কোকৰাঝাৰত ৬৪ সংখ্যক ৰঙালী বিহুৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ১৩ এপ্ৰিল ঃ** ঐতিহ্যমণ্ডিত বিহুতলীৰূপে পৰিচিত কোকৰাঝাৰ ৰঙালী বিহুতলীৰ এক সুকীয়া বৈশিষ্ট্য আছে। কিয়নো এই বিহুতলীতে ৰঙালী বিহু আৰু ৰংজালী বৈশাগুৰ পতাকা যুগ্মভাৱে উত্তোলনৰে বিহু উৎসৱৰ আৰম্ভ কৰা হয়। বিগত বছৰসমূহৰ দৰে এইবেলিও কোকৰাঝাৰ ৰঙালী বিহু উৎসৱ পালন সমিতিয়ে ৬৪ সংখ্যক ৰঙালী বিহু অহা ১৬, ১৭ আৰু ১৮ এপ্ৰিলত বৰ্ণাঢ্য কাৰ্যসূচীৰে কোকৰাঝাৰ চৰকাৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ খেলপথাৰ পাতিবলৈ প্ৰস্তুতি চলাইছে। ১৬ এপ্ৰিলত বিহু আৰু বৈশাগু পতাকা যুগ্মভাৱে উত্তোলনৰে ৰঙালী বিহুৰ তিনিদিনীয়া বাছকবনীয়া কাৰ্যসূচীৰ আৰম্ভ কৰা হ'ব। যুগ্মভাৱে পতাকা উত্তোলন কৰিব কোকৰাঝাৰ ৰঙালী বিহু উৎসৱ পালন সমিতিৰ সভাপতি আৰু বিশেষ আৰক্ষী সঞ্চালক প্ৰধান ড° এল আৰ বিষ্ণুইয়ে। প্ৰকৃতি উৎসৱক মান্যতা প্ৰদানেৰে ১০.৩০ বজাত বৃক্ষৰোপণ কাৰ্যসূচীৰ আৰম্ভ কৰিব বিটিচিৰ কাৰ্যবাহী সদস্য ৰেওৰেৱা নাৰ্জাৰী, বিটিচিৰ পৰিষদীয় সদস্য দনেশ্বৰ গয়াৰী আৰু ১৩ পৃষ্ঠাত চাওক



# যজ্ঞভূমিত 'নৰকাসুৰৰ উপাখ্যান' উন্মোচন

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ১৩ এপ্ৰিল ঃ** 'গ্ৰন্থ অধ্যয়নে মানুহক জ্ঞানী কৰে, মুক্তিৰ পথ দেখুৱায়।' নলবাৰী জিলাৰ যজ্ঞভূমিত অসম সাহিত্য সভাৰ স্বৰ্ণ শাখা সেউজী সাহিত্য কাননৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি আয়োজিত গ্ৰন্থ উন্মোচনী সভাত শিক্ষক, সংস্কৃত পণ্ডিত, লেখক প্ৰভাত চন্দ্ৰ চক্ৰৱৰ্তীৰ 'নৰকাসুৰৰ উপাখ্যান' আধ্যাত্মিক গ্ৰন্থখন উন্মোচন কৰি বিশিষ্ট শিক্ষাবিদ ড° বীৰেন ডেকাই এইদৰে কয়। তেওঁ লগতে কয় যে গ্ৰন্থ চৰ্চাৰ প্ৰয়োজন আছে। গ্ৰন্থই সমাজক পৰামৰ্শ দিয়ে বুলি দোহাৰে। সেউজীৰ সভাপতি হিতেশ বৈশ্যৰ সঞ্চালনাত আৰু সম্পাদক বসন্ত মজুমদাৰে আঁত ধৰা অনুষ্ঠানত সাপ্তাহিক কাকত 'নতুন অৰুণোদয়'ৰ মুখ্য সম্পাদক অশ্বিনী কুমাৰ শৰ্মাই কয় যে যিদিনাই পৃথিৱীৰ পৰা লিখন আৰু পঢ়নৰ অভ্যাস মানুহৰ মাজৰ পৰা নোহোৱা হয়, সিদিনাই মানুহ বন্যপ্ৰাণীত পৰিণত হ'ব। অনুষ্ঠানত সেউজীৰ উপ-সভাপতি ৰবীন তালুকদাৰ, প্ৰাক্তন সভাপতি চক্ৰধৰ কলিতা, নুৰবক্স আলী, উমেশ বৰ্মন আদিয়ে ভাষণ ৰখাৰ লগতে সেউজীৰ সহ সম্পাদক মৃদুল বৈশ্য, প্ৰচাৰ সম্পাদক প্ৰাঞ্জল শৰ্মা, বিত্ত সম্পাদক মিণ্টু শৰ্মা, পত্ৰিকা সম্পাদক প্ৰদীপ কুমাৰ হালৈ, সাহিত্যসেৱী দধিৰাম ডেকা, ধীৰেন্দ্ৰ নাথ শৰ্মা, প্ৰণৱ প্ৰাণ বাচ্যস, নৱ শৰ্মা, নিত্যানন্দ শৰ্মা, নিৰোদ দাস, হৰমোহন বৰ্মন, নতুন অৰুণোদয় কাকতৰ কাৰ্যবাহী সম্পাদক প্ৰিয়ংকু নাৰায়ণ ১৩ পৃষ্ঠাত চাওক

# গ্ৰাহকৰ অসাৱধানতাৰ বাবেই দুষ্টচক্ৰই বেংকৰ সাঁচতীয়া ধন হৰলুকি

অগ্ৰদূত বাৰ্তা

**ঠেলামৰা, ১৩ এপ্ৰিল ঃ** সম্প্ৰতি বেংকৰ গ্ৰাহকৰ অসাৱধানতাৰ বাবে নিজৰ বেংক একাউণ্টত জমা থকা সাঁচতীয়া ধন চাইবাৰ অপৰাধীয়ে হৰলুকি কৰি আহিছে বিভিন্ন সময়ত। ইয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰি ভাৰতীয় ৰিজাৰ্ভ বেংকৰ তৰফৰ পৰা বেংকৰ গ্ৰাহকসকলৰ মাজত ডিজিটেল লেনদেন সম্পৰ্কীয় ল'বলগীয়া সাৱধানতা সন্দৰ্ভত এক পদক্ষেপ গ্ৰহণ কৰিছে। শোণিতপুৰ জিলাৰ কাৰৈমাৰীত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ উদ্যোগত অনুষ্ঠিত হয় বেংকৰ গ্ৰাহক সজাগতা সভা। শোণিতপুৰ জিলাৰ কাৰৈমাৰীস্থিত যোদ্ধা, ফণীধৰ দাস স্মৃতি ভৱন-কুমলী দেৱী পুথিভঁৰাল আৰবিআইৰ দ্বাৰা অনুষ্ঠিত ইলেক্ট্ৰনিক বেকিং এৱাৰনেছ ট্ৰেনিং প্ৰগ্ৰাম'ত ৰিজাৰ্ভ বেংকৰ গুৱাহাটী সংমণ্ডলৰ প্ৰৱন্ধক ইনচেণ্ট চৰেনে বেংকৰ গ্ৰাহকসকলক কয় যে বিভিন্ন সময়ত ডিজিটেল মাধ্যমেৰে লেনদেন কৰা সময়ত আমি সাৱধান হ'ব লাগে। দুষ্ট চক্ৰৰ কৱলত পৰি বহু লোক সৰ্বস্বান্ত হ'ব লগা হৈছে। বেংকৰ নাম লৈ ঠগ-প্ৰৱঞ্চকসকলে গ্ৰাহকসকলৰ মাজত ১৩ পৃষ্ঠাত চাওক

# সমাজসেৱক কুলেন্দ্ৰ নাথ বৰুৱাৰ মৃত্যুত শোক

অগ্ৰদূত বাৰ্তা

**ছিপাঝাৰ, ১৩ এপ্ৰিল ঃ** বৃহত্তৰ হাজৰিকাপাৰা অঞ্চলৰ অগ্ৰণী সমাজকৰ্মী, শিল্পী, অসম চৰকাৰৰ লোকনিৰ্মাণ বিভাগৰ অৱসৰপ্ৰাপ্ত কনিষ্ঠ অভিযন্তা কুলেন্দ্ৰ নাথ বৰুৱা (৮৩)ৰ মগজুৰ ৰক্তক্ষৰণ হৈ আকস্মিকভাৱে হাজৰিকাপাৰাৰ বাসগৃহত কালি মৃত্যু হয়। অবিভক্ত দৰং জিলা কলিতা জনগোষ্ঠী সন্মিলন, শালমাছউঠা মন্দিৰ সমিতি, হাজৰিকাপাৰা আঞ্চলিক পেঞ্চনাৰ সন্থা, দৌলগুৰি আঞ্চলিক জ্যেষ্ঠ নাগৰিক সন্থা, ৰাইজিং ক্লাব, হাজৰিকাপাৰা, হাজৰিকাপাৰা সাহিত্য সভা আদি বিভিন্ন সামাজিক সংগঠনৰ স'তে সক্ৰিয়ভাৱে জড়িত কলিতা এজন হাস্যৰসিক নাট্য শিল্পী হিচাপেও জনপ্ৰিয় আছিল। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ এজন পুত্ৰ, বোৱাৰী, নাতি আৰু তিনি গৰাকী কন্যা এৰি যায়। তেওঁৰ মৃত্যুত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে।

# অনিয়মীয়া বিদ্যুৎ যোগানত অতিষ্ঠ গ্ৰাহক

## সামান্য বৰষুণ দিলে এন্ধাৰত ডুবে

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ১৩ এপ্ৰিল ঃ** পৰিবৰ্তনৰ শ্ল'গান দি ২০১৬ত বিজেপি মিত্ৰজোঁটে প্ৰথমবাৰৰ বাবে শাসনৰ গাদীত বহিছিল। পুনৰ সেই একে শ্ল'গানৰে দ্বিতীয়বাৰৰ বাবেও শাসনৰ গাদীত বহিল বিজেপি মিত্ৰজোঁট। দুৰ্ভাগ্যজনক কথা যে নিৰ্বাচনৰ সময়ত ২৪ ঘন্টাই বিদ্যুৎ যোগান ধৰাৰ প্ৰতিশ্ৰুতি দিয়া চৰকাৰৰ প্ৰতিশ্ৰুতি যেন অসাৰ হৈ পৰিছে গ্ৰাম্যাঞ্চলত। ঘন্টাৰ পাছত ঘন্টা ধৰি বিদ্যুৎ কৰ্তন কৰি ৰাইজক জীয়াতু ভোগাই আছে শক্তি বিতৰণ কোম্পানীয়ে। বিশেষকৈ নলবাৰী দুই নম্বৰ উপ-সংমণ্ডলৰ অন্তৰ্গত বাহাৰঘাট কেম্পৰ বিদ্যুৎ গ্ৰাহকসকলে দীৰ্ঘদিনৰ পৰা বিদ্যুৎ বিজুতিত যন্ত্ৰণা ভোগ কৰি আহিছে। মনকৰিবলগীয়া যে সামান্য বৰষুণ পৰিলে বাহাৰঘাট অঞ্চলৰ বিদ্যুৎ কৰ্তন কৰাটো একপ্ৰকাৰ অভ্যাসত পৰিণত হৈছে বিদ্যুৎ যোগান বিভাগৰ। উল্লেখ্য যে যোৱা ২৪ মাৰ্চত হোৱা বিধ্বংসী ধুমুহাই অঞ্চলটোত বিদ্যুতৰ তাঁৰ ছিঙি খুঁটা ভাঙি একপ্ৰকাৰ ধ্বংসস্তুপত পৰিণত কৰিছিল। এইবোৰ জোৰা-টাপলি মাৰি বিদ্যুৎ যোগান ধৰিছে যদিও ৰাইজে বিচৰা ধৰণে সুচল হোৱা নাই। ইতিমধ্যে কাইলৈৰ পৰা হেপাঁহৰ ৰঙালী বিহুৰ। বিহুৰ বতৰতো যদি বিদ্যুতৰ লুকাভাকু অব্যাহত থাকে ৰাইজ ক্ষোভিত হৈ পৰিব। এইক্ষেত্ৰত বৰভাগৰ কটপুহাত থকা বিদ্যুৎ উপ-আস্থানত অভিযোগ কৰিলে তেওঁলোকৰ ফোন নম্বৰটো বিজি কৰি দায়িত্ব সামৰে। তদুপৰি নলবাৰী পয়লাত থকা উপ-সংমণ্ডল বিষয়াগৰাকীৰ ফোনো বিজি অৱস্থাত পোৱা যায়। বিভাগৰ বিষয়া-কৰ্মচাৰীৰ এনেকুৱা আচৰণৰ বাবে গ্ৰাহকসকল সময়ে সময়ে বিতুষ্ট হৈ সামাজিক মাধ্যমত ক্ষোভ প্ৰকাশ কৰিবলৈ বাধ্য হয়। ইয়াৰ উপৰি অঞ্চলটোৰ মাজেৰে সৰবৰাহ হোৱা বিদ্যুৎ পৰিবাহী তাঁৰসমূহ বিগত ১৯৭০ৰ আগৰে। যিবোৰৰ শক্তি তেনে দুৰ্বল হৈ পৰিছে। সামান্য গছৰ ডাল এডাল পৰিলে তাঁৰ ছিঙি যোৱাৰ সম্ভাৱনা যথেষ্ট বেছি। ইতিমধ্যে কে'বাবাৰো এনেদৰে ছিঙি বিদ্যুৎ সৰবৰাহ বন্ধ হোৱাৰ উদাহৰণ যথেষ্ট আছে। সেয়েহে ভুক্তভোগী ৰাইজে বিহুৰ সময়ত যাতে বিদ্যুৎ যোগান নিয়মীয়া কৰে তাৰ বাবে বিভাগীয় কৰ্তৃপক্ষক দাবী জনাইছে।

# ৰাজ্যিক বিষয়াই আৰ্যভট্ট বিজ্ঞান পৰিদৰ্শন কৰি বুজ ল'লে সুবিধা-অসুবিধাৰ

অগ্ৰদূত বাৰ্তা

**আগমনী, ১৩ এপ্ৰিল ঃ** অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ প্ৰকল্প বিজ্ঞানীয়ে ধুবুৰীৰ আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰসমূহ পৰিদৰ্শন কৰি কেন্দ্ৰসমূহৰ গতিশীলতাক পৰ্যবেক্ষণ কৰে। স্মৰ্তব্য যে অবিভক্ত ধুবুৰী জিলাত অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদে ১৩ টা ব্লকত ১৩ টা আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ স্থাপন কৰিছে। আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰসমূহে ছাত্ৰ-ছাত্ৰীসকলক মাজত বিজ্ঞানক অধিক জনপ্ৰিয় আৰু আকৰ্ষিত কৰাৰ লক্ষ্যৰে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। ছাত্ৰ-ছাত্ৰীৰ মাজত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰিও ছাত্ৰ-ছাত্ৰীক বিজ্ঞানৰ প্ৰতি আকৰ্ষিত কৰাৰ প্ৰয়াস কৰি আহিছে। বিজ্ঞান কেন্দ্ৰসমূহত বিভাগে বিভিন্ন বিজ্ঞানৰ সা-সমঞ্জাম আদি যোগান ধৰিছে। আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰসমূহ ২০০৮তে স্থাপিত হয় আৰু অধিকাংশ কেন্দ্ৰৰ গৃহসমূহ নিৰ্মাণ কৰি সা-সামগ্ৰীসমূহ ৰখাৰ সুবিধা কৰি দি আহিছে। আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰসমূহক গতিশীল কৰাৰ বাবে ৰাজ্যিক পৰ্যায়ত বিভিন্ন সময়ত সভা সমিতিৰে সমন্বয়কসকলক পৰামৰ্শ প্ৰদান কৰি আহিছে। কিন্তু প্ৰথম বাৰৰ বাবে অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদে কেন্দ্ৰসমূহক পৰিদৰ্শন সা-সৰঞ্জামৰ বুজ লোৱাৰ উপৰি হিচাপ-নিকাচৰ নথি পত্ৰ আদিও পৰিদৰ্শন কৰে। অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ প্ৰকল্প বিজ্ঞানীদ্বয় হিমাংশু তালুকদাৰ আৰু তানভী হুছেইনে যোৱা ১০ৰ পৰা ১২ এপ্ৰিললৈকে আগমনী, গোলকগঞ্জ, গৌৰীপুৰ, ৰূপসী, চাপৰ শালকোচা, বিলাসীপাৰা, নায়েৰ আলগা, জৰুৱাচৰ আৰু মহামায়া ব্লকৰ আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰত উপস্থিত হৈ কেন্দ্ৰসমূহৰ বুজ লয় আৰু কেন্দ্ৰসমূহক অধিক গতিশীল কৰাৰ পৰামৰ্শ প্ৰদান কৰে। আনহাতে, এই পৰিদৰ্শনৰ সময়ছোৱাত বহু সংখ্যক ইকো ক্লাব ১৩ পৃষ্ঠাত চাওক

# বহনা স্মৃতিগ্ৰন্থৰ বাবে লেখা আহ্বান

অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ১৩ এপ্ৰিলঃ** উত্তৰ লখিমপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অহা চাৰি মে'ৰ পৰা ছয় মে'লৈ অনুষ্ঠিতব্য কেন্দ্ৰীয় ৰঙালী উৎসৱৰ স'তে সংগতি ৰাখি স্মৃতিগ্ৰন্থ বহনা প্ৰকাশ কৰা হ'ব। বিহু সম্পৰ্কীয় যিকোনো লেখা স্মৃতিগ্ৰন্থত প্ৰকাশ কৰা হ'ব। আগ্ৰহীসকলে লেখাসমূহ ৩০ এপ্ৰিলৰ ভিতৰত পোৱাকৈ পঠিয়াবলৈ সভাপতি উদয় গগৈয়ে আহ্বান জনাইছে। ইচ্ছুকসকলে ৭০০২৭-৩৭১৬৮ নম্বৰৰ স'তে যোগাযোগ কৰি লেখাসমূহ জমা দিবলৈ আহ্বান জনাইছে।

# নিয়ম উলংঘাৰে নিচামুক্তি কেন্দ্ৰ স্থাপন

**■ ভুক্তভোগীৰ জিলা উপায়ুক্তক অভিযোগ**

অগ্ৰদূত বাৰ্তা
**মাটিয়া, ১৩ এপ্ৰিল ঃ** স্বাস্থ্য বিভাগ আৰু পৌৰসভাৰ অনুমতি নোলোৱাকৈ তথা চৰকাৰৰ ২০১৭ৰ মানসিক স্বাস্থ্য ৰক্ষা আইন উলংঘাৰে গোৱালপাৰা চহৰৰ দুৰ্গা মন্দিৰত 'ব্লিছিং ফাউণ্ডেচন' নামৰ স্বেচ্ছাসেৱী সংগঠন এটাই নিচামুক্তি কেন্দ্ৰ স্থাপন কৰি অবৈধ কাম-কাজ চলাই অহা বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। এই সন্দৰ্ভত যোৱা ১২ এপ্ৰিলত ভুক্তভোগী পৰিয়াল এটাই জিলা উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকক লিখিত অভিযোগ দাখিল কৰিছে। গোৱালপাৰা চহৰৰ শাস্ত্ৰীনগৰৰ অঞ্জনা সিং মণ্ডলে দাখিল কৰা অভিযোগ পত্ৰত উল্লেখ কৰা মতে তেওঁৰ ভ্ৰাতৃ স্বপন মণ্ডল (২০) ড্ৰাগছ আসক্ত হোৱাত যোৱা ১৭ জানুৱাৰীত ১১ হেজাৰ টকা ভৰ্তি মাচুল দি চিকিৎসাৰ বাবে চহৰৰ দুৰ্গা মন্দিৰস্থিত ব্লিছিং ফাউণ্ডেচন নামৰ নিচামুক্তি কেন্দ্ৰত ভৰ্তি কৰে। ইপিনে, ৪৫ দিন পিছতে স্বপনক সাক্ষাৎ কৰিবলৈ যায় যদিও কৰ্তৃপক্ষই অনুমতি প্ৰদান কৰা নাছিল। ২৬ মাৰ্চত মাতৃ আৰু ভগ্নীৰ অনুৰোধ মৰ্মে ভিতৰৰ পৰা আনি দিয়া স্বপনৰ ভিডিঅ' প্ৰত্যক্ষ কৰি দুয়ো হতভম্ব হৈ পৰে। স্বপনৰ মুখমণ্ডলত আঘাতৰ স্পষ্ট চিন প্ৰত্যক্ষ কৰি ঘৰলৈ নিব বিচাৰে। কিন্তু নিচামুক্তি কেন্দ্ৰৰ কৰ্তৃপক্ষই পুনৰ পৰিয়ালক ২০ হেজাৰ টকা জমা দিলেহে স্বপনক ঘৰলৈ যাব দিয়াৰ কথা ব্যক্ত কৰে। উপায়হীন হৈ সোণৰ গহনা বিক্ৰী কৰি পোৱা ১৮ হেজাৰ টকালৈ ২৯ মাৰ্চত স্বপনক আনিবলৈ নিচামুক্তি কেন্দ্ৰত উপস্থিত হয় যদিও টকা লোৱাৰ পিছতো বিভিন্ন অজুহাত দেখুৱাই মোকলাই দিয়াৰ ক্ষেত্ৰত বিলম্ব কৰে। ইয়াকে কেন্দ্ৰ কৰি সৃষ্টি হোৱা হুলস্থুলীয়া পৰিস্থিতিৰ বাবেই আবেলি দুই বজাত স্বেচ্ছাসেৱী সংগঠনটোৰ কেইজনমান যুৱকে স্বপনৰ মাতৃ, ভগ্নী আৰু পেহীয়েকক মাৰপিট কৰা বুলি অভিযোগপত্ৰত উল্লেখ কৰিছে। উক্ত সময়ত ঘটনাস্থলীত উপস্থিত হৈ নিচামুক্তি কেন্দ্ৰৰ পৰা আৰক্ষীয়ে স্বপনক উদ্ধাৰ কৰে যদিও স্বপনৰ সৰ্বশৰীৰত মাৰপিটৰ চিহ্ন দেখি লগে লগে গোৱালপাৰা অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰে আৰক্ষীয়ে। ন দিন চিকিৎসাৰ অন্তত যুৱকজনক ঘৰলৈ আনে যদিও মানসিক অসুস্থতাত ভুগি থকা বাবেই চিকিৎসকে কাণৰ অপাৰেচন কৰাৰ পৰামৰ্শ দিছে। উল্লেখ্য যে এই সন্দৰ্ভত স্বেচ্ছাসেৱী সংগঠনটোৰ বিৰুদ্ধে গোৱালপাৰা সদৰ থানাত এজাহাৰ দাখিল কৰা হৈছে যদিও আৰক্ষীয়ে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ নকৰা বুলি এক গুৰুতৰ অভিযোগ উত্থাপন কৰিছে ভুক্তভোগী পৰিয়ালে। এইদৰে নিয়ম বহিৰ্ভূতভাৱে নিচামুক্তি কেন্দ্ৰ স্থাপন কৰি দুটা কিস্তিত ৰছিদ বিহীনভাৱে ২৯ হেজাৰ টকা আদায় লোৱা বুলিও অভিযোগ উত্থাপন কৰিছে। লগতে নিচামুক্তি কেন্দ্ৰটোত কোনো চিকিৎসক নথকাৰ উপৰি কাউঞ্চিলিং কৰাৰ বাবে কোনো ব্যক্তি নাছিল বুলিও অভিযোগপত্ৰত উল্লেখ কৰিছে। সেয়ে ঘটনাটোৰ উচ্চ পৰ্যায়ৰ তদন্ত কৰি দোষী ব্যক্তিসকলক দৃষ্টান্তমূলক শাস্তি প্ৰদানৰ লগতে দুৰ্ভগীয়া স্বপন মণ্ডলক ন্যায় দিয়াৰ দাবী জনাইছে ভগ্নী অঞ্জনা মণ্ডলে। উল্লেখ্য যে অভিযোগ পত্ৰৰ প্ৰতিলিপি জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকৰ লগতে গোৱালপাৰা জিলা মহিলা সমিতিকো প্ৰেৰণ কৰে।

## চেলেংহাট প্ৰেছ ক্লাবৰ উদ্যোগত পহিলা ব'হাগৰ সেৱা

অগ্ৰদূত বাৰ্তা
**চেলেংহাট, ১৩ এপ্ৰিল ঃ** ৰঙালী বিহুৰ স'তে সংগতি ৰাখি চেলেংহাট প্ৰেছ ক্লাবৰ উদ্যোগত পহিলা ব'হাগৰ দিনা এক সেৱা আৰু সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হ'ব। চেলেং শিমলু গাঁৱৰ নামঘৰত অনুষ্ঠিতব্য উক্ত কাৰ্যসূচীত বৃহত্তৰ চেলেংহাট অঞ্চলৰ শতবৰ্ষ অতিক্ৰম কৰা দলৌ গাঁৱৰ টেপুৰাম শইকীয়া, বৰনগঞা গাঁৱৰ হেমকান্ত গগৈ, দুলীয়াগাঁৱৰ লাৱণ্য চুতীয়া, চেলেং শিমলু গাঁৱৰ নোমল গগৈ, কুকুৰাছোৱা গাঁৱৰ ভদ্ৰেশ্বৰ দত্তক সেৱা ধৰাৰ লগতে শেহতীয়াকৈ 'যুদ্ধা' নামৰ এখন চুটি ছবিৰে বিশেষ খ্যাতি অৰ্জন কৰা চেলেংহাট হেল্‌থ ক্লাবৰ প্ৰতিষ্ঠাপক সভাপতি তুষাৰ পাল আৰু চেলেংহাট আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া কুলধৰ নেওগক সম্বৰ্ধনা জনোৱা হয়।

# বিহু হ'ল অসমীয়া জাতিৰ জীয়াই থকাৰ সঞ্জীৱনী সুধা

## চিনামৰা জাতীয় বিদ্যালয়ত ৰঙালী বিহু উদ্‌যাপন



অগ্ৰদূত বাৰ্তা
**চিনামৰা, ১৩ এপ্ৰিল ঃ** 'বিহু কেৱল কিছুমান নাচ নহয়, বিহু হ'ল অসমীয়া জাতিৰ জীয়াই থকাৰ সঞ্জীৱনী সুধা। বিহু ব্যৱসায়িক গণ্ডীৰে নহয়, সংস্কৃতিৰ গণ্ডীত ৰাখিব লাগিব আৰু ইয়াৰ বাবে লাগিব কিছু সংস্কৃতিবান ব্যক্তি আৰু সেই ব্যক্তি গঢ়াৰ কমাৰশালেই হৈছে জাতীয় বিদ্যালয়। চিকিৎসক-অভিযন্তা বহুত পাম, কিন্তু সমাজ থাকিলেহে সেইসকলৰ কাম থাকিব। আৰু সমাজ জীয়াই থাকিবলৈ আমি সামাজিক হ'ব লাগিব।' এই মন্তব্য বিহু গৱেষক তথা লেখক ইছমাইল হুছেইনৰ। আজি চিনামৰা জাতীয় বিদ্যালয়ত অনুষ্ঠিত 'ব'হাগক আদৰাৰ মন...' শীৰ্ষক বিহু অনুষ্ঠানৰ উদ্বোধক হিচাপে উপস্থিত থাকি তেওঁ কথা আৰু বিহু নামেৰে বিহুৰ অনুষ্ঠানটো উদ্বোধন কৰে। আজি পুৱা ন বজাৰ পৰা অনুষ্ঠিত বিহু কাৰ্যসূচীৰ আৰম্ভণিতে ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীসকলে জ্যেষ্ঠজনৰ আশীৰ্বাদ গ্ৰহণ কৰে। ইয়াৰ বাবে বিদ্যালয়খনত উপস্থিত থাকে বিদ্যালয়ৰ শুভাকাংক্ষী অশীতিপৰ ব্যক্তি দীননাথ শৰ্মা, দুৰ্লভ বৰুৱা আৰু মানিক বৰা। প্ৰাক প্ৰাথমিক স্তৰৰ পৰা দশম শ্ৰেণীলৈ শ্ৰেণী ভিত্তিক অনুষ্ঠিত হোৱা বিহুত শিশু ৰোগ বিশেষজ্ঞ তথা বিশিষ্ট বিহুৱা ডাঃ গোলাপ ডেকা উপস্থিত থাকে। তেওঁ সকলোকে বিহু অনুষ্ঠানত জড়িত হৈ অসমীয়া জাতিক সমৃদ্ধ কৰিবলৈ আহ্বান জনায়। উক্ত অনুষ্ঠানত বিহুৱতী কৰবী গগৈ দলেক সম্বৰ্ধনা জনোৱাৰ লগতে আগন্তুক এবছৰৰ বাবে শিল্পীগৰাকীয়ে প্ৰতিমাহে এহেজাৰ টকাকৈ বিদ্যালয়ৰ তৰফৰ পৰা লাভ কৰাৰ কথা বিদ্যালয়ৰ সঞ্চালক দিব্যজ্যোতি শৰ্মাই ঘোষণা কৰে।

## চতিয়াত বজ্ৰ পৰি আহত এক

অগ্ৰদূত বাৰ্তা
**চতিয়া, ১৩ এপ্ৰিল ঃ** চতিয়া আৰক্ষী থানাৰ অন্তৰ্গত বেজৰহোলা গাঁৱত আজি পুৱা ন বজাত বজ্ৰ পৰি এজন লোক গুৰুতৰভাৱে আহত হয়। পুৱা বিজুলি ঢেৰেকনিৰে অহা এজাক বৰষুণত বেজৰহোলা গাঁৱৰ দেৰেশ্বৰ শইকীয়া নামৰ লোকজনে পথাৰৰ পৰা গৰু আনিবলৈ যাওঁতে ঘটনাটো সংঘটিত হয়। পাছত ৰাইজে তেওঁক বিশ্বনাথ চাৰিআলি চিকিৎসালয়লৈ নিয়ে।

## যজ্ঞভূমিত 'নৰকাসুৰৰ

*১২ পৃষ্ঠাৰ পৰা* বৰুৱা, সম্পাদক হেমন্ত কলিতা, সাংবাদিক প্ৰাণজিৎ চক্ৰৱৰ্তী, কালীন্দ্ৰ কুমাৰ বৰ্মনসহ বহু সংখ্যক লোক উপস্থিত থাকে। আদিতে সেউজীৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে পতাকা উত্তোলন কৰে হিতেশ বৈশ্যই আৰু প্ৰতিষ্ঠাপকসকলৰ বন্তি স্মৃতিত বন্তি প্ৰজ্বলন কৰে নাট্যশিল্পী যাদৱ চন্দ্ৰ ডেকাই।

## প্ৰতিকূল বতৰকো নেওচি

*১২ পৃষ্ঠাৰ পৰা* নাৰিকল আদি বিহুৰ পিঠা-পনাৰ বাবে প্ৰয়োজনীয় সামগ্ৰী আৰু জা-জলপান গ্ৰাহকে মোনা ভৰাই বজাৰ কৰে। তদুপৰি কাইলৈ গৰু বিহুৰ দিনা প্ৰতিবেশী, আত্মীয়-কুটুম্বক উপহাৰ দিয়াৰ বাবে আজি বিহুৰ শেষখন উৰুকাৰ বজাৰতে হেঁপাহেৰে বজাৰ কৰে।

## ৰাজ্যিক বিষয়াই আৰ্যভট্ট বিজ্ঞান

*১২ পৃষ্ঠাৰ পৰা* পৰিদৰ্শন কৰি সকলোকে অধিক গতিশীল কৰাৰ প্ৰচেষ্টা চলায়। ধুবুৰীৰ ভোলানাথ মহাবিদ্যালয়ত চলি থকা মহাবিদ্যালয় পৰিৱেশ আৰু বতৰ কোষৰ বুজ লয় প্ৰকল্প বিজ্ঞানীদ্বয়ে।

## কলগাছিয়াৰ শওঁপুৰত বেঁকী

*১২ পৃষ্ঠাৰ পৰা* গোৱালপাৰা আদি কৰি কে'বাখনো জিলাৰ লগতে সমগ্ৰ নামনি অসমৰ লগত ৰাজ্যৰ ৰাজধানীৰ স'তে বিচ্ছিন্ন হৈছে। সংখ্যালঘু ছাত্ৰ ইউনিয়ন আমছুৰ কলগাছিয়া জিলা সমিতিৰ উদ্যোগত আজি এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বেঁকী দলঙৰ দাঁতিকাষৰীয়া অঞ্চলসমূহৰ লগতে দুই নম্বৰত ৰাজ্যিক ঘাইপথ খহনীয়াৰ কৱলত পৰাৰ পাছতো চৰকাৰ, সাংসদ আৰু বিধায়কে কোনো ধৰণৰ প্ৰতিৰোধ মূলক ব্যৱস্থা নোলোৱাৰ বাবে এই প্ৰতিবাদী কাৰ্যসূচী পালন কৰা হয় বুলি প্ৰতিবাদকাৰীসকলে কয়। উক্ত প্ৰতিবাদী কাৰ্যসূচীত আমছুৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি ইউনুছ আলী আহমেদ, উপস্থিত থাকে সহকাৰী সাধাৰণ সম্পাদক লুৎফৰ ৰহমান খান, প্ৰচাৰ সম্পাদক ফেৰদুচ আলী, কলগাছিয়া জিলা সমিতিৰ সাধাৰণ সম্পাদক শাজাহান আলী আৰু বিভিন্ন আঞ্চলিক সমিতিৰ বিষয়ববীয়া উপস্থিত থাকে।

## গ্ৰাহকৰ অসাৱধানতাৰ বাবেই

*১২ পৃষ্ঠাৰ পৰা* জাল পেলাই বেংকৰ পৰা ধনৰ হৰলুকি কৰে। কোনো বেংকৰ বিষয়াই টেলিফোনত কাৰো পাছবুক বা এটিএম কাৰ্ডৰ সৱিশেষ নলয়। গতিকে এনে কাৰ্য কোনো লোকে কৰিলে ততালিকে বেংক কৰ্তৃপক্ষৰ লগত সম্পৰ্ক কৰিবলৈ আহ্বান জনায়। ইফালে, সজাগতা সভাতেই ৰিজাৰ্ভ বেংকৰ আন এগৰাকী বিষয়া কিষণ কুমাৰে কয় যে বেংকৰ গ্ৰাহকসকললৈ প্ৰায়ে লাখ লাখ টকাৰ লটাৰী লাভ কৰাৰ প্ৰলোভন দি বিভিন্ন কৌশলেৰে লটাৰী আদায় দিয়াৰ নামত গ্ৰাহকৰ বেংকৰ সৱিশেষ লৈ কষ্টোপাৰ্জিত ধন একেদিনাই শেষ কৰি দিয়ে। এনে ক্ষেত্ৰত ল'বলগীয়া সাৱধানতা সম্পৰ্কে সজাগতা সভাত উপস্থিত থকা অঞ্চলটোৰ শতাধিক মহিলা গোটক পৰামৰ্শ আগবঢ়ায়। অনুষ্ঠানত পৰিচালনাৰ ক্ষেত্ৰত চাওতাল ছাত্ৰ সন্থাই বিশেষ সহযোগিতা আগবঢ়ায়।

## প্ৰথমখন জনজাতি মঞ্চ বিহু

*১২ পৃষ্ঠাৰ পৰা* তদুপৰি, পুৱা ১০ বজাত বয়োজ্যেষ্ঠ ব্যক্তি, পিএইছডি ডিগ্ৰীধাৰী আৰু অনাতাঁৰ-দূৰদৰ্শন- কেছেট শিল্পীলৈ উদ্‌যাপন সমিতিয়ে সম্বৰ্ধনা জ্ঞাপন কৰিব। আনহাতে, দুপৰীয়া ১২ বজাত স্মৃতিগ্ৰন্থ উন্মোচন কৰিব কাছিকোত্ৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক তথা সাহিত্য অকাডেমীৰ বড়ো এডভাইছৰী ব'ৰ্ডৰ সদস্য ৰাখাও বসুমতাৰীয়ে। দিনৰ এক বজাৰ পৰা সাংস্কৃতিক প্ৰতিযোগিতা, বিয়লি তিনি বজাৰ পৰা 'বৈশাগু চেংৰা-বৈশাগু চিখলা' প্ৰতিযোগিতা আৰু নিশা আঠ বজাৰ পৰা অনুষ্ঠিতব্য সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব শিল্পী জুমুটি গয়াৰীয়ে। অহা ১৬ এপ্ৰিলৰ পুৱা ন বজাৰ পৰা আৰম্ভ হ'বলগীয়া সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব বিটিচিৰ কাৰ্যবাহী সদস্য ধনঞ্জয় বসুমতাৰীয়ে। দুপৰীয়া ১২ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া 'লাংদাং বৈশাগু' অৰ্থাৎ মুকলি বিহু উদ্বোধন কৰিব পদ্মশ্ৰী ড° মংগলসিং হাজোৱাৰীয়ে। তদুপৰি সন্ধিয়া ছয় বজাত অনুষ্ঠিতব্য মুকলি বিহু আৰু সাংস্কৃতিক অনুষ্ঠানৰ বঁটা বিতৰণ কৰিব ললিত কলা বঁটা প্ৰাপক মনেশ্বৰ ব্ৰহ্মাই । ইয়াৰ পাছতেই সন্ধিয়া সাত বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব শিল্পী বিটু নাৰ্জাৰীয়ে। উক্ত অনুষ্ঠানত ইলাৱতী মুছাহাৰী 'গোসাঁইগাঁও', নিতা মণি বড়ো 'ওদালগুৰি', সুদেম সোণা ৰামছিয়াৰী 'বাগ্‌সা' আৰু স্থানীয় শিল্পী ৰিজু মুছাহাৰীয়ে গীতৰ শৰাই আগবঢ়াব।

## কোকৰাঝাৰত ৬৪ সংখ্যক

*১২ পৃষ্ঠাৰ পৰা* কোকৰাঝাৰৰ পৌৰসভানেত্ৰী প্ৰতিভা ব্ৰহ্মই। বিয়লি বিহুতলীত অসম ভিত্তিত মুকলি বিহু উদ্বোধন কৰিব কোকৰাঝাৰ জিলা উপায়ুক্ত বৰ্ণালী ডেকাই। মুকলি বিহুৰ উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকিব কোকৰাঝাৰ পূব সমষ্টিৰ বিধায়ক লৰেঞ্চ ইছলাৰী আৰু বিশিষ্ট অতিথিৰূপে বঙাইগাঁও এনটিপিচিৰ কাৰ্যবাহী সঞ্চালক সুব্ৰত মণ্ডল। নিশা বিহুতলীত বিহু কুঁৱৰী প্ৰতিযোগিতা আৰু বঁটা বিতৰণ অনুষ্ঠান। ১৭ এপ্ৰিলত বিহু মইনা আৰু মৌ কুঁৱৰী প্ৰতিযোগিতাৰ লগতে সন্ধিয়া অনুষ্ঠিত হ'বলগীয়া বাৰেবৰণীয়া সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব জিলা আৰক্ষী অধীক্ষক প্ৰতীক থুবে। কাৰ্যবাহী সদস্য অৰূপ কুমাৰ দে উদ্বোধন কৰিবলগীয়া ১৮ এপ্ৰিলৰ সাংস্কৃতিক সন্ধিয়াত জনপ্ৰিয় কণ্ঠশিল্পী মন্টুমনি শইকীয়াৰ লগতে বিভিন্ন বাছকবনীয়া সাংস্কৃতিক গোষ্ঠীয়ে বিভিন্ন সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰিব। উদ্‌যাপন সমিতিয়ে সকলো ৰাইজৰে সহায়-সহযোগিতা আৰু উপস্থিতি কামনা কৰিছে।

# ১৬ এপ্ৰিলৰ পৰা কমাৰবন্ধা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তী

অগ্ৰদূত বাৰ্তা
**আঠখেলীয়া, ১৩ এপ্ৰিল ঃ** অহা ১৬ এপ্ৰিলৰ পৰা গোলাঘাট জিলাৰ পূব প্ৰান্তত ১৯৪৭তে স্থাপিত কমাৰবন্ধা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তী উৎসৱ তিনিদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হ'ব। মহাৰজত জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি-সম্পাদক ক্ৰমে প্ৰদীপ কাউৰ আৰু লোকেন্দ্ৰ নাথ বৰা তথা সমিতিখনৰ অন্যান্য বিষয়াবৰ্গই উল্লেখ কৰা মতে, অনুষ্ঠানটোৰ আৰম্ভ হ'ব ১৬ এপ্ৰিলৰ পুৱা ৭-৩০ বজাৰ পৰিৱেশ নিকাকৰণেৰে। পুৱা ৮-৩০ বজাত মহাৰজত জয়ন্তী উৎসৱৰ আৰু বিদ্যালয়খনৰ পতাকা উত্তোলন কৰিব প্ৰদীপ কাউৰ আৰু ৭৫ বছৰ অতিক্ৰম কৰা বিদ্যালয়খনৰ অধ্যক্ষ লোকেন্দ্ৰ নাথ বৰাই। ইয়াৰ পাছত ৯-৩০ বজাত স্মৃতি তৰ্পণ অনুষ্ঠানটোত স্মৃতি তৰ্পণ কৰিব অৱসৰপ্ৰাপ্ত শিক্ষক শতবৰ্ষ গৰকা গুণকান্ত দত্তই। উক্ত অনুষ্ঠানৰ স'তে সংগতি ৰাখি বিদ্যালয়খনৰ প্ৰাক্তন অধ্যক্ষ মুক্তি নাথ বৰাৰ স্মৃতিত স্থাপন কৰা তোৰণখন উন্মোচন কৰিব খুমটাইৰ বিধায়ক মৃণাল শইকীয়াই। তদুপৰি বিদ্যালয়খনৰ প্ৰাক্তন শিক্ষক তথা অধ্যক্ষসকলৰ স্মৃতিত এটা সোঁৱৰণী মঞ্চ অসম ক্ৰিকেট সন্থাৰ উপ-সভাপতি পৰীক্ষিত দত্তই মুকলি কৰিব। অনুষ্ঠানৰ বন্তি প্ৰজ্বলনত অংশগ্ৰহণ কৰিব সাংসদ গৌৰৱ গগৈয়ে। অনুষ্ঠানটোৰ অৱসৰপ্ৰাপ্ত শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মিলন অনুষ্ঠানটোৱে বিশেষ সৌষ্ঠৱ বৃদ্ধি কৰিব দ্বিতীয়দিনৰ কাৰ্যসূচীত। দুয়োদিনৰ বিশেষ কাৰ্যসূচীত সাহিত্যিক, খ্যাতনামা লেখক কৌস্তুভমণি শইকীয়া, অসম পশু মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ হীৰেন খনিকৰ, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, শিক্ষামন্ত্ৰী ৰণোজ পেগু, কেবিনেট মন্ত্ৰী অতুল বৰা, বিধায়ক বিশ্বজিৎ ফুকন, মৃণাল শইকীয়া আদি বিশিষ্ট বিষয়ববীয়াই অংশগ্ৰহণ কৰিব।

## যুৱ ব্যৱসায়ী দিলীপ গগৈৰ মৃত্যু

অগ্ৰদূত বাৰ্তা
**ফৰকাটিং, ১৩ এপ্ৰিল ঃ** গোলাঘাট জিলাৰ ঘিলাধাৰী মৌজাৰ আদৰ্শ গাঁৱৰ যুৱ ব্যৱসায়ী দিলীপ গগৈ (৪৮)ৰ যোৱা নিশা নিজা বাসগৃহত মৃত্যু হয়। উল্লেখ্য যে ব্যৱসায়ীজনে দীৰ্ঘদিন ধৰি বৃক্কজনিত ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছিল। তেওঁৰ মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নী আৰু একমাত্ৰ কন্যাক ইহসংসাৰত এৰি গৈছে।

## ডিমুত ড্ৰাগছসহ এজনক গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা
**কনিহা, ১৩ এপ্ৰিল ঃ** কামৰূপ জিলাৰ ৰঙিয়া মহকুমাৰ অন্তৰ্গত ডিমু-ডোবক চাৰিআলিত আজি ডোবক আৰক্ষীয়ে বৃহৎ পৰিমাণৰ ড্ৰাগছসহ এজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। ৰঙিয়াৰ পৰা হাজোলৈ এখন নম্বৰ প্লেট বিহীন স্কুটীৰে ড্ৰাগছখিনি নি থকা অৱস্থাত ডোবক আৰক্ষীয়ে ৰাতুল আলী নামৰ সৰবৰাহকাৰীজনক গ্ৰেপ্তাৰ কৰাৰ লগতে স্কুটীখন জব্দ কৰে। স্কুটীখনত ১২ গ্ৰাম ড্ৰাগছসহ ৭০ টা ড্ৰাগছৰ কণ্টেইনাৰ আছিল। দীৰ্ঘদিনৰ পৰা ড্ৰাগছৰ ৰমৰমীয়া অবৈধ ব্যৱসায়ৰ লগত জড়িত ৰাতুলক আৰক্ষীয়ে সোধ-পোছ অব্যাহত ৰাখিছে।

## দেৰগাঁও কেন্দ্ৰীয় ৰঙালী বিহু উৎসৱ উপলক্ষে বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন

**দেৰগাঁও, ১৩ এপ্ৰিল ঃ** ১৯৩৫তে আৰম্ভ হোৱা দেৰগাঁও কেন্দ্ৰীয় ৰঙালী বিহু উৎসৱ অহা ২০ এপ্ৰিলৰ পৰা দুদিনীয়াকৈ অনুষ্ঠিত হ'ব। প্ৰথমদিনা সাংস্কৃতিক শোভাযাত্ৰাৰ পাছতে জেং বিহু, হুঁচৰি, সৰু বিহুৱা, সৰু বিহুৱতী আৰু গধূলিলৈ বৰবিহুৱতী প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। দ্বিতীয় দিনা পিঠা, গামোচা, পুষ্পসজ্জা প্ৰতিযোগিতাৰ পাছত বনগীত, বিহুনাম আদি প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। উল্লেখ্য যে এইবাৰ এই বিহু অনুষ্ঠানৰ সাংস্কৃতিক সন্ধিয়াৰ শিল্পী নিলাক্ষী নেওগৰ লগতে বেহাৰবাৰীৰ কে কে আৰু মোহনে ভাগ ল'ব। বঁটা প্ৰদানৰ এক বিশেষ অনুষ্ঠানত বিশিষ্ট অভিনেতা অতুল পাচনী আৰু সংগীত শিল্পী অজিত বৰাক ক্ৰমে ডাঃ উপেন কাকতি বঁটা আৰু ৰেকিবুদ্দিন আহমেদ বঁটা প্ৰদান কৰা হ'ব। আনহাতে, স্মৃতিগ্ৰন্থ কেতেকী উন্মোচন কৰিব লগা এই অনুষ্ঠানত কে'বাগৰাকীয়ো বিশিষ্ট লোকে অংশগ্ৰহণ কৰিব।

## বাইহাটা চাৰিআলিৰ বৰপলহাত ৰঙালী বিহু

অগ্ৰদূত বাৰ্তা
**কমলপুৰ, ১৩ এপ্ৰিল ঃ** কামৰূপ জিলাৰ বাইহাটা চাৰিআলিৰ বৰপলহা তৰুণ সেৱক সংঘৰ উদ্যোগত আৰু বৰপলহা কঁহাৰতোলা গাঁও উন্নয়ন সমিতিৰ সহযোগত ৪৬ সংখ্যক বৰপলহা ৰঙালী বিহু সন্মিলনীখন অহা ১৭ আৰু ১৮ এপ্ৰিলত বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপনৰ দিহা কৰা হৈছে। ৪৬ সংখ্যক বৰপলহা ৰঙালী বিহু সন্মিলনীৰ কাৰ্যক্ৰমণিকা মুকলি কৰা হ'ব মাৰাথন দৌৰ প্ৰতিযোগিতাৰে। কাৰ্যসূচী অনুসৰি, সদৌ অসম ভিত্তিত নিম্ন আৰু উচ্চ শাখাত কুইজ প্ৰতিযোগিতা, উভয় শাখাতে চিত্ৰাংকন প্ৰতিযোগিতা, আকস্মিক বক্তৃতা প্ৰতিযোগিতা, বিয়ানাম প্ৰতিযোগিতা আদি অনুষ্ঠিত কৰা হ'ব। নিশাৰ ভাগত অসমীয়া আধুনিক নৃত্য প্ৰতিযোগিতা, বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠানৰ লগতে জনপ্ৰিয় কণ্ঠশিল্পী প্ৰাঞ্জলপ্ৰতিম শইকীয়া আৰু বনশ্ৰী বাইলুঙে গীত পৰিৱেশন কৰিব। বিহু সন্মিলনীৰ সভাপতি গতিৰাম নাথ আৰু সম্পাদক ৰাজীৱ কুমাৰ তালুকদাৰে বিহু সন্মিলনীখন সাফল্যমণ্ডিত কৰি তুলিবলৈ সমূহ ৰাইজৰ সহায়-সহাযোগিতা আন্তৰিকতাৰে কামনা কৰিছে।

# ২৮ এপ্ৰিলত টংলাত কেন্দ্ৰীয় ৰঙালী বিহু-জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহ

অগ্ৰদূত বাৰ্তা
**টংলা, ১৩ এপ্ৰিল ঃ** সদৌ ওদালগুৰি জিলা ছাত্ৰ সন্থাৰ নৱম বাৰ্ষিক কেন্দ্ৰীয় ৰঙালী বিহু আৰু জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহ টংলা আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত আৰু ৰাইজৰ সহযোগত অহা ২৮ এপ্ৰিলত টংলা উচ্চতৰ মাধ্যমিক খেলপথাৰত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপন কৰা হ'ব। কাৰ্যসূচী অনুসৰি সিদিনা পুৱা বিহু পতাকা উত্তোলনেৰে আৰম্ভ কৰিব বিশিষ্ট শিক্ষাবিদ ঘনকান্ত ডেকাই। সদৌ অসম ছাত্ৰ সন্থাৰ পতাকা উত্তোলনেৰে কৰিব সদৌ ওদালগুৰি জিলা ছাত্ৰ সন্থাৰ সভাপতি প্ৰাঞ্জল পাটোৱাৰীয়ে টংলা আঞ্চলিক ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি কংকন দাসে আঁত ধৰিবলগীয়া ছহিদ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান মুকলি কৰিব সদৌ ওদালগুৰি জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক বিপুল লহকৰে। পাছত জ্যেষ্ঠসকলক সেৱা জ্ঞাপন। বিয়লি টংলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ড° দিলীপ কুমাৰ বৰুৱাই মুকলি কৰিবলগীয়া কেন্দ্ৰীয় ৰঙালী বিহু আৰু জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহত নিৰ্দিষ্ট বক্তা আৰু মুখ্য অতিথিৰ আসন অলংকৃত কৰিব সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য আৰু সভাপতি দীপাংক কুমাৰ নাথে। ওদালগুৰি জিলা আৰক্ষী অধীক্ষক হিৰণ্য বৰ্মনে স্মৃতিগ্ৰন্থ টঙালি উন্মোচন কৰিবলগীয়া অনুষ্ঠানত ওদালগুৰি জিলা উপায়ুক্ত ড° পি উদয় প্ৰবীণ, সদৌ অসম ছাত্ৰ সন্থাৰ উপ-সভাপতি জয়ন্ত কুমাৰ ভট্টাচাৰ্য, সাংগঠনিক সম্পাদক বিতোপন দাস, সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক দিব্যজ্যোতি কুমাৰ ডেকা, নিখিল ৰাভা ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক সুভাষ ৰাভা। ওদালগুৰি জিলা বড়ো ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক নিজৌমছা বড়ো, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ জিলা উপ-সভাপতি নিলয় চলিহা, শৰণীয়া কছাৰী ছাত্ৰ নেতা সমীন শৰণীয়া, জিলা আটছাৰ সভাপতি দ্বীপ তাঁতী, আছাৰ উপ-সভাপতি খগেন তাঁতী, গোৰ্খা ছাত্ৰ নেতা ৰাম ছেত্ৰীয়ে আমন্ত্ৰিত অতিথিৰূপে অংশগ্ৰহণ কৰিব। জনপ্ৰিয় কণ্ঠশিল্পী মৌচুমী চহৰীয়া, প্ৰশান্ত ৰাজখোৱা, পানচুনা ৰাভা আৰু জনপ্ৰিয় অভিনেত্ৰী জেৰিণা বৰুৱাই বিশেষ আমন্ত্ৰিত আৰু অতিথিশিল্পী হিচাপে অংশগ্ৰহণ কৰিবলগীয়া অনুষ্ঠানত বিশিষ্ট শিক্ষাবিদ ৰমাকান্ত বৰুৱা, বিশিষ্ট শিল্পী তন্দ্ৰা বসু আৰু বিশিষ্ট শিল্পী কুলেন বড়োক সম্বৰ্ধনা জ্ঞাপন কৰিব। সদৌ ওদালগুৰি জিলা ছাত্ৰ সন্থাৰ সাংস্কৃতিক সম্পাদক মন্টু দাস আৰু টংলা আঞ্চলিক আছু'ৰ সাধাৰণ সম্পাদক ৰিংকু ডেকা আৰু সাংস্কৃতিক সম্পাদক লিখন দাসে কেন্দ্ৰীয় ৰঙালী বিহু আৰু জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহত ৰাইজৰ উপস্থিতি আন্তৰিকতাৰে কামনা কৰিছে।

## গৌৰীসাগৰৰ বিহুৰ বজাৰত মটৰ চাইকেল চুৰি

অগ্ৰদূত বাৰ্তা
**গৌৰীসাগৰ, ১৩ এপ্ৰিল ঃ** গৌৰীসাগৰ আৰক্ষী থানাৰ সন্মুখত প্ৰতি মঙলবাৰে বহা সাপ্তাহিক মঙলবৰীয়া বজাৰত সংঘনে মটৰ চাইকেল চুৰিৰ ঘটনা সংঘটিত হৈ অহাত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈ অহাৰ সময়তে কালি বিহু বজাৰৰ পৰাই পুনৰ এখন মটৰ চাইকেল চুৰি হয়। এ এছ ০৪ এম ৪৬১৩ নম্বৰ এখন গ্লেমাৰ মটৰ চাইকেল চোৰে তলা ভাঙি লৈ যায়। বিহুৰ বাবে বজাৰ কৰিবলৈ অহা মটৰ চাইকেলখনৰ গৰাকীয়ে বজাৰৰ সা-সামগ্ৰী ক্ৰয় কৰি যথা স্থানত নেদেখি স্তম্ভিত হৈ পৰাৰ লগতে ঘটনাৰ সম্পৰ্কত আৰক্ষীক অৱগত কৰে। উল্লেখ্য যে বজাৰখনৰ চৌপাশে আৰক্ষীয়ে পহৰা দি থকাৰ উপৰি স্বয়ং ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াজনেও অসামৰিক পোছাকত কৰ্তব্য সম্পাদন কৰি আছিল। ইমানৰ পাছতো থানাৰ পৰা প্ৰায় ৫০ মিটাৰ দূৰত্বৰ পৰা দুৰ্বৃত্তই মটৰ চাইকেল চুৰি ঘটনা সংঘটিত কৰিবলৈ সাহস কৰা ঘটনাই নিৰাপত্তাজনিত স্বৰূপ বাৰুকৈয়ে উদঙাই দিয়া বুলি সৰ্বত্ৰে চৰ্চিত হৈছে।

## ৰূপহীহাটত গাড়ীৰ খুন্দাত নিহত মহিলা

অগ্ৰদূত বাৰ্তা
**ৰূপহীহাট, ১৩ এপ্ৰিল ঃ** ৰূপহীহাটৰ বালিকাত আজি পুৱা সংঘটিত এক দুৰ্ঘটনাত এগৰাকী মহিলাৰ মৃত্যু হয়। এ এছ-২১ চি-৯৫৩৫ নম্বৰৰ বাহনখনে ৰাস্তাৰ কাষত ৰৈ থকা এগৰাকী মহিলাক খুন্দিয়ায়। সংকটজনক অৱস্থাত মহিলাগৰাকীক চিকিৎসালয়লৈ নিয়াৰ পথত মৃত্যু হয়। ঘটনাস্থলীত ৰূপহীহাট আৰক্ষী উপস্থিত হৈ তদন্ত চলায়।

## বৰক্ষেত্ৰীৰ বিহু সমিতিলৈ বিত্তীয় অনুদানৰ চেক বিতৰণ

অগ্ৰদূত বাৰ্তা
**বাহাৰঘাট, ১৩ এপ্ৰিল ঃ** বৰক্ষেত্ৰী ৰাজহ চক্ৰ আৰু বৰভাগ ৰাজহ চক্ৰৰ অন্তৰ্গত ৰাজ্যৰ ১০ বছৰ অতিক্ৰম কৰা বিহু সমিতিলৈ চৰকাৰৰ ডেৰ লাখ টকাকৈ বিত্তীয় অনুদানৰ চেকসমূহ বিতৰণ কৰে। মুকালমুৱা বৰক্ষেত্ৰী ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত চেকসমূহ বিতৰণ কৰা হয় বৰক্ষেত্ৰী আৰু বৰভাগ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ অধীনৰ বিহু সমিতিক। বৰক্ষেত্ৰী ৰাজহ চক্ৰ বিষয়া উদয় শংকৰ দত্ত আৰু বৰভাগ ৰাজহ চক্ৰ বিষয়া মণিকংকনা ভট্টাচাৰ্যৰ উপস্থিতিত বৰক্ষেত্ৰীৰ ১৭ খন আৰু বৰভাগ ৰাজহ চক্ৰৰ অন্তৰ্গত ছখন বিহু সমিতিলৈ এই অনুদান আগবঢ়ায়। উল্লেখ্য যে বিহু সমিতিসমূহে সাত ব'হাগৰ ভিতৰত বিহু অনুষ্ঠিত কৰিব লাগিব অন্যথা এই সাহায্য চৰকাৰক ঘূৰাই দিব লাগিব বুলি জানিবলৈ দিয়ে। বিহু সমিতিসমূহে এইবাৰ বিহুত সম্পূৰ্ণ অসমীয়া গামোচা, পিঠা-পনা আদি ব্যৱহাৰ কৰিব।

# জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, ধনশিৰি মহকুমাৰ উদ্যোগত বিহু কৰ্মশালাৰ সামৰণি

**উৰিয়ামঘাট, ১৩ এপ্ৰিল ঃ** ধনশিৰি মহকুমাৰ অসম-নগালেণ্ড সীমান্তৰ উৰিয়ামঘাটত সদৌ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, ধনশিৰি মহকুমা সমিতিৰ উদ্যোগত আৰু উৰিয়ামঘাটবাসী ৰাইজৰ সহযোগত উৰিয়ামঘাট ৰাজহুৱা খেলপথাৰত যোৱা ছয়ৰ পৰা ১২ এপ্ৰিললৈকে অনুষ্ঠিত হয় বিহু নাচ আৰু ঢোলবাদনৰ কৰ্মশালাৰ। কৰ্মশালাত ডেৰশৰো অধিক প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। গোলাঘাট জিলাৰ অতিকে পিছপৰা উৰিয়ামঘাট অসম-নগালেণ্ড সীমান্তৰ এটি বৈচিত্ৰ্যপূৰ্ণ জনগাঁথনিৰ ঠাই। ইয়াত বিভিন্ন জাতি-ধৰ্ম-ভাষা-সংস্কৃতিৰ লোকে বসবাস কৰে। সেয়ে কৃষিপ্ৰধান অঞ্চলটোৰ সৰহসংখ্যক লোকেই কৃষক আৰু লোক সংস্কৃতিত চহকী। উৰিয়ামঘাটৰ ৰেংমা সীমান্ত হাইস্কুলৰ মুকলি মঞ্চত সদৌ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে আয়োজন কৰা সামৰণি অনুষ্ঠনত উপস্থিত থাকে উৰিয়ামঘাট প্ৰেছ ক্লাবৰ সভাপতি প্ৰতাপ গগৈ, সম্পাদক ভূপেন শইকীয়া, উপ-সভাপতি বিচিত্ৰ গোস্বামী, সহকাৰী সম্পাদক উদিপ বৰা, ১৪২ নম্বৰ চিআৰপিএফৰ কমাণ্ডাৰ মুকেশ পি পি, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ কাৰ্বি আংলং-বৰপথাৰ আঞ্চলিকৰ সভাপতি যদু শইকীয়া, এএছডিচি কাৰ্বি আংলঙৰ সভাপতি বিদ্যা সিং কিশোৰ, গোলাঘাট জিলাৰ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ সাধাৰণ সম্পাদক ৰাকেশ গগৈ, বিত্ত সম্পাদক শান্তনু চেতিয়া, উৰিয়ামঘাটৰ বিশিষ্ট পেঁপাবাদক যোগেন বৰা। প্ৰশিক্ষণৰ শেষত নাচনী আৰু ঢুলীয়াসকলক প্ৰমাণপত্ৰৰে সন্মান জনোৱা হয়।

**শ্ৰদ্ধাঞ্জলি**

## ইন্দুভূষণ নাথ



তেজপুৰৰ এগৰাকী বিশিষ্ট লেখক, শিল্পী, সমাজ সেৱক, অসম চৰকাৰৰ তথ্য আৰু জনসংযোগ বিভাগৰ অৱসৰপ্ৰাপ্ত উপ-সঞ্চালক ইন্দুভূষণ নাথৰ যোৱা ছয় এপ্ৰিলৰ নিচেই পুৱা মৃত্যু হয়। ১৯৪০ত তেজপুৰৰ দাঁতিকাষৰীয়া বেছেৰীয়া গাঁৱত জন্মগ্ৰহণ কৰা নাথে বিভিন্ন শিক্ষানুষ্ঠানত শিক্ষাগ্ৰহণ কৰাৰ পাছত ১৯৭৩ত অসম চৰকাৰৰ তথ্য আৰু জনসংযোগ বিভাগৰ বিষয়াৰূপে হাইলাকান্দিত যোগদান কৰে। ইয়াৰ পাছত তেজপুৰকে ধৰি বিভিন্ন ঠাইত জিলা তথ্য আৰু জনসংযোগ বিষয়া হিচাপে কাৰ্যনিৰ্বাহ কৰি ক্ৰমান্বয়ে পদোন্নতি লাভ কৰি গৈ থাকে আৰু উক্ত বিভাগৰ উপ-সঞ্চালকৰূপে ১৯৯৮ত অৱসৰ গ্ৰহণ কৰে।

ছাত্ৰাৱস্থাৰ পৰাই সাহিত্য চৰ্চা, সংগীত চৰ্চা আদিত ব্ৰতী হৈ অহা নাথে চাকৰি কৰি থকা সময়ছোৱাত আৰু অৱসৰৰ পাছতো এইবোৰ কৰ্মত ব্ৰতী হৈ আছিল। 'অসম বাণী', 'মহাজাতি', 'অগ্ৰদূত' আদিকে ধৰি বিভিন্ন বাতৰি কাকত আৰু আলোচনী আদিত নাথৰ ভালেসংখ্যক কবিতা, নিবন্ধ, গল্প, সংগীত, ৰম্য ৰচনা আদি প্ৰকাশ পাইছে। তদুপৰি ছাত্ৰাৱস্থাৰ পৰাই নাট্য চৰ্চাত ব্ৰতী হৈ অহা নাথৰ কে'বাখনো একাংকিকা নাট আৰু পূৰ্ণাংগ নাট অনাতাঁৰযোগে প্ৰচাৰ হৈছে। তেওঁ ৰচনা কৰা আৰু আন নাট্যকাৰে ৰচনা কৰা বিভিন্ন নাটকত মুখ্য চৰিত্ৰকে ধৰি বিভিন্ন চৰিত্ৰত অভিনয় কৰি দৰ্শকৰ পৰা ভূয়সী প্ৰশংসা অৰ্জন কৰিবলৈ সক্ষম হৈছিল। পুৰস্কাৰো লাভ কৰিছিল। তেজপুৰৰ অন্যতম সাহিত্যানুষ্ঠান তেজপুৰ সাহিত্য চ'ৰাৰ তেওঁ ভালেমান বছৰ ধৰি সদস্য হৈ আছিল আৰু চ'ৰাৰ বৈঠকসমূহত প্ৰৱন্ধ, কবিতা, গল্প, ৰম্য ৰচনা, নাটক আদি বিভিন্ন ধৰণৰ লেখা পাঠ কৰি চ'ৰাৰ সদস্যসকলক বাৰুকৈয়ে আপ্লুত কৰিছিল। মাজে সময়ে স্বৰচিত গীতো পৰিৱেশন কৰিছিল। চ'ৰাৰ মুখপত্ৰ 'চয়নিকা'ৰ উপৰি বিভিন্ন আলোচনীত নাথৰ ভালেকেইটা তথ্যসমৃদ্ধ চিন্তাগধুৰ নিবন্ধ প্ৰকাশ পাইছিল। তাৰে ভিতৰত কেইটামান নিবন্ধৰ শিৰোনাম আছিল— 'সমাজ সংগঠনত অসমৰ নামঘৰসমূহৰ ভূমিকা', 'ৰূপকোঁৱৰৰ অন্তিম শয়নৰ সাক্ষী ঐতিহ্যমণ্ডিত পকী, 'তেজপুৰৰ পুৰণি ভৱনসমূহ', 'কল্পনাৰ শোণিতপুৰ' ইত্যাদি। ভালেকেইবছৰ ধৰি তেওঁ 'দৈনিক অগ্ৰদূত' আৰু 'অগ্ৰদূত' কাকতৰ নিয়মীয়া পঢুৱৈ আছিল। 'অগ্ৰদূত'ত তেওঁৰ ভালেকেইটা গল্প প্ৰকাশ পাইছিল। তেওঁ তেজপুৰ সাহিত্য সভাৰ স'তে দীৰ্ঘদিন ধৰি জড়িত হৈ আছিল আৰু সাহিত্য সভাৰ বিভিন্ন সভা-সমিতিত সুস্থ হৈ থকালৈকে প্ৰায়েই অংশগ্ৰহণ কৰিছিল। তদুপৰি বাণ থিয়েটাৰ, দক্ষিণ-পশ্চিম তেজপুৰ ৰঙালী বিহু সন্মিলন, অসমীয়া ক্লাব, শোণিতপুৰ শিল্পী সমাজ আদিকে ধৰি ভালেমান সাংস্কৃতিক, সামাজিক অনুষ্ঠানৰ বিভিন্ন পদবীত বিভিন্ন সময়ত কাৰ্যনিৰ্বাহ কৰি সেৱা আগবঢ়াইছিল। বিভিন্ন সভা-সমিতিত নাথে সাৰুৱা-ৰসাল ভাষণ দাঙি ধৰি আৰু গীত-মাত পৰিৱেশন কৰি ৰাইজক মুগ্ধ কৰিছিল। উল্লেখ্য যে ২০২১ত ঐতিহ্যমণ্ডিত অসমীয়া ক্লাবে তেওঁক 'সদস্য মহীয়ান' সন্মানেৰে বিভূষিত (আন চাৰিগৰাকী ব্যক্তিৰ স'তে) কৰিছিল। মাথোঁ কেইদিনমান আগতে তেওঁৰ এখন ফটো আনিবৰ বাবে তেওঁলোকৰ ঘৰলৈ মই গৈছিলো আৰু তেওঁক লগ পাই আহিছিলো। উল্লেখ্য যে বিভিন্ন বাতৰি কাকত, আলোচনী আদিত প্ৰকাশিত নাথৰ প্ৰবন্ধ, গল্প, নাটক, কবিতা, গীত, ৰম্য ৰচনা ইত্যাদি সংলগ্ন কৰি ২০২১ৰ জানুৱাৰীত পৰিয়ালৰ তৰফৰ পৰা 'মোৰ জীৱনৰ সোণ চেঁকুৰা' নামৰ এখন গ্ৰন্থ প্ৰকাশ কৰি উলিয়াইছিল। উক্ত গ্ৰন্থখন সম্পাদনা কৰিছিল লেখক-শিল্পী মৃগেন বড়াই। অৱশ্যে ইয়াৰ পূৰ্বে নাথৰ 'অচিনাকি দেশৰ চিনাকি সাধু', 'গল্প পঞ্চবিংশতি', 'বকুল ফুলৰ মালা', 'কবিতা আৰু গীত' আদি নামৰ চাৰি-পাঁচখনমান কিতাপো প্ৰকাশ পাইছিল। তেজপুৰৰ সামাজিক-সাংস্কৃতিক ক্ষেত্ৰখনলৈ অশেষ বৰঙণি যোগাই থৈ যোৱা প্ৰয়াত ইন্দুভূষণ নাথলৈ গভীৰ শ্ৰদ্ধা নিবেদন কৰিলো।

**নবীন চন্দ্ৰ লহকৰ**



গুৱাহাটী পৌৰ নিগমৰ নিৰ্বাচনীত বিজেপিৰ প্ৰচাৰ, বুধবাৰে।

**আকাশলংঘী চ'ৰা দামে ৰঙালী বিহুৰ উৰুকাৰ উৎসাহ ম্লান কৰিছে মাজুলীত**

# মাজুলীত গুৰ ব্যৱসায়ীৰ আশাত চেঁচা পানী ঢালিলে বৰষুণে

**অগ্ৰদূত বাৰ্তা**

**কমলাবাৰী, ১৩ এপ্ৰিল ঃ** এবছৰ ধৰি অপেক্ষা কৰা বছৰৰ ৰঙালী বিহুৰ উৰুকাৰ দিনা প্ৰবল বৰষুণে উৰুকাৰ উৎসাহ ম্লান কৰিছে মাজুলীত। বিগত দুবছৰত ক'ভিডৰ সংক্ৰমণৰ বাবে ৰঙালীৰ ৰঙ সেতা পৰাৰ পাছত এইবাৰ চ'ত মাজুলীৰ চৌপাশে ঢোলৰ গুমগুমনি শুনিবলৈ পোৱা গৈছিল। মাজুলীৰ বিভিন্ন প্ৰান্তৰৰ একুৰিৰো অধিক স্থানত বিহুৰ কৰ্মশালা অনুষ্ঠিত কৰা হয়। এই অঞ্চল সমূহত সকলো বয়সৰ লোকৰ অংশগ্ৰহণৰ পৰিৱেশে কৰ'ণাৰ ভয়াবহতাক তলপেলাই অসমীয়া জাতিৰ কলিজাৰ আমঠু ৰঙালী বিহু আদৰাৰ প্ৰস্তুতি চলিছিল। বিভিন্ন অঞ্চলৰ লগতে প্ৰাথমিক পৰ্যায়ৰ পৰা মহাবিদ্যালয়লৈকে সকলো ধৰণৰ শিক্ষানুষ্ঠানত উৰুকাৰ দিনা মুকলিকৈ বিহু আদৰাৰ আয়োজন চলিছিল। কিন্তু উৰুকাৰ আগদিনা বৰদৈ চিলাইহে অহা ধুমুহা বৰষুণে আশাহত কৰিলে সকলোকে। দিনটো মুষলধাৰে অহা বৰষুণ জাকত তিতিবুৰি বিদ্যালয়ত উপস্থিত হোৱা ছাত্ৰ-ছাত্ৰী শিক্ষক কৰ্মচাৰী সকলোৱে বতৰটোৰ দৰে গোমাহে পৰিল। অৱশেষত বিদ্যালয়ৰ কোঠাৰ ভিতৰতে আবদ্ধ হ'ল ৰঙালীক আদৰাৰ উৎসাহ। আকাশলংঘী চ'ৰা দামে কোঙাকৰা মাজুলীৰ বজাৰ খনত উৰুকাৰ দিনা বাৰীৰ শাক-পাচলি, খাদ্য সম্ভাৰ বিক্ৰী কৰি তাৰেই বিহুৰ বজাৰখন কৰাৰ পৰিকল্পনা কৰা কৃষিজীৱি জনতা আৰু ব্যৱসায়ী সকলেও দুপইছা উপাৰ্জন কৰাৰ আশাত চেচাপানী ঢালিলে নেৰানেপেৰা বৰষুণ জাকে। মধ্যবিত্ত লোকেও বৰষুণকো নেওচি দুই এপদ বয়-বস্তু ক্ৰয় কৰি ঘৰমুৱা হ'ল। গুৰ উৎপাদনত মাজুলীক স্বাৱলম্বী কৰা ভকতচাপৰিৰ গুৰ,দক্ষিণপাটৰ খমাদৈয়ে উৰুকাৰ বজাৰ দখল কৰিব নোৱাৰি হা হুমুনীয়াহ কাঢ়ি সকলো ঘৰতে আৱদ্ধ হ'ল। গৰু বিহুৰ বাবে লাগতিয়াল সামগ্ৰী বজাৰতে এলাগী হ'ল।

# সত্ৰীয়া নৃত্যৰ প্ৰশিক্ষক অজিত বৰাৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**আমগুৰি, ১৩ এপ্ৰিল ঃ** শিৱসাগৰ জিলাৰ অসম-নগালেণ্ড সীমান্তৱৰ্তী হালোৱাটিং থানাৰ অন্তৰ্গত নামতি গায়ন গাঁৱৰ নিবাসী, হালোৱাটিং নৰ্থ ইষ্ট ইংলিচ স্কুলৰ শিক্ষক তথা সত্ৰীয়া নৃত্যৰ প্ৰশিক্ষক, সংবাদকৰ্মী অজিত বৰাৰ কালি মৃতু হয়। তেওঁ কেঁৱাখনো অসমীয়া বাতৰি কাকতত নিষ্ঠাৰে বৃহত্তৰ হালোৱাটিং অঞ্চলৰ সংবাদ পৰিৱেশন কৰি সংবাদকৰ্মীৰূপে সকলোৰে পৰিচিত অজিত বৰাৰ আকস্মিক মৃত্যুত অঞ্চলটোৰ ৰাইজৰ মাজত শোকৰ ছাঁ পৰিছে। বৰগীত, লোকগীত আদি লোকসংগীতৰ শিল্পীজনে মৃত্যুৰ সময়ত বৰাই মাতৃ, পত্নী, এটি পুত্ৰ সন্তানক ইহসংসাৰত এৰি যায়।

# লখিমপুৰৰ বিপণীত বিহুৰ ঢোল ক্ৰয়ৰ বাবে গ্ৰাহকৰ ভিৰ

**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ, ১৩ এপ্ৰিল ঃ** কাইলৈ হেঁপাহৰ ৰঙালী বিহু। তদুপলক্ষে উত্তৰ লখিমপুৰ চহৰৰ লোকবাদ্য প্ৰস্তুত কৰা বিপণীসমূহত ঢোল ক্ৰয় কৰা গ্ৰাহকে ভিৰ কৰিছে। শিশুসকল অভিভাৱকৰ স'তে আহি বিহুত এপাক নাচিব তথা নচুৱাবলৈ পছন্দৰ একো একাটি সৰু আকাৰৰ ঢোল তিনি হেজাৰ টকাকৈ ক্ৰয় কৰিছে। ডাঙৰ আকাৰৰ এটা ঢোল ক্ৰয় কৰি যদুমণি শইকীয়া নামৰ গ্ৰাহকজনে কয়, 'প্ৰতি বছৰে আমাৰ ঘৰত একোটা নতুন ঢোলৰ আগমন ঘটে। এয়া আমাৰ ঘৰৰ পৰম্পৰা বুলি ক'ব পাৰি আৰু আমাৰ ঘৰ পৰিয়ালৰ প্ৰায়বোৰ সদস্যই ঢোল বজোৱাত একো একোজন পাকৈত ঢুলীয়া।' উল্লেখ্য যে বিগত দুবছৰে ক'ভিড পৰিস্থিতিৰ বাবে ৰাইজে বিহু পাতিব নোৱাৰাত লোকবাদ্য নিৰ্মাণকাৰীসকল ভীষণ লোকচানৰ সন্মুখীন হৈছিল। উল্লেখ্য যে এইবাৰ ৰাজ্যত বিহু পতাৰ পৰিৱেশ অনুকূল হোৱাৰ বাবে ঢোল বিক্ৰীৰ চাহিদা পুৰামাত্ৰা বৃদ্ধি হোৱাৰ সম্ভাৱনা আছিল যদিও প্ৰতিকূল বতৰৰ বাবে ঢোল প্ৰস্তুত কৰা শিল্পীসকলে বাধাৰ সন্মুখীন হ'বলগীয়াত পৰিল। তথাপি বিপণীসমূহৰ স্বত্বাধিকাৰীসকলে এই ক্ষেত্ৰত বিক্ৰী যথাযথ বুলি ব্যক্ত কৰে। উল্লেখ্য যে উত্তৰ লখিমপুৰৰ লোকবাদ্য প্ৰস্তুত কৰা শিল্পীসকলৰ পৰা ঘিলামৰা, ঢকুৱাখনা, বগীনদী, কদম, চৰাইমৰীয়া নপাম, ৰংপুৰীয়া পানীগাঁও, তেলাহী, কমলাবৰীয়া নকাড়ী আদিৰ বিহুৱা তথা গ্ৰাহকে সৰ্বাধিক ঢোল ক্ৰয় কৰে।



# তেজপুৰৰ হিন্দী মাধ্যমৰ বিদ্যালয়ত হিন্দীভাষী ছাত্ৰ-ছাত্ৰীৰ বিহু নৃত্য প্ৰদৰ্শন



**ষ্টাফ ৰিপৰ্টাৰ**

**তেজপুৰ, ১৩ এপ্ৰিল ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এইবাৰ ৰঙালী বিহুত ৰাজ্যখনৰ হিন্দীভাষী লোকসকলকো জাতীয় উৎসৱ বিহুৰ প্ৰতি সন্মান জনাই বিহুৰ কেইদিন অসমীয়া জাতীয় সাজপাৰ পৰিধান কৰিবলৈ আহ্বান জনোৱাৰ পাছত আজি তেজপুৰত উৰুকাৰ দিনটোতে ইয়াৰ দৃষ্টান্ত দাঙি ধৰিলে চহৰখনৰ একমাত্ৰ হিন্দী মাধ্যমৰ উচ্চ মাধ্যমিক বিদ্যালয় ৰাষ্ট্ৰভাষা বিদ্যালয়ে। আজি বিদ্যালয়খনৰ হিন্দীভাষী ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়ৰ সভাকক্ষত আয়োজন কৰা প্ৰাক্ ৰঙালী বিহুৰ অনুষ্ঠানত বিহু নৃত্য প্ৰদৰ্শন কৰে। বিদ্যালয়খনৰ প্ৰধান শিক্ষক বিজয় কাণ্ডুলনাই আৰম্ভণিতেই বিহুৰ তাৎপৰ্য ব্যাখ্যা কৰি আৰম্ভ কৰা অনুষ্ঠানটোত বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে বিহুগীত পৰিৱেশন কৰে। বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক ভূপেন তালুকদাৰেও বিহুনাম পৰিৱেশন কৰে।

# চাবুৱা পৌৰসভাৰ শপতগ্ৰহণ

**■ পৌৰপতিৰূপে আসন গ্ৰহণ ব্ৰজেন বৰুৱাৰ**

**অগ্ৰদূত বাৰ্ত,**

**চাবুৱা, ১৩ এপ্ৰিল ঃ** বহু প্ৰত্যাশিত পৌৰ নিৰ্বাচনৰ এটা মাহতকৈ অধিক দিন ফলাফলৰ পিছত নিৰ্বাচন আয়োগৰ বিধিমতে আৰু পৌৰ আইন অনুসৰি আজি ৰাজ্যৰ লগতে চাবুৱা পৌৰসভাৰ শপত গ্ৰহণ আৰু কাৰ্যভাৰ গ্ৰহণ সম্পন্ন হয়। চাবুৱা পৌৰসভা প্ৰাংগণত পদেন সদস্যৰূপে বিধায়ক পোনাকণ বৰুৱা, পৌৰপতি হিচাপে ব্ৰজেন বৰুৱাকে ধৰি আন ন গৰাকী ৱাৰ্ড সদস্য-সদস্যাক শপত বাক্য কৰোৱাই চাবুৱা পৌৰসভাৰ কাৰ্যবাহী বিষয়া হিচাপে দায়িত্ব পালন কৰি থকা ডিব্ৰুগড় জিলাৰ অতিৰিক্ত উপায়ুক্ত সীমা নায়কে। চাবুৱা নগৰৰ ৰাইজৰ উপস্থিতিত নৱ-নিৰ্বাচিত জন প্ৰতিনিধি সকলে শপত গ্ৰহণ কৰা অনুষ্ঠানটোত উপস্থিত থাকে চাবুৱা বিধানসভা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱা, লহোৱাল বিধানসভা সমষ্টিৰ বিধায়ক বিনোদ হাজৰিকা, বিজেপিৰ অ' বি চি মৰ্চাৰ ডিব্ৰুগড় জিলাৰ সভাপতি মৃদুল ৰাজখোৱা, পানীতোলা আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী পাৰুল বৰুৱা, ডিকম জিলা পৰিষদৰ সদস্য ব্ৰজেন গগৈ, দিনজয় জিলা পৰিষদৰ সদস্য অমল শইকীয়া, বিন্ধাকটা গাঁও পঞ্চায়তৰ সভাপতি তথা পানীতোলা বি জে পি মণ্ডলৰ সভাপতি পুলক সোণোৱাল, বজালতলি গাঁও পঞ্চায়তৰ সভাপতি ৰঞ্জিত ঠাকুৰ, গুইজান গাঁও পঞ্চায়তৰ সভাপতি সঞ্জয় দাসকে ধৰি বহুলোকে। অগপক প্ৰতিনিধিত্ব কৰা চাবুৱাৰ বিধায়ক পোনাকণ বৰুৱা আৰু বি জে পি দলক প্ৰতিনিধিত্ব কৰা লাহোৱালৰ বিধায়ক তথা পৌৰ নিৰ্বাচনৰ তত্বানধায়ক হিচাপে বিনোদ হাজৰিকাই আগন্তুক দিনত দুয়োটা দলৰ জনপ্ৰতিনিধিসকলৰ প্ৰচেষ্টাত চাবুৱা নগৰখন অসমৰ এখন উল্লেখযোগ্য নগৰ হিচাপে গঢ় দিয়াৰ বাবে কাম কৰি যাব বুলি আশা প্ৰকাশ কৰে। উল্লেখ্য যে ৰাজ্য চৰকাৰ গঠনত মিত্ৰজোঁট হিচাপে আছে যদিও চাবুৱা পৌৰ নিৰ্বাচনত দুয়োটা দলে পৃথকৰূপত নিৰ্বাচনত অৱতীৰ্ণ হৈ বি জেপিয়ে আঠখন আসন আৰু অগপই দুখন আসন লাভ কৰিলে। এতিয়া বিজেপিয়ে সংখ্যা গৰিষ্ঠতা লাভ কৰি চাবুৱা পৌৰসভাৰ পৌৰপতি হিচাপে দলটোৰ জ্যেষ্ঠ নেতা ব্ৰজেন বৰুৱাই আজি কাৰ্যভাৰ গ্ৰহণ কৰে।

# শোণিতপুৰত মুখ্যমন্ত্ৰীৰ বিশেষ পৰীক্ষাত ৩০৭০ গৰাকীক জলপানি



**ষ্টাফ ৰিপৰ্টাৰ**

**তেজপুৰ, ১৩ এপ্ৰিল ঃ** মুখ্যমন্ত্ৰীৰ বিশেষ জলপানি পৰীক্ষাত উত্তীৰ্ণ হোৱা2019 বৰ্ষৰ শোণিতপুৰ জিলাৰ 3070 গৰাকী মেধাৱী ছাত্ৰ-ছাত্ৰীক আজি তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সভাকক্ষত জলপানিৰ ধনৰাশিৰ চেক আৰু ম্যাদী জমা পত্ৰৰ প্ৰমাণপত্ৰ প্ৰদান কৰে তেজপুৰৰ বিধায়ক পৃথ্বিৰাজ ৰাভা আৰু শোণিতপুৰৰ উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰই । শোণিতপুৰ জিলা প্ৰাথমিক শিক্ষা বিভাগৰ উদ্যোগত তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত অনুষ্ঠানটোৰ আৰম্ভণিতে উদ্দেশ্য ব্যাখ্যা আৰু আদৰণী ভাষণ আগবঢ়ায় শোণিতপুৰ জিলা প্ৰাথমিক শিক্ষা বিষয়া তথা শোণিতপুৰ জিলা সংমণ্ডলৰ বিদ্যালয় সমূহৰ পৰিদৰ্শক প্ৰভাত দাসে চৰকাৰৰ এই আঁচনিৰ সন্দৰ্ভত আলোকপাত কৰাৰ পাছত শোণিতপুৰৰ উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰই ভাষণ প্ৰদান কৰি 154 বছৰীয়া ঐতিহ্যৰে মহীয়ান বিদ্যালয়খনত অধ্যয়ন কৰা অসমৰ জাতীয় জীৱনৰ পুৰোধা ব্যক্তি সকলক স্মৰণ কৰে। শোণিতপুৰ প্ৰেছ ক্লাবৰ সম্পাদক পংকজ বৰুৱাই আঁত ধৰা আৰু শোণিতপুৰৰ শিক্ষা বিভাগৰ দায়িত্বত থকা অতিৰিক্ত উপায়ুক্ত দ্যোতিভা বৰা, বিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষা ৰিঞ্জুমনি নেওগ বৰা আৰু জিলাখনৰ সকলো শিক্ষা খণ্ডৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া আৰু উপ-পৰিদৰ্শক আদিয়ে অংশগ্ৰহণ কৰে। উক্ত অনুষ্ঠানটোত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি তেজপুৰৰ বিধায়ক ৰাভাই তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ক ইতিমধ্যে আদৰ্শ বিদ্যালয় হিচাপে গঢ়ি তোলাৰ পাছত হেৰিটেজ বিদ্যালয় হিচাপেও গঢ়ি তোলাৰ কথা ভবা হৈছে বুলি কৈ ছাত্ৰ ছাত্ৰী সকলক পৰীক্ষাত অৱতীৰ্ণ হৈ সুনাম অৰ্জন কৰিব পৰা বহু দিশ আলোকপাত কৰে। ইয়াৰ পাছতেই বিধায়ক আৰু উপযুক্তৰ লগতে অতিৰিক্ত উপায়ুক্ত দ্যোতিভা বৰা আৰু শিক্ষা বিষয়া প্ৰভাত দাসে 3070 গৰাকী মেধাৱী ছাত্ৰ-ছাত্ৰীৰ 10 গৰাকীক মুখ্যমন্ত্ৰীৰ বিশেষ জলপানি পৰীক্ষাৰ চেক আৰু ম্যাদী জমাৰ প্ৰমাণ পত্ৰ প্ৰদান কৰে

# শিক্ষাবিদ-পৰিচালক দীনেশ গগৈলৈ 'ধনশিৰি উপত্যকা বঁটা'

**বিশেষ সংবাদদাতা**

**গোলাঘাট, ১৩ এপ্ৰিল ঃ** শিক্ষাবিদ, লেখক, নিৱন্ধকাৰ, বোলছবি পৰিচালক, সাংস্কৃতিক কৰ্মী দীনেশ গগৈলৈ ৬১ সংখ্যক গোলাঘাট কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ ধনশিৰি উপত্যকা বঁটা আজি ঘোষণা কৰা হৈছে। সন্মিলনৰ উদ্‌যাপন সমিতিয়ে আজি আয়োজন কৰা সংবাদমেলযোগে এই বঁটাৰ বিষয়ে ঘোষণা কৰে। গোলাঘাট নগৰৰ সমন্বয় ক্ষেত্ৰত অহা ২৭,২৮ আৰু ২৯ এপ্ৰিল তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা ৬১ সংখ্যক গোলাঘাট কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ অন্তিম দিনাৰ কাৰ্যসূচীৰ অহা সন্ধিয়া এক অনুষ্ঠানত উক্ত বঁটা প্ৰদান কৰিব। উল্লেখ্য যে অৱসৰপ্ৰাপ্ত অধ্যাপক দীনেশ গগৈয়ে শৈক্ষিক, সামাজিক, বৌদ্ধিক, ক্ৰীড়া আদি বিভিন্ন ক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ বাবে হীৰক জয়ন্তী বৰ্ষ অতিক্ৰম কৰা ঐতিহ্যমণ্ডিত গোলাঘাট কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনে এই সন্মানীয় বঁটা আগবঢ়াইছে। সংবাদমেলত ৬১ সংখ্যক গোলাঘাট কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ উদ্‌যাপন সমিতিৰ সভাপতি পূৰ্ণ ৰাজখোৱা, কাৰ্যকৰী সভাপতি দেৱজিৎ ফুকন, সাধাৰণ সম্পাদক দিগন্ত কুমাৰ ভূঞা, ধনশিৰি উপত্যকা বঁটা নিৰ্বাচন সমিতিৰ অন্যতম সদস্য পৰিক্ষীত দত্তই অংশগ্ৰহণ কৰি তিনিদিনীয়া কাৰ্যসূচীৰ প্ৰস্তুতিৰ সন্দৰ্ভত অৱগত কৰে।

# চিৰাঙত চাৰে তিনি বিঘা মাটিত একক প্ৰচেষ্টাত গঢ় লৈ উঠিছে অৰ্কিড উদ্যান

**নাচনীলৈ বিহুত যোগান ধৰিব কপৌফুল**

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ১৩ এপ্ৰিল ঃ** চিৰাং জিলাৰ বেংতল অঞ্চলৰ অঠাইবাৰী গাঁৱৰ এজন শিক্ষকে অকলে নিজ ঘৰ, পদূলি আৰু তামোলৰ বাৰীত গঢ়ি তুলিছে নানা তৰহৰ অৰ্কিডৰ সমাহাৰেৰে এক মনোৰম অৰ্কিড উদ্যান। প্ৰকৃতিৰ প্ৰতি থকা অগাধ মৰমৰ বাবে শিক্ষকজনে চিৰাং জিলাৰ উত্তৰাঞ্চলৰ বনাঞ্চলসমূহত ভ্ৰমণ কৰি বুটলি আনিছে নানা তৰহৰ কপৌফুল। বিগত ২০১৩ ৰ পৰা ভাৰত ভুটান সীমান্তৰ পৰা চোৰাং বেপাৰীয়ে কটা বৰ বৰ গছত ফুলি থকা বা লাগি থকা গছৰ পৰা বুটলি আনি নিজৰ ঘৰৰ পদূলি, ঘৰ আৰু বাৰীত সংৰক্ষণ কৰি ৰখাৰ প্ৰয়াস কৰিছে। শিক্ষকজনে বিগত ক'ভিড-১৯ৰ সংক্ৰমণ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত তলাবন্ধৰ সময়ছোৱাত নিজৰ সৃষ্ট অৰ্কিড উদ্যান গঢ়ি তুলিবলৈ সুযোগ লাভ কৰে। সম্প্ৰতি উদ্যানখনত দুশৰো অধিক নানা তৰহৰ কপৌফুল থকাৰ উপৰি শিক্ষকজনে বাহিৰৰ পৰাও অৰ্কিড অৰ্থাৎ কপৌফুল বন্ধুৰ সহযোগত আনি সংৰক্ষণ কৰিছে বুলি জানিবলৈ দিছে। এতিয়াও উদ্যানখনৰ কপৌফুল বিক্ৰী কৰা নাই যদিও গ্ৰাহকৰ চাহিদাৰ বাবে কোনো কোনো সময়ত বিক্ৰী কৰি আহিছে বুলি জানিবলৈ দিয়ে। বেংতলৰ পুব ডোমগাঁও প্ৰাথমিক বিদ্যালয়ৰ অমঞ্জুৰিপ্ৰাপ্ত শিক্ষক অঞ্জুৰাম নাৰ্জাৰীয়ে বৃদ্ধা মা আৰু পত্নীৰ সহযোগিতাত উদ্যানখন গঢ়ি তুলিবলৈ সক্ষম হৈছে। এতিয়ালৈ বিটিচি প্ৰশাসনৰ পৰা কিছু সাহায্য লাভ কৰিলেও শিক্ষকজনে উল্লিখিত উদ্যানখনৰ সংৰক্ষণৰ বাবে আৰ্থিক সহায়ৰ প্ৰয়োজন হ'ব বুলি মত ব্যক্ত কৰে। ব'হাগ বিহু বা ৰংজালী বৈশাগু পদূলিমুখত। বিহু নাচিবলৈ নাচনীৰ প্ৰয়োজন হ'ব কপৌফুলৰ।



# ৰঙিয়াৰ ব্যৱসায়ী আনোৱাৰ হুছেইনৰ বিয়োগ

**অগ্ৰদূত বাৰ্তা**

**ৰঙিয়া, ১৩ এপ্ৰিল ঃ** ৰঙিয়া আঠ নম্বৰ ৱাৰ্ডৰ শৌলমাৰী নিবাসী ব্যৱসায়ী আনোৱাৰ হুছেইন (৫৯)ৰ যোৱা নিশা গুৱাহাটীৰ এখন চিকিৎসালয়ত মৃত্যু হয়। প্ৰয়াত হুছেইনে কিছুমাহ ধৰি মধুমেহ ৰোগত ভুগী চিকিৎসাধীন হৈ আছিল। বাবুজানৰ মৃত্যুৰ খবৰ পোৱামাত্ৰে ৰঙিয়া শৌলমাৰীত শোকৰ ছাঁ পৰে। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ দুগৰাকী কন্যা আৰু এজন পুত্ৰ এৰি যায়। বিভিন্ন সামাজিক কামত জড়িত হুছেইনৰ মৃত্যুত অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, স্থানীয় ব্যৱসায়ীসকলৰ উপৰি ভালে সংখ্যক গুণমুগ্ধই শোক প্ৰকাশ কৰিছে।

# ঢেকিয়াজুলিৰ জুলীয়াত বাসন্তী পূজা-মেলা সম্পন্ন

**ষ্টাফ ৰিপৰ্টাৰ**

**তেজপুৰ, ১৩ এপ্ৰিল ঃ** বিগত বৰ্ষসমূহৰ দৰে এইবাৰো শক্তিৰ আৰাধ্য দেৱী বাসন্তীৰ বন্দনাৰে মুখৰিত হ'ল জুলীয়া চাহ বাগিচাৰ ৰাজহুৱা খেলপথাৰ প্ৰাংগণ। ঢেকিয়াজুলি বিধানসভা সমষ্টিৰ ঢেকিয়াজুলি ৰাজহ চক্ৰৰ জুলীয়া চাহ বাগিচাৰ ৰাজহুৱা খেলপথাৰত প্ৰয়াত হেমাংগ চৌধুৰী, ৰঘুবীৰ সাহা, বিজয় আচাৰ্যৰ লগতে অৰুণ তাঁতীৰ প্ৰচেষ্টাত আৰু অঞ্চলটোৰ স্থানীয় তথা বিভিন্ন অঞ্চলৰ ৰাইজৰ সহযোগত ২০০৬ত জুলীয়া চাহ বাগিচাৰ ৰাজহুৱা খেলপথাৰত আৰম্ভ কৰা হৈছিল এইখন পূজা। অশোকাষ্টমীৰ লগত সংগতি ৰাখি বিগত বৰ্ষবোৰৰ দৰে এইবাৰ ১৬ সংখ্যক পূজাখন সাদিনীয়া কাৰ্যসূচীৰে আৰম্ভ কৰা হয়। আয়তীসকলে নৱৰাত্ৰি পালন কৰি ষষ্ঠীৰ দিনাৰ পৰাই আৰম্ভ কৰা পূজাখনত কুমাৰী পূজাও অনুষ্ঠিত হয়। দৈনিক ফুল তুলসীৰে সমাপন কৰা বাসন্তী পূজাৰ সমান্তৰালকৈ স্বাস্থ্য বিভাগৰ নীতি-নিৰ্দেশনা মানি জুলীয়া চাহ বাগিচাৰ যুৱক সংঘই সাত এপ্ৰিলৰ পৰা আৰম্ভ কৰে মেলাৰ। পূজাৰ অন্তিম তথা দশমী পূজাৰ দিনা পৰিচালনা সমিতিৰ আমন্ত্ৰণ ৰক্ষা কৰি কৃষক শ্ৰমিক সুৰক্ষা সংগ্ৰাম সমিতি অসমৰ সভাপতি প্ৰশান্ত বৈশ্য পূজাথলীত উপস্থিত হয়। বৈশ্যৰ লগতে অঞ্চলটোৰ একাংশ জ্যেষ্ঠ ব্যক্তিক জুলীয়া বাসন্তী পূজা পৰিচালনা সমিতিয়ে সম্বৰ্ধনা জনায়।

# উৰুকাত খাদ্য সামগ্ৰী বিতৰণ ছাত্ৰ সন্থাৰ

**অগ্ৰদূত বাৰ্তা**

**টীয়ক, ১৩ এপ্ৰিল ঃ** যোৰহাট জিলাৰ টীয়ক বিধানসভা সমষ্টিৰ অন্তৰ্গত দুৰ্ভগীয়া পৰিয়ালক উৰুকাৰ দিনা বিভিন্ন অঞ্চলত সদৌ অসম ছাত্ৰ সন্থাৰ কৰ্মীয়ে খাদ্য সামগ্ৰী বিতৰণ কৰে। সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক জিতু নেওগৰ নেতৃত্বত শিমলুগুৰি মৌজা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি দেৱব্ৰত শইকীয়া, সাধাৰণ সম্পাদক পবিত্ৰ শইকীয়া, সমাজকৰ্মী পল্লৱ শইকীয়া আৰু ৰেঙণি এটি আশাৰ সঞ্চালক বিজু কুমাৰ শইকীয়াসহ এটি দল উপস্থিত হৈ বিহুৰ শুভেচ্ছা যাঁচি খাদ্য সামগ্ৰীৰ টোপোলা অৰ্পণ কৰে।

# সৃজনগ্ৰামত বিষুৱা উৎসৱৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ১৩ এপ্ৰিল ঃ** বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম অঞ্চলৰ সোণাখুলিত অহা ১৬ এপ্ৰিলত এদিনীয়া কাৰ্যসূচীৰে কোচ ৰাজবংশীসকলৰ বসন্ত উৎসৱ বিষুৱা তথা সাত তিথি পালন কৰিব। অঞ্চলটোৰ সোণাখুলি দ্বিতীয় খণ্ডৰ দহেলাপাৰাত বিষুৱাৰ পতাকা উত্তোলনেৰে আৰম্ভ কৰাৰ পাছত বিষুৱা অভ্যৰ্থনা সমিতিৰ পতাকা উত্তোলন কৰিব সভানেত্ৰী দীপালী চৌধুৰীয়ে। তাৰ পাছতে বিশ্ব মহাবীৰ চিলাৰায়ৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰিব ক্ৰমে সম্পাদিকা মিনতি ৰায় আৰু চক্ৰভৌম পঞ্চায়তৰ সভাপতি ৰজনী ৰায়ে। ছহিদ বেদীত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰিব ক্ৰমে সাংস্কৃতিক সম্পাদক প্ৰশান্ত ৰায় আৰু উপ-সভানেত্ৰী সন্ধ্যা ৰায়ে। পাছত দহেলাপাৰা গাঁৱৰ প্ৰতিটো পৰিয়ালৰ মুৰব্বীক অভ্যৰ্থনা সমিতিৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হ'ব। দুপৰীয়া অৱসৰপ্ৰাপ্ত এ চি এছ বিষয়া ৰোহিণী কুমাৰ চৌধুৰীৰ উদ্বোধনেৰে অনুষ্ঠিত হ'ব সাংস্কৃতিক অনুষ্ঠান।

# বামুণীমৈদামত অচিনাক্ত মৃতদেহ উদ্ধাৰ

**ষ্টাফ ৰিপৰ্টাৰ**

**গুৱাহাটী, ১৩ এপ্ৰিল ঃ** মহানগৰীৰ বামুণীমৈদামৰ নিউ গুৱাহাটী ৰেলৱে কল'নীত আজি দুপৰীয়া নলাত এজন অচিনাক্ত লোকৰ মৃতদেহ উদ্ধাৰ হয়। চানমাৰি থানাৰ আৰক্ষীয়ে উল্লেখ কৰা মতে, অচিনাক্ত লোকজনৰ কি কাৰণত মৃত্যু হ'ল সেই বিষয়ে জানিব পৰা হোৱা নাই। নিশা মৃত্যু হোৱা লোকজনৰ শৰীৰত কোনো আঘাতৰ চিন নাই বুলি আৰক্ষীয়ে কয়। উল্লেখ্য যে বিগত ৭২ ঘণ্টাত মহানগৰীত ইয়াকে লৈ নটা মৃতদেহ উদ্ধাৰ হয়।

# কোকৰাঝাৰত গুৰুদেৱ কালীচৰণ ব্ৰহ্মৰ ১৬৩ সংখ্যক জন্মজয়ন্তীৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**কোকৰাঝাৰ, ১৩ এপ্ৰিল ঃ** মহাপুৰুষ আখ্যা লাভ কৰা, ব্ৰহ্ম ধৰ্মৰ গুৰু তথা সমাজ সংস্কাৰক গুৰুদেৱ কালীচৰণ ব্ৰহ্মৰ ১৬৩ সংখ্যক জন্মজয়ন্তী অহা ১৮ এপ্ৰিলত কোকৰাঝাৰস্থিত বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ চৌহদত উদ্‌যাপন কৰা হ'ব। এই উপলক্ষে সকলোবোৰ প্ৰস্তুতি অব্যাহত ৰখা হৈছে বুলি জানিবলৈ দিছে অভ্যৰ্থনা সমিতিৰ সভাপতি বিজিত গৌৰা নাৰ্জাৰীয়ে। উল্লেখ্য যে বিটিচি পৰিষদীয় চৰকাৰৰ উদ্যোগত উদ্‌যাপিত হ'ব লগা গুৰুদেৱ কালীচৰণ ব্ৰহ্মৰ ১৬৩ সংখ্যক জন্মজয়ন্তী উপলক্ষে ১৮ এপ্ৰিলৰ পুৱা যজ্ঞ আহুতিৰ উদ্বোধন কৰিব সদৌ ব্ৰহ্ম ধৰ্ম প্ৰচাৰ সংসদৰ সম্পাদক ছিমেন বসুমতাৰীয়ে। গুৰুদেৱ কালীচৰণ ব্ৰহ্মৰ প্ৰতিমূৰ্তি উন্মোচন কৰি বিটিচি প্ৰধান প্ৰমোদ বড়োৱে। ইয়াৰ পাছতে দিনৰ ১০ বজাৰ পৰা ১২ বজালৈ মুকলি সভা অনুষ্ঠিত হ'ব। মুকলি সভাত উদ্বোধনী ভাষণ আগবঢ়াব গুৰুদেৱ কালীচৰণ ব্ৰহ্ম ট্ৰাষ্টৰ সভাপতি ড° অজিত বড়োৱে। মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই উদ্বোধন কৰা মুকলি সভাত আদৰণি ভাষণ আগবঢ়াব অভ্যৰ্থনা সমিতিৰ সভাপতি তথা এমচিএলএ বিজিত গৌৰা নাৰ্জাৰীয়ে। মুকলি সভাত মুখ্য অতিথি ৰূপে উপস্থিত থাকিব বিটিচি প্ৰধান প্ৰমোদ বড়ো। আনহাতে, দুপৰীয়া মুখপত্ৰ মুকলি কৰিব বড়ো সাহিত্য সভাৰ সভাপতি তৰেন বড়োৱে। মুখপত্ৰ মুকলি সভাত মুখ্য অতিথি হিচাপে বিটিচি প্ৰধান প্ৰমোদ বড়ো, নিৰ্দিষ্ট বক্তা ৰূপে অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী আৰু সাহিত্য একাডেমী বঁটাপ্ৰাপ্ত সুৰত নাৰ্জাৰী উপস্থিত থাকিব। বিশেষ অতিথি ৰূপে বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ উপাচাৰ্য লাইশ্ৰাম লাডুসিং, বিটিচিৰ অধ্যক্ষ কাতিৰাম বড়ো, কাৰ্যবাহী সদস্য ক্ৰমে উকীল মুছাহাৰী, নিলুৎ স্বৰ্গীয়াৰী, উইলছন হাসদা, অৰূপ কুমাৰ দে, বিকেডব্লিউএচিৰ চিইএম মিহিনেশ্বৰ বসুমতাৰী, বিধায়ক লৰেন্স ইছলাৰীকে ধৰি বহু বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব।

# টিহুত তিনিগৰাকী সত্তোৰ্দ্ধৰ শিপিনীক সম্বৰ্ধনা জ্ঞাপন



**অগ্ৰদূত বাৰ্তা**

**টিহু, ১৩ এপ্ৰিল ঃ** মহিলা সবলীকৰণ আৰু টিহু অঞ্চলৰ শিপিনীসকলক অনুপ্ৰেৰণা যোগাই সংগঠিত ৰূপত আগবঢ়াই নিয়াৰ উদ্দেশ্যে গঠিত টিহুৰ অন্যতম আগশাৰীৰ স্বেচ্ছাসেৱী সংগঠন গামোচাৰ উদ্যোগত যোৱা ন এপ্ৰিলৰ পৰা আৰম্ভ হোৱা পাঁচদিনীয়া ব'হাগী বস্ত্ৰমেলাৰ আজি সামৰণি পৰে। এই উপলক্ষে গামোচাৰ উপ-সভানেত্ৰী অঞ্জু কলিতাৰ পৌৰোহিত্যত আৰু সম্পাদিকা ববিতা দাসে আঁত ধৰা সামৰণি অনুষ্ঠানত সৰ্বেশ্বৰ দাস জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ প্ৰবক্তা সৰলা দেৱীয়ে সমল ব্যক্তি হিচাপে ভাষণ দি মহিলাসকল স্বাৱলম্বী হ'বলৈ পালন কৰিবলগীয়া দায়িত্ব-কৰ্তব্যৰ উপৰি সমাজৰ প্ৰতি কৰণীয় সম্পৰ্কে ভাষণ দি মহিলাসকলক সাহস আৰু সততাৰে আগবাঢ়ি আহিবলৈ আহ্বান জনায়। সভাত হস্ততাঁত আৰু ৰেচম বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী চন্দ্ৰকান্ত দাসে হস্ততাঁত বিভাগৰ বিধি-বিধান সম্পৰ্কে কোৱাৰ উপৰি গামোচাৰ সম্পাদিকা ববিতা দাসে সংগঠনটোৰ লক্ষ্য আৰু উদ্দেশ্য সম্পৰ্কে বহলাই কয়। গ্ৰীণ বজালীৰ অধ্যক্ষ আনন্দ খাটনিয়াৰ, জ্যেষ্ঠ সাংবাদিকদ্বয় পংকজ বেজবৰুৱা আৰু অজিত কুমাৰ শৰ্মাই শুভেচ্ছামূলক বক্তব্য আগবঢ়োৱা অনুষ্ঠানত টিহুৰ ক্ষেত্ৰাপাৰাৰ তিনিগৰাকী সত্তোৰ্দ্ধৰ জ্যেষ্ঠ শিপিনী বীণা ডেকা, হৰমায়া ডেকা আৰু বিচিত্ৰা ডেকাক সম্বৰ্ধনা জ্ঞাপন কৰা হয়।






### কোৱাৰ্টাৰৰ দ্বিতীয় লেগৰ মেচত চেলছিৰ জয়ৰ পাছতো অন্তিম ১০ মিনিটৰ নাটকীয় খেলে দলক লক্ষ্যৰ পৰা আঁতৰাই আনিলে

# চেম্পিয়নছ লীগ ফুটবলৰ ছেমিফাইনেলত ৰিয়াল মাদ্ৰিদ

**মাদ্ৰিদ, ১৩ এপ্ৰিল ঃ** দ্বিতীয় লেগৰ মেচত পৰাস্ত হোৱাৰ পাছতো চেম্পিয়নছ লীগ ফুটবলৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে স্পেনিছ ক্লাব ৰিয়াল মাদ্ৰিদে। উল্লেখ্য যে যোৱানিশা অনুষ্ঠিত হোৱা কোৱাৰ্টাৰ ফাইনেলৰ দ্বিতীয় লেগৰ মেচত ইনিংছ ক্লাব চেলছিয়ে 3-2 গ'লৰ ব্যৱধানত পৰাস্ত কৰে ৰিয়াল মাদ্ৰিদক। কিন্তু সামগ্ৰিকভাৱে ৰিয়াল মাদ্ৰিদে 5-4 গ'লৰ ব্যৱধানত জয়ী হৈ ছেমিফাইনেলত প্ৰৱেশ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে যোৱানিশা অনুষ্ঠিত হোৱা কোৱাৰ্টাৰ ফাইনেলৰ দ্বিতীয় লেগৰ মেচত ইনিংছ ক্লাব চেলছিয়ে মাউণ্ট (15 মিনিট), ৰুদিগাৰ (51 মিনিট) আৰু ৱাৰ্ণাৰৰ (75 মিনিট) গ'লেৰে খেলৰ 80 মিনিটলৈ 3-0 ত আগবাঢ়ি আছিল। তেতিয়া চেলছিৰ সমাগ্ৰিক অগ্ৰগতি 4-3¼ কিন্তু অন্তিম 10 মিনিটত দলে দুটা গ'ল হজম কৰাৰ বাবে ছেমিফাইনেলত প্ৰৱেশ কৰিব নোৱাৰিলে। ৰিয়ালৰ হৈ 80 মিনিটত ৰড্ৰীগোই আৰু 96 মিনিটত তাৰকা ষ্ট্ৰাইকাৰ কৰিম বেনজেমাই গ'ল কৰি স্পেনিছ ক্লাবটোক ছেমিফাইনেলত প্ৰৱেশ কৰোৱায়। উল্লেখ্য যে ইয়াৰপূৰ্বে প্ৰথম লেগৰ মেচত ৰিয়াল মাদ্ৰিদে 3-1 ৰ ব্যৱধানত পৰাস্ত কৰিছিল ইনিংছ ক্লাব চেলছিক। সেই মেচত ৰিয়ালৰ হৈ খেলৰ 21, 24 আৰু 46 মিনিটত তিনিটা গ'ল কৰি হেট্ৰিক অৰ্জন কৰিছিল ফৰাচী তাৰকা ষ্ট্ৰাইকাৰ কৰিম বেনজেমাই। বিপৰীতে চেলছিৰ হৈ 40 মিনিটত একমাত্ৰ গ'লটো দিছিল হাভাৰ্টেজে। চেম্পিয়নছ লীগত বেনজেমাই ক্ৰমাগত দ্বিতীয় মেচত হেট্ৰিক অৰ্জন কৰিছিল। উল্লেখ্য যে কোৱাৰ্টাৰ ফাইনেলৰ প্ৰথম লেগৰ মেচতে ৰিয়াল মাদ্ৰিদে 3-1 ৰ ব্যৱধানত জয়ী হোৱাৰ পাছত দলৰ ছেমিফাইনেলত প্ৰৱেশ প্ৰায় নিশ্চিত হৈছিল যদিও যোৱানিশা চেলছিয়ে যুঁজ দি সফলতা লাভৰ দিশে অগ্ৰসৰ হয় যদিও অন্তিম 10 মিনিটত দলে দুটা গ'ল হজম কৰাৰ বাবে লক্ষ্যত উপনীত হ'ব নোৱাৰিলে। বিপৰীতে ৰিয়ালৰ গৌৰৱময় যাত্ৰা অব্যাহত আছে চম্পিয়নছ লীগ। ইয়াৰপূৰ্বে প্ৰি-কোৱাৰ্টাৰ ফাইনেলৰ দ্বিতীয় লেগৰ মেচত ৰিয়াল মাদ্ৰিদে 3-1 ৰ ব্যৱধানত পৰাস্ত কৰিছিল পি এছ জিক। উল্লেখ্য যে প্ৰি-কোৱাৰ্টাৰ ফাইনেলৰ প্ৰথম লেগৰ মেচত পি এছ জি জয়লাভ কৰি আগবাঢ়ি আছিল। ৰোমাঞ্চকৰ মেচত ফ্ৰান্সৰ ক্লাব পি এছ জিয়ে স্পেইনৰ ক্লাব ৰিয়াল মাদ্ৰিদক একমাত্ৰ গ'লত হৰুৱাইছিল। খেলৰ প্ৰথম 90 মিনিটত কোনো গ'ল নহ'ল যদিও পি এছ জিৰ তাৰকা এমবাপ্পে ইঞ্জুৰী টাইমত গ'ল কৰি দলক 1-0 ৰ বিজয় দিয়ে। অৱশ্যে পি এছ জি আৰু ৰিয়াল মাদ্ৰিদৰ কোনটো দল কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিব সেয়া প্ৰি-কোৱাৰ্টাৰ ফাইনেলৰ দ্বিতীয় লেগৰ মেচতহে নিৰ্ণয় হয়। দ্বিতীয় লেগৰ মেচতো পি এছ জিয়ে প্ৰথমে গ'ল কৰিছিল। দলক অগ্ৰগতি দিয়ে তাৰকা এমবাপ্পে। কিন্তু পি এছ জিয়ে সামগ্ৰীকভাৱে 2-0 ৰ ব্যৱধানত অগ্ৰগতি লয় যদিও দ্বিতীয়াৰ্ধত ৰিয়ালৰ ফৰাচী তাৰকা কৰিম বেনজেমাই তিনিটা গ'ল কৰি হেট্ৰিক অৰ্জনৰে দলক মেচত 3-1 ৰ ব্যৱধানত বিজয় কৰোৱাৰ লগতে সামগ্ৰিকভাৱে 3-2 ৰ ব্যৱধানেৰে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰোৱায়।






## বেয়াৰ্ণ মিউনিখক হৰুৱাই অন্তিম চাৰিত স্পেনিছ ক্লাব ভিল্লাৰিয়াল

**মিউনিখ, ১৩ এপ্ৰিল ঃ** ৰিয়াল মাদ্ৰিদৰ লগতে চলিত চেম্পিয়নছ লীগ ফুটবলৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে আৰু এটা স্পেনিছ ক্লাব। উল্লেখ্য যে চমক সৃষ্টি কৰি ভিল্লাৰিয়ালে জাৰ্মানীৰ ক্লাব বেয়াৰ্ণ মিউনিখক পৰাস্ত কৰি চলিত চেম্পিয়নছ লীগ ফুটবলৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে। যোৱানিশা অনুষ্ঠিত হোৱা কোৱাৰ্টাৰ ফাইনেলৰ দ্বিতীয় লেগৰ মেচত স্পনিছ ক্লাব ভিল্লাৰিয়ালে 1-1 গ'লৰ ব্যৱধানত ড্ৰ খেলে জাৰ্মানীৰ ক্লাব বেয়াৰ্ণ মিউনিখৰ লগত। কিন্তু সামগ্ৰিকভাৱে ভিল্লাৰিয়ালে বেয়াৰ্ণ মিউনিখক 2-1 গ'লৰ ব্যৱধানত পৰাস্ত কৰি চলিত চেম্পিয়নছ লীগ ফুটবলৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে। এই পৰাজয়ৰ পাছতে চেম্পিয়নছ লীগ ফুটবলৰ পৰা বিদায় লয় বেয়াৰ্ণ মিউনিখে। উল্লেখ্য যে ইয়াৰপূৰ্বে হোৱা কোৱাৰ্টাৰ ফাইনেলৰ প্ৰথম লেগৰ মেচত স্পেনিছ ক্লাব ভিল্লাৰিয়ালে একমাত্ৰ গ'লত পৰাস্ত কৰিছিল জাৰ্মানীৰ ক্লাব বেয়াৰ্ণ মিউনিখক। উল্লেখ্য যে ৰবাৰ্ট লেৱাণ্ডোস্কিৰ (51মিনিট) গ'লেৰে বেয়াৰ্ণে মেচক প্ৰথমে 1-0 গ'লৰ অগ্ৰগতি লৈছিল যদিও 88 মিনিটত ভিল্লাৰিয়ালৰ হৈ চুকবুজে গ'ল কৰি মেচত সমতা স্থাপন কৰে আৰু দলৰ ছেমিফাইনেলত প্ৰৱেশ নিশ্চিত হয়।

### চাৰিখনকৈ মেচ খেলাৰ পাছত উভয় দলৰে ছয় পইণ্ট লাভ

## আই পি এলত আজি ৰাজস্থানৰ বিৰুদ্ধে গুজৰাট

**মুম্বাই, ১৩ এপ্ৰিল ঃ** চলিত আই পি এলত কাইলৈ হ'বলগা মেচত ৰাজস্থান ৰয়েলছে খেলিব গুজৰাট টাইটানৰ বিৰুদ্ধে। উল্লেখ্য যে উভয় দলে ইতিমধ্যে তিনিখন মেচত জয়লাভ কৰি ছয় পইণ্ট অৰ্জন কৰিছে। কিন্তু ৰাণ ৰেট ৰাজস্থান ৰয়েলছৰ উন্নত। চাৰিখনকৈ মেচ খেলা ৰাজস্থান ৰয়েলছ আৰু গুজৰাট টাইটানে মাত্ৰ এখন মেচতহে পৰাজয়ৰ সন্মুখীন হৈছে। ডি ৱাই পাটিল ষ্টেডিয়ামত অনুষ্ঠিত হোৱা অন্তিম খেলত ছানৰাইজাৰ্ছ হায়দৰবাদৰ বিৰুদ্ধে আঠ উইকেটত পৰাস্ত হয় গুজৰাট টাইটানছ দল। উল্লেখ্য যে এয়া ছানৰাইজাৰ্ছ হায়দৰবাদৰ ক্ৰমাগত দ্বিতীয় বিজয় হোৱাৰ বিপৰীতে চলিত আই পি এলত প্ৰথম পৰাজয়ৰ সন্মুখীন হৈছিল গুজৰাট টাইটানছ দল। মেচখনত পোনতে বেটিং কৰা গুজৰাট টাইটানছ দলে সাত উইকেটত 162 ৰাণ কৰে। দলৰ হৈ সৰ্বাধিক 50 ৰাণ কৰে অধিনায়ক হাৰ্দিক পাণ্ডিয়াই। প্ৰত্যুত্তৰত ছানৰাইজাৰ্ছ হায়দৰাবাদ দলে 19.1 অভাৰত দুই উইকেটত 168 ৰাণ কৰি আঠ উইকেটত সহজ জয় অৰ্জন কৰে। দলৰ হৈ কেন উইলিয়ামছনে 57 আৰু অভিষেক শৰ্মাই 75 ৰাণ কৰে। উল্লেখ্য যে চলিত আই পি এলত এয়া গুজৰাট টাইটানছৰ প্ৰথম পৰাজয়। এই ব্যৰ্থতাৰ পাছতে দলে শীৰ্ষ চাৰিৰ পৰা অৱনমিত হয়। কাইলৈ দলৰ লক্ষ্য জয়ৰে পুনৰ শীৰ্ষ চাৰিত স্থান নিশ্চিত কৰা। বিপৰীতে জয়ৰ ধাৰাবাহিকতা ধৰি ৰখাৰ লক্ষ্যৰে খেলিব ৰাজস্থান ৰয়েলছে।



## চাৰিখন মেচৰ ব্যৰ্থতাৰ পাছত চেন্নাই ছুপাৰ কিংছৰ প্ৰথম জয়

**মুম্বাই, ১৩ এপ্ৰিল ঃ** চেন্নাই ছুপাৰ কিংছ দলে চলিত আই পি এলত ক্ৰমাগত চতুৰ্থখন মেচত পৰাস্ত হোৱাৰ পাছত অৱশেষত জয়ৰ মুখ দেখিলে। যোৱানিশা অনুষ্ঠিত হোৱা খেলত চেন্নাই ছুপাৰ কিংছ দলে 23 ৰাণত পৰাস্ত কৰে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু দলক। পোনতে বেটিং কৰা চেন্নাই ছুপাৰ কিংছ দলে 20 অভাৰত চাৰি উইকেট হেৰুৱাই 216 ৰাণ কৰে। দলৰ হৈ বিস্ফোৰক বেটিং কৰি শতকীয় যুটি বান্ধে ৰবীন উথাপ্পা আৰু শিৱম ডুবে। উথাপ্পাই 50 বলত নটা ছিক্সাৰসহ 88 ৰাণ কৰাৰ বিপৰীতে ডুবে 46 বলত আঠটা ছিক্সাৰসহ অপৰাজিত 95 ৰাণ কৰে। প্ৰত্যুত্তৰত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু দলে 20 অভাৰত ন উইকেট হেৰুৱাই 193 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। চেন্নাই ছুপাৰ কিংছৰ হৈ টিকছানাই চাৰিটা আৰু ৰবীন্দ্ৰ জাডেজাই তিনিটা উইকেট পায়। উল্লেখ্য যে চলিত আই পি এলৰ পূৰ্বৰ মেচখনত চেন্নাই ছুপাৰ কিংছ দলক আঠ উইকেটত পৰাস্ত কৰিছিল ছানৰাইজাৰ্ছ হায়দৰাবাদ দলে। মেচখনত পোনতে বেটিং কৰা চেন্নাই ছুপাৰ কিংছ দলে সাত উইকেটত 154 ৰাণ কৰে। দলৰ হৈ সৰ্বাধিক 48 ৰাণ কৰে মঈন আলীয়ে। প্ৰত্যুত্তৰত ছানৰাইজাৰ্ছ হায়দৰাবাদ দলে 17.4 অভাৰত দুই উইকেটত 155 ৰাণ কৰি আঠ উইকেটত সহজ জয় অৰ্জন কৰে। দলৰ হৈ অভিষেক শৰ্মাই 75 ৰাণ কৰে। উল্লেখ্য যে চলিত আই পি এলত ক্ৰমাগত চতুৰ্থখন মেচতো জয় অৰ্জন কৰিব নোৱাৰা চেন্নাই ছুপাৰ কিংছ দলে অৱশেষত শক্তিশালী ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু দলক হৰুৱাই প্ৰত্যাশিত প্ৰত্যাৱৰ্তন কৰিলে।

### ক্ৰমাগত পাঁচখন মেচত বেটিং ব্যৰ্থতা

## বিৰাট কোহলিৰ লগত আলোচনাত বহিল অপেনাৰ ৰিতুৰাজ গাইকোৱাড




**মুম্বাই, ১৩ এপ্ৰিল ঃ** চেন্নাই ছুপাৰ কিংছ দলৰ অপেনাৰ ৰিতুৰাজ গাইকোৱাডে চলিত আই পি এলত এতিয়াও ছন্দ বিচাৰি পোৱা নাই। উল্লেখ্য যে বিগত বৰ্ষৰ আই পি এলত সৰ্বাধিক ৰাণ সংগ্ৰহকাৰী বেটছমেন আছিল ৰিতুৰাজ গাইকোৱাড। কিন্তু চলিত আই পি এলত পাঁচখন মেচ খেলাৰ পাছতো বেটত ৰাণ পোৱা নাই। সেয়ে যোৱানিশা টীম ইণ্ডিয়াৰ প্ৰাক্তন অধিনায়ক বিৰাট কোহলিৰ লগত মেচৰ অন্তত কথা পাতে ৰিতুৰাজ গাইকোৱাডে। চলিত আই পি এলৰ যোৱানিশা অনুষ্ঠিত হোৱা খেলত চেন্নাই ছুপাৰ কিংছ দলে 23 ৰাণত পৰাস্ত কৰে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু দলক। পোনতে বেটিং কৰা চেন্নাই ছুপাৰ কিংছ দলে 20 অভাৰত চাৰি উইকেট হেৰুৱাই 216 ৰাণ কৰে। প্ৰত্যুত্তৰত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু দলে 20 অভাৰত ন উইকেট হেৰুৱাই 193 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে চলিত আই পি এলত ক্ৰমাগত চতুৰ্থখন মেচতো জয় অৰ্জন কৰিব নোৱাৰা চেন্নাই ছুপাৰ কিংছ দলে অৱশেষত শক্তিশালী ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু দলক হৰুৱাই প্ৰত্যাশিত প্ৰত্যাৱৰ্তন কৰিছে। ইফালে, যোৱানিশা বিৰাট (এক ৰাণ) ব্যৰ্থ হোৱাৰ বাবে পৰাস্ত হয় আৰ চি বি। অন্তিম মেচত আৰ চি বি দলে সাত উইকেটত পৰাস্ত কৰিছিল মুম্বাই ইণ্ডিয়ানছক। পোনতে বেটিং কৰা মুম্বাই ইণ্ডিয়ানছ দলে ছয় উইকেটত 151 ৰাণ কৰাৰ প্ৰত্যুত্তৰত আৰ চি বিয়ে তিনি উইকেটত 152 ৰাণ কৰি জয় অৰ্জন কৰে। আৰ চি বিয়ে তৃতীয় জয় সাব্যস্ত কৰাৰ পাছত যোৱানিশা পৰাজয়ৰ সন্মুখীন হয়।

### প্ৰথম জয়ৰ পাছত প্ৰতিক্ৰিয়া প্ৰকাশ জাডেজাৰ

## অধিনায়কৰূপে মই এতিয়াও শিকাৰু



**মুম্বাই, ১৩ এপ্ৰিল ঃ** 'অধিনায়ক হিচাপে এতিয়াও মই শিকি আছো। সেয়ে জয়ৰ সফলতা মোৰ নহয় দলৰ।' এই মন্তব্য চেন্নাই ছুপাৰ কিংছ দলৰ অধিনায়ক ৰবীন্দ্ৰ জাডেজাৰ। উল্লেখ্য যে চেন্নাই ছুপাৰ কিংছ দলে চলিত আই পি এলত ক্ৰমাগত চতুৰ্থখন মেচত পৰাস্ত হোৱাৰ পাছত অৱশেষত জয়ৰ মুখ দেখিলে। যোৱানিশা অনুষ্ঠিত হোৱা খেলত চেন্নাই ছুপাৰ কিংছ দলে 23 ৰাণত পৰাস্ত কৰে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু দলক। উল্লেখ্য যে এইবাৰ চেন্নাই ছুপাৰ কিংছ দলক নেতৃত্ব দিছে জাডেজাই। কেৰিয়াৰত প্ৰথমবাৰৰ বাবে অধিনায়ক হৈছে জাডেজা। যোৱানিশাৰ চেন্নাই ছুপাৰ কিংছ দলৰ জয় অধিনায়ক ৰবীন্দ্ৰ জাডেজাৰ প্ৰথম সাফল্য। ৰোমাঞ্চকৰ মেচখনত পোনতে বেটিং কৰা চেন্নাই ছুপাৰ কিংছ দলে 20 অভাৰত চাৰি উইকেট হেৰুৱাই 216 ৰাণ কৰে। দলৰ হৈ বিস্ফোৰক বেটিং কৰি শতকীয় যুটি বান্ধে ৰবীন উথাপ্পা আৰু শিৱম ডুবে। উথাপ্পাই 50 বলত নটা ছিক্সাৰসহ 88 ৰাণ কৰাৰ বিপৰীতে ডুবে 46 বলত আঠটা ছিক্সাৰসহ অপৰাজিত 95 ৰাণ কৰে। প্ৰত্যুত্তৰত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু দলে 20 অভাৰত ন উইকেট হেৰুৱাই 193 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। চেন্নাই ছুপাৰ কিংছৰ হৈ টিকছানাই চাৰিটা আৰু ৰবীন্দ্ৰ জাডেজাই তিনিটা উইকেট পায়।

## খেলৰ কৰ্মশালাত ক্ৰীড়া মন্ত্ৰী বিমল বৰা

**অগ্ৰদূত বাৰ্তা, ৰাজগড়, ১৩ এপ্ৰিল ঃ** সাপেখাতী কাবাডী সন্থা, চৰাইদেউ জিলা হেণ্ডবল সন্থা,পানীবিল উচ্চ মাধ্যমিক বিদ্যালয়ৰ উদ্যোগত আৰু বৃহত্তৰ বগাদাতবাসী ৰাইজৰ সহযোগত টিংখাং সমষ্টিৰ পানীবিল উচ্চ মাধ্যমিক বিদ্যালয় খেলপথাৰত অনুষ্ঠিত 15 দিনীয়া ক্ৰীড়া কৰ্মশালাৰ সফল সামৰণি পৰিছে । সামৰণি অনুষ্ঠানত অসম চৰকাৰৰ ক্ৰীড়া, শক্তি,পযটন আৰু সাংস্কৃতিক মন্ত্ৰী বিমল বড়া , ডিব্ৰুগড় জিলাৰ জিলা ক্ৰীড়া বিষয়া, জিলা শক্তি বিভাগৰ এচ. ডি. অ. লগতে চৰাইদেউ জিলা হেণ্ডবল সন্থাৰ সভাপতি পুষ্পজ্যোতি গগৈ,সাপেখাতী কাবাডী ক্লাবৰ সভাপতি ড0 দীপাংকৰ মালাকাৰ,প্ৰশিক্ষকদ্বয় পূৰ্ণ গগৈ, ম: হুছেইন হক আৰু সহকাৰী প্ৰশিক্ষক হিচাপে নিৰঞ্জন শইকীয়া, প্ৰফুল্ল গগৈ, জিন্তু গগৈ আদিয়ে খেলুৱৈ সকলক উৎসাহিত কৰে। পানীবিল উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক কৃষ্ণ শইকীয়াই আঁত ধৰা ক্ৰীড়া কৰ্মশালাৰ সামৰণি অনুষ্ঠানত ছাত্ৰ-ছাত্ৰী সকলক উদ্দেশ্যি মন্ত্ৰী বিমল বড়া আৰু জিলা ক্ৰীড়া বিষয়াই তত্ত্ব গধূৰ বক্তব্য আগবঢ়ায় লগতে ক্ৰীড়া কৰ্মশালাত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰী সকলক একোখন মানপত্ৰ প্ৰদান কৰে । অনুষ্ঠানত ছাত্ৰ-ছাত্ৰী সকলৰ অভিভাৱক-অভিভাৱিকা সকল, বগাদাতৰ প্ৰাক্তন খেলুৱৈ সকলৰ সমন্বিতে ক্ৰীড়া কৰ্মশালা খনিৰ মুখ্য সমন্বয়ক হিচাপে টিংখাঙৰ প্ৰবীণ ক্ৰীড়া সংগঠক তথা ৰাজগড় উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক ইন্দ্ৰ গগৈয়ে বিশেষ সহযোগীতা আগবাঢ়ায় । উল্লেখ্য যে উক্ত ক্ৰীড়া কৰ্মশালাত বৃহত্তৰ বগাদাত অঞ্চলৰ প্ৰায় ডেৰ শতাধিক ছাত্ৰ -ছাত্ৰীয়ে অংশগ্ৰহণ কৰে ।প্ৰদৰ্শনী মূলক কাবাডী খেলৰ যোগেদি ক্ৰীড়া কৰ্মশালাৰ সামৰণি পৰে। পৰৱৰ্তী সময়ত হেণ্ডবলৰ এক প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হ'ব বুলি ক্ৰীড়া সংগঠক ইন্দ্ৰ গগৈয়ে জানিবলৈ দিয়ে।



## ভলীবলত মাণিকপুৰ আঞ্চলিক কলেজৰ সাফল্য

**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ১৩ এপ্ৰিল ঃ** শিৱসাগৰ কলেজৰ মহাৰজত জয়ন্তীবৰ্ষৰ লগত সংগতি ৰাখি আয়োজিত ৰণেন্দ্ৰনাথ বুঢ়াগোহাঁই আৰু শান্তি দাস সোঁৱৰণী আন্তঃবিশ্ববিদ্যালয় আৰু আন্তঃমহাবিদ্যালয় আমন্ত্ৰিত প্ৰাইজমানি ল'ৰা আৰু ছোৱালীৰ ভলীবল প্ৰতিযোগিতাখনিত উভয়তে বঙাইগাঁৱৰ মাণিকপুৰ আঞ্চলিক কলেজ চূড়ান্ত বিজয়ীৰ সন্মান লাভ কৰিবলৈ সক্ষম হয়। ল'ৰাৰ দলটোৱে প্ৰাইজমাণিসহ ৰণেন্দ্ৰনাথ বুঢ়াগোহাঁই আৰু ছোৱালীৰ দৰটোৱেও নগদ ধনসহ শান্তিক দাস সোঁৱৰণী বঁটা লাভ কৰিবলৈ সক্ষম হয়। ল'ৰা আৰু ছোৱালী শাখাত বিজেতাৰ সন্মান লাভ কৰে যথাক্ৰমে বজালীৰ ভট্টদেৱ বিশ্ববিদ্যালয় আৰু পশ্চিম ধেমাজী মহাবিদ্যালয়ে। ল'ৰাৰ শাখাত শ্ৰেষ্ঠ খেলুৱৈ সন্মান লাভ কৰে দয়াল বসুমতাৰী আৰু ছোৱালী শাখাত শ্ৰেষ্ঠ খেলুৱৈ হিচাপে মাণিকপুৰ আঞ্চলিক কলেজৰ ধৰিত্ৰী কলিতা বিবেচিত হয়। প্ৰতিযোগিতাখনিত ল'ৰাৰ শাখাত সাতটা দলে আৰু ছোৱালীৰ শাখাত সাতটা দলে অংশগ্ৰহণ কৰে। এই প্ৰতিযোগিতাখনিৰ শুভ উদ্বোধন কৰে অৰ্জুন বঁটা বিজয়ী ভোগেশ্বৰ বৰুৱাই। প্ৰতিযোগিতাখনিৰ আহ্বায়ক তথা প্ৰতিযোগিতা উপ-সমিতিৰ সম্পাদক ড$^0$ ৰঞ্জিত কুমাৰ গামে আঁতধৰা অনুষ্ঠানটিত শিৱসাগৰ কলেজৰ লগতে ক্ৰীড়াৰ ক্ষেত্ৰত বিশেষ সফলতা লাভ কৰা একালৰ প্ৰাক্তন খেলুৱৈ প্ৰতাপ চাংকাকতি, হৰেন দুৱৰা, সোমেশ ডেকা, ললিত হাজৰিকা, যাদৱ বৰা, অধ্যাপক ড$^0$ উৎপল দত্ত, ড$^0$ ত্ৰিদিব মহন্ত আৰু উৎপল বৰুৱাক বিশেষ সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে শিৱসাগৰ কলেজৰ অধ্যক্ষ ড$^0$ প্ৰফুল্ল চন্দ্ৰ কলিতাই সকলোৰে আদৰণি জনায়। কলেজৰ একালৰ শিক্ষক প্ৰয়াত ৰনেন্দ্ৰনাথ বুঢ়াগোহাঁই আৰু গ্ৰন্থাগাৰিক শান্তি দাসৰ স্মৃতি চাৰণ কৰে কলেজৰ একালৰ শিক্ষক তথা অধ্যক্ষ, বৰ্তমানৰ পৰিচালনা সমিতিৰ সভাপতি ড$^0$ প্ৰকাশ কটকীয়ে। সামৰণি অনুষ্ঠানত উপস্থিত থাকি 149 চিআৰপিএফ বেটেলিয়ানৰ কামাণ্ডাৰ অজয় কুমাৰ, বেংক অব বৰোডাৰ যোৰহাট সংমণ্ডলৰ দুই প্ৰবন্ধক চন্দন চাহু, সুমিত ঝা, শিৱসাগৰ শাখাৰ হৰিচৰণ পগাগ, ক্ৰীড়াবিদ বিকাশ বৰগোহাঁই, শিৱসাগৰ ক্ৰীড়া সন্থাৰ ভলীবল সম্পাদক দেৱজ্যোতি গগৈ, বিশিষ্ট সমাজকৰ্মী তথা আছুৰ প্ৰাক্তন কেন্দ্ৰীয় নেতা শৰৎ হাজৰিকা, ছাত্ৰনেতা সমীৰণ ফুকন, বসন্ত গগৈ উপস্থিত থাকে। ৰণেন্দ্ৰনাথ বুঢ়াগোহাঁই পৰিয়ালৰ হৈ পুত্ৰ বেদান্ত বুঢ়াগোহাঁই, দুই কন্য সাগৰীকা বুঢ়গোঁহাই আৰু ড$^0$ নীহাৰীকা বুঢ়াগোহাঁই, প্ৰয়াত শান্তি দাসৰ পৰিয়ালৰ হৈ দুই কন্যা সুদক্ষিনা দাস, সুদৰ্শনা দাস অনুষ্ঠানত অংশগ্ৰহণ কৰে।

## বিশ্ব টাইকোৱান-ডলৈ যাবলগীয়া প্ৰতিনিধিক অলিম্পিকৰ সম্বৰ্ধনা



বৰ্ষ শ্ৰেষ্ঠ ক্ৰীড়া প্ৰশাসকৰূপে নিৰ্বাচিত হোৱা অসম ক্ৰীড়া প্ৰাধিকৰণৰ উপাধ্যক্ষ লক্ষ্য কোঁৱৰক আজি আনুষ্ঠানিকভাৱে বঁটা প্ৰদান কৰে জ্যেষ্ঠ সাংবাদিক প্ৰেমধৰ শৰ্মা আৰু সংগঠক মিফতাউদ্দিন আহমেদে।

**গুৱাহাটী, ১৩ এপ্ৰিল ঃ** কোৰিয়াৰ গয়াঙত অনুষ্ঠিত হ'বলগীয়া বিশ্ব টাইকোৱানডো পোমছে চেম্পিয়নশ্বিপত অংশগ্ৰহণৰ বাবে যোগ্যতা অৰ্জন কৰা দুগৰাকী খেলুৱৈ মহাশ্বেতা কাশ্যপ আৰু মৈত্ৰেয়ী শৰ্মাক অসম অলিম্পিক সন্থাই আজি নেহৰু ষ্টেডিয়ামৰ কাৰ্যালয়ত হোৱা এক অনুষ্ঠানত সম্বৰ্ধনা জনায়। অসম অলিম্পিক সন্থাৰ সম্পাদক লক্ষ্য কোঁৱৰে আঁত ধৰা অনুষ্ঠানটোত ভাৰতীয় দলটোৰ প্ৰশিক্ষকৰ দায়িত্ব লাভ কৰা প্ৰীতম কিশোৰ বৰা আৰু প্ৰতিযোগিতাখনত কৰ্মকৰ্তা হিচাপে ভাগ ল'বলগীয়া অসম টাইকোৱানডো সন্থাৰ সাধাৰণ সম্পাদক হিৰণ্য শইকীয়াকো সম্বৰ্ধনা জনোৱা হয়। খেলুৱৈ আৰু প্ৰশিক্ষকক অসম অলিম্পিক সন্থাই একোটাকৈ কিট বেগো প্ৰদান কৰে। উল্লেখ্য, বিশ্ব টাইকোৱানডো চেম্পিয়নশ্বিপ 18 এপ্ৰিলৰ পৰা 25 এপ্ৰিললৈ অনুষ্ঠিত হ'ব। আজিৰ অনুষ্ঠানত অসম অলিম্পিক সন্থাৰ বিষয়ববীয়া হেমন্ত কলিতা, ৰাজীৱ প্ৰকাশ বৰুৱা, বিষ্ণুৰাম নুনিছা, কল্যাণ গগৈ, ভৱজ্যোতি গোস্বামী, শৈৱল সেনগপ্তা, কিশোৰ জয়ন্ত মাধৱ, দেৱজিৎ গগৈ, জেহিৰুল হক, উত্তম ব্ৰহ্ম, প্ৰাঞ্জল বুঢ়াগোহাঁই আদি ব্যক্তিসকল উপস্থিত থাকে।



দৈনিক অগ্ৰদূত
Regn No. RNP/GH-085/2021-2023
গুৱাহাটী, ১৪ এপ্ৰিল, ২০২২ বৃহস্পতিবাৰ পৃষ্ঠা ১৬

# বিহু নামেৰে মুখৰিত দীঘলী বিলৰ পাৰ

## সমন্বয়ৰ নিদৰ্শন দাঙি ধৰি উৰুকাৰ দিনা দীঘলী বিলত সমূহীয়া মাছধৰা উৎসৱ



ৰঙালী বিহুটি আদৰিবলৈ ম'হৰ পিঠিত উঠি বজাইছে শিঙা।

অগ্ৰদূত বাৰ্তা

**নগাঁও, ১৩ এপ্ৰিল ঃ** 'দীঘলী ঐ বিলতে, মোৰ জান ঐ! মাছে মাৰি থাকোতে, পালো নো মই বৰালি-শ'ল।' এই বিহুনামেৰে আজি পুৱাৰে পৰা মুখৰিত হ'ল নগাঁও জিলাৰ হাতীচোঙৰ দীঘলী বিলৰ পাৰ। পুৱাৰে পৰা হাতীচোং, জাজৰি, ৰহা আনকি মৰিগাঁও জিলাৰ পৰাও অহা অসংখ্য ডেকা, আদহীয়া লোকে হাতে-হাতে জাল, পল, জাকৈ আদি লৈ সমৱেত হয়হি দীঘলী বিলৰ পাৰত। সাধাৰণ দৃষ্টিত তেওঁলোকে দীঘলী বিলত মাছ ধৰিবলৈ আহিছে যদিও তেওঁলোকৰ উদ্দেশ্য পৰম্পৰা ৰক্ষা কৰাহে। উল্লেখ্য যে নগাঁও জিলাৰ বিভিন্ন অঞ্চলৰ ৰাইজে সাতামপুৰুষীয়া কেতবোৰ পৰম্পৰাক কোনো আঁচোৰ নপৰাকৈ ৰক্ষা কৰাৰ চেষ্টা কৰি আহিছে। তেনে এক পৰম্পৰা হৈছে ৰঙালী বিহুৰ উৰুকাৰ দিনা সমূহীয়াকৈ মাছ ধৰি আনন্দ-ফূৰ্তি কৰা। সাধাৰণতে অসমীয়া সমাজত ঠাই বিশেষে মাঘ বিহুৰ উৰুকাৰ দিনা সমূহীয়াকৈ মাছ ধৰা এক পৰম্পৰা আছে। কিন্তু নগাঁও জিলাৰ ইতিহাস প্ৰসিদ্ধ হাতীচোঙৰ দীঘলী বিলত ৰঙালী বিহুৰ উৰুকাৰ দিনা সমূহীয়াকৈ মাছধৰা এক পৰম্পৰা আছে। তাহানিৰ দিনৰে পৰা চলি অহা এই সাতামপুৰুষীয়া পৰম্পৰা অক্ষুণ্ণ ৰাখি আজিও পুৱাই জিলাখনৰ হাতীচোং মৌজাৰ ঐতিহাসিক দীঘলী বিলত নামিল সহস্ৰাধিক গঞা। হাতে-হাতে জাকৈ- খালৈ, জুলুকী, জাল, পল লৈ বিলত সমূহীয়াভাৱে মাছ ধৰিলে গ্ৰামাঞ্চলটোৰ ২০খনৰো অধিক গাঁৱৰ ৰাইজে। আনকি এই মাছ ধৰা পৰ্বত অংশগ্ৰহণ কৰিলে ৰহা, মৰিগাঁও আদিৰ পৰা অহা একাংশ ডেকাই।পুৱা হাতীচোং মৌজাৰ মাজগাঁও, কুজীডাঁহ, মেধিচুক, চকলাঘাট, জাজৰি, ক্ষেত্ৰীগাঁও, গজপুৰীয়া, চাউলখোৱা, খাটোৱাল, দৰঙীয়াল, বৰডুবীয়া, টোকোৰাবাহী, পুখুৰীপাৰ, ফুলনিআটী, নমাটি, জামুগুৰি, কমাৰচুক, ৰজাগাঁও, শিমলুতল, ন-ভেটী, খৌৰামোছৰ, ৰাইদঙীয়াকে ধৰি দাঁতি-কাষৰীয়া বিভিন্ন অঞ্চলৰ পৰা মাছ ধৰাৰ বাবে দীঘলী বিলত উপস্থিত হ'ল গঁঞা ৰাইজ। সমূহীয়া মাছ ধৰা পৰ্ব উপলক্ষে উদুলি-মুদুলি পৰিৱেশৰ সৃষ্টি হ'ল দীঘলী বিলৰ দুয়োপাৰে। ঢোলৰ মাত, বিহুনাম আদিৰে মুখৰিত হৈ পৰা দীঘলী বিলৰ পাৰ। কোনোবাই যদি পালে শ'ল-বৰালি, কোনোবাই পালে ৰৌ-ভকুৱা। আন কোনোবাই পালে পুঠি খলিহনাহে। আনহাতে, কোনোবা সন্তুষ্ট থাকিব লগা হ'ল কেঁকোৰা-কুচিয়াতে। মাছ ধৰাৰ সমান্তৰালভাৱে একাংশ গঞাই বিলৰ পাৰতে বিহু গীত জুৰি, নৃত্য কৰি আনন্দত আত্মহাৰা হৈ পৰা পৰিলক্ষিত হ'ল। উল্লেখ্য যে যুগ যুগ ধৰি প্ৰতি বছৰে বহাগ বিহুৰ উৰুকাৰ দিনা নগঞা ৰাইজে পৰম্পৰাগতভাৱে পালন কৰি আহিছে এই সমূহীয়া মাছ ধৰা উৎসৱ। এই পৰম্পৰা ৰক্ষা কৰি বিগত বৰ্ষসমূহৰ দৰে আজি পুৱাই সমগ্ৰ হাতীচোং অঞ্চলত ৰাইজৰ লগতে জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা অহা সহস্ৰাধিক ৰাইজে মাছ ধৰাৰ বাবে বিলত উবুৰি খাই পৰে। এই সমূহীয়া মাছ ধৰা পৰ্বই বৃহত্তৰ অঞ্চলটোৰ ৰাইজৰ মাজত সম্প্ৰীতিৰ এনাজৰীডালো কটকটীয়া কৰি অহা পৰিলক্ষিত হৈছে। ৰঙালী বিহুৰ এই মাছ ধৰা উৎসৱৰ বাবে অঞ্চলটোৰ ডেকাসকলে বহু দিনৰ পৰাই প্ৰস্তুতি চলায়। আনকি কৰ্মসূত্ৰে আন জিলা অথবা বহিঃৰাজ্যত থকা সকলো দীঘলী বিলৰ মাছধৰা উৎসৱত অংশ ল'বলৈ উৰুকাৰ আগৰ দিনাই ঘৰলৈ আহে। বিভিন্ন ভাষা, ধৰ্ম, বৰ্ণ, সম্প্ৰদায়ৰ লোকে দীঘলী বিলত সমূহীয়াকৈ মাছ ধৰা উৎসৱত অংশগ্ৰহণৰে ভেদহীন বৰ অসমৰ এক চানেকি ডাঙি ধৰাৰ প্ৰয়াস কৰা হয়।

**PHYSIOTHERAPY CENTRE**
H.No-51, Basisthapur Bye lane 4, Survey, Beltola

Contact for all kinds of pain, Spine problem, movement problem, joint stiffness etc. for best treatment by our experienced Physiotherapists.

Contact No- 70021-60730, 60019-99800






Prof. Jagdish Mukhi
Governor of Assam

Raj Bhavan, Guwahati
PIN-781 001

তাৰিখ: এপ্ৰিল ১৪, ২০২২

**শুভেচ্ছাবাণী**

[illegible]

[illegible]

[illegible]

[illegible]

জয় হিন্দ

(অধ্যাপক জগদীশ মুখী)

জনসংযোগ/ডি/৬১৩/২২

Published by Directorate of Information and Public Relations, Assam  Follow us @diprassam




তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Follow us @diprassam dipr.assam.gov.in

জনসংযোগ/ডি/৬৩৩/২২